# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/109 | Language of work: Assames |
| Author (s) / Editor (s): Jotin Goswami (1st issue) Abdus Sattar (2nd & 3rd issue) | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Sāhitya Sabhā Patrika | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1971 C | Edition: |
| Size: 23½ cms - [illegible] 98+96+16+78+24 page | Genre: |
| Volumes: 28 - 3 issue | Condition of the original: good |
| Remarks: Illut. 1st vol. published in the year - 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

অসম সাহিত্য সভা

নং
তাং




# সাহিত্য-কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱা আৰু প্ৰথিতযশা সাহিত্যিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ জন্ম-শতবাৰ্ষিকী স্মৃতি সংখ্যা

অষ্ট বিংশ বছৰ
৩য় সংখ্যা

১৯৭১ চন
১৮৯৩ শক

# অসম সাহিত্য সভা
# পত্ৰিকা

অষ্টাবিংশ বছৰ ॥ ১৮৯৩ শক ॥ ১৯৭১ চন ॥ তৃতীয় সংখ্যা

## সাহিত্য-কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱা আৰু প্ৰথিতযশা
## সাহিত্যিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ
## জন্ম-শতবাৰ্ষিকী স্মৃতি সংখ্যা

সম্পাদক : আব্দুছ ছাত্তাৰ

প্ৰকাশক : শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
যোৰহাট - অসম।

বেটুপাতৰ শিল্পী — শ্ৰীসোণাৰাম চুতীয়া (চন্দন)

মুদ্ৰক — শ্ৰীপাৰ্ব্বতী প্ৰসাদ বৰকটকী
অন্নদা প্ৰিণ্টিং হাউচ
যোৰহাট-১

বেচ—২·০০ টকা


# ॥ সূচী পত্ৰ ॥


| | | | |
|---|---|---|---|
| ১। | স্মৃতি তৰ্পণ | শ্ৰীবোপাৰাম গগৈ … | ১ |
| ২। | মোৰ দেউতাৰ সোঁৱৰণত | শ্ৰীহৰেকৃষ্ণ গোহাঁইবৰুৱা … | ২ |
| ৩। | লব্ধপ্ৰতিষ্ঠ বৰেণ্য সাহিত্যিক ৺পদ্মনাথ গোহাঞিবৰুৱা | শ্ৰীজীৱকান্ত গগৈ … | ৭ |
| ৪। | ৺দেউতাৰ সম্বন্ধে জনা দুটামান কথা | শ্ৰীশৰৎচন্দ্ৰ গোস্বামী … | ১৪ |
| ৫। | হেমচন্দ্ৰ গোস্বামী | ৺পদ্মনাথ গোহাঞিবৰুৱা … | ১৮ |
| ৬। | মোৰ বৰদেউতা পণ্ডিত হেমচন্দ্ৰ গোস্বামী | শ্ৰীললিতা ফুকন … | ১৯ |
| ৭। | 'হেমোজ্জ্বল' ভাষা জননী | বাগ্মীবৰ নীলমণি ফুকন … | ২৪ |
| ৮। | পদ্ম-বাণী | … | ২৮ |
| ৯। | গোহাঞিবৰুৱাৰ নাট্য প্ৰতিভা | অধ্যাপক ডিম্বেশ্বৰ শৰ্ম্মা … | ২৯ |
| ১০। | হেমচন্দ্ৰ গোস্বামী | শ্ৰীলক্ষ্মীনাথ ফুকন … | ৩৫ |
| ১১। | গোহাঞিবৰুৱাৰ 'ভানুমতী' [ বিহঙ্গম দৃষ্টিপাত ] | অধ্যাপক নগেন শইকীয়া … | ৪২ |
| ১২। | প্ৰস্ফুটিত পথ 'উষাৰ' | বাগ্মীবৰ নীলমণি ফুকন … | ৪৪ |
| ১৩। | গোহাঞিবৰুৱাৰ ৰচনা শৈলী সম্বন্ধে দুষাৰমান | ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী … | ৪৫ |
| ১৪। | হেম গোসাঁই আৰু পদ্মগোহাঞি | শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা … | ৫২ |
| ১৫। | গোহাঞিবৰুৱালৈ শ্ৰদ্ধাঞ্জলি | শ্ৰীৰাজেন্দ্ৰ প্ৰতাপ কৰণ … | ৫৫ |
| ১৬। | পদ্মনাথ গোহাঞিবৰুৱা | শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা … | ৫৬ |
| ১৭। | গোহাঞিবৰুৱাৰ চনেট | অধ্যাপক নন্দ তালুকদাৰ … | ৫৮ |
| ১৮। | পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ জীৱনৰ আগছোৱা | শ্ৰীহৰিশ চন্দ্ৰ গোস্বামী … | ৬৪ |
| ১৯। | অসমৰ বুৰঞ্জী আৰু গোহাঞিবৰুৱা | শ্ৰীহৰি প্ৰসাদ নেওগ … | ৬৮ |
| ২০। | কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ দ্বিতীয় অধিবেশন | | ৭২ |
| ২১। | সম্পাদকীয় | | ৭৬ |
| ২২। | অসমীয়া গ্ৰন্থপঞ্জী [ ১৯৬৯-১৯৭০ ] | শ্ৰীভগবান মৰল (সংগ্ৰাহক) | ১-২৪ |

## — 'পত্ৰিকা' সম্পাদনা সমিতি —

শ্ৰীতীৰ্থনাথ শৰ্ম্মা — সভাপতি, অসম সাহিত্য সভা
শ্ৰীযতীন্দ্ৰনাথ গোস্বামী — প্ৰধান সম্পাদক অসম সাহিত্য সভা
ডঃ মহেশ্বৰ নেওগ
শ্ৰীলীলা গগৈ
শ্ৰীবীৰেণ বৰকটকী
শ্ৰীনন্দ তালুকদাৰ
ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য
আব্দুছ ছাত্তাৰ (পত্ৰিকা সম্পাদক - আহ্বায়ক)

# সাহিত্য-কাণ্ডাৰী
# পদ্মনাথ গোহাঞিবৰুৱা



জন্ম—২৪ নৱেম্বৰ, ১৮৭১ চন
৯ আঘোণ, ১৭৯৩ শক।

মৃত্যু—২১ এপ্ৰিল,
১৯৪৬ চন।

# অসম সাহিত্য সভা পত্ৰিকা

| অষ্টবিংশ বছৰ<br>১৮৯৩ শক | সাহিত্য-কাণ্ডাৰী পদ্মনাথ গোহাঞিৰ বৰুৱা আৰু<br>প্ৰথিতযশা সাহিত্যিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ<br>শতবাৰ্ষিকী স্মৃতিসংখ্যা | তৃতীয় সংখ্যা<br>১৯৭১ চন |
|---|---|---|

## স্মৃতি তৰ্পণ *

শ্ৰীবোপাৰাম গগৈ

'We are the music makers
We are the dreamers of dreams.

যুগে যুগে বহু দেশে, বহু বীৰে
বহু দেশ কৰিলে বিজয়-
সিন্ধুৰ মন বিন্দু সজাত বান্ধিলে
বিজয়ৰ উৰালে নিচান।
তথাপিও নোৱাৰিলে কেৱে
জুখিব যে সপোনৰো সপোন,
যদিও তৰিলে চন্দ্ৰ অভিযান।
হুবুজিলে কেৱে 'গাওঁবুঢ়া'ৰ গোড়া মন
আদিম সনাতন
গাওঁবুঢ়া তুমি সাহিত্যৰো ওজা
সংস্কৃতিৰ কঠীয়া তলীত
ভাষাজননীৰ পুতিলা যি লাইখুটা
জন্ম পালে তাতে—
কহিমাৰ সাহিত্য - সভা।
তুমি দেখোন গদাপাণি - ভৈয়ামৰ ?
মহাৰণে হাৰ মনা
আমাৰ অজেয় মন।
আমি তুয়ো যজ্ঞ পাতো আহা
এই বটবৃক্ষৰ তলত।
বৰ্চো সপোন, যি সপোন দেখা নাই কেৱে
সাম্য আৰু মৈত্ৰীৰ
হৃদপদ্মৰ বিশ্বৰূপ।
হওক সেয়ে জননীৰ, সম্প্ৰীতিৰ
যুগে যুগে জয়ী হোৱা
সহস্ৰ যুগৰ, সহস্ৰ জনৰ
অনন্ত ছাৱ ষোড়শোপচাৰ।
যাচিলোঁ ইয়াকে মই তোমাৰ স্মৃতিত
ফুলি উঠক এই জন্ম কুণ্ডলিত
মন গংগাৰ হাজাৰ পদ্মহাৰ
শত বৰষৰ আমাৰ শ্ৰদ্ধাৰ ॥

* (গোহাঞি বৰুৱাদেৱে স্থাপিত কৰি যোৱা কহিমা সভা ভৱনটো দেখি)

# মোৰ দেউতাৰ সোঁৱৰণত

শ্ৰীহৰেকৃষ্ণ গোহাঁই বৰুৱা

[শ্ৰীহৰেকৃষ্ণ গোহাঁই বৰুৱা ৺পদ্মনাথ গোহাঁই বৰুৱা ডাঙৰীয়াৰ একমাত্ৰ পুত্ৰ। তেখেত থাকে তেজপুৰৰ পদ্ম কুটীৰত। শ্ৰীগোহাঁই বৰুৱাই দেউতাকৰ শতবাৰ্ষিকী সোঁৱৰণত এই প্ৰবন্ধটিৰে স্মৃতি তৰ্পণ কৰিছে। পত্ৰিকা সম্পাদক]

মোৰ পিতৃদেৱ ৺পদ্মনাথ গোহাঁই বৰুৱাক সাহিত্যিক, ৰাজনৈতিক আৰু সামাজিক জীৱনত যি দৰে দেখিছিলো তাৰে কেইটামান ঘটনাৰ কথা সাহিত্য প্ৰেমী ৰাইজক মনত পেলাই দিয়াৰ চেষ্টাৰে আজি এই প্ৰবন্ধটি লেখিবলৈ বহিলো।

দেউতাৰ সাহিত্য চৰ্চাই হ'ল জীৱনৰ প্ৰধান কাম। ৰাজনীতি বা অন্য কোনো কামত ব্যস্ত থাকিলেও হঠাৎ কিবা ভাব মনত উদয় হলেই সকলোবোৰ কাম পেলাই থৈ সাহিত্য চৰ্চা কৰা কোঠাত সোমাই কাগজ কলম লৈ লেখাত ব্যস্ত হৈ পৰা দেখিছিলো। এটা কথা আজি মোৰ মনত পৰিছে—এদিন দিনৰ ১২ মান বজাত কাছাৰীত অনাৰেৰী মেজিষ্ট্ৰেটৰ কাম কৰিবৰ কাৰণে সাজি-কাচি ওলাই আমাৰ পুৰণা অভাৰ্লেণ্ড গাড়ীখন পদূলি মুখলৈ উলিয়াবলৈ ড্ৰাইভাৰক নিৰ্দ্দেশ দিলে। আদেশমতে ড্ৰাইভাৰে গাড়ী পদূলিমুখত হাজিৰ কৰিলে। ময়ো পানীখোৱা ছুটীত স্কুলৰ পৰা ঘৰলৈ জলপান খাবলৈ আহি দেউতাৰ লগতে গাড়ীত পুনৰ স্কুললৈ যাবলৈ অপেক্ষা কৰিলো। কিন্তু ১২ বজাৰ পৰা ১ বাজো বাজো হ'ল। দেউতা লেখাৰ পৰা উঠা নাই। ময়ো উপায় নেদেখি ভয়ে ভয়ে আহি দেউতাক সুধিলো "মই খোজ কাঢ়ি স্কুললৈ যামনেকি?" তেতিয়া দেউতাই জেপৰ পৰা ঘড়ীটো উলিয়াই সময় চাই তৎক্ষণাত জাপ মাৰি উঠিল আৰু মোক লগত লৈ কাছাৰীলৈ গ'ল। বাটত মই দেউতাক কিয় আকৌ সাজি-কাচি ওলাই লেখাত বহিলে তাৰ কাৰণ সোধাত কলে—'অসম বন্তিৰ' সম্পাদকীয় মন্তব্য আজিৰ ভিতৰত শেষ নকৰিলে পিচদিনা প্ৰুফ চোৱা নহব। সেই কাৰণে কেইটামান লাগতিয়াল কথা মনত পৰাত সেই কথা পাহৰি নাযাবৰ কাৰণে আগতে লেখি থৈ যাওঁ বুলি টেবুলত বহাত পলম হ'ল। মোৰ দেউতাই জীৱনত বহুত কষ্ট স্বীকাৰ কৰি সাহিত্য চৰ্চা কৰিছিল। নিজৰ জীৱিকাৰ কথাও লগে লগে চিন্তা কৰিব লাগিছিল। ১৯০৯ চনৰ ১ ফেব্ৰুৱাৰীৰ দিনা প্ৰথম ঘোঁৰা-গাড়ী চলাই কাববাৰত ধৰে আৰু সেই দিনাই তাৰ পৰা কিছু আৰ্জ্জন হয়। সেই দিনা ঘোঁৰা-গাড়ী চলোৱা চহীচটোৱে আহি ৰাতি পুৱা ১০ মান বজাত ভাৰা ৰূপে ২ টকা দেউতা বিচনাৰ পৰা উঠাৰ লগে লগে দিয়েহি। দেউতাইও মাহৰ প্ৰথম দিনা উঠিয়েই ভাল খবৰটি পাই আনন্দিত হৈ 'বন্তি' আৰু 'উষা'ৰ সম্পাদনা কামত ব্যস্ত হৈ পৰে। দেউতাৰ এটা ডাঙৰ গুণ আছিল যে যদি অন্য কোনো কামত কৃতকাৰ্য্য হয় তেতিয়াই উৎসাহ-উদ্দীপনা মনত লৈ সাহিত্য-চৰ্চাত লাগি যায়। এদিন পুৱা আগতকৈ সোনকালে দেউতা বিচনাৰ পৰা উঠিল।



আমাৰ আইতাও বৰ আচৰিত হ'ল। কাৰণ, সচৰাচৰ দেউতা ঠিক সময়তকৈ সোনকালে নুঠে। বিশেষ কিবা কাৰণ হলেহে অনিয়ম কৰে। কাৰণ ৰাতি দুই তিনি বজালৈকে লেখা-পঢ়া কৰি পুৱা ১০ মান বজাৰ আগতে কেতিয়াও নুঠে। সেই দিনা মোৰ আইতাই কোৱামতে পুৱা ৮ বজাত বিচনাৰ পৰা উঠিল। কাৰণ সেই দিনা অঃ ভাঃ উঃ সাঃ সভাৰ ১৮ বছৰীয়া অধিবেশন থকাত দেউতাই পুৱাই কাৰ্য্য বিবৰণী ঠিক কৰাত লাগিল। সেই দিনা দিনৰ দুই বজাৰ পৰা বছেৰেকীয়া উৎসৱ আৰম্ভ হয়। কিন্তু হঠাৎ দেউতাক বাটৰ মানুহে আহি খবৰ দিলে যে গাড়ীৰে সৈতে ঘোঁৰাজনী বাগৰি ব্ৰহ্মপুত্ৰৰ বালিত পৰি গাড়ীখন ভাঙিল। দেউতাৰ খন্তেকৰ বাবে কলম হাতৰ পৰা সৰি পৰিল। তথাপি ঘোঁৰাজনী আৰু গাড়ীখন অনাবৰ বাবে মানুহ পঠাই পুনৰ কাগজ কলম হাতত লৈ কামত লাগি গ'ল। গধূলি সভাৰ কাম সমাপ্ত হোৱাত ৰং মনে দেউতা ঘৰলৈ ফিৰিলত মোৰ আইতাই সোধাত কলে যে আজি সভাৰ কাম বৰ সুচাৰুৰূপে হ'ল। অন্যান্য লোকৰ লগত চাহাব আদি সভাত উপস্থিত থকাত দেউতাৰ মনত বৰ ৰং লাগিছিল। সেই দিনাই ৰাতি "পাৰ্থ পৰাজয়" থিয়েটাৰ চাবলৈও গৈছিল। পিচদিনা পুৱা পুৰণি চহীচটোৱে তাৰ নিজৰ দোষত গাড়ীখন ভঙাত কামৰ পৰা বিদায় লৈ গ'ল। সেই দিনা চহীচটোক বিদায় দি গোটেই দিনটো দেউতাই বৰ অমনোযোগীভাৱে কটালে আৰু খোৱাবোৱাও তৃপ্তিৰে কৰিব নোৱাৰিলে। আইতাইও দেউতাৰ মন স্থিৰ নথকাত চিন্তিত হৈ পৰিছিল। কিন্তু তাৰ মাজেদি নিজৰ দৈনন্দিন 'উষা', 'বন্তি'ৰ কাম আদি ঠিকমতে কৰিছিল। আন এটা দিনৰ কথা। পুৱা সোনকালে উঠি চাহ জলপান খাই পোছাক পিন্ধি ডেপুটি কমিচনাৰক বঙলাত লগ কৰিবলৈ গল। সেই দিনাও আনন্দমনেৰে ঘৰলৈ ফিৰিল। ঘৰলৈ আহি আইতাৰ আগত কলে যে জীৱনত পোন প্ৰথম বাৰৰ বাবে প্ৰথম সাহিত্যিক পেঞ্চন আনিলে। দিনটো আছিল ১৯০৯ চনৰ জুন মাহৰ ১৬ তাৰিখ। সেই সাহিত্যিক পেঞ্চনটিৰ মূল্য আছিল মাহিলি ২৫ টকা। তাৰ পৰা কেইবছৰমানৰ পাচত বাঢ়ি ৩০ টকা হয়।

দেউতা তেজপুৰ পৌৰসভাৰ লগত ১৯০৯ চনৰ পৰা বহু বছৰ ধৰি ওতঃপ্ৰোতভাৱে জৰিত আছিল। তেখেতে ১৯০৯ চনৰ ২০ জুনত মিউনিচিপেলিটি বৰ্ডৰ সভাত চাহাব সকলৰ লগত দুপৰীয়া উপস্থিত থাকে। সেই দিনাই সেই সভাত দেউতাক ভাইচ-চেয়াৰমেন মনোনীত কৰে। তেতিয়া চাহাব উপায়ুক্ত চেয়াৰমেনৰ দায়িত্বত আছিল। ভাইচ-চেয়াৰমেনেই সকলো কাম-কাজ চাব লাগিছিল। তেখেতেই প্ৰথম অসমীয়া ভাইচ-চেয়াৰমেন আৰু কেই বছৰমানৰ পিচত প্ৰথম অসমীয়া পৌৰ সভাপতি হয়।

এদিন ৰাতিপুৱা শুই উঠি বাহিৰৰ পৰা আহি দৈনিক ডায়েৰী লিখিবৰ বাবে অফিচ কোঠাত হাতত কলম লৈ বহিছে মাথোন। হঠাৎ খবৰ পালে আসাম ভেলী ট্ৰেডিং কোম্পানীৰ পুৰণি ঘৰত জুই লাগিছে। খবৰ পাই তেখেত জুই লগা ঠাইলৈ দৌৰি গ'ল। বহুত চেষ্টা কৰিও জুই আয়ত্তলৈ আনিব পৰা নাছিল। অৱশেষত জুই শাম কটাৰ পিচত দেউতা ঘৰলৈ ফিৰিল।

# মোৰ দেউতাৰ সোঁৱৰণত

শ্ৰীহৰেকৃষ্ণ গোহাঁই বৰুৱা

[শ্ৰীহৰেকৃষ্ণ গোহাঁই বৰুৱা ৺পদ্মনাথ গোহাঁই বৰুৱা ডাঙৰীয়াৰ একমাত্ৰ পুত্ৰ। তেখেত থাকে তেজপুৰৰ পদ্ম কুটীৰত। শ্ৰীগোহাঁই বৰুৱাই দেউতাকৰ শতবাৰ্ষিকী সোঁৱৰণত এই প্ৰবন্ধটিৰে স্মৃতি তৰ্পণ কৰিছে। পত্ৰিকা সম্পাদক]

মোৰ পিতৃদেৱ ৺পদ্মনাথ গোহাঁই বৰুৱাক সাহিত্যিক, ৰাজনৈতিক আৰু সামাজিক জীৱনত যি দৰে দেখিছিলোঁ তাৰে কেইটামান ঘটনাৰ কথা সাহিত্য প্ৰেমী ৰাইজক মনত পেলাই দিয়াৰ চেষ্টাৰে আজি এই প্ৰবন্ধটি লেখিবলৈ বহিলোঁ।

দেউতাৰ সাহিত্য চৰ্চাই হ'ল জীৱনৰ প্ৰধান কাম। ৰাজনীতি বা অন্য কোনো কামত ব্যস্ত থাকিলেও হঠাৎ কিবা ভাব মনত উদয় হলেই সকলোবোৰ কাম পেলাই থৈ সাহিত্য চৰ্চা কৰা কোঠাত সোমাই কাগজ কলম লৈ লেখাত ব্যস্ত হৈ পৰা দেখিছিলোঁ। এটা কথা আজি মোৰ মনত পৰিছে—এদিন দিনৰ ১২ মান বজাত কাছাৰীত অনাৰেৰী মেজিষ্ট্ৰেটৰ কাম কৰিবৰ কাৰণে সাজি-কাচি ওলাই আমাৰ পুৰণা অভাৰ্লেণ্ড গাড়ীখন পদুলি মুখলৈ উলিয়াবলৈ ড্ৰাইভাৰক নিৰ্দ্দেশ দিলে। আদেশমতে ড্ৰাইভাৰে গাড়ী পদুলিমুখত হাজিৰ কৰিলে। মযোঁ পানীখোৱা ছুটীত স্কুলৰ পৰা ঘৰলৈ জলপান খাবলৈ আহি দেউতাৰ লগতে গাড়ীত পুনৰ স্কুললৈ যাবলৈ অপেক্ষা কৰিলোঁ। কিন্তু ১২ বজাৰ পৰা ১ বাজো বাজো হ'ল। দেউতা লেখাৰ পৰা উঠা নাই। মযোঁ উপায় নেদেখি ভয়ে ভয়ে আহি দেউতাক সুধিলোঁ "মই খোজ কাঢ়ি স্কুললৈ যামনেকি?" তেতিয়া দেউতাই স্তেপৰ পৰা ঘড়ীটো উলিয়াই সময় চাই তৎক্ষণাত জাপ মাৰি উঠিল আৰু মোক লগত লৈ কাছাৰীলৈ গ'ল। বাটত মই দেউতাক কিয় আকৌ সাজি-কাচি ওলাই লেখাত বহিলে তাৰ কাৰণ সোধাত কলে—'অসম বান্তিৰ' সম্পাদকীয় মন্তব্য আজিৰ ভিতৰত শেষ নকৰিলে পিচদিনা প্ৰুফ চোৱা নহব। সেই কাৰণে কেই-টামান লাগতিয়াল কথা মনত পৰাত সেই কথা পাহৰি নাযাবৰ কাৰণে আগতে লেখি থৈ যাওঁ বুলি টেবুলত বহাত পলম হ'ল। মোৰ দেউতাই জীৱনত বহুত কষ্ট স্বীকাৰ কৰি সাহিত্য চৰ্চা কৰিছিল। নিজৰ জীৱিকাৰ কথাও লগে লগে চিন্তা কৰিব লাগিছিল। ১৯০৯ চনৰ ১ ফেব্ৰু-ৱাৰীৰ দিনা প্ৰথম ঘোঁৰা-গাড়ী চলাই কাৰবাৰত ধৰে আৰু সেই দিনাই তাৰ পৰা কিছু আৰ্জ্জন হয়। সেই দিনা ঘোঁৰা-গাড়ী চলোৱা চহীচটোৱে আহি ৰাতি পুৱা ১০ মান বজাত ভাৰা ৰূপে ২ টকা দেউতা বিচনাৰ পৰা উঠাৰ লগে লগে দিয়েহি। দেউতাইও মাহৰ প্ৰথম দিনা উঠিয়েই ভাল খবৰটি পাই আনন্দিত হৈ 'বান্তি' আৰু 'উষা'ৰ সম্পাদনা কামত ব্যস্ত হৈ পৰে। দেউতাৰ এটা ডাঙৰ গুণ আছিল যে যদি অন্য কোনো কামত কৃতকাৰ্য্য হয় তেতিয়াই উৎসাহ-উদ্দীপনা মনত লৈ সাহিত্য-চৰ্চাত লাগি যায়। এদিন পুৱা আগতকৈ সোনকালে দেউতা বিচনাৰ পৰা উঠিল।



আমাৰ আইতাও বৰ আচৰিত হ'ল। কাৰণ, সচৰাচৰ দেউতা ঠিক সময়তকৈ সোনকালে নুঠে। বিশেষ কিবা কাৰণ হলেহে অনিয়ম কৰে। কাৰণ ৰাতি দুই তিনি বজালৈকে লেখা-পঢ়া কৰি পুৱা ১০ মান বজাৰ আগতে কেতিয়াও নুঠে। সেই দিনা মোৰ আইতাই কোৱামতে পুৱা ৮ বজাত বিচনাৰ পৰা উঠিল। কাৰণ সেই দিনা অঃ ভাঃ উঃ সাঃ সভাৰ ১৮ বছৰীয়া অধিবেশন থকাত দেউতাই পুৱাই কাৰ্য্য বিবৰণী ঠিক কৰাত লাগিল। সেই দিনা দিনৰ দুই বজাৰ পৰা বছেৰেকীয়া উৎসৱ আৰম্ভ হয়। কিন্তু হঠাৎ দেউতাক বাটৰ মানুহে আহি খবৰ দিলে যে গাড়ীৰে সৈতে ঘোঁৰাজনী বাগৰি ব্ৰহ্মপুত্ৰৰ বালিত পৰি গাড়ীখন ভাঙিল। দেউতাৰ খন্তেকৰ বাবে কলম হাতৰ পৰা সৰি পৰিল। তথাপি ঘোঁৰাজনী আৰু গাড়ীখন অনাবৰ বাবে মানুহ পঠাই পুনৰ কাগজ কলম হাতত লৈ কামত লাগি গ'ল। গধূলি সভাৰ কাম সমাপ্ত হোৱাত ৰং মনে দেউতা ঘৰলৈ ফিৰিলত মোৰ আইতাই সোধাত কলে যে আজি সভাৰ কাম বৰ সুচাৰুৰূপে হ'ল। অন্যান্য লোকৰ লগত চাহাব আদি সভাত উপস্থিত থকাত দেউতাৰ মনত বৰ ৰং লাগিছিল। সেই দিনাই ৰাতি "পাৰ্থ পৰাজয়" থিয়েটাৰ চাবলৈও গৈছিল। পিচদিনা পুৱা পুৰণি চহীচটোৱে তাৰ নিজৰ দোষত গাড়ীখন ভঙাত কামৰ পৰা বিদায় লৈ গ'ল। সেই দিনা চহীচটোক বিদায় দি গোটেই দিনটো দেউতাই বৰ অমনোযোগীভাৱে কটালে আৰু খোৱাবোৱাও তৃপ্তিৰে কৰিব নোৱাৰিলে। আই-তাইও দেউতাৰ মন স্থিৰ নথকাত চিন্তিত হৈ পৰিছিল। কিন্তু তাৰ মাজেদি নিজৰ দৈনন্দিন 'উষা', 'বান্তি'ৰ কাম আদি ঠিকমতে কৰিছিল। আন এটা দিনৰ কথা। পুৱা সোনকালে উঠি চাহ জলপান খাই পোছাক পিন্ধি ডেপুটি কমি-চনাৰক বঙলাত লগ কৰিবলৈ গল। সেই দিনাও আনন্দমনেৰে ঘৰলৈ ফিৰিল। ঘৰলৈ আহি আইতাৰ আগত কলে যে জীৱনত পোন প্ৰথম বাৰৰ বাবে প্ৰথম সাহিত্যিক পেঞ্চন আনিলে। দিনটো আছিল ১৯০৯ চনৰ জুন মাহৰ ১৬ তাৰিখ। সেই সাহিত্যিক পেঞ্চনটিৰ মূল্য আছিল মাহিলি ২৫ টকা। তাৰ পৰা কেইবছৰমানৰ পাচত বাঢ়ি ৩০ টকা হয়।

দেউতা তেজপুৰ পৌৰসভাৰ লগত ১৯০৯ চনৰ পৰা বহু বছৰ ধৰি ওতঃপ্ৰোতভাৱে জৰিত আছিল। তেখেতে ১৯০৯ চনৰ ২০ জুনত মিউনিচিপেলিটি বৰ্ডৰ সভাত চাহাব সকলৰ লগত চুপৰীয়া উপস্থিত থাকে। সেই দিনাই সেই সভাত দেউতাক ভাইচ-চেয়াৰমেন মনোনীত কৰে। তেতিয়া চাহাব উপাযুক্ত চেয়াৰমেনৰ দায়িত্বত আছিল। ভাইচ-চেয়াৰমেনেই সকলো কাম-কাজ চাব লাগিছিল। তেখেতেই প্ৰথম অসমীয়া ভাইচ-চেয়াৰমেন আৰু কেই বছৰমানৰ পিচত প্ৰথম অসমীয়া পৌৰ সভাপতি হয়।

এদিন ৰাতিপুৱা শুই উঠি বাহিৰৰ পৰা আহি দৈনিক ডায়েৰী লিখিবৰ বাবে অফিচ কোঠাত হাতত কলম লৈ বহিছে মাথোন। হঠাৎ খবৰ পালে আসাম ভেলী ট্ৰেডিং কোম্পানীৰ পুৰণি ঘৰত জুই লাগিছে। খবৰ পাই তেখেত জুই লগা ঠাইলৈ দৌৰি গ'ল। বহুত চেষ্টা কৰিও জুই আয়ত্তলৈ আনিব পৰা নাছিল। অৱশেষত জুই শাম কটাৰ পিচত দেউতা ঘৰলৈ ফিৰিল।

কিন্তু ঘৰত আহি লাইব্ৰেৰীৰ চাবি জেপত বিচাৰি নাপালে। বহু বিচাৰ কৰাত সেই চাবি নাপাই অন্য উপায়েৰে আলমাৰি খুলি ‘বহ্নি’, ‘উষা’ আদি দৰ্কাৰী কাগজ পত্ৰ উলিয়ালে? দেউতাৰ এটা অভ্যাস আছিল যে নিজৰ কিতাপ কাগজ আদি থকা আলমাৰিটোৰ চাবি কোচা বাহিৰলৈ গলে জেপত আৰু ঘৰত থকা সময় খিনিত কঁকালৰ খোচনিত আৰু ৰাতি শুবৰ সময়ত গাৰুৰ তলত ৰাখিছিল। বোধকৰো দৰকাৰী কাগজ-পত্ৰ হেৰাই বুলিয়েই তেনে ব্যৱস্থা কৰিছিল। এই অভ্যাস আমি মৃত্যুৰ আগলৈকে দেখা পাইছিলো। আমাৰ সৰু কালত এই আলমাৰিবোৰতনো কি বস্তু আছে তাক চাবৰ বাবে বৰ কৌতূহল হৈছিল। দেউতাই আলমাৰি খোলাৰ গম পালেই লুকাই-চুৰকৈ বা দৰজাৰ ফাঁকেদি জুমি চাইছিলো। এদিন চকুত পৰিল তাত আচৰিত বস্তু একোৱেই নাই। কেৱল কাগজ-পত্ৰ আৰু ডাঙৰ ডাঙৰ পকা বন্ধা কিতাপহে আছে। এদিন মই জুমি চাই থকা দেখি দেউতাই মোক মাতি কলে—“তোক আজি এটা ভাল বস্তু দেখুৱাওঁ আহ!” মোক চকীত বহুৱাই এটা কাগজৰ চুঙাৰ পৰা আইনাৰ সৰু বটল এটা উলিয়ালে। তাৰ পাচত দূৰবীণ এটা মোৰ চকুত লগাই বটলটোৰ ফালে চাবলৈ কলে। মই দূৰবীণটো দি চাই দেখিলো বটলৰ ভিতৰত এটা জহা চাউল। তাত দেউতাৰ নামটো এইদৰে লিখা আছিল—Honorable P. N. Gohain Baruah. M. R. A. S. তাৰ পৰাই উপলব্ধি কৰিলো— দেউতা কিমান চৌখীন লোক আছিল। সেই নাম লিখা চাউলটি বহুত দিনলৈকে ৰাখিছিলো। কিন্তু তাক পোকে খাই নষ্ট কৰি পেলালে। সাজ-পোচাকত ইমান পৰি পাটি আছিল যে যেতিয়া গভৰ্ণৰ, কমিচনাৰ আদিৰ লগত দেখা কৰিবলৈ গৈছিল ক’লা ৰঙৰ পেণ্ট আৰু আঠুলৈকে পৰা লম্বা কোট আৰু ক’লা নেক্ টাই মাৰিছিল। কোটৰ ওপৰৰ জেপত বাহিৰ ফালে সোণালী ৰঙৰ ৰায় বাহাদুৰ উপাধিৰ মেডেল ওলোমাই লৈছিল। আকৌ কোনো এখন সাহিত্য চৰ্চাৰ মেললৈ গলে থোৰ মাৰি ধুতি পাঞ্জাবী আৰু গাত চাদৰ মেলি লৈ বেছ এজন নিভাঁজ অসমীয়া লোকৰ ৰূপত গৈছিল।

দেউতাৰ ডায়েৰীখন পঢ়ি মই যি বুজিলো তেখেতে সদায় নিয়মিত ভাৱে ডায়েৰীত আগ দিনা হৈ যোৱা বিশেষ কামবোৰৰ সাৰাংশ লিখি থৈ গৈছিল। তাত পঢ়া মতে নিতৌ পুৱা গধুলি এজনী ঘোঁৰাই চলোৱা টম্ টম্ গাড়ীত উঠি মিউনিচেপেলিটিত তেতিয়াৰ দীঘল দাড়িৰ দাফাদাৰ ৰুস্তু সিঙক লগত লৈ নগৰখনৰ চুক-কাণ পৰিদৰ্শন কৰি ফুৰিছিলি। কিবা বেয়া দেখিলে তাক অতি শীঘ্ৰে ভাল কৰিবৰ বাবে নগৰৰ উপায়ুক্তৰ লগত আলোচনা কৰিছিল আৰু লগে লগে তাৰ যথা বিহিত ব্যৱস্থাও লৈছিল। তেখেতৰ দিনৰ মিউনিচিপেলিটিয়ে নগৰৰ সৌন্দৰ্য্যৰ কাৰণে কৰা কাম-কাজ দেখি সেই সময়ৰ কমিচনাৰ গৰ্ডন চাহাবে ভূয়সী প্ৰশংসা কৰিছিল। যেনে— অগ্নিগড়ৰ ওপৰত কৰা পদ্ম পাৰ্ক, জাহাজ ঘাটৰ ওচৰত কৰা হলিডে পাৰ্ক আৰু নগৰৰ মাজৰ দুটা ডাঙৰ পুখুৰীৰ পাৰে পাৰে লগোৱা অসংখ্য লিচু গছ। সেই গছৰ গুটিৰ পৰা আজিও মিউনিচিপেল বৰ্ডে যথেষ্ট টকা উপাৰ্জ্জন কৰি আছে।



মোৰ দেউতাই জীৱনত বহুতো ঘাত প্ৰতিঘাতৰ মাজেদি কৰ্ত্তব্যত আগ বাঢ়ি যাব লাগিছিল। তেখেতৰ মৃত্যুৰ আগলৈকে মই স্কুলীয়া ছাত্ৰ হৈ থকাত বিশেষ সহায় কৰিব পৰা নাছিলো। গতিকে মোৰ ভিনদেউ কেইজনে তেখেতৰ লৰাৰ কাম কৰিছিল। দেউতাৰ সাহিত্য চৰ্চাৰ মাজ ভাগত মোৰ দ্বিতীয় ভিনদেউ ৺হৰিনাথ গগৈয়ে কলিকতালৈ গৈ দেউতাৰ লীলা এজেঞ্চিৰ কিতাপ আদি ছপা কৰাত দিহা-পৰামৰ্শ প্ৰেছত দিছিলিগৈ। এবাৰ দেউতাৰ প্ৰেছৰ কামত ৺হৰি-নাথ ভিনদেউ কলিকতালৈ যাওঁতে তাতে মাজু আই ওলাই আহে আৰু সেই অসুখতে নগাৱঁত মৃত্যু হয়। দেউতাই জীৱনত ডাঙৰ আঘাত পালে আৰু পিচত মোৰ তৃতীয় ভিনদেউ ৺ৰোহিনীকান্ত হাতী বৰুৱাৰ পৰলোক ঘটে। সৰ্ব্বশেষত মোৰ ডাঙৰ ভিনদেউ ৺সিদ্ধেশ্বৰ গোহাঁইদেউৰ যোৰহাটত উপায়ুক্ত হৈ থকা অৱস্থাতে পিঠিত নেৰেঙা হৈ অকাল বিয়োগ ঘটে। তেতিয়াই মোৰ দেউতাই অসহায় বোধ কৰি বহুখিনি সেমেকি পৰিছিল। কাৰণ মোৰ ডাঙৰ ভিনদেউ দেউতাৰ বৰ পুত্ৰৰ তুল্য আছিল। হাজাৰ চৰকাৰী লেঠাত থাকিলেও দেউতাৰ কিবা বিশেষ দৰকাৰ হলে কাম-কাজ পেলাই থৈ আমাৰ ঘৰত উপস্থিত হৈছিলহি।

দেউতাই শ্ৰীকৃষ্ণ তিনি খণ্ড লেখি থকা অৱস্থাতে ডাঙৰ অসুখত পৰে। তেতিয়া দেউতাই একেৰাহে কেইবা ঘণ্টা বহি শ্ৰীকৃষ্ণ লেখাত ব্যস্ত আছিল। কেতিয়াবা খাবলৈকো পাহৰি গৈছিল; মোৰ আইতাৰ মুখৰ পৰা শুনামতে ৰাতিৰ আহাৰ কেতিয়াবা টেবুলত পৰি থাকে। এদিন হঠাৎ ‘হাৰণীয়া’ অসুখ বেছি হৈ লিখি থকা অৱস্থাত চকীত ঢলি পৰিছিল। ধৰা-ধৰি কৰি বিচনাত শুৱাই ডাক্তৰ চাহাবক খবৰ দিয়া হ’ল। তেতিয়া ৰাতি প্ৰায় ১২ মান বাজিছে। সেই সময়ত ডাক্তৰ চাহাব জনৰ নাম আছিল কৰ্ণেল ৰীচি। তেওঁ দেউতাক বৰ ভাল পাইছিল। তেখেত আহি চোৱা-মেলা কৰাত অসুখ কিছু শাম কাটিল। কৰ্ণেল ৰীচিয়ে দহ-পোন্ধৰ দিনলৈকে দেউতাক একেৰাহে বহি লিখা-পঢ়া কৰিবলৈ বাৰণ কৰিছিল। কিন্তু দেউতাই তাৰ মাজেদিও ছেগ বুজি বিচনাত বহি শ্ৰীকৃষ্ণ লিখাত ধৰিছিল। এদিন এইদৰে লিখি থকা অৱস্থাতে ডাক্তৰ চাহাবে আহি দেউতাক দেখি বৰ খং কৰি হাতৰ কাগজ-কলম কাঢ়ি ৰাখিছিল। পিচত মোৰ আইতাৰ আগত কৈছিল যে হঠাৎ যদি কিবা এটা হৈ যায় ভগাৱান শ্ৰীকৃষ্ণৰ জীৱনী লিখা অসমাপ্ত হৈ যাব আৰু সেই কাৰণেহে বিচনাত বহি লিখা-পঢ়া কৰিছিল।

আজিৰ তেজপুৰ একাডেমী স্কুলখনৰ প্ৰথম প্ৰতিষ্ঠা কৰাত দেউতাই বিশেষভাৱে যত্ন লৈছিল। প্ৰথম স্কুলখন প্ৰতিষ্ঠা কৰি তাত অসমীয়া আৰু বঙালী লৰাই একেলগে পঢ়াৰ সুবিধা কৰিছিল। স্কুলৰ দৰকাৰী মিটিং আদি সেই সময়ৰ বঙালী সম্প্ৰদায়ৰ আগ শাৰীৰ নাগৰিক ৺মনমোহন লাহিড়ীৰে ঘৰত বহি আলোচনা কৰিছিল। পুৰণি অঃ ভাঃ উঃ সাঃ সভা ঘৰত স্কুলখন বহিছিল। তাত শিক্ষকতা কৰা প্ৰথম দুজনমান শিক্ষকৰ ভিতৰত শ্ৰীমহীকান্ত দাস (বৰ্ত্তমানৰ অধ্যক্ষ) আৰু তেজপুৰ বাৰ লাইব্ৰেৰীৰ বৰ্ত্তমান সভাপতি শ্ৰীভুপেনচন্দ্ৰ দে মহোদয় আছিল। নানা অসুবিধা আৰু জঞ্জালত পৰি স্কুলখন মাজে মাজে বন্ধ হৈ

থাকিব লগা হৈছিল যদিও দেউতাই তেতিয়াৰ চাহাব উপায়ুক্তৰ লগত সাহসেৰে সকলো কথা খৰচি মাৰি আলোচনা কৰি সৈমান কৰাই স্কুলখন পুনৰ খোলাইছিল। স্কুলখনৰ শিক্ষক আৰু ছাত্ৰসকল ইংৰাজ চৰকাৰৰ বিপক্ষে আছিল। সেই কাৰণে চৰকাৰৰ পৰা অনুদান আদি পোৱাত যথেষ্ট বাধা পাইছিল। কোনো কোনো শিক্ষকে তেওঁলোকৰ বানচ আদি নলৈছিল। উকীল সন্থাৰ বৰ্ত্তমান সভাপতি শ্ৰীভুপেনচন্দ্ৰ দে মহোদয়ে মোক কোৱামতে দেউতাৰ আপ্ৰাণ চেষ্টাত স্কুলখন তিষ্ঠি আছিল। মোৰ দেউতা আৰু সেই সময়ৰ দুই চাৰিজন নগৰৰ বঙালী সম্প্ৰদায়ৰ বিশিষ্ট নেতাৰ সৌজন্যত অসমীয়া আৰু বঙালী ছাত্ৰই একেলগে মিলিজুলি একেখন স্কুলত পঢ়াৰ সুবিধা পাইছিল। সেই সময়ৰ চৰকাৰে সেইটো পছন্দ কৰা নাছিল আৰু অৱশেষত দুভাগ কৰি পেলাইছিল।

দেউতাই নিয়মৰ চুলি এডালো হেৰফেৰ নকৰাকৈ দৈনন্দিন কামবোৰ কৰি গৈছিল। পুৱা দহমান বজাত উঠাৰ লগে লগে একেহাতে সাহিত্য চৰ্চা কৰাৰে পৰা লীলা এজেন্সিৰ কিতাপৰ পেকেট ডাকত পঠোৱা আৰু অনাৰেৰী মেজিষ্ট্ৰেটৰ কাম সমাধা কৰালৈকে ব্যস্ত আছিল। সন্ধ্যা বতাহ বৰমুণ যিমানেই নহওক লাগে সদায়ে লাইব্ৰেৰীৰ সকলো ৰকমৰ কাগজ পঢ়িছিলগৈ। কেতিয়াবা যদি কিবা কাৰণত লাইব্ৰেৰী বন্ধ থাকে তেতিয়া ৰায়চাহেব ডঃ হেমচন্দ্ৰ দাসৰ ঘৰত গৈ কাগজ আদি পঢ়িছিলগৈ। ডঃ হেমচন্দ্ৰ দাসেও দেউতাক গুৰুৰ দৰে ভক্তি কৰিছিল আৰু চাৰ সম্বোধন কৰি মাতিছিল। এতিয়াৰ যিটো ঘৰ কংগ্ৰেছৰ কাৰ্য্যালয় হৈছে সেই ঘৰটো আগতে ক্লাবঘৰ হিচাবে দেউতাহঁতে ব্যৱহাৰ কৰিছিল। সেই ক্লাবঘৰটোৰ নাম আছিল 'ইভ্‌নিং ক্লাব'। তাত গধূলি দেউতাৰ বন্ধুসকলৰ লগত তাচ আদি খেলিছিল। সেই ইভ্‌নিং ক্লাবটোৰ দেউতা বহুদিন সম্পাদক হৈ আছিল। তাতেই নগৰৰ গণ্য-মান্য লোকসকল গোট খাইছিল আৰু বহুত লাগতিয়াল কথা আলোচনা কৰিছিল। মই তেতিয়া পাঠ শালাত পঢ়ো। মাজে মাজে দেউতাই আমাৰ অভাৱলেও গাড়ীখনত মোকো তুলি লৈ ক্লাবলৈ গৈছিল। সেই ক্লাবৰ পিচফালে থকা পুখুৰীটোৰ মাজৰ দ্বীপটোত মাজে মাজে আতচ বাজী দেখুৱাইছিল। আমি বাৰান্দাত থিয় হৈ আতচবাজী চাইছিলো।

আজিৰ এই পুণ্য শতবাৰ্ষিকী উৎসৱৰ দিনত মোৰ পিতৃদেৱৰ বিগত দিনৰ স্মৃতিবোৰে মোৰ অন্তৰত ৰৰকৈ খলকনি লগাইছেহি। তাৰে যিখিনি মই মনৰ মাজত ধৰি ৰাখিব পাৰিছো তাকেই প্ৰকাশ কৰিলো।

সৰ্ব্বশেষত ময়ো সদৌ অসমবাসী ৰাইজৰ লগতে এই শতবাৰ্ষিকী উৎসৱত মোৰ শতকোটি সেৱা পিতৃদেৱলৈ আগ বঢ়ালো।

# লব্ধপ্ৰতিষ্ঠ বৰেণ্য সাহিত্যিক ৺পদ্মনাথ গোহাঞি বৰুৱা

শ্ৰীজীৱকান্ত গগৈ

চামে চামে লোক আহে আৰু যায়। চিৰকাল কোনো নেথাকে। মহাকালে সময়মতে সকলোকে সামৰি লয়। জন্মিলেই মৰিব লাগে; ই জগতৰ চিৰন্তন নীতি। কিন্তু যি, মানৱ জাতিৰ উন্নতিৰ কল্পে, দেশৰ উন্নয়নৰ কাৰণে, অহৰ্নিশে চেষ্টা কৰি পৰি অহা একোটা জাতিক. সচেতন কৰি প্ৰগতিৰ পথত, সময় সাপেক্ষে, আগবঢ়াই লৈ যাব পাৰে, সেইজন পুৰুষেই মৰিও অমৰ হৈ জনসমাজত চিৰকাল বিৰাজ কৰি থাকিব পাৰেই। একালত স্বজন বিৰোধৰ কাৰণেই, অসমদেশ জুৰুলা হৈ, শেহান্তৰত পৰাধীন হৈ পৰিল। সেয়া বেছিদিনৰ কথা নহয়; সৌ সিদিনাৰ কথা। তেনে সময়ত অসম দেশ আৰু অসমীয়া জাতিক পুনৰ ভাষা-সাহিত্যৰ মাধ্যমেৰে যি সকলে মহীয়ান কৰি তুলিব পাৰিলে, সেই সকলৰ ভিতৰত ৺পদ্মনাথ গোহাঞি বৰুৱা ডাঙৰীয়া আছিল কনচেঙস্বৰূপ অক্লান্ত সেনাপতি। হাতত আই সৰস্বতী প্ৰদত্ত অমোঘ লিখনী হেঙ্‌দাঙ্। ধমনীত বুদ্ধিমত্তা, সাহস, পৰিচালনা আৰু কৰ্ম্ম ক্ষমতাৰ প্ৰৱাহমান শোণিতৰ অবিচ্ছেদ্য ধাৰা।

যুগৰ পৰিবৰ্ত্তন হ'ল। ভাৰত বিজয়ী পাঠান-মোগলক বাৰে বাৰে পৰাজিত কৰিব পৰা অসমীয়াৰ শৌৰ্য্য-বীৰ্য্য, গৃহ কন্দলত হ্ৰাস হৈ গল। বিদেশী শক্তিৰ ওচৰত পৰাজয় বৰণ কৰিলে। অমূল্য সম্পদ ৰাশি লুণ্ঠিত হল। নাৰীৰ নাৰীত্ব হেৰাই গল। পিশাচৰ কামাগ্নিত জাহ গল। গণ হত্যাৰ জাউৰি উঠিল। দেশৰ চাৰিওফালে হাহাকাৰ। আৰ্ত্তৰ কৰুণ বিননিত গছৰ পাতো যেন সৰি গল। আকাশৰ বতাহো তৰঙ্গায়িত হৈ পৰিল। এনেতে ত্ৰানকৰ্ত্তাৰ পৰিচ্ছদেৰে আৰু এক বিজাতীয় বিদেশীয়ে ইয়াণ্ডাবু (ডনাবু) সন্ধিৰ যোগেদি, ফাওতে অসম হস্তগত কৰি গজগজীয়া হৈ উঠিল। লগত আহিল সাধাৰণ ভাৱে বিলাতী ভাষা আয়ত্ত কৰা কাকতীসকল। তেওঁলোকেই বুটিছ বিষয়াসকলক ফুচুলাই অসমত বঙ্গভাষাৰ প্ৰচলন চলালে— বিজয় উল্লাসেৰেই। শঙ্কৰ-মাধৱ, ৰাম সৰস্বতী, অনন্ত কন্দলি, ডাক, সমুদ্ৰ খৰি, খনা আদিৰ সুগন্ধি ছন্দৰ অসমীয়া সাহিত্য-বৃক্ষত আনৰ বঘুমলাই ছাটি ধৰিলে। হতাশৰ হুমুনিয়াহ। অসমীয়া ভাষা-সাহিত্যৰ পিত মৰিবৰ উপক্ৰম।

এনে সন্ধিক্ষণতে, স্বাধীন মনা অসমীয়াৰ অন্তৰত জাগি উঠিল প্ৰেৰণা, জাগি উঠিল আত্ম চেতনা। বয়সত প্ৰবীণ হলেও, চিলাৰাইৰ দৰে নিৰ্ভীক, নবীন সৈন্যাধ্যক্ষ ওজা ৺হেমচন্দ্ৰ বৰুৱাই পুনৰ সাহিত্যৰ পতাকা উন্মোচন কৰিলে। দলে, দলে লোক সমবেত হব ধৰিলে—সেই পতাকাৰ তলত। কলিকতাত অধ্যয়ন-ৰত সেই কালৰ ছাত্ৰসকলে 'এ, এচ, এল ক্লাব' শিবিৰ স্থাপন কৰি পেলালে। 'জোনাকী,' 'বিজুলী,' 'আসাম নিউচ,' 'আসাম বান্ধৱ' আদি আলোচনীৰ আবিৰ্ভাৱ হ'ল।

অসম আৰু অসমীয়া ভাষা সম্পৰ্কত মৌলিক চিন্তা ধাৰাৰ প্ৰবন্ধ আৰু কবিতা প্ৰকাশৰ সোঁত বৰলৈ ধৰিলে। স্বনামধন্য সাহিত্যৰথী লিখকসকলৰ ভিতৰত ৺ গোহাঁঞি বৰুৱাদেৱ আছিল অন্যতম। লগৰীয়া ৰথী আছিল ৺ হেম গোসাঁই, ৺ ৰসৰাজ বেজবৰুৱা, ৺ চন্দ্ৰকুমাৰ আগৰৱালা আদি অসমীয়া জাতিৰ কলিজাৰ পাপৰি।

৺ পদ্মনাথ গোহাঁঞি বৰুৱাদেৱে জন্মলাভ কৰিছিল এক বুনিয়াদী আহোম সম্ভ্ৰান্ত কুলত ১৮৭১ খৃষ্টাব্দৰ নবেম্বৰ মাহৰ ২৪ তাৰিখে। জন্মস্থান আছিল উত্তৰ লক্ষীমপুৰৰ নকাঁৰী গাওঁ। সাহ-পিত, বুদ্ধিমত্তা, কৰ্ম্মক্ষমতা, দূৰদৰ্শিতা, স্পষ্ট বাদিতা, স্বদেশ আৰু স্বজাতিৰ প্ৰতি-আকুলতা লাভ কৰিছিল বংশগত ভাৱেই। চাওলুঙ ছুকাফাৰ লগত অহা থাও মুঙ্ ক্লিঙ্লুঙ্মুঙ্ বুঢ়া গোহাঁঞি ডাঙৰীয়াৰ পুত্ৰ থাওকৰু বুঢ়াগোহাঁঞি দেৱৰ ঔৰসত ডাবুকা ওৰফে বাংৰাই মৰাণনীৰ গৰ্ভৰ পৰা জন্মলাভ কৰিছিলে চাওফ্ৰুঙ্ডাম্ বুঢ়াগোহাঁঞি আৰু বকুল ওৰফে কুন্কাই মৰাণ ডেকাবৰুৱাই। তেতিয়া ১২৯৩—১৩৩২ খৃষ্টাব্দৰ মাজভাগ। আহোম সিংহাসনত তেতিয়া ছাও ছুখাঙ্ফা। এই বংশৰ লাকু বৰপাত্ৰ গোহাঁঞি ডাঙৰীয়াই প্ৰধান মন্ত্ৰীৰ আসন শোভা কৰিছিল—চাও ছুচেঙ্ফাৰ দিনত। সেয়া ১৬১১ - ১:৪৯ খৃষ্টাব্দ। এওঁৰেই পুত্ৰ লাহো বৰবৰুৱা হৈছিল ১৬৪৯--১৬৫২ চনৰ ভিতৰত। ১৮২৬/২৭ খৃষ্টাব্দত মানৰ লগত লগা শেষ যুদ্ধৰ ( প্ৰথম আক্ৰমণ নহয় ) সময়ত, শত্ৰুৰ লগত যুদ্ধ দি ৺ গোহাঁঞি বৰুৱাদেৱৰ ককাদেউতাক কিনাৰাম মৰাণ ডেকা বৰুৱাই বীৰৰ মৰণক আঁকোৱালি ধৰিলে। তেখেতৰেই সুযোগ্য পুত্ৰ ৺ ঘিনাৰাম গোহাঁঞি বৰুৱাই ১৮২৪ চনত জাঁজি মৰাণ গাৱঁৰ ঘৰত জন্মলাভ কৰিলে। পিতৃহাৰা হৈ পৰিল তিনিবছৰ বয়সতেই। কৈশোৰ কালত ৺ ঘিণাৰামে নবৌয়েকৰ অত্যাচাৰত নিজঘৰত ৰব নোৱাৰি, বন্ধু গদাধৰ শৰ্ম্মাৰ লগত উত্তৰ লক্ষীমপুৰ পালেগৈ। তাত প্ৰখ্যাত 'বামুণ দাৰোগা'ৰ তত্বাৱধানত প্ৰয়োজনীয় শিক্ষা সাং কৰি মাহিলি ৪/৫ টকা বেতনত পুলিচৰ চাকৰিত ভৰ্ত্তি হৈ পৰিল। নিজ অধ্যৱসায়ৰ গুণত, দোপত দোপে উন্নতি কৰি, অতি কম সময়ৰ ভিতৰতেই শদিয়াৰ 'পলিটিকেল অফিচাৰ'ৰ সমকক্ষ ক্ষমতা লব্ধমান হৈ তেখেতে ১৮৬১ খৃষ্টাব্দত পৰ্ব্বতৰ সীমাও ( Inner line) নিৰ্দ্ধাৰণ কৰি পেলালে। ইয়াৰ পাচতে, চৰকাৰী চাকৰিৰ পৰা নিজেই অৱসৰ লৈ ১৮৬৪ চনত, তেখেত নকাৰী মৌজাৰ মৌজাদাৰ হ'ল আৰু লগে লগে 'ৰায় বাহাদুৰ' খিতাপেৰে বিভূষিতো হৈ পৰিল। ( দুখৰ বিষয়, তেখেতে মাটি দান দিয়াৰ উপৰিও, আৰ্থিক ভাৱে সাহায্য আগ বঢ়ালে। ফলত, ৰাইজৰ উপকাৰৰ কাৰণে ৰায় বাহাদুৰ ৺ ঘিণাৰাম গোহাঁঞি বৰুৱাৰ নামেৰে স্থাপিত উত্তৰ লক্ষীপুৰৰ দাতব্য চিকিৎসালয়টিৰ নাম ফলিখন বৰ্ত্তমান মাত্ৰ এটা জনজীৰ্ণ গোহালি স্বৰূপ ঘৰৰ আগতহে ওলোমাই থোৱা হৈছে, যদিও আন আন ভালেমান পকী, সুন্দৰ ঘৰ-দুৱাৰো হৈ উঠিল। ৺ ঘিণাৰাম গোহাঁঞি বৰুৱা-দেৱক পাহৰণিৰ কোবাল সোঁতত উটুৱাই পঠোৱাৰেই উদ্দেশ্য নহলেইতো পৰম কথা। )

তেখেতৰ ভাৰ্য্যা দুগৰাকী। প্ৰত্যেক গৰাকীৰে চাৰিটি পুত্ৰ আৰু চাৰিটি কন্যাকৈ মুঠ ষোলটি সন্তান-সন্ততি। তাৰে চাৰিটি পুত্ৰ আৰু চাৰিটি

# প্ৰথিতযশা সাহিত্যিক পণ্ডিত হেমচন্দ্ৰ গোস্বামী



জন্ম — ৮ জানুৱাৰী, ১৮৭২ চন। মৃত্যু—২ মে', ১৯২৮ চন।

কন্যা অকালতে মৰহি গ'ল। বাকী থাকিল চাৰিটি পুত্ৰ আৰু চাৰিটি কন্যা। ৺নীলকণ্ঠ গোহাঁঞি বৰুৱা, ৺পদ্মনাথ গোহাঁঞি আৰু মুক্তানাথ গোহাঁঞি বৰুৱাই হৈছে উল্লেখ যোগ্য। ৺মাহিন্দ্ৰী বুঢ়াগোহাঁঞি, ৺আইকণ আৰু স্বনামধন্যা ৺নাৰায়নী সন্দিকৈয়নীয়েই কন্যা সকলৰ ভিতৰত অগ্ৰগন্যা। ৺ঘিণাৰাম গোহাঁঞি বৰুৱাদেৱৰ সুযোগ্য জোঁৱাই হল নৰ্ম্মাল শিক্ষা প্ৰাপ্ত উত্তৰ লক্ষীমপুৰৰ মধ্য ইংৰাজী বঙ্গ বিদ্যালয়ৰ (বৰ্ত্তমান উত্তৰ লক্ষীমপুৰৰ চৰকাৰী উচ্চ মাধ্যমিক আৰু বহুমূখী বিদ্যালয়) প্ৰধান শিক্ষক শিৱসাগৰ নিবাসী ৺কৃষ্ণানন্দ বুঢ়া গোহাঁঞি ডাঙৰীয়া, 'এক্সট্ৰা এচিষ্টেণ্ট কমিচনাৰ' ৺সূৰ্য্যকান্ত বৰুৱা আৰু ভূমি বিভাগৰ 'ডাইৰেক্টৰ' আৰু চাহ খেতিয়ক দানবীৰ ৰায়বাহাদুৰ ৺ৰাধাকান্ত সন্দিকৈ চাহাব। বৃটিছ ৰজাৰ দিনতো, এই আহোম-ৰজা দিনীয়া সম্ভ্ৰান্ত বংশৰ গৌৰৱ উজ্জলি থাকিল! ভগবানৰ চেনেহৰ পৰশ।

৺পদ্মনাথ গোহাঁঞি বৰুৱাৰো, পিতৃৰ দৰেই জীৱন সঙ্গিনী দুগৰাকী। এগৰাকী হল ৺লীলাৱতী (শিৱসাগৰ) আৰু আন গৰাকী হল ৺হীৰাৱতী (তেজপুৰ)। তেখেতৰ কন্যা সন্তান হল:— নিৰ্ম্মলা, দুৰ্ব্বা, শান্তি, পুণ্য, লাহৰী, আইদেওকণ আৰু সুনীতিৰে সৈতে মুঠ সাত গৰাকী আৰু পুত্ৰ সন্তান কেৱল শ্ৰীহৰেকৃষ্ণ গোহাঁঞি বৰুৱা (ভাৰ্য্যা শ্ৰীমতী পৰী আইদেও)। তেখেতৰ জোঁৱায়েক সকলৰ ভিতৰত উপাযুক্ত ৺সিদ্ধেশ্বৰ গোহাঁঞি, ৺হৰিনাথ গগৈ, বি-এল, এড্‌ভোকেট শ্ৰীপ্ৰেমধৰ গোহাঁই (শ্বিলং), প্ৰাদেশিক কংগ্ৰেছ নেতা আৰু ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছ মহাসভাৰ আহ্বায়ক (প্ৰবন্ধ লিখক তেতিয়া নৰ্ম্মালৰ ছাত্ৰ) ৺ৰোহিনী কান্ত হাতীবৰুৱা, শ্ৰীদণ্ডেশ্বৰ হাজৰিকা (গোলাঘাট) বি-এল, এম-এল-এ; আৰু শ্ৰীকমলেন্দু সাহা (কলিকতা) আদি প্ৰত্যেকেই জ্ঞাকত জিলিকা।

শৈশৱ কালত, ৺পানীন্দ্ৰনাথ গগৈদেৱৰ লগত উত্তৰ লক্ষীমপুৰত প্ৰথমতে প্ৰাথমিক আৰু তাৰ পাচত মধ্য ইংৰাজী বিদ্যালয়ৰ শেষ পৰীক্ষাত যথাক্ৰমে সুখ্যাতিৰেই ৺পদ্মনাথ বৰুৱাদেৱে উত্তীৰ্ণ হৈ শিৱসাগৰৰ উচ্চ ইংৰাজী বিদ্যালয়ত অধ্যয়ন কৰি তাৰ শেষ প্ৰবেশিকা পৰীক্ষাতো কৃতিত্বেৰে পাৰ হৈ কলিকতালৈ কলেজীয়া শিক্ষা লাভ কৰিবৰ অৰ্থে গুচি গ'ল গৈ। তাত এফ্, এ শ্ৰেণীত প্ৰথমতে ভূক্ত হৈ নিজৰ অধ্যয়নৰ উপৰিও, 'আসাম বিলাসিনী', 'আসাম নিউচ্', আৰু 'জোনাকী'ত প্ৰবন্ধ-পাতি লিখি প্ৰকাশ কৰাত আত্ম নিয়োগ কৰিলে। কলেজীয়া জীৱনত, তেখেতৰ অৱসৰ সময় ফেৰিৰো সদ্ব্যৱহাৰ হৈ পৰিল। আনহাতে, তেখেতে এফ-এ পৰীক্ষতো সুখ্যাতিৰেই পাৰ হৈ বি-এ মহলাত ভৰ্ত্তি হ'ল।

ছলনাৰে প্ৰয়োগ কৰোৱা বঙ্গ ভাষাৰ ঠাইত অসমত, অসমীয়া ভাষা প্ৰচলনৰ স্বত্ব আৰু ন্যায়-সঙ্গত যুক্তি দেখুৱাই ৺গোহাঁঞি বৰুৱাদেৱে 'অসমীয়া ভাষা আৰু সাহিত্য'ৰ বিষয়ে মৌলিক বহুমূলীয়া প্ৰবন্ধ লিখি প্ৰকাশ কৰিলে। সেই প্ৰবন্ধৰ ওপৰত ভিত্তি কৰি সেই কালত 'কটন কলেজ'ৰ অধ্যক্ষ ৺চুড্‌মাৰ্চন চাহাবে 'Notes on the Assamese Language' শিতানৰ পুথি লিখি প্ৰকাশ কৰিলে। বৃটিছ গৱৰ্ণমেণ্টে সেই সময়ৰ 'কমিচনাৰ' বাহাদুৰ কৰ্ণেল গৰ্ডন চাহাবৰ যোগেদি অসমীয়া যে অসমৰ ন্যায্য ভাষা, তাৰ

সেই পুথিৰ পৰা ভালদৰেই উপলব্ধি কৰি অসমত অসমীয়া ভাষা প্ৰচলনৰ ব্যৱস্থা কৰিলে। ইয়াৰ উপৰিও, চৰকাৰে সৰ্ব্বপ্ৰথমেই সাহিত্যিক 'পেন্সনৰ সৃষ্টি কৰি ৺গোহাঁঞি বৰুৱাদেৱক আজীৱন উপভোগ কৰিবলৈ দি দেশ, ভাষা, সাহিত্য আৰু যোগ্যজনৰ প্ৰতি প্ৰকৃত সমাদৰ যাচিলে। অৱশ্যে, উক্ত অযাচিত দান 'চাৰ্ চাৰ্লচ্ বেলী'ৰ দিনত, ১৯০৮ খৃষ্টাব্দত 'অসম গেজেট্' যোগে প্ৰকাশ কৰিলে। সপোন দিঠকত পৰিণত হ'ল। চেষ্টাৰ সুফল ফলিল।

ছাত্ৰ জীৱনৰ শেষত, ৺গোহাঁঞি বৰুৱাদেৱৰ কৰ্ম্মময় জীৱন আৰম্ভ হ'ল। তেখেতক প্ৰথমে শিৱসাগৰ উচ্চ ইংৰাজী স্কুলৰ সহকাৰী শিক্ষক হিচাবে নিয়োগ কৰি, তাৰ অলপ পাচতেই কহিমাৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকলৈ পদোন্নতি দি ইংৰাজ চৰকাৰে গুণীৰ গুণৰ শলাগ ললে। এই পদত নিযুক্তি পোৱাৰ পাচতেই, তেতিয়াৰ শিক্ষা বিভাগৰ অধিকৰ্ত্তা কানিংহাম চাহাব বাহাদুৰৰ অনুৰোধ ক্ৰমে, তেখেতে স্কুল আৰু কলেজৰ পাঠ্য ৰূপে তলত উল্লেখ কৰা পুথি সমূহ অহৰ্নিশে পৰিশ্ৰম কৰি লিখি প্ৰকাশ কৰিলে। কাৰ্য্যৰ ফল ধৰিল। অসমীয়া ভাষা আৰু সাহিত্য পুনৰ সঞ্জীৱিত হৈ উঠিল। পুথি সমূহ হ'লঃ— ১। আদি শিক্ষা (আদি ছোৱা), ২। আদি শিক্ষা (মাজ ছোৱা), ৩। আদি শিক্ষা ( শেহ ছোৱা ), ৪। নীতি শিক্ষা আদি ছোৱা ( ৪ৰ্থ মানৰ বাবে ), ৫। নীতি শিক্ষা মাজ ছোৱা (৫ম আৰু ৬ষ্ঠ মানৰ বাবে), ৬। নীতি শিক্ষা শেহ ছোৱা (৭ম মানৰ বাবে), ৭। সাহিত্য সংগ্ৰহ ( ৮ম মানৰ বাবে ), ৮। ভূগোল দৰ্পন ( ৩য়, ৪ৰ্থ আৰু ৫ম মানৰ বাবে ), ৯। বুৰঞ্জীবোধ ( ৪ৰ্থ মানৰ বাবে ), ১০। অসম বুৰঞ্জী ( ৫ম, ৬ষ্ঠ, ৭ম আৰু ৮ম মানৰ বাবে ), ১১। হিন্দু বুৰঞ্জী ( ৭ম মানৰ বাবে ), ১২। মুছলমান বুৰঞ্জী ( ৮ম মানৰ বাবে ), ১৩। বৃটিছ বুৰঞ্জী ( ৯ম মানৰ বাবে ), ১৪। জীৱনী সংগ্ৰহ ( মেট্ৰিক কোৰ্চ ), ১৫। লাহৰী উপন্যাস ( আই-এ কোৰ্চ ), ১৬। ফুলৰ চানেকি ( কবিতা বি-এ কোৰ্চ ), ১৭। লীলা কাব্য ( এম-এ কোৰ্চ ), ১৮। গাওঁ বুঢ়া নাটক ( এম-এ কোৰ্চ ), ১৯। পোন প্ৰথম অসম সাহিত্য সন্মিলনীৰ সভাপতিৰ অভিভাষণ ( এম-এ কোৰ্চ ), ২০। সাধনী ছন্দীয়া নাটক ( নৰ্ম্মাল স্কুলৰ পাঠ্য ), ২১। দেশী কছৰৎ ( ব্যায়াম শিক্ষা পাঠ্য ), ২২। শিক্ষা বিধি ( শিক্ষকৰ হাতৰ পুথি )।

ইয়াৰ বাদেও, তেখেতে ১। মহাৰাণী ভিক্টোৰীয়া চৰিত, ২। জুৰণি ( কবিতাৰ শৰাই) ৩। ভানুমতী উপন্যাস আৰু আন আন বাছকবনীয়া ছখন পুথি লিখি অসমীয়াৰ ভবিষ্যত বংশধৰ সকলৰ কাৰণে স্মৃতি চিহ্ন ৰাখি গল— চিৰদিনলৈ। তেখেতৰ কাপৰ পৰা সুৱদি মাতৃ ভাষাৰ নিজৰি নিজৰি ওলোৱা সৌন্দৰ্য্য, লালিত্য মৌলিকতা, স্বদেশ আৰু নিজৰ ভাষাৰ প্ৰতি ভক্তি প্ৰেম আৰু আগ্ৰহৰ উৎস পাহৰণিৰ সোঁতত উটি যাবলৈ দিয়াটো কৃতঘ্নতাৰ বাহিৰে আন একোৱেই হব নোৱাৰে। সেয়েহে, অসমীয়া জাতিয়েও চিৰকাল তেখেতক মানস কুঞ্জত থাপনা কৰি ৰখাৰ পৰিণাম স্বৰূপ, আজি পূৰ্ণ পয়োভৰেৰে তেখেতৰ শতবাৰ্ষিকী জন্মতিথি পালনৰ এক বৃহৎ আঁচনিৰ উদ্যম সমাগত। অসমীয়াৰ নেতৃত্ব পূজাৰ সাৰ্থকতা। তেখেতৰ নামত চৰকাৰী ডাক টিকত প্ৰচলন আৰু প্ৰতীক ধাৰণ কাৰ্য্যও নিশ্চয় তল পৰি নাথাকিব সেই উলহ-মালহত।

পিতৃ ৺ঘিণাৰাম গোহাঁঞি বৰুৱাদেৱৰ কথামতে তেখেতে চৰকাৰী চাকৰি ত্যাগ কৰি নিজ দেশ, জাতি আৰু সাহিত্যৰ প্ৰতি আত্মনিয়োগ কৰিলে। বাসস্থান ললে অতীতৰ মহা পৰাক্ৰমী বাণ ৰজাৰ কন্যা উষাৰ নগৰ তেজপুৰত। যাৰ অন্তৰ নিষ্কলঙ্ক, পৱিত্ৰ আৰু মহান, তেখেতক ভগবানেও কৃপা কৰে। সেয়েহে ৺পদ্মনাথ গোহাঁঞি বৰুৱাদেৱে ১৯১৩ খৃষ্টাব্দত অসমৰ 'চিফ্ কমিচনাৰ' চাৰ আৰ্চডেল আৰ্ল চাহাবৰ ব্যৱস্থাপক সভাৰ চৰকাৰ মনোনীত আহোম প্ৰতিনিধি স্বৰূপে সদস্য নিৰ্ব্বাচিত হৈ শাসন কাৰ্য্যত ভাগ লবলৈ পালে। আনহাতে সেই কাল ছোৱাৰ অলপ পাছতে তেখেতে তেজপুৰৰ পৰা 'উষা' আৰু 'প্ৰদীপিকা' আলোচনী প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ গৌৰৱ বিস্তাৰৰ কাৰণে চেষ্টা কৰিবলৈ ধৰিলে। সেই সময়ত ৺ৰসৰাজ বেজবৰুৱা ডাঙৰীয়া 'বাঁহী' সম্পাদনাত ব্যস্ত আছিল। ৺গোহাঁঞি বৰুৱাদেৱৰ ভিতৰত যে কি কি মৌকোঁহ আছিল, তাক ৺বেজবৰুৱা ডাঙৰীয়াই বুজিছিল আৰু 'বাঁহী'ৰ যোগেদি ৺গোহাঁঞি বৰুৱা দেৱক খুছি তেখেতৰ মৌকোঁহ পাৰি খাবলৈ সক্ষম হৈছিল। ৺গোহাঁঞি বৰুৱাদেৱেও ৺বেজবৰুৱাৰ ৰসৰ ভড়াল লুট পাত কৰিবলৈ যত্ন নকৰাকৈও থকা নাছিল। বহুতে ৺বেজবৰুৱাদেৱৰ বাক্য-শৰ সন্ধানক ঠেক মনোবৃত্তি আৰু ঈৰ্ষা জড়িত সম্প্ৰদায়িকতাৰ পৰিচায়ক বুলিও ভিতৰি উপলুঙা নকৰাকৈও ক্ষান্ত নহৈছিল। কিন্তু আনহাতে, দুয়ো কৃষ্ণাৰ্জ্জুনৰ দৰে পৰম বন্ধু ভাৱত আৱদ্ধ আছিল। উভয়ৰ কাপ যুদ্ধ হুঙ্কাৰত অসম টল্-বল আজিও মনত আছে।

তেজপুৰ বাসীৰ কাৰণেও, স্বৰ্গগত সাহিত্যৰথী জনাই যথেষ্ট নকৰাও নহয়। তেখেতৰ আপ্ৰাণ চেষ্টাতেই, তেজপুৰত 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' আৰু 'বাণ' নাট্যমন্দিৰ সংগঠিত আৰু স্থাপিত হোৱাটো কাৰো অবিদিত নহয়। এনে সময়ৰ অলপ আগ পিচাকৈ চৰকাৰেও ৺গোহাঁঞি বৰুৱা ডাঙৰীয়াক প্ৰথমে 'ৰায় চাহাব' আৰু পাচত 'ৰায় বাহাদুৰ' এম্ আৰ্ এ.চ আৰু এফ্ আৰ্ এচ ( Member of Royal Asiatic Society and Fellow of Royal Asiatic Society ) উপাধি প্ৰদান কৰি সন্মান জনালে—অযাচিত ভাবেই। তেখেতৰ কাৰ্য্যতৎপৰতাৰ হেতুকেই, কহিমাত পোন প্ৰথম বাৰৰ বাবে অসম সাহিত্য সভাৰ শাখা সভা সংগঠিত হল। নগা ভাই-ভনীসকলেও অসমীয়া ভাষাৰ তাৎপৰ্য্য বুজি তেতিয়াৰ পৰাই গুৰুত্ব দিয়া হল। কহিমাত, ৺সাহিত্য ৰথী জনাৰ স্মৃতি চিহ্ন আজিও বিদ্যমান।

যোগ্যজনক সকল অসমীয়াই সন্মান জনাবলৈ কেতিয়াও পাছ নোহোহঁকে। সি জাতিটোৰ জন্মগত স্বভাৱ। সেয়েহে, স্বৰ্গীয় ডাঙৰীয়াজনাক ১। অসম সাহিত্য সভা, ২। চতুৰ্থ অসম ছাত্ৰ সন্মিলনী, ৩। ষষ্ঠ দশ অসম 'এচোচিয়েচন' ৪। গুৱাহাটী আহোম সভা সন্মিলনী, ৫। প্ৰথম শিক্ষক সন্মিলনী, ৬। জয়সাগৰ জয়মতী তিথি সন্মিলনী, ৭। অসম সংৰক্ষিনী সন্মিলনী, ৮। অসম মণ্ডল কানুন-গু সন্মিলনী, ৯। গুৱাহাটী জয়মতী তিথি সন্মিলনী, ১০। কেন্দুগুৰি আহোম

সভা সন্মিলনী আদিৰ সভাপতিৰ আসনত অধিষ্ঠিত কৰি স্বৰ্গগত সাহিত্য ৰথী জনাৰ প্ৰতি বেলেগ বেলেগ সময়ত দেশবাসীয়ে শ্ৰদ্ধাঞ্জলি অপৰ্ণ কৰিলে। ওপৰুক্ত অনুষ্ঠানসমূহৰ অভিভাষণবিলাক সময় মতে ছপা হৈ জন সমাজত দেখা দিলে। শুনা যায় ৺গোহাঁঞি বৰুৱা ডাঙৰীয়াই, জীৱিত কালত দিবা নিদ্ৰা আৰু ৰাত্ৰি জাগৰণ কৰি এই বিলাক মহৎকাৰ্য্য অৰ্থাৎ বিভিন্ন ৰচনা সমূহ সম্পাদন কৰিলে। আবেলি নিজৰ ঘোঁৰা-বাগীখনিত উঠি মাত্ৰ অলপহে ফুৰা-চকা কৰিছিল। ঘৰুৱা পৰিবেশৰ প্ৰতি তেখেতে চকু নিদিয়াকৈও থকা নাছিল। মধুৰ দাম্পত্য জীৱনৰ দায়িত্ব সম্পাদনৰ যোগেদি নিজৰ সতি-সন্তান সকলকো প্ৰকৃত প্ৰয়োজনীয় গুণ সম্পন্ন হোৱাটোত তেখেতৰ পৰিচালনা আৰু অৰিহণা যোগোৱাও উল্লেখযোগ্য। চতুৰ্দ্দিশে ৺গোহাঁঞি বৰুৱা আদৰ্শবান পুৰুষ।

ডেকা কালত ৺পদ্মনাথ গোহাঁঞি বৰুৱাদেৱে সম্পূৰ্ণ ইউৰোপীয় সাজ-সজ্জাৰে সুশোভিত হৈ ভাল পাইছিল। দেখাত মজলীয়া গঠনৰ আৰু তেজোদীপ্ত আননৰ বহল কপাল, ওখ নাক, মধুৰ আৰু গভীৰ চাৱনিৰে তেখেতে সকলোকে মুহূৰ্ত্ততে আকৰ্ষণ কৰিব পাৰিছিল—বংশগত ধীৰ আৰু স্থিৰ গতিৰে।

তেখেত শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ অতি প্ৰিয় শিষ্য আছিল। জীৱনৰ ভাটী বেলাত একেশ্বৰ বাদী মহাপুৰুষীয়া ভাগৱতী ধৰ্ম্মৰ প্ৰতি ঢাল খালে পূৰ্ণমাত্ৰাই। পোচাক-পৰিচ্ছদৰো পৰিবৰ্ত্তন ঘটিল। মূৰত নিয়মীয়া দীঘল চুলি, ডাঙৰীয়া সুলভ গোড়া অসমীয়া সাজ-পোচাকেৰে সঁচাকৈ তেখেত দেখাত অতুলনীয় হৈ পৰিল। সেই সময়ত, তেখেতে ১। গীতা সাৰ (শ্ৰীমদ্ভাগৱতৰ অসমীয়া ভাঙনি), ২। শ্ৰীকৃষ্ণ (আদ্য লীলা,) ৩। শ্ৰীকৃষ্ণ (মধ্য লীলা,) ৪। শ্ৰীকৃষ্ণ (অন্ত্য লীলা) আদি জ্ঞান-গৰ্ভৰ বৃহৎ গ্ৰন্থসমূহ লিখি প্ৰচাৰ কৰিলে। ইয়াৰ বাদেও, তেখেতৰ গ্ৰন্থাৱলী (গোহাঁঞি বৰুৱা গ্ৰন্থাৱলী) তিনিও খণ্ড প্ৰকাশ কৰি জন সমাজলৈ আগ বঢ়াই দি থৈ গল। ধন্য কলিৰ দধীচি মুনি। নিজৰ সৰ্ব্বস্ব বিলাই দিলে ভাষা-জননীৰ পূজাৰ বেদীত অকাতৰেই।

৺গোহাঁঞি বৰুৱাদেৱে তেখেৰ জীৱন কালত অসমীয়া ভাষাৰ সৰ্ব্বমুঠ আঠচল্লিশখন (৪৮খন) জ্ঞান ৰসেৰে ভৰপূৰ সৰু-বৰ পুথি লিখি প্ৰকাশ কৰিলে। এজনৰ দ্বাৰাই এনে দুৰূহ আৰু ব্যয় বহুল অসম্ভৱ কাৰ্য্য সম্পাদনাই আমাক সঁচাকৈ তবধ লগাইছে। অসমীয়া ভাষাত নালাগে, আন উন্নত সৰ্ব্ব-ভাৰতীয় ভাষাতো পাবলৈ টান। জীৱন কষ্টেকীয়া। এই কষ্টেকীয়া জীৱনৰ ভিতৰতেই ৺গোহাঁঞি বৰুৱাৰ দ্বাৰা সম্পাদিত মহৎ কাৰ্য্যাৱলীয়ে চিৰ দিনলৈ অসমীয়া জাতিক নিশ্চয় পথ দেখুৱাই নিব পাৰিব। ডাঙৰীয়া আছিল একেধাৰে শিক্ষক, সুবক্তা, স্বদেশ প্ৰেমিক, ব্যৱস্থাপক, সাংবাদিক, আদৰ্শবান দাৰ্শনিক, কবি, নাট্যকাৰ, ঔপন্যাসিক, বুৰঞ্জীবিদ, অভিনেতা, হাস্যৰসিক, দক্ষ অভিভাৱক আৰু কত কি। একেজনৰ গাতেই ইমানবোৰ গুণ থকা লোকক সঁচাকৈ যুগৰ একোজন মহাপুৰুষ বুলিব পৰা যায়; কাৰণ, সৌ সিদিনাও, আহ্বানত তেখেতে কিছু সংখ্যাত ধাৰাবাহিক ভাবে লিখাৰ কথা, কোনোও দুই কৰিব নোৱাৰে। এনেজন মনীষীৰ নামত স্থাপিত হোৱা উত্তৰ লক্ষীমপুৰৰ ৺পদ্মনাথ গোহাঁঞি



বৰুৱা টাউন বালিকা উচ্চ ইংৰাজী স্কুল ঘৰটিৰ অৱস্থা দেখিলে মনটোলৈ দুখ নহাকৈ নাথাকে। ৰাইজ আৰু চৰকাৰে যত্ন লোৱাটো নিতান্ত বাঞ্ছনীয়।

৺গোহাঁঞি বৰুৱাদেৱৰ ৰচনাৱলীৰ ভাষা মধুৰ আৰু প্ৰাঞ্জল, প্ৰকাশভঙ্গী নিৰ্ভীক, বিষয় চিত্তাকৰ্ষক আৰু দিগন্ত ব্যাপি ভাবৰ বুৰ্-বুৰণি। তেখেতৰ বাক্য যোজনা সৰল আৰু হৃদয় গ্ৰাহী হোৱাটোও লক্ষ্য কৰিব লগীয়া। মনৰ বহল পৰিসৰে তেখেতক প্ৰিয়পাত্ৰ কৰি তুলিছিল—জন সমাজত। চৰকাৰ আৰু ৰাইজৰ মাজত তেখেতে এটি মধুৰ পৰিবেশ সৃষ্টি কৰাত কৃতকাৰ্যও হৈছিল। এনেস্থলত, অসমৰ শীৰ্ষ স্থানীয় বাতৰি আৰু আলোচনী সমূহৰ, ৺গোহাঁঞি বৰুৱাদেৱৰ নামত একোটি বিশেষ সংখ্যা প্ৰচাৰিত হলে স্বৰ্গীয় সাহিত্য ৰথী জনাৰ মূল্যাঙ্কনত নিশ্চয় দেশবাসীক সহায় কৰা হ'ব। সি অৱশ্যে সম্পাদকসকলৰ ইচ্ছা আৰু অভিৰুচিৰ ওপৰতহে নিৰ্ভৰ কৰে।

ইং ২১।৮।১৯৪৬ ৰ দিনা এই জনা মহাপুৰুষৰ জীৱন বন্তি চিৰকাললৈ নুমাই গ'ল। থাকি গল এটি ধূপৰ সুগন্ধি অসমৰ চৌপাশে। আমিও নত শিৰে আজি তেখেতৰ শতবৰষৰ পুণ্যময় জন্ম তিথি সুঁৱৰি ভকতিৰ অৰ্ঘ্য যাচিছোঁ হিয়াৰ তলিৰ পৰাই। সকলোৱে তৰ্পণ কৰোহঁক—

'চিৰ চেনেহী মোৰ ভাষা জননী'।
হে আই ধন্যে পুণ্য হৃৎ পাৱনী॥

* * *

"আমাৰ পৈণত আৰু পুৰঠ সাহিত্যৰে সৈতে আমাৰ সমাজক বলী কৰা, বলী সমাজেৰে আমাৰ জাতীয় জীৱন বলী কৰা আমাৰ এতিয়া আটাইতকৈ আগ কাম হৈছে। এই কামত কৃতিত্ব লাভ নকৰাকৈ আমি অহো পুৰুষাৰ্থ কৰিও আমাৰ জাতিক জাতিমুৱা কৰিব নোৱাৰিমহঁক"।

৺পদ্মনাথ গোহাঞি বৰুৱা

# ৺দেউতাৰ সম্বন্ধে জনা দুটামান কথা

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী

[ লব্ধপ্ৰতিষ্ঠ প্ৰবীণ সাহিত্যিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱৰ পুত্ৰ শ্ৰীশৰৎচন্দ্ৰ গোস্বামীদেৱ গোলাঘাটৰ শ্যামৰাইপুৰ চাহবাগিচাৰ মালিক। তেখেতৰ বৰ্ত্তমান বয়স ৭০ বছৰ। দেউতাকৰ শতবাৰ্ষিকী উপলক্ষে পুতেকে জনোৱা এইয়া স্মৃতি তৰ্পণ ] পত্ৰিকা সম্পাদক।

৺দেউতাৰ কলেজৰ জীৱন ছোৱাৰ জোনাকী যুগৰ কথা আগেয়ে বহুতে লিখিছে। সেইবাবে সেইবোৰ পুনৰ উল্লেখ নকৰি তাৰ পিচৰ কথা কেইটামানকে উল্লেখ কৰিলো।

১৯১৮ চনত চেদ্‌লাৰ্চ কমিচনত যেতিয়া চাৰ আশুতোষ মুখাৰ্জী গুৱাহাটীলৈ আহে তেতিয়া তেখেত আমাৰ গুৱাহাটীৰ ঘৰলৈ আহিছিল। ৺দেউতাৰ লগত তেখেতৰ আগৰে পৰা জনা-শুনা আছিল। কলিকতা বিশ্ববিদ্যালয়ৰ পৰীক্ষক আৰু প্ৰশ্নকাৰক হিচাবে বহুত দিনৰ পৰা চিনাকি।

চাৰ আশুতোষ আমাৰ ঘৰলৈ এটা বিশেষ আলোচনাৰ বাবে ৺দেউতাক লগ পাইছিলহি। কলিকতা বিশ্ববিদ্যালয়ত চাৰ আশুতোষে ভাৰতীয় মাতৃ ভাষাৰ (Indian Vernacular ) এম-এ 'ক'ৰ্চ' খোলাৰ সংকল্প কৰিছিল। তিনিটা সাহিত্যৰ একোটা গ্ৰুপ কৰি—যেনে—অসমীয়া, বঙালী, উড়ীয়া, আকৌ তামিল, তেলেগু, মৈথিলী ইত্যাদি ইত্যাদি।

আলোচনাক্ৰমে যেতিয়া অসমীয়া সাহিত্যৰ পাঠ্য-পুথিৰ কথা ওলাল তেতিয়া ৺দেউতাক অসমীয়া সাহিত্যৰ চানেকী' গ্ৰন্থখন লিখিবলৈ ক'লে। বিশ্ববিদ্যালয়ৰ পৰা দুজন সহায়কৰ বাবে দুহেজাৰ টকা মঞ্জুৰ কৰি পঠিয়াব বুলি কৈ কামটো তৎক্ষণাত হাতত লবলৈ অনুৰোধ কৰিলে। ইয়াৰ কিছু দিনৰ পিচতে ৺দেউতাই কামটো আৰম্ভ কৰিবৰ বাবে অসমীয়া সাহিত্য আঠ ভাগত ভগাই ললে। প্ৰায় বৈষ্ণৱী যুগতে আৰম্ভ কৰি আধুনিক যুগলৈকে। এইখন গ্ৰন্থ সম্পাদন কৰোতে প্ৰায় দুবছৰতকৈয়ো অলপ বেছি সময় লাগিছিল। কাৰণ, কামটো বৰ গধুৰ আছিল। পাণ্ডু লিপিটো ১৯২২ৰ মাজ ভাগতে সম্পূৰ্ণ হ'লগৈ। তাৰ পিচত ৺দেউতাই তিনি মাহৰ ছুটী লৈ কলিকতালৈ অসমীয়া সাহিত্যৰ চানেকীখনৰ পাণ্ডুলিপি লগতে লৈ মোকো লৈ গ'ল। তেতিয়া কটন কলেজৰ আই-এ পৰীক্ষাৰ বাছনিত উত্তীৰ্ণ হৈ বিশ্ববিদ্যালয়ৰ মাছুলৰ টকা কেইটা গুৱাহাটী কংগ্ৰেছ অফিচত জমা দি অসহযোগ আন্দোলনত লাগি গৈছিলো। এয়ে মোৰ প্ৰথম কলিকতা যাত্ৰা।

প্ৰথমতে আমি গৈ কাছিম বজাৰৰ মহাৰাজ মনীন্দ্ৰচন্দ্ৰ নন্দিৰ আপাৰ চাৰ্কুলাৰ ৰোডত উঠিলোগৈ। প্ৰথমতে ৺দেউতাই প্ৰাচ্য সন্মিলনত যোগ দিলেগৈ আৰু সেই সন্মিলনৰ সভাপতি ডঃ ভাণ্ডাৰকাৰৰ লগত কামৰূপ অনুসন্ধান সমিতিৰ বিষয়ে কথা-বাৰ্ত্তা হ'লগৈ। এয়েই অসম মিউজিয়ামৰ জন্ম। প্ৰাচ্য সন্মিলনখন সম্ভৱ দুদিন হৈছিল। সেইখনত জগত বিখ্যাত চিল্‌ৱেন লেভিয়ে



( Sylwen Levy ) সভাপতিত্ব কৰিছিল। এই সন্মিলনখন হৈ যোৱাৰ পিচত অসমৰ বিখ্যাত ব্যৱসায়ী ভোলানাথ বৰুৱাই আমাক তেখেতৰ হাওৰাৰ ডব্‌চন ৰোডৰ ঘৰলৈ লৈ গ'ল। ৺ভোলানাথ বৰুৱাই প্ৰথমতে কলিকতাত কাৰবাৰ আৰম্ভ কৰোতে বোলে ৺দেউতাহঁতৰ লগত একেটা মেচতে আছিল আৰু তেতিয়াৰ পৰা বন্ধুত্বও হয়। আমি ডব্‌চন ৰোডত ৺ভোলানাথ বৰুৱাৰ ঘৰত থকা দিন কেইটাত ৺দেউতাই চাৰ আশুতোষৰ ভৱানীপুৰ ৰোডৰ ঘৰলৈ গৈ অসমীয়া সাহিত্যৰ চানেকিখনৰ বিষয়ে কথা বাৰ্ত্তা হৈ সম্পাদনা সম্পূৰ্ণ কৰিলেগৈ। চাৰ আশুতোষে এই গোটেই কিতাপখন আদ্যোপান্ত দেখি এই খনক অসমৰ অমূল্য সম্পদ বুলি কৈছিল আৰু ছপাও বৰ উচ্চ খাপৰ কৰাব বুলি স্থিৰ কৰিছিল। সেই সময়ত বিশ্ববিদ্যালয়ৰ পুঁজি বৰ টনকিয়াল নোহোৱা কথাটো ৺দেউতাক কৈছিল। তেতিয়া ৺দেউতাই পইছা যোগাৰ কৰিবলৈ চেষ্টা কৰিম বুলি প্ৰতিজ্ঞা কৰিলে। সেই দিনা আবেলি ঘূৰি আহি এই বিষয়ে ৺ভোলা বৰুৱাৰ লগত কথা বতৰা হ'ল। ভোলানাথ বৰুৱাই একে আষাৰ কথাতে বিশ্ববিদ্যালয়ক এই কিতাপ ছপাবলৈ দহ হেজাৰ টকা দিম বুলি গাত ল'লে। তাৰ পিচত ৺দেউতাই খবৰটো চাৰ আশুতোষক দিলেগৈ আৰু তেখেত লগতে আবেলি ৺ভোলা বৰুৱাৰ ঘৰলৈ আহিল। ৺ভোলা বৰুৱাই আদৰ-সাদৰ কৰি তেখেতক বহুৱাই কথা-বতৰা পাতি লগে লগে দহ হেজাৰ টকাৰ চেক এখন চাৰ আশুতোষক দিলে আৰু কিতাপখন ভালকৈ ছপা কৰি তেখেতক উলিয়াবলৈ অনুৰোধ কৰিলে। ইয়াৰ পিচত আশুতোষ মুখাৰ্জীয়ে দেউতাৰ হতুৱাই ৺ভোলা বৰুৱাই 'নাইটহুদ' ( চাৰ উপাধি ) এটা গ্ৰহণ কৰিবনে নকৰে সোধোৱাত বৰুৱাই উত্তৰ দিলে যে 'চাৰ' হৈ যিটো আনন্দ পাম তাতোকৈ আমাৰ অসমৰ হকে এই সামান্য দানকণ দিয়াৰ ভাগ্য হোৱাত বহুত বেছি আনন্দ পাইছো। এই কিতাপকেইখন আৰু আগতে সম্পূৰ্ণ হলহেঁতেন। কিন্তু এটা ঘটনাই ১৯২১ চনৰ আগষ্ট-চেপ্তেম্বৰ মাহত ৺দেউতাক অলপ মানসিক অশান্তিয়ে এমাহ দেৰী কৰালে। ঘটনাটো হ'ল—সেই সময়ত মহাত্মা গান্ধী প্ৰথম গুৱাহাটীলৈ আহে। তেখেত আহি ৺তৰুণৰাম ফুকনৰ ঘৰত আছিল। মহাত্মা গান্ধী আহি পোৱাৰ কেইদিনমান আগৰে পৰাই গুৱাহাটীত নানা ৰকম জল্পনা-কল্পনা। মহাত্মা গান্ধী আহি পোৱাৰ বোধকৰো পিচ দিনা ৰাতিপুৱা আমাৰ ঘৰত ৺ৰাধানাথ ফুকন, ৺যোগেন্দ্ৰ বৰুৱা (জজ) আৰু দেউতাৰ ভিতৰত মহাত্মা গান্ধীক দেখা কৰা নকৰা লৈ আলোচনা চলিছে। ৺ৰাধা ফুকনে ক'লে যে আনন্দচন্দ্ৰ আগৰৱালাই ( সেই সময়ত পুলিচ চাহেব ) এগুণকে দহগুণ কৰি চৰকাৰলৈ 'ৰিপোৰ্ট' কৰি বিপদত পেলাব পাৰে। ৺যোগেন্দ্ৰনাথ বৰুৱায়ো তাকেই সমৰ্থন কৰি দেখা কৰাটো সমীচীন নহব বুলি কলে। তেতিয়া দেউতাই কলে, "মোৰ এই চিনিয়ৰ মেজিষ্ট্ৰেচিৰ খিতাপ লৈ আচামী ফৰিয়াদীৰ কোনে কাক কোনখন গালত কেইটা চৰ মাৰিলে তাক সোধ পোছ কৰাতকৈ আমাৰ ঢেকিয়ালৰ গৌৰাং সত্ৰলৈ গৈ শ্যামৰাই মহাপ্ৰভুক সেৱা কৰি লগতে মাতৃ ভাষা আৰু সাহিত্যৰ কাম কৰি বেছি শান্তি পাম - দেশ সেৱাও হ'ব।"

দেউতাই গান্ধীজীক দেখা কৰাৰ প্ৰধান কাৰণ হ'ল যে তেখেতে 'য়ং ইণ্ডিয়া' ( Young India ) নামৰ জগত বিখ্যাত কাগজখনত অসমৰ বিষয়ে প্ৰথমতে এটা প্ৰবন্ধত অসমৰ পৰ্ব্বত-পাহাৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু পাহাৰী মানুহ বিলাকৰ সৰল আৰু অজলা স্বভাৱৰ কথা বৰ্ণনা কৰিলে লগতে নিশ্চয় অসমীয়া জাতিটোও তাতে সোমাই পৰিল। এইটো আমাৰ সকলোৰে প্ৰতি অনিচ্ছাকৃত এটা ডাঙৰ ভুল হৈ গ'ল। আমাৰ প্ৰাচীন সংস্কৃতি, চহকী সাহিত্য আৰু শিল্পৰ কথা একোকে উল্লেখ নকৰিলে। এই Young India কাগজখন প্ৰসিদ্ধ কাগজ আৰু জগতজুৰি প্ৰচলিত হয়। তাত এনেকুৱা এটা ভুল আৰু অসম্পূৰ্ণ বৰ্ণনাৰ বাবে ৺দেইতাই মনতে বৰ দুখ পালে আৰু যেনে তেনে মহাত্মা গান্ধীক লগ ধৰি আমাৰ প্ৰাচীন সাহিত্য সংস্কৃতি আৰু অতীত বুৰঞ্জীৰ বিষয়ে এটা আভাস দিব বুলি ৺তৰুণ ফুকনক অনুৰোধ কৰিলে যেন মহাত্মাজীৰ ব্যস্ত কাৰ্য্যসূচীৰ ভিতৰতে পোন্ধৰ মিনিটৰ সাক্ষাৎ এটা ঠিক কৰি দিয়ে। ৺তৰুণ ফুকন প্ৰথমতে অলপ আচৰিত হ'ল—তাৰ পিচত কথাটো বুজি এটা সময় নিৰ্দ্ধাৰণ কৰি দিবলৈ গাত ললে। সেই মতে ৺দেউতাই তিনি-চাৰি শ বছৰৰ পুৰণি সাঁচি পাতৰ পুথি যিখনত গীতাৰ নিচিনা এখন ইমান ওখ থাপৰ শাস্ত্ৰ অতি সহজ অসমীয়া গদ্যত ৰচনা হৈছিল ( যেতিয়া পৃথিবীতে গদ্য সাহিত্য বিৰল ) আৰু লগতে চাৰি শ বছৰীয়া পুৰণি 'হস্তি বিদ্যাৰ্ণৱ' নামৰ পুথিখনত য'ত হাতেৰে অঁকা ছবিবোৰ এতিয়াও পানীৰে ধুই দিলে জিলিকি পৰা দেখি মহাত্মা গান্ধী আচৰিত হ'ল যে পানীয়ে ৰংটো নিকাহে কৰে। ইমান পুৰণি কালতে পশু চিকিৎসা বিজ্ঞানত ইমান আগবঢ়া জাতিটো যে কি জাতি আছিল সেইটো গান্ধীজীয়ে ভালকৈ উপলব্ধি কৰিলে আৰু আগতে 'য়ং ইণ্ডিয়া'ত ওলোৱা অসমৰ বিষয়ে প্ৰবন্ধটো শুধৰাম বুলি কথা দিলে। কিছুদিনৰ পিচতে তেওঁ Lovely Assam বুলি এটা প্ৰবন্ধ লিখিলে। ৺দেউতাৰ পক্ষে সকলো বিপদ কাতি কৰি থৈ মহাত্মা গান্ধীক লগ ধৰি এই ভুলটো সংশোধন কৰাটো কম ডাঙৰ কাম নহয়।

ইয়াৰ এসপ্তাহমানৰ আগতে আৰু এটা ঘটনা চুৰ্চুৰিয়াকৈ হৈ গ'ল। মহাত্মা গান্ধীৰ অভ্যাৰ্থনাৰ বাবে ৺তৰুণ ফুকন, নবীন বৰদলৈকে আদি কৰি কেইজনমান সেই সময়ৰ কংগ্ৰেছৰ গুৰি ধৰোঁতাই ( বোধকৰো শ্ৰীবিষ্ণু মেধিও ) ধন সংগ্ৰহ কৰা অভিযান এটাত আমাৰ ঘৰলৈকে আহিছিল। তেতিয়া দেউতাই কলে, "ভিতৰৰ ফালৰ পৰা যদি কিবা কৰিব পাৰাহঁক কৰা, মোৰ হাতত একো নাই,"। তাৰ পিচত ৺তৰুণ ফুকনে আমাৰ মাক কোৱাত গিণি এটা কি দুটা আৰু হাতৰ সোণৰ বালাযোৰ দিলে। তেখেতসকলে অশেষ ধন্যবাদ দি গুছি গল। এই ঘটনাটো ৺দেউতাই মহাত্মা গান্ধীক দেখা কৰাৰ কেইদিনমান আগৰ ঘটনা। ৺দেউতাই মহাত্মাজীক দেখা কৰা কথাটো কুটি-ফাটি গ'ল আৰু প্ৰায় এসপ্তাহৰ ভিতৰতে মিঃ দেনেহি, তেতিয়াৰ মুখ্য সচিবে মিঃ বেণ্টিঙ্কলৈ গোপনীয় চিঠি দি দেউতাৰ পৰা কৈফিয়ৎ লৈ তৎক্ষণাত চিলঙলৈ খুজি পঠালে। এইটো নিশ্চয় ৺আনন্দ চন্দ্ৰ আগৰৱালাৰ কৃপাত হৈছে। ৺দেউতাই চান্দাৰ সম্বন্ধে ক'লে যে "মই কোনো চান্দা দিয়া নাই, কিন্তু মোৰ তিৰোতাই যদি কিবা দিছে, সেইটো অনুমতি লৈ দিয়া নাই। কাৰণ সেইটো তেওঁৰ স্ত্ৰী ধনৰ পৰা দিছে যিটোত মোৰো কোনো হাত নাই। Law is on her side. মহাত্মা গান্ধীক মই দেখা কৰাটো হয়। কাৰণ তেওঁ লিখা Young India নামৰ প্ৰখ্যাত কাগজখনত মোৰ মাতৃভূমি অসমখন কেৱল পৰ্ব্বত পাহাৰৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ ঠাই, মানুহবোৰো সৰল আৰু অজলা ( কিন্তু আমাৰ অতীত বুৰঞ্জী অতীত সংস্কৃতি শিল্প আৰু অতি চহকী সাহিত্যৰ কোনো উল্লেখ নাই। অথচ, য়ং ইণ্ডিয়াখন পৃথিৱীৰ সকলো ঠাইতে পঢ়ে।) তেনে কাগজ এখনত মোৰ মাতৃভূমিৰ বিষয়ে মহাত্মা গান্ধীয়ে অজ্ঞতাৰ বাবে এনেকৈ লিখাত সেই ভুল সংশোধন কৰিবলৈ আমাৰ অতীত সাহিত্য সংস্কৃতিৰ এটা আভাস দিবলৈহে মই দেখা কৰিছিলো। এই আভাস দিয়াটো মোৰ কৰ্ত্তব্য আৰু মাতৃভূমিৰ সেৱা বুলিহে মই ধৰো — কোনো ৰাজনৈতিক কাৰণত মই তেখেতক লগ ধৰা নাই — কোনো ৰাজনৈতিক কথাও উঠা নাই। মই তেখেতক এইবোৰ দেখুওৱাৰ ফলত তেখেতৰ ভুলটো বুজি তাৰ পিচৰ সংখ্যা Young India ত Lovely Assam বুলি তেখেতে নিজে এটা প্ৰবন্ধ লিখি নিজৰ ভুল স্বীকাৰ কৰে।" এই গোটেই বিবৃতিটো মিঃ বেণ্টিঙ্কে চিলঙলৈ পঠিয়াই দিয়ে। অৱশ্যে কিবা মতামত দিলে নে নাই কব নোৱাৰো। নকৰিবও পাৰে কাৰণ ৺দেউতাক তেওঁ বৰ ভাল পাইছিল আৰু শ্ৰদ্ধাও কৰিছিল। ৺দেউতাৰ এনেকুৱা মনোভাৱৰ বাবে মিঃ বেণ্টিঙ্ক, মিঃ বাৰ্ণচকে আদি কৰি বহু উচ্চ পদস্থ বিষয়াই ৺দেউতাক শ্ৰদ্ধা কৰিছিল। ৺দেউতাই মোক দঢ়াই দঢ়াই চাকৰি কৰিবলৈ মানা কৰিছিল নিজৰ অস্তিত্ব নেহেৰুৱাবলৈ। দেউতা ঢুকুৱাৰ পিচত চাৰ চৈয়দ চাদুল্লা চাহাবে ( সেই সময়ৰ অতি ক্ষমতাশালী ব্যক্তি আৰু ৺দেউতাৰ ছাত্ৰ ) জোৰ কৰি মোক চাৰ লৰি হেমণ্ডৰ ( তেতিয়াৰ গৱৰ্ণৰ ) ওচৰলৈ লৈ গৈ ই-এ-চি কাম কৰিবলৈ কোৱাটো মই নকৰিলো। মোৰ সমসাময়িক বন্ধুসকলৰ ভিতৰত যি কেইজন চাকৰিত সোমাইছিল তাৰ বেছি ভাগেই ঢুকাল। যি দুই চাৰিজন আছে প্ৰত্যেকৰেই স্বাস্থ্য বেয়া। ৰক্তচাপ আৰু বহুমূত্ৰত ভুগিছে। ঈশ্বৰৰ কৃপাত মই এতিয়াও সেই সম্পতিকেইটা ঘটিব পৰা নাই। উঠি লৰি ফুৰিছোৱেই—এই বুঢ়া কালত উৰাজাহাজ লৈ নিজে চলাই ইউৰোপীয় চাহ খেতিয়ক বন্ধুবোৰক দেখুৱাই দিলো অসমীয়াইও এইবোৰ কৰিব পাৰে। বুঢ়া বয়সতো ময়েই বোধকৰো প্ৰথম অসমীয়া ৬০ বছৰীয়া বুঢ়া যি আকাশী বিমান লৈ নিজে চলোৱা এতিয়া মোৰ বয়স ৭০ বছৰ।



> "অসমৰ ধৰ্ম্ম সাহিত্য অসমীয়া মানুহৰ জাতীয় জীৱনৰ ঘাই সম্বল আৰু মোল নাইকিয়া বাপতী সাহন।"
>
> ৺ হেমচন্দ্ৰ গোস্বামী

# হেমচন্দ্ৰ গোস্বামী

৺পদ্মনাথ গোহাঞি বৰুৱা

চনেট্ চানেকি আঁচি পোন্ প্ৰথমতে,
'প্ৰকৃতিৰ চো-ঘৰ' চাই 'পিত্-পিত্',
অসমীয়া সাহিত্যৰ ভঁৰালত থিত্
নতুন সম্ভাৰ এটি কৰিলাঁ লাচতে।
'চানেকি' সংগ্ৰহ কৰি জাতি-সাহিত্যৰ,
অসম সমল স'তে সতিনী থলত
বন্ধালাঁ যি ওখ দৌল 'বিশ্ব-মণ্ডপত,
চৰাব গৌৰৱ সি যুগ-যুগান্তৰ।
'কাকুতি' তোমাৰ শুনি, প্ৰেমিকাৰ প্ৰতি,
'বিজুলী বুকুত দেখি' সেই 'সোণলতা',
নপমি নোৱাৰে,—যাৰ সুকৰুণ মতি—
প্ৰতি পদে প্ৰতিভাত হোৱা কোমলতা ;
বুৰঞ্জী-ভোমোৰা তুমি, পুৰণিত ৰতি,
সাধিলাঁ তাৰেই দেৱ মৰ্ত্য অমৰতা। *

* 'জুৰণি'ৰ পৰা

"সকলো জাতিৰে নিজৰ মাতৃভাষাৰ ওপৰতে স্নেহ থকা স্বাভাৱিক কিন্তু অসমীয়া মানুহৰ অনুৰাগ যিমান বেছি আন কম জাতিৰ হে তেনে অনুৰাগ দেখা যায়। অসমীয়া মানুহক অতি সহজে থং তোলাব খুজিলে আন একো নকৰি কেৱল অসমীয়া ভাষা নিন্দা কৰিবা। তেতিয়া দেখিবা লৰ্ডচেমছ্ ফোৰ্ডৰ শান্ত শিষ্ট অসমীয়া মানুহে কেনে ৰুদ্ৰ মূৰ্ত্তি ধাৰণ কৰে।"

হেমচন্দ্ৰ গোস্বামী

# মোৰ বৰদেউতা পণ্ডিত

## হেমচন্দ্ৰ গোস্বামী

শ্ৰীললিতা ফুকন

অসমৰ সুপ্ৰখ্যাত সাহিত্যিক, মাতৃ-ভাষাৰ একনিষ্ঠ সেৱক, প্ৰত্নতত্ত্ববিদ পণ্ডিত হেমচন্দ্ৰ গোস্বামী সুদৰ্শন পুৰুষে গোলাঘাটৰ ঢেকিয়াল মৌজাৰ গৌৰাঙ্গ সত্ৰত ১৮৭২ চনৰ ৮ জানুৱাৰীত জন্ম গ্ৰহণ কৰে।

মোৰ ককাদেউতা ৺ডম্বৰুধৰ গোস্বামীৰ দুজন ল'ৰা আৰু এগৰাকী ছোৱালী আছিল। প্ৰথম জন ল'ৰা ৺হেমচন্দ্ৰ আৰু দ্বিতীয়জন ৺জগতচন্দ্ৰ। একমাত্ৰ ছোৱালী থৰ্গেশ্বৰী (আইটী)। মোৰ দেউতা ৺জগতচন্দ্ৰ গোস্বামী আৰু পেহীটি থৰ্গেশ্বৰী দেৱী নেওগ আছিল। আমাৰ আইতা ৺ঘনকান্তি দেৱীক আমি পাইছিলো। তেখেতে আমাক বৰ মৰম কৰিছিল আৰু পৰৰ কাৰণে যি কামতে নেলাগে আনন্দ মনেৰে কৰিছিল।

মই সৰুছোৱালী, সৰু কালতে ৺বৰদেউতাৰ লগত থাকি যি শিক্ষা, মৰম-চেনেহ আৰু সজ-কথা শিকিছিলো আজিও মনত আছে। তাৰেইহে দুই এটা কথা আজি লিখিবলৈ ওলাইছো। ৺বৰদেউতা, ৺দেউতা আৰু ৺পেহীটি, তিনিও ভাই ককাই ভনীৰ খুব মিলাপ্ৰীতি আছিল। দেউতা আৰু বৰদেউতা ৰাম লক্ষ্মণৰ দৰে ভাই-ককাই আছিল। দুয়োজনে চৰকাৰী চাকৰি কৰিছিল। সেই কাৰণে দুয়ো ভাই ককাই বেলেগ বেলেগ ঠাইত থাকিব লগীয়া হৈছিল। বৰদেউতা গুৱাহাটীৰ ঘৰত আৰু দেউতা গোলাঘাটত আছিল। অৱশ্যে তাৰ আগতে অসমৰ বহুতো ঠাইলৈ বদলি হৈ গৈছিল।

মোৰ মনত পৰাৰে পৰাই দেউতা গোলাঘাটত আৰু বৰদেউতা নিগাজীকৈ গুৱাহাটীৰ উজান বজাৰৰ ঘৰত আছিল আৰু আইতা আৰু পেহীয়ে ৬/৭ মাহকৈ ৺বৰদেউতাৰ লগত আছিল। দেউতা সৰু পুতেক কাৰণে আইতাৰ মৰমো অলপ বেছি। সেইবাবেই আইতা আৰু পেহীটি দুয়ো ৪।৫ মাহ গোলাঘাটৰ ঘৰত দেউতাৰ লগত আছিলগৈ। কিন্তু পঞ্চতীৰ্থৰ মাজ কাৰণে আইতা গুৱাহাটীৰ ঘৰতে বেছি দিন থাকে।

৺দুৰ্গা পূজা, বিহু আদিত দেউতাই সপৰিয়ালেৰে ঘৰলৈ মাক, ককায়েক, ভনীয়েকৰ ওচৰলৈ আহে। তেতিয়া আমি সৰু সৰু। আমাৰ কি আনন্দ। ৺বৰদেউতাৰ অকৃত্ৰিম মৰম। খোৱা-বোৱা, পিন্ধা-উৰা আদিৰ খা-খবৰ ৰাখে। মা-বৰমা আৰু পেহীটিতো আছেই। সন্ধ্যা গোঁসাই ঘৰত বহি আমাক শিৱৰ স্তোত্ৰ "মধু দানৱ, দাৰুণ প্ৰভৃতি শিকায়। মই, ৺কমলা, ৺লিলি, মইনী-বাইদেউ আৰু পেহীটিয়ে সদায় আৰতি গাওঁ। ৺বৰদেউতাই শুনি থাকে।

৺বৰদেউতাই চেতাৰ বজোৱা কথাটো ক'তো উল্লেখ কৰা দেখা নাই। পানবজাৰৰ ৺কালীচৰণ সেনগুপ্ত ৺বৰদেউতাৰ খুব নলে-গলে লগা বন্ধু আছিল। তেখেতে আৰু বৰদেউতাই গধূলি অকলে অকলে আপোন মনে নদীৰ পকাঘাটত চেতাৰ বজাই আনন্দ লভিছিল। পিছত ৺বৰ-দেউতাৰ এটা দুৰ্ঘটনা ঘটিছিল। বাওঁহাতৰ বুঢ়া

আঙ্ লিটো কটা যোৱাত চেতাৰ বজোৱা জীৱনৰ বাবে শেষ হৈ যায়।

৺বৰদেউতাই বেলৰ চৰবত আৰু বেলৰ মোৰব্বা খাই বৰ তৃপ্তি পাইছিল। বৰমাই নিজ-হাতেৰে বেলৰ চৰবত আদি কৰি খুৱাইছিল। আমাক প্ৰায়েই ৺বৰদেউতাই গুৱাহাটীত ৰাখিছিল। কামৰ দায়িত্ব থকাৰ বাবে দেউতা-মা গোলাঘাটলৈ যায়। মই গুৱাহাটীতেই প্ৰায়ে থাকো আৰু ছাত্ৰী বাৰীৰ স্কুলত পঢ়িছিলো ৺বৰদেউতাৰ যত্নত।

এবাৰ মোৰ মাৰ খুব অসুখ হৈছিল। ৺বৰদেউতাই বৰদাদা ৺কিৰণ গোস্বামীক পঠাই গোলাঘাটৰ পৰা মাক অনালে। মা আহিল। ইয়াত ৺বৰদেউতাই ভাল চিকিৎসকৰ হতুৱাই চিকিৎসা কৰাই মাক ভাল কৰালে। সেইবাবেই উজান বজাৰৰ ঘৰত মোৰ জন্ম হৈছিল। ৺বৰ-দেউতাই গান বৰ ভাল পাইছিল। ৺কামাখ্যা ৰাম বৰুৱাৰ বৰজীয়াৰী 'বুলি' আৰু মোক গান গাবলৈ দিয়ে। আমি প্ৰায়েই "সত্য মঙ্গল" আৰু 'কোথাই সত্য কোথাই ধৰ্ম্ম' নামৰ গান দুটি গাওঁ। ৺বৰদেউতাই এই গান দুটি শুনি বৰ ভাল পাইছিল।

গোলাঘাটৰ ঘৰলৈ যেতিয়া ৺বৰদেউতা যায় আমাৰ ঘৰখন বিয়া ঘৰ যেন হয়। বহুতো মানুহ গাৱঁৰ পৰা ৺বৰদেউতাক চাবলৈ ভাব-ভেটী লৈ আহে আৰু কথা বাৰ্ত্তা পাতে। গপ অহঙ্কাৰ মুঠেই নাই। চাহ জলপান খুৱাই গাৱঁৰ মানুহক বিদায় দিয়ে। এনেকুৱা বহুতো সৰু সৰু খুঁটি-নাটি কথা লিখি শেষ কৰিব নোৱাৰি।

তাৰপিছত দিনবোৰ বাগৰে। মোৰ গুৱাহাটীৰ সম্ভ্ৰান্ত পৰিয়াল ফুকনৰ ঘৰৰ ল'ৰাৰ লগত বিয়া হয়, আৰু গুৱাহাটীতে ৺বৰদেউতাৰ ওচৰতে থাকিবলৈ পালো। মোৰ শান্তি বিয়া ৺বৰদেউতাৰ ঘৰৰ পৰাই হৈছিল। চন তাৰিখ মোৰ মনত নাই। মোৰ প্ৰথম লৰাটি গোলাঘাটৰ ঘৰত জন্ম হয় শ্ৰীপ্ৰবীণ ৰাম ফুকন ( ফুলু )। সি হোৱাৰ তিনিমাহৰ মূৰত মই গোলাঘাটৰ ঘৰৰ পৰা উজান বজাৰৰ ৺বৰদেউতাৰ ঘৰলৈ নতুন লৰাটি লৈ আহিলো। তাত কেইদিনমান থাকি মই ভৰলুমুখৰ ফুকনৰ ( শহুৰৰ ) ঘৰলৈ নতুন কেঁচুৱা লৈ আহিবলৈ ওলালো। মোৰ বৰ লাজ লাগিছিল আৰু নতুন কেঁচুৱা লৈ আহিবলৈ বেয়াও লাগিছে। ৺বৰমাৰ মুখে এই কথাটো ৺বৰদেউতাই শুনি মোক মৰম কৰি বুজাই-বঢ়াই কলে, "আই অ তই বাৰু কোচত লৰাটো লৈ যাব নেলাগে, মইয়ে লৈ যাম। তই ওলা"। মই তেতিয়া তেখেতৰ কথা মতে ঘোঁৰা গাড়ীত উঠি লগত এজনী বুঢ়ী মানুহ ( জংঘলীৰ মাকক ৺বৰদেউতাই কামাখ্যাৰ পৰা আনি মোৰ লগত ল'ৰা লবলৈ ঠিক কৰি দিছিল ) আৰু বৰ-দেউতাই কেচুৱা ল'ৰাক কোলাত লৈ মোক আনি ভৰলুমুখৰ শহুৰৰ ঘৰত থলেহি। তেখেতে নিজেই কেঁচুৱা কোলাত লৈ মোৰ শহুৰ ৺নবীন ৰাম ফুকনৰ কোলাত দি কলে—"লোৱা তোমাৰ বৰ ল'ৰাৰ বৰ নাতিক।"

এই খিনিতে এষাৰ কথা নিলিখিলে ভুল হব। ৺নবীন ৰাম ফুকন ( শহুৰ ) আৰু মোৰ বৰদেউতা দুয়ো বৰ বন্ধু আছিল বাবেই তুমি বুলি মাতিছিল। মোৰ সৰুভনী মাকন (চন্দ্ৰপ্ৰভা) বৰুৱাৰ যোৰহাটৰ সৰ্ব্বাইবন্ধাৰ শ্ৰীতুলাল বৰুৱাৰ লগত বিয়া ঠিক হ'ল। সৰু ছোৱালী কাৰণে



ধুম-ধামেৰেই বিয়াৰ আয়োজন হৈছিল। দেউতাৰ শৰীৰ অসুস্থ কাৰণে বৰদাদা ৺কিৰণ গোস্বামীয়েই মাকণক বিয়া দিব। জোৰণৰ আগদিনা বৰমা, সৰুদাদা প্ৰফুল্ল আহিছে। ৺বৰদেউতা আৰু বৌ (৺কিৰণৰ পৰিবাৰ ), আইকণ বাইদেউ (বৰদেউতাৰ বৰজীয়ৰী ৺কামাখ্যা ৰাম বৰুৱাৰ পত্নী ) আৰু বহুতো বিয়ালৈ একেলগে আহিবলৈ ঠিক কৰিছে। আইতা যাব নোৱাৰে। পেহীটী থাকিব আইতাক চাবলৈ বামুণ, কাম কৰা মানুহ আৰু মাজুদাদা থাকিব। ইফালে হঠাৎ জোৰণৰ দিনা গধূলি বৰদাদাৰ খুব জ্বৰ উঠে আৰু কাঁহ হয়। বৰদাদা শ্যামৰাইপুৰ বাগানত থাকে। নিজৰ বাগান নতুনকৈ খুলিছে খাটনিও বহুত। তাতেই তেওঁৰ কিছুদিনৰ আগতে মেলেৰীয়া হৈছিল। তাৰেই কিবা দোষ ৰ'ল বুলি লৰালৰিকৈ তেতিয়াই গোলাঘাটৰ এচিচ্ টেণ্ট চৰ্জনা ডাঃ ৰবীন্দ্ৰ মোহন দেৱক আনিলে—তেওঁ চাই ব্ৰঙ্ক নিউমনিয়া বুলি কলে। তেতিয়া গোটেই ঘৰখনত কিম্বা এটা গহীন ভাব হৈ পৰিল আৰু সকলোৰে চিন্তা হ'ল বিয়া দিবলৈ আহি বৰদাদাৰ এনে হোৱাত।

ৰাতি পুৱাল—সেইদিনা মঙ্গলবাৰ, বতৰটো ডাৱৰীয়া, কুঁৱলীৰে ঢকা। আঘোণ মাহ। ইফালে মাছ, কলগছ, পাচলি, আলহী আদি বিয়া ঘৰলৈ আহিয়েই আছে। তিনিজন ৰান্ধনীয়ে ভাত ৰান্ধিছে। ৺বৰদেউতাই বৌক লৈ বুধবাৰে পুৱা গোলাঘাট পাবহি। মোৰ ল'ৰা (ফুলুক) বৰমাই জুইৰ ওচৰত বহি তেল গৰম কৰি হাত ভৰিত সেক দিছে। বৰদাদাৰ ওচৰত বহুতো মানুহ আছে। ডাক্তৰে ইন্‌জেকচন দিছে। দেউতাই ওচৰতে বহি মূৰে গায়ে হাত ফুৰাই কৈছে 'বাপকণ কেনে পাইছ বোপাই, কাইলৈ বিয়া' ইত্যাদি। এনে সময়তে বৰদাদাৰ হেকটি এটা উঠিল। ডাক্তৰ বহিয়েই আছিল। ভিতৰৰ ৰভাখন সজাই-পৰাই এজাক ডেকা ল'ৰাই কথা পাতি আছিল। ৺স্বৰ্ণ বাইদেৱে বন্ধা-বঢ়াৰ তদাৰক কৰি আছিল। সময় তেতিয়া দিনৰ দহমান বাজিছিল। হঠাতে সৰু দাদাই চিঞৰা আমি আটায়ে শুনিছিলো আৰু পালো "মা বৰদাদাই খালে।" কথাটো পাকঘৰৰ পৰা বৰমা ও মইয়ো শুনিছো। হঠাতে হুৱা-দুৱা লাগিল। আমি আটায়ে দৌৰি বৰদাদা থকা কমলৈ আহোঁমানে বৰদাদাক শোৱনি-ঘৰৰ পৰা ৰভাৰ তললৈ উলিয়াই আনিলে। আমি ভাবিছিলো বৰদাদা ফিট্ হৈছে হব পায়। ডাক্তৰ ৰেলিঙৰ ওপৰেৰে পাৰ হৈ গুচি গ'ল। বৰদাদাই হঠাতে 'হাৰ্টফেল' কৰা বুলি কৈ গ'ল। তেতিয়া আমাৰ গোলাঘাটৰ ঘৰৰ অৱস্থা কেনে হব পাৰে সহজেই বুজিব পাৰি:

বিয়া ঘৰৰ ফুলে-পাতে সুশোভিত ৰভা ঘৰত কইনাৰ সলনি আমাৰ মৰমৰ বৰদাদা বাপ-কণক আনি থলেহি। ৺বৰদাদাৰ ঘৰত মতা নাম বাপকণ। সিফালে বিয়া ঘৰত যিসকল দেউতাৰ বন্ধু লগৰীয়া আছিল সেইসকলে চাৰিও ফালেই টেলিগ্ৰাম কৰি বিয়া বন্ধৰ কথা চমুকৈ জনালে। কিন্তু সেইদিনা ৺বৰদেউতাই বৌক ( বৰদাদাৰ পৰিবাৰক ) লৈ বিয়ালৈ আহিব। হায় নিয়তি তোমাৰ কি বিচিত্ৰ লীলা। "আমি কখন ভাঙ্গি কখন গঢ়ি নাইবা ঠিকনা" মোৰ সেই গানৰ শাৰীটো মনত পৰিছে।

গোলাঘাটৰ তেতিয়াৰ উকিল ব্ৰহ্মানন্দ দত্তই মোৰ শহুৰ ৺নবীনৰাম ফুকন ও খুৰা শহুৰ ৺তৰুণ

ৰাম ফুকন দুয়োজনলৈ টেলিগ্ৰাম কৰি খবৰ দিলে তেখেতসকল দুয়োজনে যেন ভৰলুমুখৰ পৰা আহি উজান বজাৰত নিজে ৺বৰদেউতাক সেই মৰ্ম্মান্তিক বাতৰিটো দিয়ে। বৰদেউতাই তেতিয়া মূৰত তেল ঘঁহি গা ধুবলৈ ওলাইছিল আৰু বৌৱে ধোবাৰ কাপোৰ লৈছিল। দুপৰীয়া একেলগে দুয়ো ভাই-ককাই অহাত তেখেতে বৰ আচৰিত হৈ উঠাৰ সুৰত কলে যে দুয়ো ককাই-ভাই দেখোন কৰবাত চিকাৰ কৰিবলৈ ওলাল নেকি? হাতত দেখোন, ইপিনে বন্দুকো নাই। তেতিয়া খুৰা শহুৰে ক'লে গা ধুলেনে নাই। ইমান পৰ হ'ল আপুনি গা ধোৱাই নাইনে? তেতিয়া বৰদেউতাই "আজি দুটা বজাত মই গোলাঘাটলৈ যাম।" জগতৰ সৰু ছোৱালীজনীৰ কাইলৈ বিয়া। ঘৰৰ সকলোবোৰ গ'ল। আই ও আইটী যাব নোৱাৰিব। আইক চাব লাগিব। মই আকৌ বিয়াৰ পিচ দিনাই আহিম। তেতিয়া শহুৰে ক'লে যে গোসাঁই বিয়াখন নহল। মৰ্ম্মান্তিক খবৰ এটা দিবলৈ আমি আহিছো। আপোনাৰ বৰ লৰাটি আজি দিনৰ ১০টা বজাত হাৰ্টফেল কৰি ঢুকাল। তেখেতে তেনেকৈ কোৱাৰ লগে লগেই ৺বৰদেউতাই বাপকণ কলৈ গলি বুলি মেজতে মূৰ থৈ চকীখনতে বহি অজ্ঞান হৈ পৰি ৰ'ল। ভিতৰত বৌ, পেহীটি, আই কোনেও এইবোৰ খবৰকে পোৱা নাছিল। ওচৰতে থকা ৺জিতমল আহি সকলো কথা শুনি আছিল। ওচৰতে থকা ৺শিশিৰ বৰুৱা আৰু ৺জুনদাক মাতি বৰদেউতাৰ ওচৰত থৈ আবেলিহে তেখেতসকল ভৰলুমুখৰ ঘৰলৈ আহিল। বিজুলী সঞ্চাৰে এই শোকৰ বাতৰিটো গুৱাহাটীত বিয়পি পৰিল। এই বিপদৰ পিচত বৰদেউতা একেবাৰে ভাঙি পৰিল। বহুমূত্ৰ ৰোগ আৰু ব্লাড্‌প্ৰেচাৰ বহুতো বাঢ়ি গ'ল।

সিফালে গোলাঘাটৰ ঘৰ বিয়া ঘৰ গুচি শ্মশানত পৰিণত হ'ল। গোটেইবোৰ মিতিৰ-কুটুম্ব আৰু বৰমাইঁত বিয়াৰ দিনা ভগ্ন হৃদয়ে গুৱাহাটীলৈ উভতি আহিল। সৰুদাদা প্ৰফুল্ল থাকিল। তেওঁ ৺বৰদাদাৰ মুখাগ্নি কৰিছিল। শ্ৰাদ্ধ তেৱেঁই কৰিব। মাকণৰ বিয়াৰ বস্তু বাহানিৰেই সেই ৰভাতে আমাৰ মৰমৰ ৺বৰদাদাৰ শ্ৰাদ্ধ কৰিলে। তেওঁৰ শ্ৰাদ্ধ খাবলৈ কোনোৱেই নাহিল। সকলো হৰিজন সকলক খুৱালে।

ইফালে দেউতা ৺জগৎ গোসাঁইয়ে ৺বৰ দাদাৰ শোকত শয্যা ললে। ৺বৰদেউতা হয়তো আৰু কিছুদিন থাকি সাহিত্য চৰ্চ্চা কৰিব পাৰিলে-হেঁতেন কিন্তু পুত্ৰশোকে তেখেতক মৃত্যুৰ দুৱাৰ ডলিলৈ টানি নিলে। ৺বৰদেউতাৰ তালৈ মই শহুৰৰ ঘৰৰ পৰা ৺আইকণ বাইদেউ আৰু ৺স্বৰ্ণ বাইদেউৰ লগত কেতিয়াবা যাওঁ। এইদৰেই যাওঁতে এদিন দেখিলো আবেলি ৪।৫ মান বজাত বৰদেউতাৰ অসুখ, বহুতো মানুহ ওচৰত বহি আছে। বিৰত তেখেতে থাকিব পৰা নাই। বাওঁফালৰ গালৰ ওপৰত কাৰবাঙ্কল হৈছে। বহুমূত্ৰ ৰোগ থকা লোকৰ কাৰবাঙ্কল হলে জীৱনৰ সংশয়। এতিয়াহে সেইবোৰ কথা ভালকৈ জানিছো। ৺দেউতালৈ মই এখন চিঠিত বৰদেউতাৰ কিবা কাৰবাংকোল হৈছে বুলি লিখিছিলো। দেউতাই সেই চিঠি পায়েই পিছদিনাই গুৱাহাটী পালেহি। কাৰণ দেউতাই হয়তো জানিছিল এনে অসুখ হলে মানুহ নেবাছে। সেয়েহে মৰমৰ ককায়েকক নেদেখিব বুলি লৰা-লৰিকৈ গুৱাহাটী পালেহি। যেয়ে যি কৰিব দিছে বৰমাই তাকেই কৰিছে।



৺নবগ্ৰহৰ দেউৱে সোঁৱৰণী চাই কলেহি যে কেইবাটাও গ্ৰহৰ দোষ আছে। গ্ৰহ পূজা এভাগ বেগেতে কৰিব লাগে। ৺বৰমায়ে অকণো হেলা নকৰি গোসাঁই ঘৰতে গ্ৰহ পূজাৰ সকলো আয়োজন কৰিলে। পূজাত বহিল। আমি আছো ইটো সিটো দি। সময় ১০/১১ মান হব পাৰে। বৰদেউতাই নশ্বৰ দেহা এৰি স্বৰ্গলৈ গ'ল। ইফালে গ্ৰহ পূজা চলিয়েই আছিল।

বৰদেউতা ঢুকুৱা খবৰ শুনিয়েই বামুণে বস্তু-বাৰী বান্ধি গুচি গ'ল কাকো এষাৰো মাতকে নিদিলে। তেতিয়া আমাৰ ঘৰখনৰ অৱস্থা কি হ'ল। দেউতাই একমাত্ৰ ককায়েকক হেৰুৱাই পাগলৰ দৰে হ'ল। তেতেয়া এজন বাহিৰা মানুহে খুব কন্দা-কটা কৰি অধৈৰ্য্য হোৱা দেখিছিলো। তেখেত বোলে শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱা। শ্ৰীযুত ধনীন্দ্ৰ চন্দ্ৰ বৰুৱাৰ ককায়েক। তেওঁলোক দুজনৰ দেউতাক উত্তম বৰুৱা বৰদেউতাৰ বন্ধু আছিল। ২/৩ মান বজাত হে শৱ-যাত্ৰা ৺কামাখ্যা শ্মশানলৈকে গৈছিল। পাঁচ শ মান মানুহ গৈছিল। সংকীৰ্ত্তন কৰিবলৈ বহুতো মানুহ আহিছিল। আজিও মোৰ এইবোৰ সককালৰ কথা মনত পৰে আৰু আছে। ৺বৰদেউতাক শ্মশানলৈ নিওঁতে বঙালী সংকীৰ্ত্তন দলেও গাইছিল, "নামেৰি মতন কি আছে ৰতন নাম বিনে আৰ ভৱ পাৰেৰ বন্ধু নাই"। বৰদেউতা ঢুকাল কিন্তু তেখেতৰ স্মৃতি থাকি গ'ল।

"সাহিত্য হৈছে এটা জাতিৰ জাতীয় জীৱনৰ প্ৰতিকৃতি। এখন জীৱন চৰিত্ৰই যেনেকৈ এজন মানুহৰ আকৃতি-প্ৰকৃতি, স্বভাৱ-চৰিত্ৰ, সকলো প্ৰকাশ কৰে সেইদৰেই জাতীয় সাহিত্যই এটা জাতিৰ আকৃতি-প্ৰকৃতি, স্বভাৱ-চৰিত্ৰ, গঢ়-গতি, উন্নতি-অৱনতি সকলোবিলাক প্ৰকাশ কৰে। সংক্ষেপকৈ কবলৈ গলে এটা জাতিৰ ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ বিষয়ে যি সাধনা সেয়ে সেই জাতিৰ সাহিত্য। যি জাতিৰ সাহিত্য, নাই, সেই জাতি জীয়াই থাকোতেও মৰা।"

৺হেমচন্দ্ৰ গোস্বামী

# “হেমোজ্জ্বল” ভাষা জননী

শ্ৰীনীলমণি ফুকন

অসমীয়া ভাষাৰ অন্ধকাৰ যুগত কলিকতাৰ মীৰ্জাপুৰ ষ্ট্ৰীটৰ, তাতোকৈ আন্ধাৰ খোটালিত, এমুঠি অসমীয়া ছাত্ৰই ভাষা জননীৰ সেৱাত ব্ৰতী হৈ ওলায়, হেমচন্দ্ৰ গোস্বামীও তাৰে অন্যতম। তেওঁ, প্ৰাতঃস্মৰণীয় চন্দ্ৰ কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা এই কামত অগ্ৰণী আছিল। সেই আন্ধাৰত পোহৰ দিবলৈ থাপ খোৱাকৈ “জোনাকী” নাম দি এখন পত্ৰিকা উলিয়ায়। এই জোনাকীৰ ঢিমিক-ঢামাক পোহৰ কণতেই, “চন্দ্ৰৰ” কিৰণ উদ্ভাসিত হয়. “হেমৰ” আভা ডগ্-মগাই উঠে, “ভাষাযুদ্ধৰ” সব্যসাচী সাহিত্যৰথীৰ ধনুৰ্বিদ্যা অব্যৰ্থ-লক্ষ্য হৈ পৰে। আমাৰ ভাগ্যত, এই কেইজনৰ অন্য কেইজন স্বনামধন্য সাহিত্যিকৰ জন্ম-শতবাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি দিয়াৰ লগতে শ্ৰদ্ধাঞ্জলি দিবলৈ পোৱাটো কম ভাগ্যৰ কথা নহয়।

চৰকাৰী চাকৰি কৰিও, ভাষা জননীৰ সেৱা কৰি, সকলো দেশতে যি সকলে, যিমান ওখ থাপৰেই নহওক, ৰজাঘৰীয়া বিষয়বাব তল পেলাই, সাহিত্য সংস্কৃতিৰ সেৱা কৰি, দেশে বিদেশে খ্যাতি অৰ্জন কৰি স্বনামধন্য দেশবৰেণ্য হৈ উঠিছে, অসমতো সেইদৰে কেৰেণী কাম কৰিও, বিদেশী শাসকৰ কামত সদায় শহাকণীয়া হৈ থাকিব লগীয়া অৱস্থাতো, “হেমকোষ”ৰ মৌ-কোঁহ ৰচোতা হেমচন্দ্ৰ বৰুৱা, অসমীয়া সাহিত্যৰ শিপিনীৰ চকু ৰ-লগা “সাহিত্যৰ চানেকী” বাছি হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষা সাহিত্যৰ যি জেউতি বঢ়ালে, সেই নিভাঁজ সোণ পৰীক্ষা কৰা জহৰী আমি হব নোৱাৰো। আমি দূৰৰ পৰা চাই চকুৰ যি তৃপ্তি পাই আহিছো, সেই আনন্দাশ্ৰুকেহে আজি শ্ৰদ্ধাৰে তৰ্পণ যাঁচিবলৈ হেপাহেৰে ওলাইছো।

ইংৰাজী পঢ়িলে জাত যাব, এই আশঙ্কাত ইংৰাজী শিকিবলৈ দিব নোখোজা, ৰক্ষণশীল পৰিয়ালত জন্মগ্ৰহণ কৰি, পূজা-সন্ধ্যা কৰাৰ ছলেৰে গোসাঁই ঘৰত সোমাই ইংৰাজী পাঠ অভ্যাস কৰা হেমন্ত চন্দ্ৰই সামান্য কেৰেণীৰ পদত সোমাই, শেহত অলপ দিনৰ নিমিত্তে হোৱাত “হাকিম পদ” প্ৰত্যাখান কৰা সেই কালৰ জজ-কমিশ্যনৰ অফিচৰ চিৰেস্তাদাৰ পদত অধিষ্ঠিত হয়। আজৰি সময়ত যুগুত কৰি এটা ভাষাৰ আঁতিগুৰি উলিয়াই, সংশ্লিষ্ট ভাষাবো জ্ঞান আহৰণ কৰি, এখন লেখত লবলগীয়া অসমীয়া ভাষাৰ “শব্দকোষ” উলিয়াই অসমীয়া ভাষাৰ “লেকাম” যি দৰে ধৰিলে, সেইদৰে সোকা চলাই অসমীয়া সমাজৰ ভণ্ডসকলৰ পিঠি ডৰাডৰ কৰিছিল। বাহিৰে ৰংচং ভিতৰি গৰ্ভ গেলা কোৱা ভাতুৰীটো ফালি দেখুৱালে। তেতিয়াৰ পৰা অসম চৰকাৰৰ, তেওঁক আদেশ নিৰ্দ্দেশ দিয়া কতজন বৰমূৰীয়া আহিল আৰু গ'ল, কোনে তাৰ আঙুলি মূৰত লেখ লৈছে। কিন্তু “হেমকোষৰ” হেমবৰুৱা অসমীয়া ভাষাৰ এটা মানো খণ্ডবাক্য জীয়াই থাকে মানে, অমৰ হৈ থাকিব।

হেমচন্দ্ৰ গোস্বামীতো সেই কথা খাটে। হেমবৰুৱাৰ দৰে তেখেতেও চৰকাৰী চাকৰিত



সোমায়। তেওঁ চৰকাৰৰ ঘৰত বিধে বিধে চাকৰি কৰি শেহত “হাকিম” পদত অধিষ্ঠিত হৈ পেঞ্চন ভোগ কৰে। দেশে সেইবিলাক কথা মনত ৰখা নাই। কিন্তু, তেওঁৰ জন্ম শত বাৰ্ষিকী ওচৰ চাপি অহা মাত্ৰে, পিতৃ শ্ৰাদ্ধৰ তিথিটো নভবাকৈয়ে মনত পৰা দৰে, অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সকলোৰে মনত আলোড়ন দিলে। আজি আনন্দৰাম বৰুৱা অসমৰ পোন প্ৰথম আই, চি, এছ, এই কথা মনত নপৰে। কিন্তু তেওঁ যে অগাধ সংস্কৃত ভাষাক গঢ়ি পিতি “সৰস্বতী কণ্ঠাভৰণ” কৰিছিল, নাম ললেই ভৱভূতিৰ “সমান ধৰ্ম্মা” বুলি মনলৈ আহে, আজি পৃথিবীৰ সংস্কৃতজ্ঞসকলে সততে তেওঁৰ নাম স্মৰণ কৰিছে—মনলৈ এনে ভাব আহে। স্বনামধন্য কণকলাল বৰুৱা যে মন্ত্ৰী আছিল এই কথা অনেকেই নেভাবে। কিন্তু অদ্বিতীয় বুৰঞ্জীবিদ কণকলালক, কামৰূপৰ অপূৰ্ব্ব বুৰঞ্জী লেখক কণকলালক পাহৰিব খুজিলেও, পাহৰণিয়ে নামানিব।

আজি হেমচন্দ্ৰ গোস্বামীৰ “অসমীয়া সাহিত্যৰ চানেকী”খন ন-পুৰণি সকলো শ্ৰেণীৰ সাহিত্যিকৰ পক্ষে যাৰ যেনে ৰুচি, সেই ফুল বাছিবৰ চানেকী বুলি কব লাগিব। ডক্টৰ দীনেশ সেনে তেওঁৰ “বঙ্গভাষা ও সাহিত্য” লেখি “ডক্টৰেট” উপাধি পালে। সেই কলিকতা বিশ্ববিদ্যালয়ৰ নিৰ্দ্দেশতে হেমচন্দ্ৰ গোস্বামীয়ে সিখন চানেকীত কৈ কোনো গুণে কম আৰ্হিৰ চানেকীখন বছা নাছিল। অথচ সেই কথা বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষৰ চকুত নপৰিল বা আঙুলিয়াই দেখুৱাওঁতা নোলাল। তেওঁ সাহিত্যৰ যি বিষয়তে হাত দিছিল, তেওঁৰ নামৰ লগত ৰজিতা খোৱাকৈ, ভাষা জননীৰ জেউতি চৰাকৈ, খাটি সোণৰ বত্ৰিশ অলঙ্কাৰ নিজ হাতে গঢ়ি পিন্ধাইছিল। আজি কালি “গিল্টি সোণৰ” চকু জুৰ কৰাৰ ঠাইত, চকুত জলক লগোৱা অলঙ্কাৰ পাতি ব্যৱহাৰ কৰা সমাজে এই খাটি সোণৰ মূল্য ক'ত ভালদৰে বিবেচনা কৰি চোৱা উচিত। এই খাটি সোণৰ অলঙ্কাৰ কেতিয়াও বিককৰা হব নোৱাৰে।

দেশ স্বাধীন হোৱাৰ পাছত “ৰাইজেই ৰজা” বুলি বুকুৰ হাড় ডাল ডালকৈ লেখিব পৰা সকলেও বুকু ফিন্দাই যি সময়ত সকলো কাম এতিয়া “আমাৰ ভোটেৰে যোৱা সকলে যেতিয়া চৰকাৰ গঠন কৰিছে, তেওঁলোকে কৰিব লাগিব।” সমাজক বাদ দি “সমাজবাদ” “গণতন্ত্ৰবাদ” আদি সৰ্ব্বপ্ৰকাৰ বাদ বিসম্বাদৰ ফুটুকাৰ ফেণসোপা উলিয়াই তেওঁলোকে এই “হেমৰ” সোণৰ মুখে ওলোৱা “জাতিৰ উন্নত আপুনি হয়” কবিতাটোৰ এই এশাৰী কথাৰ মৰ্ম্ম হৃদয়ঙ্গম কৰিলে দেশৰ অবাঞ্ছনীয় ঘটনাবিলাক ঘটিব নোৱাৰে। তেওঁৰ জন্ম শতবাৰ্ষিকী অতি উৎসাহেৰে পালন কৰিবলৈ ওলোৱা ৰাইজে, বিশেষকৈ তৰুণ শক্তিয়ে এতিয়াও তেওঁৰ এই জাতীয়তাৰ বীজ মন্ত্ৰৰ শক্তি আৰ্জিবলৈ কৃত সঙ্কল্প হোৱা উচিত। ভীমকল এজোপাও ঢোকাত নৰয়। অলপ বতাহতে মাটিত গিৰিম কৰে পৰে। এটা জাতিয়ে লোকে হাতত ধৰি মাটি লৰাই যাব পৰা আত্মশক্তিৰ বলত দিয়া খোজ কেইটা ক'ৰ পৰা পাব? আজি দেশৰ প্ৰত্যেকজন শিক্ষিত বা অৰ্দ্ধশিক্ষিত ডেকাই “কলমৰ” জোৰত যদি নিজৰ ভাত মুঠি কাপোৰ ডোখৰ লবৰ জোখাৰে কোনো কাম নেপোৱা হৈছে, সেই কলমটো এছাৰি পেলাই দি, আগত দা-কটাৰী,

হাতুৰি-ৰটালি, কোৰ কুঠাৰ যিহকে পায়, হাতত লৈ বেতৰ-বাঁহৰ, কাঠৰ, লোৰ, মাটিৰ যি কামকে পায়, তাকে যদি দুই বাহুক বিশ্বাস কৰি, কৰিবলৈ দিয়ে, তেন্তে সেই দুই বাহুৱেই অন্ততঃ তেওঁলোকক লঘোণে নথয়, নাঙঠ হবলৈ নিদিয়ে। আজি "বাংলাদেশৰ" আন্দোলনে কি শিক্ষা দিছে? দেশৰ প্ৰকৃত নেতৃত্বৰ অভাৱত, নানা দল, নানা স্বাৰ্থসিদ্ধিৰ ষড়যন্ত্ৰ, তৰুণ শক্তিৰ অপব্যৱহাৰ কৰোতে, এই পঁচিশ বছৰৰ দুৰ্নীতিমূলক শাসন শোষণৰ পাছত, যেই "আমাৰ সোণাৰ বাংলা" ধ্বনি প্ৰত্যেক জন তৰুণৰ প্ৰাণত জলন্ত সত্য হৈ দেখা দিলে, বঙ্গজননীৰ নেদেখা মূৰ্ত্তি প্ৰত্যেকজন ডেকা-গাভৰুৰ আগত দিঠক হৈ দেখা দিলে, এতিয়া শত য়াহয়াখানেও তাক "সহস্ৰ মেচিন গানেৰেও" দমাব নোৱাৰে। প্ৰত্যেকজন ডেকা-গাভৰুৰ হিয়া যেতিয়া একোটা অভেদ্যদুৰ্গ হৈ পৰিছে, কিমান দুৰ্গ ধুলিস্মাৎ কৰিব। "হেম"কণ্ঠৰ সেই অমোঘবাণী আজি আমাৰ তৰুণ শক্তিয়ে হৃদয়ঙ্গম কৰি দেশৰ "জাকৰুৱা ৰজা বিলাকৰ" ভাওনাত টোপনি খতি নকৰি "কুৰু"ক্ষেত্ৰৰ প্ৰকৃততে আচল কৰ্ম্মক্ষেত্ৰত পৰন্তপ অৰ্জ্জুন হবলৈ বীৰ্য্য শক্তিৰে আগ বঢ়া উচিত। তেতিয়াহে হেমচন্দ্ৰৰ আত্মাই তেওঁলোকৰ তৰ্পণ গ্ৰহণ কৰিব। আজি প্ৰত্যেক খন গাৱঁৰ বা আঞ্চলিক পঞ্চায়তৰ তৰুণ শক্তিয়ে যদি প্ৰত্যেক দিনত তিনিঘণ্টামান শাৰীৰিক পৰিশ্ৰম কৰি নিজৰ জীৱিকা উপাৰ্জ্জন কৰিবলৈ মূঠ বান্ধে, অদম্য উৎসাহ, প্ৰেৰণা, কৰ্ম্মশক্তি কেনি আহিব তেতিয়াহে তেওঁলোকে তাৰ গম পাব।

প্ৰতিভাই কালৈকো অপেক্ষা নকৰে, পথ-প্ৰদৰ্শক নিবিচাৰে, তেওঁলোকৰ জীৱন ধাৰণ সাংসাৰিক ভোগৰ বাবে নহয়। গতিকে অপৰিহাৰ্য্য জীৱিকাৰ বাবে, কোনো কামেই তেওঁলোকৰ পক্ষে বাছিব লগীয়া নহয়। আদৰ্শমুখী প্ৰতিভাই মাছৰ চকুটোহে দেখে, পাৰিপাৰ্শ্বিক অৱস্থাই তেওঁলোকক চঞ্চল-দৃষ্টি কৰিব নোৱাৰে। মনৰ আপুৰুগীয়া খোৰাকী বিচাৰি ফুৰোতে পেটৰ কোৰকোৰনিকো নুশুনে। হেমচন্দ্ৰই, তাকো বিদেশী শাসকৰ তলত কাছাৰীৰ ফাইল ঘাটি, ৰাৰে মিহলি কাম-কাজ কৰি, দিনটো অবাঞ্ছনীয় লোকৰ ঘেকেচালিৰ মাজত, কাম কৰি, উচ্চ চিন্তা, কলা-কৃষ্টি সংস্কৃতিৰ নিষ্ঠাৰে যি দৰে চৰ্চ্চা কৰিছিল, সেয়া যাৰ তাৰ কাম নহয়। বিসদৃশ কোনো অৱস্থাই বিচলিত কৰিব নোৱাৰা প্ৰতিভা সম্পন্ন লোক নহলে তেনে অৱস্থাত এনে ধৰণৰ চৰ্চ্চা নেলাগে, চৰ্চ্চৰণি এটাও খাবলৈকো সময় নেপায়। তেওঁৰ আগতো চৰকাৰী ৰেকৰ্ড-বিলাক অনেক চাকৰিয়ালে ঘাটি ঘুটি লাৰিছাৰি গল। কিন্তু, সেই একে কামেই হেমচন্দ্ৰক পুৰাতত্ত্ববিদ কৰি অনুসন্ধান সমিতিয়ে আজিও অনুসন্ধান কৰি নতুন নতুন তথ্য পাতি উলিয়াবৰ জোখাৰে সমল দি থৈ গল। তেওঁ চৰকাৰী ৰেকৰ্ডবিলাকৰ পুৰণি কথাৰ কিবা অলপ গুং পালেই হেন্দালিত লাও বগোৱাদৰে, অসমৰ গাৱেঁ ভূঁইয়ে তাৰ ঘাই বস্তু ধোঁৱা-চাঙৰ পৰা জাৰি-জোকাৰি উলিয়াই অনুসন্ধান সমিতিৰ অনুসন্ধিৎসা দিনে বঢ়াবলৈ ধৰে। তাৰ গৱেষণা কৰোতে একোজন অদ্বিতীয় পণ্ডিত হৈ উঠিছে। তেওঁ চৰকাৰী যি কামতে হাত দিছিল, তাতেই "হেম" প্ৰভা পৰি জিলিকি উঠিছিল। তেওঁৰ এই স্পৃহা বুজিবলৈ আজিৰ তৰুণ সমাজৰ বৰ টান নহব। বেণুধৰ শৰ্ম্মাৰ



গতি-গোত্ৰ চালেই হব। য'তে যি সভা সন্মিলন অলঙ্কৃত কৰি সভাৰ শোভা বৰ্দ্ধন কৰে, সভা ভঙ্গ হলেই, এই "তিত্ পখিলা"নো কেনি উৰে কোৱা টান। পাছত শুনিবলৈ পাবা কোনোবা এখন নিনাও গাৱঁত কাৰবাৰ ধোঁৱা চাঙৰ পৰা পূৰা পুথিখন নেপালেও, ফটা-ছিটা যি দুখিলা পায়, তাকেই তেওঁৰ পিতৃপিতামহে আস্তিকেৰে লৈ ফুৰা পূজাৰ বিধি জ্ঞানে আনে।

হেমচন্দ্ৰ গোস্বামী একাধাৰে পণ্ডিত, সাহিত্যিক, পুৰাতত্ত্ববিদ, কেৰেণী, হাকিম, ঘৰখন চলোৱা, লৰা-ছোৱালীৰো যত্ন লোৱা, শহাকণীয়া গৃহস্থও আছিল। নিজৰ প্ৰতিভালৈয়েই প্ৰসিদ্ধ হোৱা নাছিল। ঘৰখন, লৰা-ছোৱালী, পৰিয়ালৰো ওপৰত সদায় চকু দিছিল। সেই কাৰণেই তেওঁৰ পৰিয়ালৰ সকলোজনেই সমাজত মূৰ জিলিকাই আছে। তেওঁৰ প্ৰতিভাখিনিৰ অধিকাৰী হ'ব নোৱাৰিলেও, তেওঁৰ খোজ-কাটল লৈছে বুলি কব পাৰি।

আজি এই পুণ্য তিথিত উঠি অহা চাম নৱজাগৰণৰ সাহিত্যিক সকলক এষাৰ কথা কব খোজো। তেওঁলোকে যেন ভাবি চায় ইয়াকে আশা কৰিলো। "জোনাকী যুগৰ" অসমীয়া ভাষা সাহিত্যত বাগীকুঠাৰ পৰা কালত, অন্ধকাৰ যুগত "হেম-মাজু-বেজ" এই ত্ৰিবেণী সঙ্গমত ভাষা জননী কিদৰে স্নান, পান, অৱগাহন কৰি শুচিত্ব লাভ কৰিছিল, নিজৰ সাজ-পাৰ অলঙ্কাৰ পিন্ধি গজেন্দ্ৰ গমনী হৈ বিচৰণ কৰিব পাৰিছিল, এই "অব্যৱস্থিত চিত্তৰ" যুগত, ঘণচিৰিকায়ো ৰাজহাহঁৰ খোজ দিছো বুলি ভবা যুগত, লোকৰ মুখলৈ, হাতলৈ চাওঁতে, নিজৰ পাহৰা যুগত— সেই বিষয়ে "হেম-মাজু-বেজ" চক্ৰ পাতি অসমীয়া ভাষা সাহিত্যৰ "চানেকীত"নো "হেম" কান্তি বৰ্ত্তমানৰ "গিল্ট" সোণৰ অলঙ্কাৰ পিন্ধাৰ যুগত, বাছিব পৰা কিমান বিলাক পেটাৰ্ণ বা আৰ্হি আছে প্ৰতিমাৰ খনিকৰে আধুনিক ধৰণৰ প্ৰতিমা সজাত কেনে ধৰণৰ হেঙুল-হাইতাল মাৰি দেখুৱাব পাৰে— এই "স্পুটনিকৰ যুগত" সাহিত্যৰথীৰ ৰথৰ গতিত কি ধৰণৰ বেগ বঢ়োৱা যন্ত্ৰ লগাব পাৰি ইত্যাদি এশ এটা বিষয়ৰ গৱেষণা কৰাৰ সমল বিচাৰিলে, সেয়ে আধুনিক যুগৰ নানা কৌশলৰ বস্তু আবিষ্কাৰ কৰাত সহায় হব বুলি ভাবো। এইটো বৈজ্ঞানিক সত্য যে কেন্দ্ৰ সদায় বিন্দু এটি। কিন্তু, কেন্দ্ৰ নহলে পৰিধিৰ বিস্তৃতি নিৰ্ণয় কৰা বা বিস্তাৰ কৰা অবৈজ্ঞানিক কথা।

অসম জননীৰ কেচাঁ সোণ, হেম! দেশবাসীয়ে অৰ্পণ কৰা শ্ৰদ্ধাঞ্জলিৰ লগতে, জীৱদ্দশাত তোমাৰ সান্নিধ্য লাভ কৰি উৎসাহ উদ্দীপনা পোৱা, দেশৰ বৃদ্ধতম এজনৰো শ্ৰদ্ধাৰ অঞ্জলি যেন গ্ৰহণ কৰা।

ভাষা জননীৰ আজি আনন্দ অপাৰ!
শোভিছে উজ্জ্বলকান্তি কণ্ঠে "হেম" হাৰ॥

● ● ● ●

"সাহসেই সিদ্ধিৰ আচল মন্ত্ৰ, হতাশৰ নিগাজী ভেঁটি নাই"
৺পদ্মনাথ গোহাঞিবৰুৱা

# পদ্ম-বাণী

"যি শুদ্ধ, সত্য, পৱিত্ৰ সেয়ে চৰিত্ৰ। য'ত পাপ নাই তাতে চৰিত্ৰৰ থিতি। হিংসা, দ্বেষ, পৰশ্ৰীকাতৰতাই যাক চুব নোৱাৰে চৰিত্ৰই তাকে আশ্ৰয় লয়। দয়া, ক্ষমা, পৰোপকাৰ যাৰ ধৰ্ম্ম তাৰ গাতে চৰিত্ৰই জিৰণি লয়। বিনয়, নম্ৰতা, শিষ্টতা যাৰ স্বভাৱৰ গুণ তাৰ লগতে চৰিত্ৰৰ ঘনিষ্ঠ সম্বন্ধ। ভক্তি, শ্ৰদ্ধা, প্ৰীতি যাৰ আচৰণ তাৰ লগতে চৰিত্ৰৰ সৰ্ব্বসঙ্গতি। পিছে সেই চৰিত্ৰবল লাভ কৰাৰ উজু উপায় কি? সেই বলৰ আধাৰ ঈশ্বৰত একান্ত ভক্তি। সেই বল সংৰক্ষণৰ সুব্যৱস্থা কি? সেই বলদাতা ভগৱানত অটল বিশ্বাস। পৰমেশ্বৰত ভক্তি থাকিলেই চৰিত্ৰ সংগঠিত হয় আৰু পৰমেশ্বৰত বিশ্বাস থাকিলেই চৰিত্ৰ সংৰক্ষিত হয়। কাৰণ, সত্য, সুন্দৰ, পৱিত্ৰ ঈশ্বৰক ভক্তি কৰোঁতে তেওঁৰ ঐশ্বৰিক বল মানৱ আত্মাত প্ৰতিভাত হয় আৰু তেওঁত বিশ্বাস থাকিলেই সেই ঐশ্বৰিক বলৰ অপব্যৱহাৰ নোহোৱাকৈ সি ৰক্ষিত হয়। ঈশ্বৰৰ অপ্ৰিয়-ভাজন হোৱাৰ ভয়তে পাপ কাৰ্য্যৰপৰা বিৰত হোৱা যায় আৰু ঈশ্বৰৰ প্ৰিয়পাত্ৰ হোৱাৰ আকাঙ্ক্ষাতে পুণ্য কৰ্ম্ম সাধনলৈ ধাউতি বাঢ়ে"।

৺পদ্মনাথ গোহাঞি বৰুৱা

অসম ছাত্ৰ সন্মিলনৰ ভাষণৰ পৰা।

● ● ● ●

"ছাত্ৰজীৱনেই সাহিত্যিক জীৱনৰ গা-গজালি। এই গজালিৰপৰাই গছ, আৰু সেই গছৰ-পৰাই গুটি। আনফালে গছ চাইহে গুটি আৰু গজালি চাইহে গছ। গতিকে গজালিৰ গঠনৰ ওপৰতহে গুটিৰ গুণাগুণে ঘাইকৈ নিৰ্ভৰ কৰে। এতেকে জাতীয় সাহিত্য-গছৰ শ্ৰীবৃধি সাধি তাৰপৰা উন্নত আৰু পৈণত ফল পাবলৈ হলে প্ৰথমে ছাত্ৰ-গজালিৰ গুৰিত সাহিত্যৰ সাৰ-শক্তি-যতনেৰে যোগাব লাগে। গজালিৰ কুমলীয়া গাত যাতে কেৰোণে ধৰিবলৈ নাপায়, তাৰ নিমিত্তে সততে সতৰ্ক থাকিব লাগে। মুঠতে গছ হৈ নুঠালৈকে গজালিয়ে যুগুত আপডাল পাব লাগে। পিছে সেই সাৰ-শক্তিনো কি আৰু তাৰ কি প্ৰণালীৰে যোগান দি কিভাৱে গজালিৰ সাৱধান লোৱা যুগুত? সেই সাৰ হৈছে সাহিত্য-চৰ্চ্চাৰ আভাস, তাক যোগান দিয়াৰ প্ৰণালী হৈছে ছাত্ৰৰ দৈনন্দিন অধ্যয়নৰ লগৰীয়াকৈ তাৰ অনুশীলন বঢ়োৱা আৰু সতৰ্কতাৰে বিধিমতে সেই অনুশীলন এনে বান্ধৰ হব লাগে যাতে অধ্যয়নৰ অপৰাধৰ অঙ্গলৈ পিঠি দি ছাত্ৰই অকল সাহিত্যিক চৰ্চ্চাৰ বাটে ছঁয়াকাটি নাযায়গৈ। অৱশ্যে যি ছাত্ৰৰ স্বাভাৱিক ৰাপ এই বিষয়ত প্ৰৱল, তেওঁৰ ধাউতি সেইফালে কোবাল নহৈ নোৱাৰে।"

৺ পদ্মনাথ গোহাঞি বৰুৱা

অসম ছাত্ৰ সন্মিলনৰ ভাষণৰ পৰা।

# গোহাঞিবৰুৱাৰ নাট্য প্ৰতিভা

শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা

উনবিংশ শতিকাৰ ষষ্ঠ আৰু সপ্তদশকত অসমী আইৰ ভাগ্যাকাশত উদয় হোৱা কেইটা-মান উজ্জল জ্যোতিষ্কৰ ভিতৰত সাহিত্যাচাৰ্য্য পদ্মনাথ গোহাঞিবৰুৱাৰ জ্যোতি অসমীয়া সাহিত্যত চিৰকালৰ কাৰণে মাৰ নোযোৱাকৈ থাকি যাব। অসমীয়া সাহিত্যৰ সাময়িক অভাৱ অভিযোগবোৰলৈ লক্ষ্য ৰাখি কাব্য, কবিতা, নাটক, উপন্যাস, জীৱনী আলোচনী, বুৰঞ্জী আৰু বিশেষকৈ পাঠ্যপুথিৰ যোগান ধৰিবলৈ এই মহান দেশপ্ৰাণ সাহিত্যিকে আজীৱন অহোপুৰুষাৰ্থ কৰি অসমীয়া জাতি তথা সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠা কৰি থৈ গ'ল। দেশ-জননীৰ একনিষ্ঠ সেৱক; স্বদেশপ্ৰাণ এইজনা মনী-ষীয়ে সৰ্ব্বতো প্ৰকাৰে দেশবাসীক জাতীয়তাৰ ভাৱেৰে উদ্বুদ্ধ কৰিবলৈ অসম বুৰঞ্জীৰ বাছক-বনীয়া চিত্ৰ কেইটিমান লৈ, জয়মতী, গদাধৰ, লাচিত বৰফুকন আৰু সাধনী নামেৰে চাৰিখনি বহুমূলীয়া বুৰঞ্জীমূলক নাটকেৰে অসমীয়া সাহিত্য ভৰাল তথা অসমীয়া ৰঙ্গমঞ্চ সমৃদ্ধিশালী কৰি থৈ গৈছে।

লোকমান্য বালগঙ্গাধৰ তিলক আদি মহাত্মা-সকলৰ নেতৃত্বত সেই সময়ত ভাৰতবাসীৰ মাজত এটি জাতীয় জাগৰণৰ ভাৱ সঞ্চাৰিত হয়। স্বামী বিবেকানন্দৰ পাঞ্চজন্য ধ্বনিয়ে ভাৰতবাসীক মাভৈঃ মন্ত্ৰেৰে উদ্দীপিত কৰে। এই জাতীয় জাগৰণৰ ফল স্বৰূপে ভাৰতৰ প্ৰত্যেক প্ৰদেশতে দেশৰ জাতীয় নেতা আৰু বীৰ বীৰাঙ্গনাসকলৰ বাৰ্ষিক স্মৃতি দিৱস আদি পালন কৰা হয় আৰু জাতীয় চেতনা বৃদ্ধিৰ সহাৰি স্বৰূপে বুৰঞ্জীমূলক কাহিনী-বোৰ, নাটক, উপন্যাস, প্ৰবন্ধ, কাব্য, কবিতা, গীত আদিৰ মাজেদি পুনৰ জীৱন্ত হৈ উঠে। মহাৰাষ্ট্ৰত লোকমান্য তিলকে শিৱাজী উৎসৱ পালন কৰি জাতীয় বীৰ পূজাৰ শুভ উদ্বোধন কৰে। অসমতো ইয়াৰ আগৰে পৰা গুণাভিৰাম বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্যই বুৰঞ্জীৰ আলমত জাতীয় চেতনামূলক প্ৰবন্ধবোৰ লিখি বিশেষকৈ অগ্নিকবি কমলাকান্তই পাহৰণি, জাতীয় গৌৰৱ আদি উদ্দীপনাময়ী কবিতাবোৰ লিখি অসম দেশৰ অতীত গৌৰৱৰ কথা অসমবাসীক সকিয়াই দিয়ে। ৰত্নেশ্বৰ মহন্তৰ 'জয়মতী' প্ৰবন্ধই সতী সাধ্বী, বীৰাঙ্গনা জয়মতীৰ সতীত্ব কাহিনী উজ্জ্বল আলোক চিত্ৰৰ দৰে পঢ়ুৱৈ সমাজত দাঙি ধৰে। অসমৰ বুৰঞ্জীমূলক গৌৰৱে গোহাঞিবৰুৱা ডাঙৰীয়াক বিশেষভাৱে স্পৰ্শ কৰে। তেখেতে নিজেও এখনি অসম বুৰঞ্জী লিখে আৰু বুৰঞ্জীৰ গৌৰৱময় চিত্ৰ-বোৰ নাটক আকাৰে লিখি ৰঙ্গমঞ্চত অভিনয় কৰালে সেই দৃশ্যকাব্য শ্ৰেণীয়ে প্ৰত্যক্ষদৰ্শীসকলৰ জাতীয়তাবোধ জাগ্ৰত কৰাৰ সম্ভাৱনা তেখেতে বঢ়িয়াকৈ উপলব্ধি কৰে।

সেই সময়ত আধুনিক অসমীয়া ৰঙ্গমঞ্চৰ শৈশৱ অৱস্থা বুলি ক'ব পাৰি। প্ৰধান নগৰ কেইখনিত একোটিকৈ ৰঙ্গমঞ্চ প্ৰতিষ্ঠিত হলেও তাতো অভিনয় কৰিবলৈ অসমীয়া নাটকৰ অভাৱ

হোৱাত বঙ্গালী নাটকেই আধিপত্য বিস্তাৰ কৰে। তেতিয়া বেজবৰুৱা, গোহাঞিবৰুৱা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, বেণুধৰ ৰাজখোৱা আদি সাহিত্য-গুৰুসকলে এই অভাৱ দূৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰি কিয়দংশ কৃতকাৰ্য্য হয়। অভিনয় প্ৰেমীসকলৰ তাড়নাত পৰি তেখেতসকলে দহবন কাতি কৰি থৈ যথাশীঘ্ৰে নাটক সম্পূৰ্ণ কৰি দিবলৈ বাধ্য হোৱাত নাটকীয় সংলাপ, কৌশল আৰু চাৰত্ৰাঙ্কণৰ ফালে আশানুৰূপ দৃষ্টিপাত কৰিবলৈ অৱসৰ নাপাইছিল। গোহাঞিবৰুৱাৰ নাটকৰ প্ৰায় প্ৰতিখনিৰ পাতনিতে আমি অভিনয় প্ৰেমীসকলৰ বাৰম্বাৰ অনুৰোধ আৰু নাট্যকাৰৰ সময়ৰ অভাৱৰ কথা উল্লেখ পাওঁ। গোহাঞিবৰুৱা নিজে তেজপুৰৰ বান ষ্টেজৰ প্ৰতিষ্ঠাতাসকলৰ অন্যতম আৰু তেখেতেই এই ষ্টেজৰ প্ৰথম সাতবছৰ সম্পাদক আছিল। গতিকে এই ষ্টেজৰ অসমীয়া নাটকৰ অভাৱ পৰিপূৰণৰ গুৰুদায়িত্বও তেখেতৰ গাতেই পৰিছিল। গতিকে অভাৱ পৰিপূৰণ আৰু জাতীয়তা বোধৰ উদ্বোধন—এই দুটিয়ে আছিল গোহাঞিবৰুৱাৰ নাটক লিখাৰ মূল উদ্দেশ্য। সেয়েহে যদি আমি তেখেতৰ নাটক সমূহত ঠায়ে ঠায়ে নাটকীয় কলাৰ ত্ৰুটী ঘটা দেখোঁ; সেইবাবে সেই সময়ৰ সাময়িক পৰিবেশকেই ঘাইকৈ দায়ী কৰিব লাগিব।

মহাসতী জয়মতীৰ পতি আৰু ৰাজ্যৰ মঙ্গলৰ কাৰণে অসাধাৰণ আত্মত্যাগৰ কাহিনীকে কেন্দ্ৰ কৰি গোহাঞিবৰুৱাদেৱে জয়মতী নাটক লিখে। নাটকখনি পাঁচ অঙ্কীয়া। ইয়াত উচ্চ পৰ্য্যায়ৰ পাত্ৰ-পাত্ৰীৰ মুখত অমিত্ৰাক্ষৰ ছন্দ আৰু নিম্ন পৰ্য্যায়ৰ সামাজিক মানদণ্ডৰ পাত্ৰ-পাত্ৰীৰ মুখত গদ্যৰ সংলাপ দিয়া হৈছে। ভাৰতীয় নাট্যকলাত গদ্য আৰু পদ্যৰ এনে সানমিহলি বচনৰ প্ৰয়োগ আগৰে পৰাই আছে। অসমৰ পুৰণি বুৰঞ্জী বিলাকত জয়মতীৰ নিৰ্য্যাতনৰ কাহিনীয়ে প্ৰাধান্য লাভ নকৰাটো এটি মন কৰিব লগীয়া কথা। বৃটিছৰ আগমনৰ পিছতে লিখা দুতিৰাম হাজৰিকাৰ পদ্য বুৰঞ্জীকিন্তু এই বিষয়ত ব্যতিক্ৰম। উক্ত পদ্য বুৰঞ্জীতহে জয়-মতীৰ নিৰ্য্যাতনৰ কাহিনী অতি হৃদয়গ্ৰাহী ভাষাৰে বৰ্ণিত হৈছে। পুৰণি বুৰঞ্জী সমূহত জয়মতীৰ কাহিনীয়ে বিস্তৃত স্থান নোপোৱাৰ কাৰণ হৈছে—জয়মতীৰ হত্যাৰ আগলৈকে মাত্ৰ দহ বছৰৰ ভিতৰত ছজনকৈ আহোম ৰজা বিষয়াসকলৰ কুচক্ৰান্তত পৰি সিপুৰীলৈ যাব লগা হৈছিল। ডেবেৰা বৰবৰুৱা, লালুক বুঢ়াফুকন আদি ৰাজ-ক্ষমতাশালী বিষয়াসকলে ৰজা ভঙ্গা-পতা কৰি স্বয়ং ৰজাকেই নৃশংসভাৱে হত্যা কৰিছিল; আৰু তাৰ প্ৰতিক্ৰিয়া স্বৰূপে তেওঁলোকে নিজেও ঘাটকৰ হাতত প্ৰাণ দান দিব লগা হৈছিল। জয়মতীৰ শহুৰেক তুংখুঙ্গীয়া ফৈদৰ গোবৰ কোঁৱৰে মাত্ৰ কুৰিদিনৰ বাবে ৰজা হৈ ঘাটকৰ হাতত প্ৰাণ দান দিছিল। ল'ৰাৰজা ৰত্নধ্বজসিংহৰ দিনত বহুতো নিৰ্দ্দোষী ৰাজকোঁৱৰৰ সেই একে দশাই ঘটিছিল; জয়মতীৰ মৃত্যুৰ পাছত তেওঁ স্বামী গদাধৰ সিংহৰ হাতত ল'ৰাৰজাৰো সেই একে পৰিণতিয়েই ঘটিল। বুৰঞ্জীৰ এনে অসাধাৰণ ঘটনাবোৰৰ মাজত পৰি জয়মতীৰ দৰে এগৰাকী সতী নাৰীৰ সতীত্ব মহিমা গাবলৈ বুৰঞ্জী লিখকৰ হয়তো অৱসৰেই নোলাল। গতিকে জয়মতী নাটক লিখোতে লিখকে কল্পনাৰ বহণ যথেষ্ট সানিবলগীয়া হৈছে। ল'ৰাৰজাই গদা-পাণিক বধ কৰিবলৈ বিচৰাৰ দুটা কাৰণ নাট্যকাৰে নিৰ্দ্দেশ কৰিছে। এটা হৈছে গদাপাণি লৰাৰজাৰ



ৰাজনৈতিক প্ৰতিদ্বন্দী আনহাতে তেৱেঁই যৌন প্ৰেমৰ প্ৰতিদ্বন্দীও। নাটকত দেখুৱা হৈছে যে লৰাৰজাই জয়মতীক ভাল পাইছিল আৰু বিয়া কৰাবলৈকো ইচ্ছা কৰিছিল। কিন্তু জয়মতীয়ে বাহুবলী কোঁৱৰ গদাপাণিকহে স্বামী হিচাবে গ্ৰহণ কৰিলে। তাৰ কাৰণে গদাপাণিৰ প্ৰতি লৰাৰজাৰ ঈৰ্ষানল জ্বলি আছিল। এই প্ৰণয় কাহিনী গোহাঞিবৰুৱাৰ উদ্ভাৱন। কিন্তু এই কাল্পনিক প্ৰণয়ৰ সূতাড লিয়ে নাটকখনিৰ নাটক হিচাবে যে সৌন্দৰ্য্য বৃদ্ধি কৰিব পৰা নায়েই বৰং বুৰঞ্জীৰ লগতো এটি অসামঞ্জস্যতাৰহে সৃষ্টি কৰিছে। কিয়নো বুৰঞ্জীমতে ৰজা হোৱাৰ সময়ত লৰাৰজাৰ বয়স মাত্ৰ ১৪ বছৰ। লালুক বুঢ়াফুকনৰ ৫ বছৰীয়া জীয়েকৰ লগত লৰাৰজাৰ বিয়াৰ কথাও বুৰঞ্জীত উল্লেখ আছে। আনহাতে জয়মতীৰ বয়স সেই সময়ত কমপক্ষেও ৩০ বছৰমান হোৱা যেন লাগে। শাস্তি ভোগ কৰি প্ৰাণ ত্যাগ কৰাৰ সময়ত জয়মতীৰ পুত্ৰ লাই-লেচাই আছিল। সেই সময়ত লাইৰ বয়স অতি কমেও ১০ বছৰমান হোৱা বুলি অনুমান কৰিব পাৰি। দুতিৰাম হাজৰিকাৰ পদ্য বুৰঞ্জীত জয়মতীৰ জীয়েক এজনীয়েও জয়মতীৰ লগতে শাস্তি ভোগ কৰি মৰাৰ কথাও উল্লেখ আছে। গতিকে ল'ৰাৰজাৰ এই প্ৰণয়ৰ কাহিনী বুৰঞ্জীৰ লগত সমূলি খাপ খোৱা নাই। জয়মতী নাটকত ডিমু আৰু ডিমু—নগা মাক জীয়েকৰ চৰিত্ৰ গোহাঞিবৰুৱাৰ সাৰ্থক সৃষ্টি। ৰসৰাজ বেজবৰুৱাৰ 'জয়মতী' নাটকত এই ডিমুৱেই ডালিমীলৈ ৰূপা-ন্তৰিত হৈ অনন্য সাধাৰণ ৰূপত প্ৰকাশ পাইছে।

গাৱঁলীয়া চিত্ৰ অঙ্কণত তেখেতৰ অন্যান্য নাটকৰ দৰেই জয়মতীতো গোহাঞিবৰুৱাদেৱে সফলতা লাভ কৰিছে। জয়মতীৰ মৃত্যুৰ আগতেই ৰজা আৰু নৃশংস বিষয়াসকলক জয়মতীক অন্যায়কৈ শাস্তি দিয়া কাৰ্য্যৰ বাবে অনুতাপ কৰোৱাই তেওঁলোকৰ অন্তৰ্দ্বন্দ দেখুৱাত নাটকীয় ভাব কিছু দুৰ্ব্বল হৈছে। এই অনুশোচনা জয়মতীৰ মৃত্যুৰ পিছত দেখুৱা হলেহে কৰুণ ভাব আৰু বেছি হ'লহেঁতেন। জয়মতীক শাস্তি দিয়াটো বেয়া হৈছে বুলি যদি তেওঁলোকেই আগতেই বুজে তেনেহলে তেওঁলোকে তেনে কৰ্ম্ম কৰাবই বা কিয়? শেক্সপীয়েৰৰ মেক্‌বেথে ৰজা ডানকানক হত্যা কৰাৰ আগতে ৰজাক কিয় হত্যা কৰিব নেলাগে তাৰ যুক্তি তেওঁৰ বিখ্যাত স্বগতোক্তিত প্ৰকাশ কৰিছে সচা, কিন্তু এই যুক্তি ৰাশিৰ বিপক্ষে শেক্সপীয়েৰে লেডী মেকবেথৰ অখণ্ড প্ৰভাৱৰ আগত মেকবেথৰ দুৰ্ব্বলতা আৰু পৰাজয় দেখুৱাইছে। 'জয়মতী' নাটকত এনে উন্নত কৌশল নাট্যকাৰে প্ৰয়োগ কৰিব পৰা নাই বাবেই শেষৰ ফালে নাটকীয় গাঁথনি শিথিল হৈ পৰাটো লক্ষ্য কৰিব পাৰি। তথাপি জয়মতী নাটকত গুণৰ মাত্ৰা দোষতকৈ বহুগুণে বেছি। এই খনিয়েই তেখেতৰ সৰ্ব্বশ্ৰেষ্ঠ বুৰঞ্জী মূলক নাটক। এই নাটকৰ জয়মতী চৰিত্ৰৰ গাম্ভীৰ্য্য, পতিভক্তি, একাগ্ৰতা, কষ্ট সহিষ্ণুতা, সাহসিকতা, দেশপ্ৰেম আৰু আত্মত্যাগ অসমীয়া নাৰীৰ বাবে চিৰকাল আদৰ্শ হৈ ৰ'ব। ৭১ বছৰৰ আগতে ছপা হোৱা এই নাটকখনি এতিয়াও জয়মতী উৎসৱ সমূহত অভিনয় হোৱা দেখা যায়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে জয়মতীক কথা ছবিলৈ ৰূপান্তৰিত কৰি অসমীয়া কথাছবি শিল্পৰ শুভ-উদ্বোধন কৰে। আনহাতে এইখনিয়েই প্ৰথম অসমীয়া বুৰঞ্জীমূলক নাটক। সেই হিচাবেও

অসমীয়া নাট্য সাহিত্যৰ বুৰঞ্জীত চিৰকাল উজ্জ্বল হৈ জ্বিলিকি ৰ'ব।

'গদাধৰ' নাটকখনি ইয়াৰ ৭ বছৰৰ পিছত ১৮২৯ শকত প্ৰথম প্ৰকাশ হয়। জয়মতীৰ আত্ম দানৰ ফল স্বৰূপে এই দ্বিতীয় নাটকখনিত তেওঁৰ স্বামী গদাপাণিয়ে গদাধৰ সিংহ নাম লৈ অসমৰ ৰাজসিংহাসনত আৰোহন কৰি সকলো অন্যায় অত্যাচাৰৰ অৱসান ঘটোৱাটো দেখুৱা হৈছে। আগৰখনিৰ দৰেই এইখনিও পাঁচ অঙ্কীয়া নাটক আৰু ইয়াৰো মূল চৰিত্ৰবোৰৰ মুখত অমিত্ৰাক্ষৰ ছন্দ আৰু ইতৰ চৰিত্ৰৰ মুখত গদ্যবচন দিয়া হৈছে। আগৰখনিৰ দৰেই এইখনিতো লিখকে গাৱঁলীয়া কথোপকথনৰ চিত্ৰ কেইটি বেছ মনোমোহাকৈ ফুটাই তুলিছে। গদাধৰৰ চৰিত্ৰ অঙ্কণ জয়মতীৰ চৰিত্ৰ অঙ্কণৰ লগত তুলনা কৰিব নোৱাৰি। জয়মতী চৰিত্ৰৰ আত্মবল সাহ আৰু আত্মত্যাগ একোৱেই গদাধৰ চৰিত্ৰত ফুটি উঠা নাই। ইয়াত গদাধৰক পৰিস্থিতিৰ দাস হিচাবেহে দেখুৱাই তেওঁৰ চৰিত্ৰৰ মৰ্য্যদা বহুতো পৰিমানে ক্ষুণ্ণ কৰা হৈছে। চৰিত্ৰ অঙ্কণ আৰু গাঁথনিৰ ফালৰ পৰা নাটকখনি দুৰ্ব্বল হলেও অসম বুৰঞ্জীৰ এটি দুৰ্যোগ পূৰ্ণ চিত্ৰ বুৰঞ্জীৰ পৰা বিশেষভাৱে আঁতৰি নোযোৱাকৈ নাট্যকাৰে সফলতাৰে দৃশ্যকাব্যলৈ ৰূপান্তৰিত কৰিছে। এনে ধৰণৰ বুৰঞ্জীমূলক নাটকে দৰ্শকৰ জাতীয় চেতনা জগাই তোলাত সহায় কৰে আৰু সেই উদ্দেশ্য সাধনত নাট্যকাৰ সফলকাম হৈছে।

'লাচিত বৰফুকন' নাটকখনি গদাধৰৰ ৮ বছৰৰ পিছত ১৮৩৭ শকঁত লিখে। আগৰ দুখনিৰ দৰে ইয়াত অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰ নকৰি গদ্যবচনৰ ব্যৱহাৰ কৰিছে। এই নাটকো ৫ অঙ্কীয়া। এই নাটকৰ মূল ঘটনাবিলাকত লিখকে বুৰঞ্জী পৰা আঁতৰি নাহি বুৰঞ্জীৰ ঘটনাকে অবিকল নাটকীয় ৰূপ দিবলৈ যত্ন কৰিছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ 'শৰাইঘাটৰ যুদ্ধ' আৰু 'লাচিত বৰফুকন' নামৰ প্ৰবন্ধ দুটিৰ পৰা ইয়াৰ সমল গ্ৰহণ কৰিছে। দুটি এটি কাল্পনিক চিত্ৰ আছে যদিও নাটকখনি আৰম্ভণিৰ পৰা শেষলৈকে বুৰঞ্জীৰ দৰেই ধীৰ গতিৰে আগবাঢ়ি গৈছে। ৰমণী গাভৰুৱে পুৰুষ বেশত মোগল ৰাজ হেৰেমৰ পৰা পলাই আহি যুদ্ধত লাচিত বৰফুকনৰ ফালে গোপনে সহায় কৰা আৰু তেওঁৰ লাচিত বৰফুকনৰ লগত আগৰ পৰা প্ৰণয় আবেগ থকাৰ কথা দেখুৱা হৈছে। এই দুয়োটা কথা লিখকৰ কাল্পনিক উদ্ভাৱন। ইয়াৰো প্ৰথমটো লিখকৰ অৱাস্তৱ কল্পনা আৰু ই নাটকৰ সৌন্দৰ্য্য বৃদ্ধিত কিবা সহায় কৰা যেন মনে নধৰে। লাচিত বৰফুকন নাটকখনিয়ে অসমীয়াৰ মাজত বীৰ পূজাৰ প্ৰচলন কৰি জাতীয় জাগৰণৰ সৃষ্টি কৰা কামত বিশেষ সহায়প্ৰদ হৈছিল। পিছত এই লাচিত বৰফুকনৰ কাহিনীকে কেন্দ্ৰ কৰি অসমীয়া কথাছবিৰ সৃষ্টি হৈছে। জাঁজী আদি অনেক ঠাইত বছৰি বছৰি সমাৰোহেৰে লাচিত উৎসৱ পালন কৰা হয়। গোহাঁঞিবৰুৱা-দেৱে নাটক লিখাৰ সময়ত অসমৰ নাট্য সাহিত্য আকাশত বেজবৰুৱাকে আদি কৰি দুটি এটি তৰাৰ মাথো উদয় হৈছিল। অসমীয়া নাটকৰ ক্ষেত্ৰত আৰ্হি আৰু প্ৰতিযোগিতাৰ অভাৱত বেজবৰুৱা, গোহাঁঞিবৰুৱা দুয়ো গৰাকী কৃতী সাহিত্যকৰ নাটকতে কিছুমান ত্ৰুটি থাকি গৈছিল। এই একে ঘটনাকে কেন্দ্ৰকৰি বেজবৰুৱাইও চক্ৰধ্বজসিংহ নাটক-খনি লিখিছিল। সেই সময়ৰ অসমীয়া ৰঙ্গমঞ্চৰ



অভাৱ পূৰণত এই নাট্যকাৰসকলৰ অৱদান লেখত লবলগীয়া।

গোহাঞিবৰুৱাৰ সাধনী নাটকখনি চুতীয়া ৰজা নীতিপালৰ মহিষী সাধনী মহাসতীৰ চৰিত্ৰক কেন্দ্ৰ কৰি লিখা। এই নাটক খনিও পাঁচ অঙ্কীয়া আৰু অমিত্ৰাক্ষৰ ছন্দত লিখা। নাটকীয় মানদণ্ডৰ ফালৰ পৰা চালে সাধনীক জয়মতীৰ পাচতে স্থান দিব পাৰি। চুতীয়া কন্যা সাধনীৰ অসামান্যা পতিভক্তি আত্মত্যাগ আৰু মনোবল এই নাটকত ফুটি উঠিছে। এই নাটকতো লিখকে অসম বুৰঞ্জীৰ পৰাই সমল আহৰণ কৰি মূল ঘটনাৰ পৰা বিশেষ আঁতৰি যোৱা নাই। গাৱঁলীয়া চৰিত্ৰ আৰু কথোপ-কথনৰ ক্ষেত্ৰত অন্যান্য নাটকৰ দৰেই ইয়াতো লিখকে কৃতিত্বৰ পৰিচয় দিছে। নাটকীয় গাঁথনিৰ শিথিলতা, চৰিত্ৰ অঙ্কণৰ অপৈণতা আৰু সংলাপৰ দুৰ্বলতাই নাটকখনি অনেক ঠাইত নিষ্প্ৰভ কৰিলেও বুৰঞ্জীৰ এটি কৰুণ ঘটনাক দৃশ্যকাব্যলৈ পৰিণত কৰি জাতীয়তাবোধ জগাই তোলাত আৰু সাধনীৰ দৰে এটি নিৰ্দ্দোষ সতী জীৱনৰ আদৰ্শ চিত্ৰ দাঙি ধৰাত নাটকখনি সুন্দৰভাৱে কৃতকাৰ্য্য হৈছে। সতী সাধনীৰ স্মৃতি উৎসৱ আজিও অসমৰ গাৱেঁ-ভূঞে পালন কৰা হয়। এই সাধনী উৎসৱৰ গুৰিতে যে গোহাঞিবৰুৱাৰ সাধনী নাটকখনি অনুপ্ৰেৰণাৰ থলী তাক বঢ়াই ক'বৰ আৱশ্যক নাই।

বাণ ৰজা নাটকখনি গোহাঞিবৰুৱাৰ সোণ ৰৰণীয়া কাপৰ পৰা ওলোৱা একমাত্ৰ পৌৰাণিক নাটক। তেজপুৰৰ বাণষ্টেজৰ গোহাঞিবৰুৱাদেৱেই প্ৰতিষ্ঠাপক সম্পাদক। এই ষ্টেজ বাণৰজাৰ নামতেই নামাঙ্কিত কৰি যাৰ স্মৃতিত ষ্টেজটি পতা হৈছে সেই প্ৰাচীন কামৰূপৰ প্ৰৱল প্ৰতাপী তেজস্বী মহাযশী বাণৰজাৰ কীৰ্ত্তিকাহিনী হৰিবংশ ভাগৱত আদিৰ পৰা আনি তেখেতে বাণৰজা নামৰ সম্পূৰ্ণাঙ্গ নাটকখনি লিখি উলিয়ায়। গোহাঞি বৰুৱাতকৈও আগতে ২১ বছৰীয়া কিশোৰ লিখক ৺জ্যোতি প্ৰসাদ আগৰৱালাদেৱে শোণিত কুঁৱৰী নাম দি এই একে কাহিনীকেই নাটকীয় ৰূপ দিয়ে। কিশোৰ লিখক জ্যোতি প্ৰসাদৰ কলাৰ প্ৰতি অত্যন্ত ধাউতি আৰু বয়সৰ অনুৰূপে শোণিত কুঁৱৰী নাটকখনি বৰ কাব্যিক হোৱা বুলি আৰু অন্যান্য বহুতো কলা সুলভ গুণ থকা সত্বেও নাটক খনিত শ্ৰীকৃষ্ণ আৰু মহাদেৱৰ চৰিত্ৰত পৌৰাণিক গাম্ভীৰ্য্য ফুটি উঠা নাই বুলি উল্লেখ কৰি ডঃ বাণী-কান্ত কাকতীয়ে শোণিত কুঁৱৰী সম্পৰ্কে চেতনাত এটি প্ৰবন্ধ লিখাত গোহাঞি বৰুৱাদেৱে 'বাণৰজা' লিখোতে শ্ৰীকৃষ্ণ আৰু মহাদেৱৰ চৰিত্ৰৰ পৌৰাণিক গাম্ভীৰ্য্য ৰক্ষা কৰিবলৈ যত্ন কৰিছে। অসমীয়া লোকগীতৰ সুৰ ৰঙ্গমঞ্চত তুলিবলৈ জ্যোতি প্ৰসাদে যি যত্ন কৰিছিল গোহাঞি বৰুৱাদেৱেও সেই যত্নত সহাৰি জনাই তেখেতৰ বাণৰজাত অসমীয়া সুৰীয়া গীত ৰঙ্গমঞ্চত তুলিছে। বাণৰজা নাটকৰ মূল সংলাপবোৰ গদ্যত দিছে। কিন্তু ভাষাত কৃত্ৰিমতা আৰু নাটকীয় গুণৰ অভাৱ পৰিলক্ষিত হৈছে। নাটকৰ মূল ঘটনাৰ অগ্ৰগতিৰ লগত সম্পৰ্ক নথকা পাণ্ডৱ শিবিৰৰ দৃশ্য দুটিয়ে নাটকৰ কলেৱৰ বৃদ্ধি কৰাৰ বাহিৰে অন্য কোনো প্ৰয়োজন সাধন কৰিছে বুলি কব নোৱাৰি। তদুপৰি দ্বাৰকাত নাৰদে অনিৰুদ্ধৰ বন্দীত্বৰ কথাৰ জাননী দিয়াৰ আগতেই আৰু যাদৱসকলে যুদ্ধ যাত্ৰা কৰি সাজু নৌ হওঁতেই পাণ্ডৱ শিবিৰত অনিৰুদ্ধৰ উদ্ধাৰৰ কাৰণে যাদৱ সকলৰ যুদ্ধ যাত্ৰাৰ লগত যাব নোৱাৰি

আক্ষেপ কৰাটো দেখুৱা হৈছে। এইখিনিতে লিখকৰ অসাৱধানতাৰ চিনাকি পোৱা যায়। মুঠতে কবলৈ গলে পৌৰাণিক নাটকতো গোহাঞিবৰুৱাদেৱে সমালোচনাৰ অতীত সৰ্ব্বাঙ্গ সুন্দৰ নাটক লিখিবলৈ অসমৰ্থ হৈছিল তেখেতৰ সময়ৰ অভাৱৰ কাৰণে। অনেক ৰাজহুৱা দায়িত্ব আৰু স্কুল কলেজীয়া পাঠ্য পুথি সংকলনৰ কামত ব্যতিবস্ত হৈ থাকোতেই নাট্যামোদীসকলৰ বিশেষ তাড়নাত পৰি খৰধৰকৈ নাটক লিখা কামো হাতত লওঁতে ৰঙ্গমঞ্চৰ অভাৱ পূৰণৰ বাবেহে বিশেষকৈ লক্ষ্য ৰাখিব লগা হৈছিল। নাটকীয় কলা হিচাবে চৰ্চ্চা কৰিবলৈ অনুকুল পৰিবেশ আৰু সা-সুবিধা নথকাতহে এনেবোৰ ত্ৰুটী ৰৈ গৈছিল।

গোহাঞিবৰুৱাদেৱৰ তিনিখনি সামাজিক নাটক হৈছে। (১) গাওঁবুঢ়া (২) ভূত নে ভ্ৰম (৩) টেটোন তামুলী। শেষৰ দুখন সামাজিক সুবুলি খুহুটীয়া নাটক বুলিলেহে বেছি খাপ খায়। গাওঁবুঢ়াখনেই গোহাঞিবৰুৱাৰ আটাই কেইখনি নাটকৰ ভিতৰত সৰ্ব্ব শ্ৰেষ্ঠ। গাৱঁলীয়া জীৱনৰ নিখুঁত চিত্ৰ, ইংৰাজ বিষয়াসকলৰ শোষণ নীতি, মৌজাদাৰ আদি ইংৰাজ তোষামোদকাৰী বিষয়া কিছুমানৰ নিৰীহ জনসাধাৰণৰ ওপৰত অত্যাচাৰ আদিৰ এটি সুন্দৰ অনুপম চিত্ৰ গাওঁবুঢ়া নাটকত ফুটি উঠিছে। সংলাপ, চৰিত্ৰাঙ্কণ, পৰিবেশ সৃষ্টি আদি সকলো ফালৰ পৰাই নাটকখনি সৰ্ব্বাঙ্গ সুন্দৰ হৈছে। এনে ধৰণৰ সামাজিক নাটক অসমীয়া সাহিত্যত এতিয়াও বিৰল। ইংৰাজবিলাক আমাৰ দেশলৈ অহাৰ সময়ত অসমৰ এটি আৰ্থিক, ৰাজনৈতিক আৰু সামাজিক চিত্ৰ হিচাবেও এই নাটকখনি এটি অমূল্য সম্পদ। এই নাটকত ক'তো অতি-বাস্তৱতা বা অসম্ভাব্যতাৰ ছাঁ পৰা নাই।

'টেটোন তামূলী' কেৱল হাঁহিৰ কাৰণেই ৰচনা কৰা নাটক। এটি পুৰণি লৌকিক কাহিনীকে নাট্যকাৰে নাটকৰ ৰূপ দি হঁহুৱাবলৈ যত্ন কৰিছে। ঠায়ে ঠায়ে গ্ৰাম্য দোষ (Vulgurism) ঘটি সুৰুচিত ব্যাঘাত নজন্মোৱাকৈ থকা নাই। নাটকখনি বেজবৰুৱাৰ 'লিটিকাই' নাটকৰ লগত তুলনা কৰিব পাৰি। ইয়াৰ কথাবোৰ অবাস্তৱ আৰু অসম্ভৱ যেন লাগে। "ভূতনে ভ্ৰম" ভূতৰ ভ্ৰম মানুহৰ মনৰ পৰা আঁতৰাবলৈ চেষ্টা কৰা এখনি উদ্দেশ্যমূলক নাটক। ইয়াতো অসম্ভাব্যতাৰ পৰা ছাঁ পৰিছে। এই দুখনি নাটক গাওঁবুঢ়াৰ সমানে উপভোগ্য আৰু সৰ্ব্বাঙ্গসুন্দৰ নহয়।

ওপৰত উল্লেখ কৰা আঠখনি নাটকৰ বাহিৰেও ১৯ বছৰ বয়সৰ পৰা ৭৫ বছৰ বয়সলৈকে একেৰাহে প্ৰায় তিনিকুৰি বছৰে গোহাঞিবৰুৱাই কাব্য, উপন্যাস, পাঠ্যপুথি আদিৰে অসমীয়া সাহিত্যৰ সকলো অঙ্গকে পৰিপুষ্ট কৰি আজীৱন অধ্যৱসায়ী সৰ্ব্বতোমুখী প্ৰতিভা, নিস্বাৰ্থ দেশপ্ৰেম আৰু গভীৰ সামাজিক সহানুভূতি, আদৰ্শ পাণ্ডিত্য আৰু কৰ্ম্মস্পৃহাৰ মাজেদি যেনেকৈ দেশমাতৃকাক সেৱা কৰি গ'ল তাৰ বাবে তেখেতৰ অমৰ আত্মাৰ প্ৰতি আজিৰ এই পুণ্য শতবাৰ্ষিকী দিৱসত সশ্ৰদ্ধ নমস্কাৰ জনাওঁ।

—×—

# হেমচন্দ্ৰ গোস্বামী

শ্ৰীলক্ষ্মীনাথ ফুকন

[ এই প্ৰবন্ধটোত পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ বহুমুখী প্ৰতিভাৰ কথা সুন্দৰৰূপে প্ৰকাশ পাইছে। আমাৰ অনুৰোধ ৰক্ষা কৰি শ্ৰীফুকন ডাঙৰীয়াই তেখেতৰ 'মহাত্মাৰ পৰা ৰূপকোৱঁৰলৈ' বোলা পুথিখনৰ পৰা এই প্ৰবন্ধটো পত্ৰিকাত ছপাবলৈ অনুমতি দিয়াত গোস্বামীদেৱৰ শতবাৰ্ষিকী সৌৱৰণীস্বৰূপে ইয়াত প্ৰকাশ কৰা হ'ল ]

পত্ৰিকা সম্পাদক।

অসম গৱৰ্ণমেণ্টৰ নিৰ্দ্দেশমতে পুৰণি অসমীয়া পুথি সংগ্ৰহ কৰা সম্পৰ্কত হেমচন্দ্ৰ গোস্বামী যোৰহাটলৈ আহিল। দ্বিতীয় দশকৰ আগ ভাগৰ কথা। এতিয়া যোৰহাটৰ যি ঠাইত প্ৰিন্স অব ওৱেলচ্ টেকনিকেল স্কুল আছে তাতে তেতিয়া আছিল এ-টি- চামাৰ্চ নামৰ ইংৰাজ এজনে খোলা মদৰ কাৰখানা—যোৰহাট ডিষ্টিলেৰী। ডিষ্টিলেৰীটোৰ মুখে মুখে আলিটোৰ সিফালে আছিল আবকাৰী বিভাগৰ কৰ্ম্মচাৰী থকা দুটা নে তিনটা ঘৰ। তাৰে খালি থকা বা খালি কৰি দিয়া এটা ঘৰত গোস্বামী আছিলহি।

যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ ওপৰ শ্ৰেণীৰ ছাত্ৰ আছিলো তেতিয়া মই। সহপাঠী বন্ধু শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰে সৈতে এদিন গধূলি গলো গোস্বামীৰ ওচৰলৈ সন্দিকৈৰ কথা মতেই। কৰবাৰ পৰা অলপতে বোধকৰো গোস্বামী ঘুৰি পাইছিলহি। পুৰা চাহাবী সাজ পিন্ধি আছিল তেওঁ; মুখত একোচা ঘন গোঁফ আৰু মূৰত ডাঠ ক'লা চুলি। মেজখনৰ ওপৰত পৰি আছিল সাঁফৰ মৰা এটা কাঠৰ পেৰা, দীঘলে এহাতমান হলেও বহল আৰু ওখ দহ আঙুলমানতকৈ বেছি নহয়। গোস্বামীয়ে সাঁফৰখন খুলি পেৰাটোৰ ভিতৰত থকা পুৰণি সাঁচিপতীয়া পুথি এখন উলিয়াই আমাক দেখুৱালে আৰু পুথিখনৰ কিছু সন্তেদো আমাক দিলে। পুথিখনৰ বিষয়ে তেওঁ কোৱা এৰাৰ কথাও মোৰ আজি মনত নাই।

সেই কালত সন্দিকৈয়ে জোতা নিপিন্ধিছিল, ঘৰত পিন্ধিলেও বাহিৰত তেওঁ শুদা ভৰিৰেই ফুৰিছিল। আন সাজ পাৰতো তেওঁৰ লেশমাত্ৰও ফিতাহি নাছিল। কথাটো বৰ বিসদৃশ যেন লাগিছিল, এই বাবেই বিশেষকৈ যে তেওঁ এনে এজন মানুহৰ লৰা যিজনৰ আছিল সাজ-পোছাকত বিশেষত্ব ( সন্দিকৈৰ দেউতাক ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈয়ে বাহিৰত পৰিপাটিকৈ পূৰা চাহাবী পোছাক পিন্ধিছিল আৰু কেতিয়াবা কাচিৎ দেশী সাজ পিন্ধিলেও তাকো পিন্ধিছিল আটক-ধুনীয়াকৈ)। অকল ছাত্ৰ-সমাজতে নহয়, সন্দিকৈয়ে জোতা নিপিন্ধাৰ কথা অন্যান্য মহলতো বিয়পি পৰিছিল। গোস্বামীয়েও যে এই খবৰ পাইছিল তাক জানিলো যেতিয়া তেওঁ সন্দিকৈক সুধিলে, "তুমি বোলে জোতা নিপিন্ধা হয় নে? জোতা পিন্ধিব লাগে, পিছে জোতাৰ গোলাম হব নালাগে।" পিছৰ কথাষাৰ তেওঁ ইংৰাজীত কৈছিল "স্লেভ" শব্দটো ব্যৱহাৰ কৰি।

হেমচন্দ্ৰ গোস্বামীৰ বিষয়ে মই তেতিয়া বিশেষ একো নেজানিছিলোঁ। ইয়াৰ কেই বছৰ-

মানৰ আগতে তেওঁৰ কবিতাৰ কিতাপ 'ফুলৰ চাকি' মই পঢ়িবলৈ পাইছিলোঁ, কিন্তু তাত থকা "প্ৰিয়তমাৰ চিঠি'ৰ সৌন্দৰ্য্য উপভোগ কৰাৰ বয়স তেতিয়া মোৰ হোৱা নাছিল। 'প্ৰিয়তমাৰ চিঠি' যে অসমীয়া ভাষাত প্ৰথম চনেট তাকো মই তেতিয়া জনা নাছিলোঁ—চনেট নো কি তাকে জনা নাছিলোঁ তেতিয়া মই। এই কবিতাটোতকৈ মোৰ তেতিয়া বেছি ভাল লাগিছিল 'কাকো আৰু হিয়া নিবিলাওঁ' কবিতাটো হে। আনৰো এই কবিতাটো ভাল লাগিছিল। অসমৰ ৱাল্টাৰ স্কট ৰজনীকান্ত বৰদলৈৰো যে এই কবিতাটো ভাল লাগিছিল তাৰ প্ৰমাণ তেওঁৰ দ্বিতীয় উপন্যাস 'মনোমতী'ৰ প্ৰায় আৰম্ভণীতে কবিতাটোৰ পৰা উদ্ধৃত কৰি দিয়া এই কেইশাৰীয়েই—

সকলোৰে মুখে শুনো
তাতে বহি বহি গুনো
মানুহে সঁচা নে ভাল পায় ?

'পেট' নামৰ ধেমেলীয়া কবিতাটোও মোৰ ভাল লাগিছিল আৰু ভাল লাগিছিল 'কাকূতি' নামৰ কবিতাটো।

তেতিয়া মই জনা নাছিলোঁ যে তিনিজন অসমীয়া ছাত্ৰই আগ ভাগ লৈ কলিকতাৰ পৰা 'জোনাকী' উলিয়াইছিল আৰু সেই তিনিজনৰে এজন আছিল হেমচন্দ্ৰ গোস্বামী। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামী, 'জোনাকী'ৰ এই তিনিজন ৰথী যে তিনিজন গুচি এজন হৈ পৰিছিল তাকো মই তেতিয়া নেজানিছিলোঁ। সাহিত্যৰথী বেজবৰুৱাই তেওঁৰ 'জীৱনসোঁৱৰণ'ত স্পষ্ট ভাষাৰে কৈ নিদিয়ালৈকে আন কিমানেই বা জানিছিল ? মই নেজানিছিলোঁ ১৯০০ চনত অসম গৱৰ্ণমেণ্টে যে হেমচন্দ্ৰ বৰুৱাৰ অক্ষয় কীৰ্ত্তি 'হেমকোষ' ছপাই উলিয়ালে তাৰ মূলত আছিল হেমচন্দ্ৰ গোস্বামী আৰু চব-ডেপুটী কলেক্টৰ গোস্বামীয়েই এই অভিধানখনৰ অসমীয়াখিনি সম্পাদনা কৰিছিল যেনেকৈ কৰিছিল ইংৰাজীখিনি সম্পাদনা ডেপুটী কমিছনাৰ পি-আৰ গৰ্ডনে। ইয়াকো মই জনা নাছিলোঁ যে হেমচন্দ্ৰ গোস্বামী গুৱাহাটীৰ বাসিন্দা হোৱাৰ আগতে আছিল ঢেকীয়ালৰ মানুহ, আমাৰ দেৰগাঁৱৰ ঘৰৰ পৰা তেওঁৰ ঘৰলৈ মাথোন সাত মাইল দূৰ।

ইয়াৰ কেই বছৰমানৰ পিছত ডিব্ৰুগড়ত 'আলোচনী' চলোৱা কালত মই অন্যান্য পুৰণি লিখকৰ লগতে হেমচন্দ্ৰ গোস্বামীলৈকো চিঠি লিখিলোঁ কাকতখনত প্ৰকাশ কৰিবৰ কাৰণে প্ৰবন্ধাদি পঠাবলৈ অনুৰোধ কৰি। শিলৰ আৰু তামৰ ফলিৰ পাঠ উদ্ধাৰ কৰি তেওঁ আলোচনী'ত লিখা প্ৰৱন্ধবোৰ মোৰ সেই অনুৰোধৰ ফল। স্বনামধন্য মাণিকচন্দ্ৰ বৰুৱাৰ মৃত্যুৰ পিছত মই তেওঁৰ জীৱনীমূলক প্ৰবন্ধ এটা পঠাবৰ বাবে গোস্বামীলৈ চিঠি লিখিলোঁ। এইজন সেই মাণিকচন্দ্ৰ বৰুৱা যিজনে কলিকতাত কলেজত পঢ়ি থাকোতে তেওঁৰ সহপাঠী জগন্নাথ বৰুৱাৰ (পিছত ৰায় বাহাদুৰ) লগ লাগি অসমৰ কথাৰে ভাৰতৰ বৰলাট লৰ্ড নৰ্থব্ৰুকক এখন মানপত্ৰ দিছিল আৰু তেওঁলোকে অনুৰোধ কৰা মতে তেওঁ অসমত এভুমুকি মাৰি গৈছিলহি। অসমত পদাৰ্পণ কৰা তেওঁ প্ৰথম বৰলাট আৰু তেওঁ যে জাহাজেদি আহি গুৱাহাটী পাইছিলহি তাৰ চিন স্বৰূপে শুক্লেশ্বৰ ঘাটত নৰ্থব্ৰুক গেট জীৰ্ণ-শীৰ্ণ অৱস্থাত আজিও বিদ্যমান। পিছৰ কালত মাণিকচন্দ্ৰ বৰুৱাই অসমৰ ৰাজনৈতিক ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল আৰু এসময়ত অসমৰ একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান আসাম এচোছিয়েছনৰ তেওঁ প্ৰাণ স্বৰূপ আছিল।



মই যি তাৰিখ বান্ধি দিছিলোঁ সেই তাৰিখৰ ভিতৰতে হেমচন্দ্ৰ গোস্বামীয়ে মাণিকচন্দ্ৰ বৰুৱাৰ বিষয়ে প্ৰবন্ধটো খৰখেদাকৈ লিখি পঠালে। কিন্তু খৰধৰকৈ লিখি পঠালেও, কি সুন্দৰ প্ৰবন্ধ! মাণিকচন্দ্ৰ বৰুৱাৰ বিষয়ে জানিব লগীয়া সকলো কথাই চমুকৈ তাত আছিল। তেওঁৰ ৰাশিচক্ৰখনো প্ৰবন্ধটোত তুলি দিয়া হৈছিল। আনন্দৰাম বৰুৱাৰ বিষয়ে গোস্বামীয়ে 'ঊষা'ত লিখা প্ৰৱন্ধটোৰ দৰেই এইটো প্ৰৱন্ধৰো ভাষা আছিল নিমজ আৰু লিখাৰ ধৰণ আছিল, শুৱলা। গোস্বামীয়ে সংস্কৃতীয়া শব্দ পৰাপক্ষত ব্যৱহাৰ নকৰিছিল, তেওঁ ব্যৱহাৰ কৰিছিল নিভাজ অসমীয়া শব্দ, দীঘলীয়া শব্দতকৈ তেওঁ যেন চুটি শব্দ পচন্দ কৰিছিল বেছি। এই দুটা প্ৰবন্ধতকৈও মোৰ বোধেৰে তেওঁৰ ৰচনাৰ সাৱলীল গতি আৰু শ্ৰুতিমধুৰ ভঙ্গী ফুটি উঠিছিল তেওঁৰ আন দুটা প্ৰবন্ধত—বাঁহী'ত প্ৰকাশ হোৱা 'হেমকোষ' আৰু তাৰ আগতে 'ঊষা'ত ওলোৱা 'শৰাইঘাটৰ' যুদ্ধ'। ৰত্নেশ্বৰ মহন্তৰ 'মোৱামৰীয়া বিদ্ৰোহ' আৰু 'লাঙ্গি গদাপাণি আৰু জয়মতী কুঁৱৰী'ৰ পিছতে 'শৰাইঘাটৰ যুদ্ধ' অসমীয়া সাহিত্যত উল্লেখযোগ্য ঐতিহাসিক প্ৰবন্ধ। ভাষাৰ ফালৰ পৰা এই প্ৰবন্ধটো যিদৰে সমৃদ্ধ সেই দৰেই বুৰঞ্জীৰ ফালৰ পৰা চমকপ্ৰদ। 'শৰাইঘাটৰ যুদ্ধ'ত থকা সমলকে লৈ বেজবৰুৱাই 'চক্ৰধ্বজসিংহ' নাটক লিখি গোস্বামীকে অৰ্পণ কৰিলে, "গোসাঁই, তোমাৰ বস্তু তোমাকে দিলোঁ।"

আসাম এচোছিয়েছন আৰু অসম ছাত্ৰ সন্মিলন ১৯১৬ চনৰ বৰদিনৰ বন্ধত বহাৰ উপলক্ষ্যকে লৈ মই গুৱাহাটী পালোঁগৈ। তাত থাকোঁতেই এদিন পুৱা হেমচন্দ্ৰ গোস্বামীক লগ পাওঁগৈ বুলি তেওঁৰ উজানবজাৰৰ ঘৰলৈ গলোঁ। এতিয়া টিনৰ যিটো পকী ঘৰ আছে তাৰ ঠাইত তেতিয়া আছিল নিঃকিন ধৰণৰ চকুত নলগা পুৰণি খেৰী ঘৰ। দুৱাৰখনেদি আগ-ঘৰটোৰ ভিতৰলৈ সোমাই গলোঁ। দেখিলোঁ লোহিতচন্দ্ৰ ভূঞাৰ লগত গোস্বামীৰ থৈয়া-নথৈয়া ৰণ চলিছে, অৱশ্যে শৰাইঘটীয়া ঢাল-তৰোৱাল বা হিলৈ-বৰতোপেৰে নহয়, যি অস্ত্ৰ আয়াসতে বিনা যত্নেৰে পোৱা যায় তেনে অস্ত্ৰেৰে, অৰ্থাৎ বাক্য-বাণেৰে। গোঁফবিহীন গোস্বামীৰ গাত ঘৰত পিন্ধা চুৰিয়া-চোলা আৰু তাৰ ওপৰত এখন এৰী নে খনীয়া কাপোৰ; ভূঞাৰ গাত আছিল অলৈ-তলৈ যাওঁতে পিন্ধা চুৰিয়া-কামিজ-কোট আৰু মূৰত চেলেং কাপোৰৰ পাগুৰি। দীঘলীয়া কোঠাটোৰ দীঘে দীঘে এবাৰ ইফালে এবাৰ সিফালে ঘূৰি ঘূৰি দুয়ো বাক-যুদ্ধত লিপ্ত। বেৰৰ দাঁতিত দৰ্শক স্বৰূপে কেইজমান মানুহ নিশ্চল ভাৱে থিয় দি। ময়ো তেওঁলোকৰ লগৰে এজন দৰ্শক হৈ পৰিলোঁ। বাক-যুদ্ধ কিছু পৰ চলিল। গোস্বামীতকৈ ভূঞাৰ মুখো চলিছিল বেছি, ভৰিও চলিছিল বেছি। ভূঞাৰ মাতৰ কৰ্কশতাত ৰাগ প্ৰকাশি উঠিছিল, কিন্তু গোস্বামীৰ মাতৰ স্থূলতাত ৰাগৰ আভাস যদিও আছিল, নাছিল তাৰ প্ৰকাশ। ভূঞাই খং দেখুৱাই কোৱা কথাবোৰ গোস্বামীয়ে খণ্ডন কৰিছিল খং নেদেখুৱাই।

লোহিতচন্দ্ৰ ভূঞাই কলিকতাৰ পৰা উলিয়াইছিল হেমচন্দ্ৰ গোস্বামীক সম্পাদক লৈ প্ৰথম অসমীয়া শিশু আলোচনী 'অৰুণ'। কেইবাখনো শিশু আলোচনী 'অৰুণ'ৰ পিছত ওলাল আৰু মৰিল,

পিছে এখনেও 'অৰুণ'ক চেৰ পেলাব পৰা নাছিল, যদিও শ্ৰীহৰেন্দ্ৰ নাথ শৰ্ম্মাৰ 'পখিলা'ই একে ফুটতে উঠি 'অৰুণ'ক ছোঁও ছোঁও কৰিছিলগৈ। হাতী-দঁতীয়া বগা মিহি কাগজ, ফটফটীয়া ছপা আৰু দুই-তিনি ৰঙীয়া আকৰ্ষণীয় ছবিয়ে অৰুণ'ৰ জেউতি বঢ়াইছিল। সেইবোৰৰ লগতে সোণত সুৱগা চৰাইছিল শিশুউপযোগী প্ৰবন্ধ, গল্প, কবিতা আদিয়ে। অকালতে এই সংসাৰৰ পৰা বিদায় লোৱা লোহিতচন্দ্ৰ বৰপেটাৰ মানুহ আছিল। কলিকতাৰ ৪৩ আমহাৰ্ষ্ট ষ্ট্ৰীটত তেওঁ অসমীয়া ছাত্ৰৰ এটা মেছ খুলি কেইবা বছৰো চলাইছিল আৰু তাৰ পৰাই 'অৰুণ' উলিয়াইছিল। এখন নে দুখন অসমীয়া কিতাপ প্ৰকাশ কৰাৰ বাহিৰেও তেওঁ কলিকতাৰ পৰা অসমলৈ মাল-বস্তু কিনি-মেলি পঠোৱা কাৰবাৰতো চুচুৰীয়াকৈ ধৰিছিল। মই তেওঁৰ যোগেদি 'আলোচনী' ছপাবৰ কাৰণে কিছু কাগজো অনাইছিলোঁ। কিন্তু কাৰবাৰত তেওঁ বিশেষ সুবিধা কৰিব নোৱাৰিলে। 'অৰুণ' বন্ধ হৈ গল আৰু মেছো নচলা হল। 'অৰুণ' ওলাই থাকোতেই 'অৰুণ'ৰ কথাকে লৈ হেমচন্দ্ৰ গোস্বামীৰ লগত তেওঁৰ হৈছিল সেইদিনা বাক যুদ্ধ। কোনেও কাৰো কথা এৰি নিদিলে, আৰু শেহত ভূঞাই খঙৰ চেহেৰাৰেই ৰণথলি এৰি গুচি গল।

লোহিতচন্দ্ৰ ভূঞা যোৱাৰ পিছত হে হেমচন্দ্ৰ গোস্বামীৰ লগত মই কথা হব পাৰিলোঁ। তেওঁ জেনেৰেল জেনকিন্সৰ হাফটোন ব্লক এটা কৰাই থৈছিল আৰু 'অৰুণ'তে ব্লকটো উলিওৱাৰ কথা ভাবিছিল। এই দৰে 'অৰুণ'ৰ লগত তেওঁৰ সমন্ধ ছিগাত তেওঁ ব্লকটো মোকে দি দিলে 'আলোচনী'ত প্ৰকাশ কৰিবলৈ। ডেভিদ স্কটৰ পিছত জেনেৰেল জেনকিন্স অসমত গৱৰ্ণৰ জেনেৰেলৰ এজেন্ট আছিল। জেনেৰেল জেনকিন্সৰ কথা কওঁতে গোস্বামীয়ে মোক কলে যে এইজন চাহাবে অসমীয়াৰ উপকাৰ কৰিবলৈ গৈ অসমীয়াৰ কিছু অপকাৰো কৰিলে অনিচ্ছাকৃত ভাৱে। তেওঁ মোক ডেভিদ স্কটৰ বিষয়েও কলে। এইজন চাহাব বোলে অসমীয়া মানুহক গৱৰ্ণমেণ্টৰ চাকৰিত নিয়োগ কৰাৰ বৰ পক্ষপাতী আছিল আৰু এবাৰ অসমীয়া নহৈ অনা অসমীয়াক কামত লোৱা বাবে নিয়োগকাৰী কৰ্ম্মচাৰীজনৰ কৈফিয়ৎ তলব কৰিছিল। ৰাইজৰ ওজৰ-আপত্তি আৰু অভাৱ-অভিযোগ তেওঁ যাতে পোনপটীয়াকৈ জানিব পাৰে সেই অৰ্থে তেওঁৰ অফিচৰ সমুখত এটা তলা-মৰা বাকচ থৈছিল ৰাইজে তেওঁলোকৰ মনৰ কথা লিখি তাৰ ভিতৰত লিখা কাগজখন ভৰাই থবলৈ নিৰ্দেশ দি। এই চাহাবজন অসমতে ঢুকাল আৰু চেৰা-পুঞ্জীত তেওঁৰ কবৰ এতিয়াও আছে। মই কলত ডেভিদ স্কটৰ বিষয়ে টোকা এটা লিখি গোস্বামীয়ে মোলৈ পিছত পঠাই দিলে আৰু টোকাটো 'সম্পাদকৰ শৰাই' শিতানৰ তলত 'আলোচনী'ত যথা-সময়ত ওলাল।

মই পিছ দিনাও হেমচন্দ্ৰ গোস্বামীৰ ওচৰলৈ গৈছিলোঁ। সেই দিনা তেওঁ মোক এটা ফটোৰ এলবাম দেখুৱালে। তাত মই বেজবৰুৱাই বেজবৰুৱানীৰে সৈতে তোলা ফটো এখন দেখিলোঁ। বেজবৰুৱাৰ মুখত মিহিকৈ গজা ডাঢ়ি-গোঁফ আৰু প্ৰজ্ঞাসুন্দৰী দেৱীৰ মূৰত ওৰণী। গোস্বামীয়ে মোক কলে যে বেজবৰুৱা-বেজবৰুৱানীৰ বিয়াৰ ঠিক পিছতে তোলা এই ফটোখন বেজবৰুৱাই তেওঁক উপহাৰ দিছিল। মই গোস্বামীৰ সেই এলবামত আৰু দুখন ফটো দেখিলোঁ আৰু তেওঁ মোক চিনাই দিলে যে তাৰে এজন হল ৰত্নেশ্বৰ মহন্ত আৰু ইজন হল হৰিবিলাস আগৰৱালা। ফটো দুখন তেওঁলোকৰ জীৱনীৰে 'আলোচনী'ত উলিয়াবৰ মনেৰে মই গোস্বামীক খুজি লৈ গলোঁ আৰু তেওঁলৈ পঠিয়াই দিম বুলি কৈ। পিছে মই তেওঁ-লোকৰ জীৱনী যোগাৰ কৰিব সতকাই নোৱাৰিলোঁ আৰু ইপিনে গোস্বামীয়েও ফটো দুখন খুজি চিঠি দিবলৈ ধৰিলে। ইতিমধ্যে 'আলোচনী'ৰ লগত মই সমন্ধ ছিঙিব লগা হল, কিন্তু তাৰ আগতেই ফটো দুখন মই গোস্বামীলৈ ঘূৰাই পঠাই দিলোঁ।

ইয়াৰ তিনি বছৰমানৰ পিছত কলিকতাত যেতিয়া অৰিয়েণ্টেল কনফাৰেঞ্চ বহে তেতিয়া মই কলিকাতাত আছিলোঁ। সেই কনফাৰেঞ্চলৈ অসমৰ পৰা যি কেইজন প্ৰতিনিধি গৈছিল তাৰ ভিতৰত দুজন আছিল ৰজনীকান্ত বৰদলৈ আৰু হেমচন্দ্ৰ গোস্বামী। বৰদলৈয়ে এঠাইত লিখা মতে সেই কনফাৰেঞ্চলৈ যাওঁতে কলিকতাত তেওঁ গোস্বামীৰে সৈতে মহাৰাজ মনীন্দ্ৰচন্দ্ৰ নন্দীৰ ঘৰত আছিল আৰু একেটা কুঠৰীতে দুয়ো ওচৰা-উচৰিকৈ দুখন খাটত শুইছিল। কনফাৰেঞ্চৰ পিছত প্ৰতিনিধিসকল ঘৰা-ঘৰি গল। কিন্তু অসমীয়া সাউদ ভোলানাথ বৰুৱাৰ আলহী হৈ গোস্বামী কলিকতাত কিছু দিন থাকিল। সেই সময়ত বৰুৱাৰ হাওৰাৰ ঘৰলৈ মই প্ৰায়েই গৈছিলোঁ আৰু পুৱা-গধূলি যেতিয়াই গৈছিলোঁ তেতিয়াই গোস্বামীক তাত লগ পাইছিলোঁ। মোক লগত লৈ গোস্বামী তেওঁৰ দুই-চাৰিজন কলি-কতীয়া বন্ধুৰ ঘৰলৈকো গৈছিল। তাৰে এজন আছিল সতীনাথ ৰায় যাৰ দেউতাক ডাক্তৰ দেবেন্দ্ৰনাথ ৰায়ে কম ফিজতে বা ফিজ নোলোৱাকৈয়ে অসমীয়া ছাত্ৰক বেমাৰ নৰিয়া পৰিলে চাইছিল বুলি যোৰহাটৰ ৰায় বাহাদুৰ কৃষ্ণকুমাৰ বৰুৱাই মোক কৈছিল। সতীনাথ ৰায়ৰ ঘৰলৈ এদিন দুবছৰমানৰ আগতে গোস্বামীৰ বৰপুতেক কিৰণচন্দ্ৰক গোলাঘাটৰ গিৰীশচন্দ্ৰ বৰুৱা আৰু মই লৈ গৈছিলোঁ। কিৰণে ঘৰত নকৈ ঘৰৰ পৰা গুচি আহিছিল আৰু গোস্বামীয়ে গিৰীশচন্দ্ৰলৈ টেলি-গ্ৰামেৰে দিয়া নিৰ্দেশ মতে আমি তেওঁক চিয়ালদহ ষ্টেচনৰ পৰা ৰায় মহোদয়ৰ ঘৰত থৈ আহিছিলোঁগৈ। পিছদিনা টিকট কাটি কিৰণক চিয়ালদহ ষ্টেচনত তুলি আকৌ ঘৰলৈ পঠাই দিয়া হৈছিল। সুশোভন চেহেৰাৰে আৰু মৰম-লগা কথাৰে মানুহৰ মন মুহিব পৰা আছিল কিৰণ, পিছে বৰ দুখৰ কথা যে ভৰ ডেকা বয়সতে তেওঁৰ মৃত্যু ঘটিল।

কলিকতা বিশ্ববিদ্যালয়ৰ অনুৰোধক্ৰমে ৺হেমচন্দ্ৰ গোস্বামীয়ে 'অসমীয়া সাহিত্যৰ চানেকী' সঙ্কলন কৰা কামত লাগিছিল। এই কামত তেওঁ ৰাতিয়ে-দিনে খাতিব লগীয়া হৈছিল। পিছে সঙ্কলনখন যুগুত কৰিলেইয়তো নহব, সঙ্কলনখন ছপাই উলিয়াব লাগিব আৰু ছপাই উলিয়াবলৈ লাগিব টকা। সেই টকা পোৱা যায় কেনেকৈ? কলিকতা বিশ্ববিদ্যালয়ৰ বোলে টকাৰ বল নাই। গোস্বামীয়ে ভোলানাথ বৰুৱাৰ পৰা দহ হেজাৰ টকা বিশ্ববিদ্যালয়ক দিয়ালে 'অসমীয়া সাহিত্যৰ চানেকী'খন ছপাই উলিয়াবলৈ। বিশ্ববিদ্যালয়ৰ ভাইচ চেঞ্চেলাৰ চাৰ আশুতোষ মুখাৰ্জী এই সম্পৰ্কত ভোলানাথ বৰুৱাৰ ঘৰলৈ এদিন আবেলি আহিছিল গোস্বামী তাত থাকোতেই। চাৰ আশুতোষ ঘূৰি যোৱাৰ পিছত গোস্বামীয়ে আমাক কৈছিল মানুহজনৰ ব্যক্তিত্বৰ কথা। অৰিয়েণ্টেল কনফাৰেঞ্চ নে নাই আন কিবা সম্পৰ্কত ৰাজভৱনৰ

হাউলীত হোৱা এক অনুষ্ঠানত বোলে গবর্ণৰ লর্ড ৰনেল্ডছে ( পিছত লর্ড জেটলেণ্ড ) চাৰ আশুতোষক চলাই লৈ ফুৰোৱা নাছিল, চলাই লৈ ফুৰিছিল গৱৰ্ণৰক চাৰ আশুতোষে। মন মোৰ লাগি গল কথাষাৰ। অকল ব্যক্তিত্বশালীয়েই নহয়, বৰ স্বাধীন চেতা লোক আছিল চাৰ আশুতোষ। ভাৰতৰ বৰলাট এজনে চাৰ আশুতোষক বিলাতলৈ যোৱাৰ কথা কলত তেওঁ কলে যে সেই বিষয়ে মাকৰ নিষেধ আছে। যেতিয়া বৰলাটে তেওঁৰ এইয়া আদেশ বুলি মাকক কবলৈ কলে তেতিয়া চাৰ আশুতোষে উত্তৰ কৰিলে "চাৰ আশুতোষৰ মাকে নিবিচাৰে যে তেওঁৰ পুতেকক তেওঁৰ বাহিৰে আন কোনোবাই আদেশ দিব।" কলিকতা বিশ্ববিদ্যালয়ৰ স্বাধীনতাৰ কথা লৈ বিশ্ববিদ্যালয়ৰ চেঞ্চেলাৰ আৰু বঙ্গদেশৰ গৱৰ্ণৰ লর্ড লীটনলৈ চাৰ আশুতোষে তেওঁৰ নিৰ্ভীক স্বাধীনচেতা মনৰ পৰিচয় দি যিখন চিঠি লিখিছিল তাৰ কথাতো শিক্ষিত সম্প্রদায়ৰ অনেকেই জানে। চিঠিখনৰ শেহৰ শাৰী আছিল "ফ্রিডম ফাৰ্ষ্ট, ফ্রিডম চেকেণ্ড, ফ্রিডম অলৱেজ।" অৰ্থাৎ স্বাধীনতা প্রথম, স্বাধীনতা দ্বিতীয়, স্বাধীনতা সৰ্বদায়।

ভোলানাথ বৰুৱাৰ ঘৰত থকা সেই কেইদিনৰ ভিতৰতে হেমচন্দ্ৰ গোস্বামীক জানিবলৈ আৰু বুজিবলৈ মোৰ কিছু সুবিধা হৈছিল; তেওঁৰো নিশ্চয় সুবিধা হৈছিল মোক জানিবলৈ আৰু বুজিবলৈ। কিন্তু তেওঁ মোৰ বিষয়ে ভাল বেয়া যি ধাৰণাই কৰক লাগিলে, মই বৰ চালাক-চতুৰ নহওঁ বুলি তেওঁ বঢ়িয়াকৈ বুজিছিল আৰু এই কথা তেওঁ মোক স্পষ্ট ভাষাৰে কথাই কথাই এদিন কবলৈকো পিছ হোহঁকা নাছিল। বিশ্ববিদ্যালয়ক দহ হেজাৰ টকা দিওৱাৰ বাহিৰেও গোস্বামীয়ে কলিকতাত পঢ়া দুখীয়া অথচ চোকা বুদ্ধিৰ অসমীয়া লৰা এজনক ভোলানাথ বৰুৱাৰ পৰা কমকৈ কিছু টকা আদায় কৰি দিছিল। মই ভোলানাথ বৰুৱাৰ ঘৰলৈ ইমানকৈ গৈছিলো আৰু মোৰ প্রতি তেওঁ ইমান মৰম দেখুৱাইছিল যে গোস্বামীৰ হয়তো মনত খেলাইছিল মই ইচ্ছা কৰা হলে বৰুৱাৰ পৰা বুজনকৈয়ে কিছু টকা আদায় কৰিব পাৰিলোঁহেঁতেন। তাকে কৰিব নোৱাৰা দেখি তেওঁ মোক কোনো কামৰ মানুহ নহওঁ বুলি ভাবিছিল কিজানি। গোস্বামীয়ে লিখা সেই সময়ৰ ডায়েৰীতে মোৰ কথা আছে। ডায়েৰীত তেওঁ মোৰ কথা লিখিছে বুলি মই তেতিয়া জনা নাছিলোঁ; জানিলোঁ যেতিয়া তেওঁৰ মৃত্যুৰ ভালেমান বছৰৰ পিছত সেই ডায়েৰীৰ অংশবিশেষ কাকত এখনত উলিয়াই দিলে শ্ৰীবেণুধৰ শৰ্ম্মাই। মাজে মাজে তৰা চিন দি কথা বাদ দিয়া বাবে মোৰ বিষয়ে গোস্বামীয়ে কৰা মন্তব্যখিনি সম্পূর্ণকৈ তাত প্রকাশ পোৱা নাই।

৺হেমচন্দ্ৰ গোস্বামীয়ে ১৯২৫ চনত চৰকাৰী কামৰ পৰা অৱসৰ গ্রহণ কৰে আৰু তাৰ পিছতে স্বতন্ত্ৰীয়া প্রাৰ্থী হিচাপে গোলাঘাট সমষ্টিৰ পৰা অসম ব্যৱস্থাপক সভাৰ নিৰ্বাচনত নামে। নিৰ্বাচনৰ কেইমাহমানৰ আগতে গোলাঘাটত চাহ-খেতিয়ক শ্ৰীমহেন্দ্ৰনাথ বৰুৱাৰ ঘৰত বহি মই তেওঁৰ লগত কথাপাতি আছো এনেতে গোস্বামী মটৰত কৰবাৰ পৰা ওলালহি। গোলাঘাট অঞ্চলত তেওঁ ভোট বিচাৰি ঘূৰি ফুৰিছিল আৰু নকলেও হব যে ভোটৰ কথাৰেই তেওঁ তেওঁৰ বন্ধু-পুত্ৰ "বৰমইনা"ৰ ওচৰলৈ আহিছিল। যি সন্নিধান দিব লাগে বৰুৱাই তেওঁৰ পিতৃ-বন্ধুক দিলে। মই পিচত গোস্বামীক বেলেগে লগ ধৰি সুধিছিলো, "আপুনিনো কাউন্সিললৈ যাবলৈ ওলাইছে কিয়? কাউন্সিললৈ গৈ অসমীয়া সাহিত্যলৈ পিঠি দিব খুজিছেনে কি? এনেকৈ সাহিত্যতে লাগি থাককচোঁন।" তেওঁ মোক কৈছিল কাউন্সিললৈ গলে অসমীয়া সাহিত্যলৈ পিঠি দিম বুলি কিয় ভাবিছা? সাহিত্যৰ কামো চলি থাকিব, কাউন্সিলৰ কামো চলি থাকিব। অসমীয়া সাহিত্যৰ কথা মনত ৰাখিয়েই মই কাউন্সিললৈ ওলাইছো। কাউন্সিলৰ যোগেদি মই অসমীয়া সাহিত্যৰ কামকে ঘাইকৈ কৰিম। গোস্বামী তেওঁৰ থকা ঠাই গুৱাহাটীৰ পৰা প্রাৰ্থী নহৈ গোলাঘাটৰ পৰা প্ৰাৰ্থী হৈছিল ঘাইকৈ এই কাৰণেই যে অওহী-বওহী আৰু বন্ধু-বান্ধৱেৰে ভৰি থকা গোলাঘাট তেওঁৰ ওপজা ঠাই। তেওঁ লগতে ভাবিছিল যে গোলাঘাটৰ পৰা নিৰ্ব্বাচনত সফল হোৱাটো তেওঁৰ পক্ষে সম্ভৱ হলেও গুৱাহাটীৰ পৰা সম্ভৱ নহয়। কিন্তু কংগ্রেছ প্ৰাৰ্থী কুলধৰ চলিহাৰ লগত প্রতিদ্বন্দ্বিতা কৰি তেওঁ যে জয়লাভ কৰিব নোৱাৰিব সেই কথা তেওঁ নুবুজিলেও অনেকে বুজিছিল। কাৰ্য্যতঃ সেয়ে হ'ল।

● ● ● ● ●

"আমি জাতীয় চৰিত্ৰৰ ভু নলৈ কিতাপ লিখিবলৈ গৈছোঁ গুণেই অসমীয়া মানুহৰ মনত লগা কৰি কিতাপ লিখিব পৰা নাই আৰু সেই গুণেই আমাৰ দেশত এটা পঢ়ুৱৈ সমাজৰ সৃষ্টি হোৱা নাই"।

৺হেমচন্দ্ৰ গোস্বামী



সাহিত্যৰথী বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ মৃত্যুৰ দহ বছৰৰ আগতে অৰ্থাৎ ১৯২৮ চনত হেমচন্দ্ৰ গোস্বামীয়ে এই জগতৰ পৰা বিদায় ললে। মই গুৱাহাটীত 'অসমীয়া' সম্পাদক থকা কালত এদিন মোৰ সম্পাদকীয় কোঠাতে বহি আগৰৱালা আৰু ৰায় বাহাদুৰ কনকলাল বৰুৱাই কথা পাতি আছিল, কথাই কথাই তেওঁলোকে উলিয়ালে গোস্বামীৰ কথা। মানুহজন আৰু কেইবছৰমান জীয়াই থকা হলে অসমীয়া সাহিত্যৰ নিমিত্তে আৰু যে কিমান কাম কৰি যাব পাৰিলেহেঁতেন। মানুহজন কিমান কৰ্ম্মঠ হৈ আছিল আৰু স্বাস্থ্যও তেওঁৰ আছিল কিমান ভাল! গোস্বামীৰ সৈতে তেওঁলোক দুজন আলিয়েদি আবেলি ফুৰোঁতে তেওঁলোক দুজনক পিছ পেলাই থৈ গোস্বামীয়ে কেনেকৈ গলধনত লাঠিডাল পথালিকৈ লৈ তাৰ দুমূৰে দুহাতেৰে ধৰি আগবাঢ়ি কোনোবাখিনি পায়গৈ আৰু তাতে তেওঁলোকলৈ ৰয়। জীৱনতো যেনেকৈ, মৰণতো তেনেকৈ গোস্বামীয়ে তেওঁলোকক পিছ পেলাই থৈ আগবাঢ়ি গৈ তেওঁলোকলৈ ৰৈ থাকিলগৈ।

# বিহঙ্গম দৃষ্টিপাত। *গোহাঞিবৰুৱাৰ 'ভানুমতি'*

শ্ৰীনগেন শইকীয়া

মৰাণ গোহাঞিবৰুৱাৰ ছোৱালী ভানুমতী আৰু মৰাণ গোহাঞিবৰুৱাৰে আশ্ৰিত, সম্ভ্ৰান্তবংশৰ, ইষ্ট-কুটুম্ব হীন ডেকা চাৰু গোহাঞিৰ মাজত গঢ়ি উঠা প্ৰণয় আৰু এই প্ৰণয়ৰ করুণ পৰিণতিয়েই পদ্মনাথ গোহাঞিবৰুৱাৰ 'ভানুমতী' উপন্যাসৰ ঘাই উপজীব্য। ১৮৯০-৯২ খৃষ্টাব্দৰ ভিতৰত, কলিকতাত ছাত্ৰাৱস্থাত থাকোতেই তেওঁ অসমীয়া সাহিত্যত উপন্যাস নথকাৰ দুৰ্ণাম আঁতৰাবলৈ 'ভানুমতী' আৰু 'লাহৰী' লিখি উলিয়ায়। প্ৰথমে ভানুমতী 'বিজুলী' কাকতত খণ্ড খণ্ডকৈ প্ৰকাশিত হৈছিল; ১৯০৮ চনতহে পুথি আকাৰত প্ৰকাশিত হয়।

উপন্যাস এখনত এজন লেখকে যি ধৰণৰ ঘটনা আৰু কাহিনীকেই চিত্ৰিত কৰক, সেই ঘটনা বা কাহিনীয়ে লেখকৰ জীৱন দৰ্শন স্পষ্ট বা অস্পষ্ট ভাৱে প্ৰকাশ কৰে। দৰাচলতে বক্তব্য নথকাকৈ, প্ৰয়োজনৰ স্বাৰ্থত বা অভাৱ পূৰণ কৰিবলৈ উপন্যাসৰ দৰে সাহিত্য ৰচনা কৰা অসম্ভৱ কথা। গতিকে প্ৰথমেই আমি চাওঁ অসমীয়া উপন্যাসৰ প্ৰথম পুথি (?) 'ভানুমতী' কি ভাবৰ ওপৰত প্ৰতিষ্ঠিত।

(১) মানৱীয় প্ৰেমক সাহিত্যৰ মুখ্য উপজীব্য স্বৰূপে গ্ৰহণ কৰাটো নৱন্যাস আন্দোলনৰ এটা প্ৰধান লক্ষণ। ভানুমতী আৰু চাৰু গোহাঞিৰ প্ৰণয় কাহিনী এনে ৰোমাণ্টিক লক্ষণাক্ৰান্ত।

(২) গোহাঞিবৰুৱা, বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ— এই তিনিও গৰাকী তৎকালীন ঔপন্যাসিকৰ উপন্যাস সমূহ নায়িকা প্ৰধান আৰু নায়িকাৰ নামেৰেই নামাঙ্কিত। ভাৰতীয় সাহিত্যত নায়িকা-প্ৰধান ৰচনাৰ অভাৱ নাই; কিন্তু আমাৰ সমাজ ব্যৱস্থাত সাধাৰণ নাৰীৰ স্থান বৰ ওখত নাছিল। তিৰোতা আৰু ইতৰলোকক, সমান স্থানত ৰখাৰ উদাহৰণ বিৰল নহয়। গতিকে স্ত্ৰী চৰিত্ৰক মুখ্য কৰি ৰচনা কৰা ন-সাহিত্যও পশ্চিমীয়া ৰোমাণ্টিক ভাৱ ধাৰা আৰু আমাৰ সংস্কাৰবাদী ভাৱ ধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত বুলি ভবাৰ থল নথকা নহয়।

(৩) 'ভানুমতী'ত ৰজা বা সামন্তযুগীয় মনোভাবো স্পষ্ট। যদিও ভানুমতী চাৰুৰ মানৱীয় প্ৰেমেই মুখ্য উপজীব্য, তথাপিও তাৰ পৃষ্ঠভূমি ৰজা আৰু আৰু সামন্ত জীৱনৰ ভেটিত প্ৰতিষ্ঠিত। সাধাৰণ কাঁড়ী-পাইকৰ ঘৰৰ ল'ৰা-ছোৱালী এহালৰ প্ৰেম-পৰিণয়ৰ কাহিনী হোৱা হ'লে ঘটনাই কেনে গতি ল'লেহেঁতেন ক'ব নোৱাৰি। কিন্তু ভানুমতী মৰাণ গোহাঞিৰ ছোৱালী আৰু চাৰু গোহাঞিও উচ্চ বংশজাত। অৰ্থাৎ মৰ্য্যাদাৰ ফালৰ পৰা তেওঁলোকৰ মিলনত কোনো বাধা নাই। এই প্ৰণয়ৰ করুণ পৰিণতি শ্ৰেণী বা জাত বৈষম্যৰ কাৰণে হোৱা নাই। বৰং জাতি-মৰ্য্যাদা আৰু শ্ৰেণী সম্ভ্ৰমৰ প্ৰতি লেখকৰ সমৰ্থন আৰু সহানুভূতিহে আছে।

(৪) জন্মান্তৰ বাদী ভাৱধাৰাৰ ওপৰতো লেখকৰ বিশ্বাস আছে। সেই বাবে চাৰু গোহাঞিৰ মৃত্যুৰ পিচত ভানুমতীয়েও আত্মহত্যা কৰি পৰকালৰ বাবে মিলনৰ পথ পৰিষ্কাৰ কৰি ল'লে।



(৫) অসমীয়া জাতীয়তাবাদী ভাৱ এটায়ো উপন্যাসখনৰ ভাবৰ ভেটি নিৰ্মাণত কিছু উপাদান আগ বঢ়াইছে।

মুঠতে কোনো বৈষম্যজনিত সংঘাত বা সামাজিক দ্বন্দ্বৰ ভেটিত কাহিনী ভাগ নিৰ্ম্মিত হোৱা নাইবা তেনে বিষয়ৰ প্ৰতি লেখকৰ কোনো আগ্ৰহ অথবা ধাৰণা নাই। বৰং তেওঁ ৰাজতন্ত্ৰ আৰু সামন্তযুগীয় জীৱন যাত্ৰাৰ প্ৰতি সহানুভূতিশীলহে। যি যুৱৰাজ (পিচলৈ ৰজা) ভানুৰ পাণিপ্ৰাৰ্থী আৰু চাৰু গোহাঞিক প্ৰেমৰ প্ৰতিদ্বন্দ্বী বুলি ভাবি প্ৰাণ দণ্ডৰ আদেশ দিছিল, সেই ৰায়ো শেষত ভানু চাৰুৰ প্ৰেমৰ প্ৰতি শ্ৰদ্ধা জনাইছে। লেখকেও চাৰু গোহাঞিৰ আকস্মিক বজ্ৰপাতত মৃত্যু ঘটোৱাই, প্ৰাণ দণ্ডাজ্ঞা দিয়া ৰজাৰ অপৰাধ দূৰ কৰি দিছে। ভানু-চাৰুৰ প্ৰেমৰ মাজত তৰা আইদেউৰ চাৰুৰ প্ৰতি প্ৰেমে কাহিনীক জটিলতা দান কৰাৰ সম্ভাৱনা আছিল। কিন্তু লেখকে তৰাকো ভানুৰ প্ৰেমৰ প্ৰতিদ্বন্দ্বী নকৰি সহযোগী কৰিহে তুলিছে। তদুপৰি বন্দী চাৰু গোহাঞিক মুক্ত কৰিবলৈ কৰা ভানুমতীৰ চেষ্টাত পূৰ্ণ সহযোগিতা আগবঢ়াইছে। তৰাৰ এই কাৰ্য্য মনস্তত্ত্ব-সম্মত নহয়। লেখকে ভানু-চাৰুৰ জীৱনত সংঘাত সৃষ্টি কৰিব পৰা ৰজা আৰু তৰাক দোষমুক্ত কৰি, কাহিনী ভাগক আকস্মিক ঘটনাৰে ভৰাই তুলিছে।

কাহিনী ভাগৰ পৃষ্ঠভূমি ইতিহাসৰ আলমত গঢ়ি তুলিলেও, ইয়াত ইতিহাস নাই। ইতিহাসে চৰিত্ৰবোৰৰ স্থান আৰু মৰ্য্যদা নিৰূপনতহে সহায় কৰিছে। ঘটনাৱলীত মধ্য যুগীয় ৰোমান্সৰ প্ৰভাৱ লক্ষণীয়। চাৰুৰ নিষ্ক্ৰিয়তা, মৰাণ গোহাঞিবৰুৱাৰ ভানু-চাৰুৰ প্ৰেম সম্পৰ্কে অজ্ঞতা, চাৰুৰ পলায়ন, ভানুৰ পলায়ন আৰু পুৰুষৰ ছদ্মবেশত চাকুলী বুঢ়ীৰ ঘৰত আশ্ৰয় গ্ৰহণ, ভানুৰ সৰ্পদংশন উন্মাদিনী অৱস্থা আৰু পিতৃৰ ওচৰলৈ প্ৰত্যাগমন চাৰুৰ ওপৰত ৰাজদণ্ডাজ্ঞা আৰু সেই দণ্ড কাৰ্য্যকৰি কৰিবলৈ নৌ পাওঁতেই ব্ৰজ্ৰপাতত আকস্মিক ভাৱে চাৰুৰ মৃত্যু—এই আটাইবোৰ ঘটনাই আকস্মিক, ৰোমান্স ধৰ্ম্মী আৰু ঠায়ে ঠায়ে অবিশ্বাস্য। গতিকে বিষয়বস্তুৰ ফালৰ পৰাও উপন্যাসখনে যিদৰে সামাজিক বা ৰাজনৈতিক ইতিহাসৰ প্ৰতিফলন ঘটোৱা নাই, তেনেকৈ সাধাৰণ বাস্তৱতাতো সন্তুষ্ট থকা নাই।

'ভানুমতী'ৰ প্ৰকাশৰীতি হ'ল আত্মজীৱনীমূলক। নায়িকা ভানুমতীয়ে কাহিনী কৈ গৈছে। অসমীয়া প্ৰথম উপন্যাসখনতে আত্মজীৱনীমূলক ৰীতি গ্ৰহণ কৰাটো এটা লক্ষ্য কৰিবলগীয়া কথা। আত্মজীৱনীমূলক উপন্যাসত যিদৰে কিছু সুবিধা আছে, তেনেকৈ অসুবিধাও আছে। কাৰণ, এনে উপন্যাসত নায়ক বা নায়িকাই নিজৰ বিভিন্ন অভিজ্ঞতাহে বৰ্ণনা কৰিব পাৰে, ফলত অন্যান্য চৰিত্ৰ আৰু ঘটনা সমূহ নায়ক বা নায়িকাৰ চকু আৰু মনৰ আঁতৰত থকা বা ঘটা হ'ব নোৱাৰে। 'ভানুমতী ত সেই দোষ আছে। ভানুমতী ছদ্মবেশত থকা অৱস্থাত ঘটা অন্যান্য ঘটনা আৰু উন্মাদিনী বা অচৈতন্য অৱস্থাত ঘটা ঘটনাৱলীৰ বিৱৰণ ভানুমতীয়ে নিজে প্ৰত্যক্ষদৰ্শী হৈ দিয়াৰ পৰা উপন্যাসখন আঙ্গিকৰ ফালৰ পৰা দোষ পূৰ্ণ হৈ পৰিছে। তদুপৰি, ভানুমতীৰ মৃত্যুৰ পিচৰ বৰ্ণনা অংশ লেখকে তৃতীয় পুৰুষত ক'ব লগীয়া হৈছে। ভাব, বিষয় আৰু ৰীতিৰ সাধাৰণ আলোচনায়ো 'ভানুমতী'ৰ এই লক্ষণ আৰু দোষ সমূহ স্পষ্ট কৰি

দিয়ে। তথাপিও উপন্যাসখন অসমীয়া উপন্যাস সাহিত্যৰ বুৰঞ্জীত এটা উল্লেখযোগ্য পৃষ্ঠা হৈ ৰ'ব। গোহাঞিবৰুৱাৰ ঔপন্যাসিক প্ৰতিভা যিমানেই নাথাকক, তেওঁৱেই আধুনিক অসমীয়া ভাষাত প্ৰথম উপন্যাস লিখি উলিয়াই বাট কাটিলে। প্ৰথম পৰ্য্যায়ৰ উপন্যাসখনত সাহিত্যৰ পৰিপক্ক অৱস্থাৰ লক্ষণ আৰু গুণ স্বাভাৱিকতে আশা কৰা নেযায়। তদুপৰি সংক্ৰান্তিৰ সময়ৰ কিছু বৈশিষ্ট্য সেই সময়ৰ সাহিত্যত সদায় প্ৰতিফলিত হয়। এহাতে স্বদেশ প্ৰেম বশতঃ ৰাজকীয় আৰু সামন্তযুগীয় ধ্যান-ধাৰণাৰ প্ৰতি আস্থা, আনহাতে নতুন নৱন্যাসিক মানৱিকতাবাদৰ প্ৰভাৱ এই দুয়োটা ভাৱ গোহাঞিবৰুৱাৰ মাজত দেখা যায়। ভানুমতীতো তাৰ প্ৰমাণ আদ্যন্ত আছে। নায়িকাৰ নামেৰে নামাঙ্কিত, ১ম পুৰুষত আত্মজীৱনীমূলক ৰীতিৰে বৰ্ণিত, এই সৰু উপন্যাসখনো এনে বৈশিষ্ট্যৰে পৰিপূৰ্ণ।

—×—

## প্ৰস্ফুটিত পথ "উষাৰ"

শ্ৰীনীলমণি ফুকন

শোণিতপুৰৰ বাণৰ নগৰ
পদ্ম পুখুৰীয়ে শোভি আছিল ;
উষাৰ স্বপ্নৰ অনিৰুদ্ধ চিত্ৰ,
সখী চিত্ৰলেখা পাতত আঁকিল।

হৰিহৰ যুদ্ধ, উষা অনিৰুদ্ধ
পৰিণয়—চিত্ৰলেখাৰ হাতৰ ;
আলেখ্য যিটি, আজিও জিলিকি
আছে যেন বুকুত পদুম পাতৰ।

তাৰ কাষতেই "পদ্মকুটীৰত"
মানস সৰৰ "পদ্ম" পাহি ;
ফুলিলা, "উষাৰ" কিৰণ ঢলত
ৰেণু উৰুৱাই গলা যে ভাহি।

শুকাব এদিন পদুম পুখুৰী,
পাতত আলেখ্য, চিত্ৰলেখাৰ ;
মচ যাব, শুকান পাতৰ মাজত
মৰ্মৰি উঠিব কাহিনী উষাৰ।

জাতিৰ মানস সৰত তুমি যে
নমৰহা ফুল, চিৰ প্ৰস্ফুটিত ;
বাণী চৰণৰ শ্বেত "পদ্ম" তুমি,
ভাষা জননীৰ বাক্যামৃত।

---

# গোহাঞিবৰুৱাৰ ৰচনা শৈলী সম্পৰ্কে দুষাৰমান

ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

সাহিত্যিকৰ মন, বস্তু জগত আৰু প্ৰকাশ কৌশলৰ মিলনত সাহিত্যৰ সৃষ্টি হয়। অন্তৰৰ যি গভীৰ প্ৰেৰণাত সাহিত্যিকে নিজকে প্ৰকাশ কৰে সিয়েই সাহিত্য। গতিকে প্ৰকাশৰ মাজেৰেহে সাহিত্যৰ প্ৰাণবস্তুটো মূৰ্ত্তিমন্ত হৈ উঠে, আৰু সাহিত্যিকৰ নিজস্ব ৰচানৰীতি অনুসৰি সাহিত্য ৰসপূৰ্ণ কিম্বা ৰসহীন হৈ পৰে। যি ৰচনা কৌশল অৱলম্বন কৰি লিখকে পাঠকৰ আগত কোনো বিষয়ৰ উপস্থাপন কৰি ভাৱ বিনিময় কৰিবলৈ চেষ্টা কৰে তাকেই সমালোচকে ৰচনা-শৈলী, ৰচনা-ৰীতি, প্ৰকাশ ভঙ্গী, কথা-শৈলী আদি আখ্যা দি আহিছে। প্ৰাচীন আলংকাৰিক বামনেও ৰীতিবাদৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ প্ৰয়াস পাইছে - "ৰীতিৰাত্মা কাব্যস্য" অৰ্থাৎ 'ৰীতিয়েই কাব্যৰ আত্মা' আৰু সেই ৰচনাত সন্নিবিষ্ট ভিন ভিন পদ সমূহ প্ৰয়োগ কৰা কৌশলেই ৰচনা-ৰীতি "বিশিষ্ট পদ ৰচনা ৰীতিঃ।" পাশ্চাত্যৰ সমালোচক এৰিষ্টোটলেও প্ৰকাশ ভঙ্গীকেই সাহিত্যৰ প্ৰাণকেন্দ্ৰ আখ্যা দিছে। পাঠকৰ মনত বিষয়ানুৰূপ ভাব সঞ্চাৰেই প্ৰকাশ ভঙ্গীৰ মূল উদ্দেশ্য। লিখকৰ ৰচনা শৈলীৰ ভাল-মন্দ নিৰ্ভৰ কৰে বিষয়বস্তু, ব্যক্তিত্ব আৰু কলা কুশলতাৰ ওপৰত। গতিকে লিখকৰ শব্দচয়ন, শব্দ-প্ৰয়োগ আৰু বাক্য গঠনৰ উপৰিও ভাৱৰ গভীৰতা, ব্যাপকতা আৰু মধুৰতাৰ ওপৰতহে প্ৰকাশভঙ্গী ঠন্ ধৰি উঠে, আৰু এই সকলোবোৰৰ সুসংযত প্ৰয়োগৰ দ্বাৰাহে লিখকে তেওঁৰ ৰচনা-শৈলীৰে পাঠকৰ মনোৰঞ্জন কৰিব পাৰে। তদুপৰি সাহিত্যত নতুনত্ব আৰোপ কৰি প্ৰকাশ ভঙ্গীত কিবা অভিনৱত্ব দিব পাৰিলেহে সি আকৰ্ষণীয় হৈ পৰে, গতানুগতিক প্ৰকাশ ভঙ্গীত সাহিত্যই পাঠকৰ মনত বিৰক্তিহে দিয়ে। সেই-বুলি নতুনত্ব আৰোপ কৰিবলৈ যাওঁতে লিখকে সামাজিক ৰুচি অভিৰুচিৰ প্ৰতি উদাসীন হলেও নহব। নতুন নতুন চিন্তা ভাৱৰ সমাবেশৰ দ্বাৰা নতুনত্ব আৰোপ কৰি পাঠকৰ সাহিত্যিক স্বাদত পৰিবৰ্ত্তন তথা বৈচিত্ৰ্য আনি দিব পাৰিলেহে সি পাঠকৰ মন সহজে আকৰ্ষণ কৰিবলৈ সক্ষম হয়। এই বিলাক কাৰণতেই সম্ভৱতঃ ব্যক্তিত্বৰ ধ্বনি প্ৰধ্বনিকেই বহুতে ৰচনা-শৈলী বুলি কবলৈ প্ৰয়াস পাইছে।

সু-সাহিত্যিক ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি-বৰুৱা দেৱৰ ৰচনাৰাজিৰ প্ৰকাশ ভঙ্গী তথা ৰচনা-শৈলীৰ বিষয়ে আলোচনা কৰিবলৈ লওঁতে ভালে মান সমালোচকৰ এনেকুৱা বহু কথাই আগত জুম বান্ধিছেহি। গোহাঞিবৰুৱাদেৱে সাহিত্য চৰ্চ্চা কৰিবলৈ লওঁতে সুচিন্তিত এই মতামত বিলাকলৈ কিবা ভ্ৰূক্ষেপ কৰিছিল নে নাই পোনপটীয়াকৈ একেটা বাক্যৰে কব নোৱাৰি; কিন্তু তেওঁৰ সাহিত্য চৰ্চাৰ প্ৰেৰণাৰ মূলতে যে উগ্ৰ অসমীয়া-প্ৰেম আৰু মানৱিকতা সেই কথা কোনোপধ্যে অস্বীকাৰ কৰিব নোৱাৰি। নিজেও তেওঁ এইবুলি কৈছে,[১] "কলিকতীয়া কালত মই দুটা সঞ্জ শিক্ষা লাভ

কৰিছিলোঁ, এটা দেশহিত চিন্তা, আনটো সাহিত্যিক চৰ্চা। 'দেশহিত চিন্তাৰে' অনুপ্ৰাণিত হৈয়ে তেওঁ অসমলৈ উলটি অহাৰ পাছত সাহিত্যিক, সামাজিক আৰু ৰাজনৈতিক সভা-সমিতি সংগঠনত লাগি ফুৰিছিল। এই সংগঠনমূলক কামৰ যোগেদি অসমীয়া সমাজখনৰ লগত তেওঁৰ এটা প্ৰত্যক্ষ যোগাযোগ ঘটিছিল, আৰু সেই যোগাযোগেই সম্ভৱতঃ তেওঁক স্কুলীয়া পাঠ্য-পুথিৰ পৰা আৰম্ভ কৰি ধৰ্ম্মতত্ত্ব মূলক বিষয়লৈকে নানা বিষয়ৰ সাহিত্য চৰ্চা কৰিবলৈ প্ৰেৰণা যোগাইছিল। সেই একেটা কাৰণতেই সম্ভৱতঃ তেওঁৰ সাহিত্যত আমি অসমীয়া পাৰিবাৰিক জীৱনৰ নানা কথা অসমীয়া সমাজৰ বিশেষকৈ গ্ৰাম্য জীৱনৰ কথা, ঐতিহাসিক ঘটনা, অভিজাত তথা ডা-ডাঙৰীয়া শ্ৰেণীৰ সমাজ আদিৰ ৰূপায়ন দেখিবলৈ পাওঁ। কলিকতাৰ পৰা জন্মভূমি অসমলৈ উভতি আহি তেওঁ স্কুলীয়া শিক্ষকতাকে বৃত্তি হিচাপে গ্ৰহণ কৰিলে যদিও তাৰ মাজতো সাহিত্য চৰ্চ্চাত লাগি থাকিল। 'কলিকতীয়া ছাত্ৰ জীৱনত গঢ়িত হোৱা সাহিত্যিক জীৱন' পৰবৰ্ত্তী কালত পূৰ্ণতাৰ পথত আগবাঢ়িল। কাকতৰ সম্পাদনাকে ধৰি উপন্যাস, নাট, প্ৰহসন, ধৰ্ম্মমূলক ৰচনা, কবিতা আৰু বিবিধ স্কুলীয়া পাঠ্য প্ৰণয়নত তেওঁ মনযোগ দিয়ে। অসমত অসমীয়া ভাষা সাহিত্যৰ এটা আন্দোলন গঢ়ি তোলাৰ মহৎ উদ্দেশ্যেৰে এইবিলাক কাৰ্য্যত উঠি-পৰি লাগিছিল। সেই উদ্দেশ্য সাধন কৰি 'অসমীয়া সাহিত্যৰ সকলো বিভাগতে গোহাঞিবৰুৱাই পৰিপুষ্ট কৰি গৈছে'। বিভিন্ন দিশৰ সাহিত্য চৰ্চ্চা কৰিবলৈ প্ৰয়াস কৰা বাবেই গোহাঞিবৰুৱাৰ ৰচনাৰ প্ৰকাশ ভঙ্গীৰ কোনো নিৰ্দ্দিষ্ট গতি বা ৰীতি উলিওৱা টান। জাতীয় প্ৰয়োজনৰ তাগিদাত নানা বিষয়ৰ মাজত ঘুমুটিয়াই ফুৰা বাবেই তেওঁৰ কাপ কোনো কোনো ক্ষেত্ৰত ক্ষিপ্ৰ আৰু তেজী, কোনো ক্ষেত্ৰত মন্থৰ, কোনো ক্ষেত্ৰত কল্পনাবিলাসী, কোনো ক্ষেত্ৰত সংস্কাৰমুখী আৰু কোনো ক্ষেত্ৰত তত্ত্বান্বেষী হৈ পৰিছে। তদুপৰি কোনো ক্ষেত্ৰত তেওঁৰ কাপ ইমান আবেগ প্ৰবল হৈ পৰিছে যে তাত ভাষাৰ দৰ্শন বা logic-অত স্পষ্ট হৈ উঠা ছেদ সহজে চকুত পৰে, তথাপি গতি-শীল কল্পনাৰ ৰহনত কবিত্বময় ৰসাল বৰ্ণনাৰে তেওঁ পাঠকৰ মন চুই যাব পাৰিছে। ৰচনা ৰীতি বা প্ৰকাশ ভঙ্গীৰ জৰিয়তে পাঠকক সাহিত্যিকৰ আবেগ-অনুভূতিৰে পৰিপূৰ্ণ আপোন কল্পনাৰাজ্যলৈ নিব পৰাটোৱেই আচল কথা। এই বিষয়ত গোহাঞিবৰুৱাক বহু পৰিমাণে সফল হোৱা বুলি কব পাৰি।

(২)

গোহাঞিবৰুৱাই কাব্য-চৰ্চ্চাত পৰোক্ষভাৱে প্ৰেৰণা লাভ কৰিছিল "জোনাকী"ৰ গুৰি ধৰোঁতা 'চন্দ্ৰকুমাৰ, হেমচন্দ্ৰ, লক্ষ্মীনাথ' এই ত্ৰিমূৰ্ত্তিৰ দ্বাৰা পৰিচালিত সাহিত্যিক আন্দোলনৰ দ্বাৰা। অ. ভা. উ. সা. স. সভ্য সকলৰ পৰা পোন প্ৰথম বাৰৰ বাবে ফাটি যোৱা কেগৰাকীমানৰ উদ্যমত গঠিত হোৱা 'আচাম লিটাৰেৰি চোচাটি'ৰ মুখপত্ৰ "বিজুলী" আছিল তেওঁৰ সাহিত্য-চৰ্চ্চাৰ প্ৰথম মঞ্চ, আৰু 'সেই বিজুলী সংসৰ্গতেই মোক কবিতা ৰচনাৰ ৰাগিয়েও পায়' বুলি গোহাঞিবৰুৱাই নিজে কৈ গৈছে। 'বিজুলীক' উদ্দেশ্য কৰিয়ে তেওঁ 'বিজুলী' কবিতা ৰচনা কৰিছিল,



"বিজুলীৰ আবিৰ্ভাৱ উদ্ধাৰ কাৰণ
জ্বলে ডাৱৰ ভেদাই,
অসম আকাশ জুৰি নৱ জ্যোতিৰে
দিয়ে পন্থা পোহৰাই।

গোহাঞিবৰুৱাৰ কবিতা পুথি তিনিখন: লীলা, জুৰণি আৰু ফুলৰ চানেকি। শেষৰখন অন্যত্ৰ প্ৰকাশিত কবিতাৰ সংগ্ৰহ বুলি কব পাৰি। ব্যক্তিগত আৰু পাৰিবাৰিক জীৱনৰ দীঘলীয়া বিৱৰণৰ মাজত নৈসৰ্গিক বৰ্ণনা বহুল আত্মনিষ্ঠ শোক কবিতা "লীলা" কাব্যৰ প্ৰকাশ ভঙ্গী মন কৰিবলগীয়া। ইয়াত প্ৰয়োগ কৰা অমিত্ৰাক্ষৰ ছন্দ কবিৰ ৰচনাৰীতিৰ আন এটা বৈশিষ্ট্য। সেই দৰে "জুৰণি'ৰ প্ৰথম বাইশটা কবিতা চতুৰ্দ্দশপদী কিন্তু সাধাৰণ পয়াৰ ছন্দৰ, শেষৰ যুগ্মকত ভাৱ তীব্ৰতাৰ স্পৰ্শ আছে।[৫] জীৱনী সম্পৰ্কীয় কবিতাও তেওঁ কেবাটাও ৰচনা কৰিছে, সিবিলাকৰ ভিতৰত 'সত্যনাথ বৰা'ৰ প্ৰথম শাৰীৰ 'স' বৰ্ণৰ অনুপ্ৰাস, 'কমলাকান্ত ভট্টাচাৰ্য্যৰ যোগী ঋষিৰ ৰূপায়ণ, প্ৰথম অসমীয়া চনেট প্ৰিয়তমাৰ চিঠিৰ অষ্ট পাদিকা আৰু ষট্-পাদিকা ভাগ অটুট ৰাখি 'হেমচন্দ্ৰ গোস্বামী' কবিতা ৰচনাই কবিৰ প্ৰকাশ ভঙ্গীৰ বিচক্ষণতাৰ পৰিচয় দিয়ে। কবি, কবিতা, কল্পনা আদি ৰচনা ৰীতিৰ পিনৰ পৰা চনেটৰ চমৎকাৰ নিদৰ্শন। "কাৰো ফুলনিলৈ হাত মেলাও নাই" বুলি গোহাঞিবৰুৱাই আত্মপ্ৰত্যয়ৰ কথাৰে কৈছে যদিও তেওঁৰ কবিতাৰ পূৰ্বসূৰীৰ জ্যোতি ৰশ্মি একেবাৰে নপৰাকৈ থকা নাই। তেওঁৰ "উষা" কবিতাত হেম গোসাঁইৰ 'পুৱা'ৰ গুঞ্জনৰৱ ধ্বনিত হৈছে, "চোপাকলি" কবিতাৰ 'প্ৰকৃতিৰ ফুলি উঠা বুকু উদিয়াই'ৰ মাজতো হেম গোসাঁইৰ "প্ৰিয়তমাৰ চিঠি"ৰ সৌন্দৰ্য্যৰ বুকুৰ কাচলি উদঙা'ইৰ প্ৰতিচ্ছবি চকুত পৰে। বঙ্গৰ কবিসূৰ্য্য, ৰবীন্দ্ৰনাথৰ সাহিত্য অধ্যয়নৰ দ্বাৰা কবি যে প্ৰভাৱান্বিত হৈছিল সেই কথাতো ইঙ্গিত পোৱা যায়। ৰোমান্টিক ভাৱৰ সাৰ্থক কবিতা লিখি গলেও ঠায়ে ঠায়ে তেওঁৰ কবিতাই কষ্ট-কল্পনাৰো আভাস দিয়ে— "ধানৰ আদিতে ধান, ফলে পুনু ধান" (আদি অন্ত) "ভাবৰ নিশ্বাস টানি হ'ল জীয়া প্ৰাণী" (কাপ) "পিতৃভূমি উদ্ধাৰৰ মাতৃ ভাষা প্ৰচাৰৰ" (প্ৰেৰণা) "কান্দিছে পৰাণে সুখ-দুখে পূৰ্ণৰাগে হিয়াৰ তলিত (গদাধৰ নাট), আদি বাক্যবোৰ মন কৰিব লগীয়া। তদুপৰি অত্যাধিক আবেগ-প্ৰবলতাৰ কাৰণেই বোধহয় কবিৰ কিছুমান পদৰ ব্যৱহাৰত আৰ্ষ প্ৰয়োগ পৰিলক্ষিত হয়। যেনে—অতুলনা অপথে, অযত্নে, অসঙ্কাৰ, আমোলনী, চলিলা, ছিলোঁ বান্ধথাই তিনে আহি, নমিলা, নিবেদিলো, নিদোঁ প্ৰাণ, নিপাতি ইত্যাদি। গোহাঞিবৰুৱাৰ কবিতাক সহজে এটা বৈ থকা জুৰিৰ লগত ৰিজাব পাৰি।

(৩)

অসমীয়া সাহিত্যত কবিৰূপে প্ৰতিষ্ঠা লাভ কৰিলেও আচলতে গোহাঞিবৰুৱাৰ সাহিত্যিক প্ৰতিভাৰ পূৰ্ণ বিকাশ ঘটিছে গদ্য সাহিত্যৰ মাজ-দিহে। স্কুলীয়া পাঠ-পুথি সমূহ, উপন্যাস, নাটক, তত্ত্ব মূলক আৰু অন্যান্য প্ৰবন্ধ ৰাজি, ভাষণ সমূহ, বিজুলী আৰু উষাৰ ভালেমান সম্পাদকীয়ৰ দ্বাৰা এওঁৰ গদ্য সম্ভাৰ পৰিপূৰ্ণ। অৱশ্যে নাটক কেইখনক গদ্য-পদ্যৰ মিহলি ৰচনা বুলিব পাৰি।

গোহাঞিবৰুৱাৰ প্ৰথম ৰচনা ঘৰুৱা উপন্যাস "ভানুমতী" ।বিজুলীৰ পাততে ছোৱা

ছোৱাকৈ প্ৰকাশ পাইছিল। তেওঁৰ দ্বিতীয় উপন্যাস "লাহৰী"ও প্ৰায় একে সময়তে লিখি উলিয়াইছিল। নায়িকা প্ৰধান দুয়োখন উপন্যাসেই আহোম ৰাজত্বৰ শেষ স্তৰৰ ঐতিহাসিক ঘটনাৰ অৱলম্বনত ৰচিত যদিও কাৰ্য্যতঃ দুয়োখনেই মিলনাত্মক সামাজিক উপন্যাসৰহে ৰূপ লৈছে। "ভানুমতী"ত নায়ক-নায়িকাৰ পবিত্ৰ প্ৰেমৰ আদৰ্শ দাঙি ধৰিলেও ইহলোকত সি পূৰ্ণতা লাভ কৰিব নোৱাৰিলে আনহাতে "লাহৰী"ত লাহৰীৰ গোটেই জীৱনটোৰ মাজেদি পবিত্ৰ প্ৰেমৰ আদৰ্শ দাঙি ধৰা হৈছে।

উপন্যাসৰ কাহিনী ঐতিহাসিক পটভূমিৰ ওপৰত সৃষ্টি কৰিবলৈ প্ৰয়াস পালেও বুৰঞ্জীৰ বিশেষ কোনো ঘটনাৰ লগত কাহিনীৰ ওতপ্ৰোতঃ সম্পৰ্ক স্থাপন কৰিব পৰা নাই। ঐতিহাসিক পৰিবেশ সৃষ্টিত লিখকৰ উদাসীনতাহে পৰিলক্ষিত হয়। "ভানুমতী"ত শিৱসিংহৰ ৰাজত্বকাল আৰু "লাহৰী"ত মানৰ শেষ বাৰৰ আক্ৰমণৰ কাল-ছোৱাৰ সমাজ জীৱনবো পূৰ্ণাঙ্গ চিত্ৰ পোৱা নাযায়। ডা-ডাঙৰীয়া শ্ৰেণীৰ মাজতে সীমাবদ্ধ কৰি নাৰাখি লিখকে ইয়াৰ মাজেদি সাধাৰণ মানুহৰ আশা-আকাঙ্ক্ষা, হৰ্ষ-বিষাদ, আদি প্ৰকাশ কৰিবলৈ প্ৰয়াস পাইছে। দুয়োখন উপন্যাসতে ঠায়ে ঠায়ে নাটকীয় ধাৰাৰ কথোপকথনৰ জৰিয়তেও লিখকে চৰিত্ৰ বিকাশৰ চেষ্টা কৰিছে আৰু পাঠকক এটা নতুন সোৱাদৰ আভাস দিছে। আনহাতে সহজ সৰল বৰ্ণনাৰ সহায়ত উপদেশ দিয়াৰ চেষ্টা নকৰাকৈয়ে লিখকে উপন্যাসত ধৰ্ম্ম আৰু নীতি জ্ঞানৰ আদৰ্শ সুমুৱাবলৈকো সক্ষম হৈছে। আহোম সমাজত প্ৰচলিত ভালেমান সম্বন্ধ সূচক পদ যেনে—এনাই দেউতা, পুথাও দেউতা, আপাদেউ, নিচাদেউ আদি উপন্যাসত যথাস্থানত প্ৰয়োগ কৰাটো আন এটা মন কৰিব লগীয়া কথা।

গোহাঞিবৰুৱাৰ উপন্যাসৰ ভাষা তেনেই সহজ আৰু ঘৰুৱা ভাষা। সন্ধি সমাসযুক্ত দাঁত-ভঙা শব্দৰ প্ৰয়োগ নাই বুলিবই পাৰি। উপমা-পটন্তৰবোৰো আহৰণ কৰা হৈছে সচৰাচৰ ঘৰুৱা জীৱনত ঘটি থকা ঘটনাৰ পৰা। 'আইতাৰ আচলত ধৰি দেও দি ফুৰা' 'গছৰ পাত লেৰেলি পাতত দিয়া টেঙেচিৰ দৰে হৈছে,' ধান লুভীয়া কাউৰী,' 'ঘামে জুকলি হৈছে' 'মনটো যেন দুৱাৰ মেলা উদং ঘৰ,' 'কটা আঙুলিত' 'চুণ পাণ বান্ধি', মনচোৰ,' 'চৰণত উবুৰি খাই পৰি,' মেঘে গিৰ্-গিৰাই উঠিল' 'পাতাল ফটা গাজনি', মৌ চেপা ৰৰষুণ'' 'গছজুপি পাতে চোতে গপ্‌গপীয়া,' 'ভৰিৰ ৰমৰমনি,' ভম্‌ভমনি', 'খোচখাই ঘা লগা অঙ্গ চেক্‌চেকনি ভক্‌ভকনিত', 'মায়াচকুৰ ঢাকনিৰে ঢাকি', 'শাকনীত খুতুৰা শাক তোলা', 'মুখখন ভভুৰা ভেঙুৰিকৈ দেখুৱাই কেইষাৰমান অৰাইচ মাত মাতি ভোঁ ভোঁৱাই যোৱা' 'মাহ প্ৰসাদ কটিয়াই,' মৃত্তিকাৰ ফোঁট দি', 'কালৰো কাল বিপৰীত কাল হৰিণাই চেলেকে বাঘৰ গাল,' বুকুখন হম্‌হমাই যোৱা,' আদি বাক্য বা বাক্যাংশৰ প্ৰয়োগৰ দ্বাৰা অসমীয়া ঘৰুৱা জীৱনৰ চিত্ৰাঙ্কণত লিখকে নিপুণ কলাকুশলী ৰূপে পৰিচয় দিছে। আবেগময়ী কাব্য কৰা পূৰ্ণভাষা, যুক্তিবাদী ৰচনা বা কথোপকথন, মানসিক দ্বন্দ্ব আৰু উজ্জ্বল-থুগুল ভাৱ প্ৰকাশৰ ভাষা মন কৰিব লগীয়া। চিত্ৰ প্ৰধান বৰ্ণনা গোহাঞিবৰুৱাৰ উপন্যাসৰ আন এটা বিশেষত্ব।



(৪)

"বাণৰজা"ৰ বাহিৰে "জয়মতী", "গদাধৰ", "সাধনী" আৰু "লাচিত বৰফুকন" এই কেইখনেই গোহাঞিবৰুৱাৰ বুৰঞ্জীমূলক নাটক। নাটককেইখন ঐতিহাসিক ঘটনাৰ অৱলম্বনত ৰচিত যদিও তাৰ মাজেদি গ্ৰাম্যজীৱন আৰু চৰিত্ৰাঙ্কণতহে নাট্যকাৰৰ কৃতিত্ব প্ৰকাশ পাইছে। সেই সময়ত অসমীয়া ৰঙ্গমঞ্চৰ অৱস্থা আছিল তেনেই প্ৰাথমিক পৰ্য্যায়ৰ। সৰ্বসাধাৰণ দৰ্শকৰ ৰুচি-অভিৰুচি, শিক্ষা-দীক্ষা আদিলৈ লক্ষ্য ৰাখিহে নাট্যকাৰে নাট ৰচনা কৰিছিল। আনহাতে নাট্যকাৰসকলে এলিজাবেথৰ যুগৰ নাটকৰ আদৰ্শ লৈয়ে নাট্য আন্দোলন গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। গোহাঞিবৰুৱাৰো নাট ৰচনাৰ আদৰ্শ সেয়ে আছিল যেন লাগে। সেই কাৰণে চৰিত্ৰসমূহ বহু সময়ত অধিক ভাৱ-প্ৰৱন হৈ পৰা দেখা যায়; চৰিত্ৰমুখত স্বগতোক্তি আৰু দম্ভোক্তিৰ আধিক্যৰ কাৰণে একেটাই। চৰিত্ৰমুখৰ কথোপকথনৰ অমিত্ৰাক্ষৰ ছন্দযুক্ত ভাষা কিম্বা গদ্যৰ ভাষা নিমজ। অৱশ্যে ইয়াতো 'অইনাই', 'অসহনী', 'আশীছোঁ,' 'উদিছে,' 'উৰাই'' 'এৰণ', 'তোমা হেন তিৰী', 'নিলগাই', 'মতৰী তিৰোতা', 'হেলন' আদি শব্দৰ ব্যৱহাৰত আৰ্য প্ৰয়োগ পৰিলক্ষিত হয়। এইবোৰ তেওঁৰ নিজা প্ৰয়োগ। সেইদৰে 'দেবি' 'প্ৰভো', 'মন্ত্ৰি', আদি সম্বোধন পদ আৰু 'আপদত ইষ্টদেৱ পূজা বিধি-সাৰ,' 'গজে সিংহে লৰে মেদিনী কঁপাই', 'চকু লাজ ভয়,' 'বীৰ শয্যা আছে পতা সাংলোস্তম্ভোপৰি., 'শুভস্য শীঘ্ৰম্', 'সিংহে গই আক্ৰমে গজক' আদিৰ প্ৰয়োগে নাট্যকাৰৰ সংস্কৃত প্ৰীতি আৰু অধ্যয়নৰ কথাকে সূচায়। ৭

গোহাঞিবৰুৱাৰ প্ৰহসন "গাওঁবুঢ়া", "টেটোন তামুলি" আৰু "ভূতনে ভ্ৰম"ৰ ভিতৰত "গাওঁবুঢ়া"ই উল্লেখ যোগ্য প্ৰহসন। আন দুখনত বিষয়-বস্তুৰ মৌলিকতাৰ অভাৱ পৰিলক্ষিত হয় যদিও টেটোনৰ অতপালিৰ কথোপকথনে নাট্যকাৰৰ প্ৰহসন ৰচনাৰ পৰিচয় দাঙি ধৰে। গাওঁবুঢ়াৰ চৰিত্ৰ সমূহে বাস্তৱ আৰু জীৱন্ত ৰূপ লাভ কৰিছে। প্ৰহসন কেইখনৰ মাজদি নাট্যকাৰে গ্ৰাম্য জীৱনত চিত্ৰ আৰু গাৱঁলীয়া পৰিবেশ আদি সুন্দৰ ভাৱে অঙ্কণ কৰিবলৈ সক্ষম হৈছে। এইটো গোহাঞি-বৰুৱাৰ প্ৰহসনৰ ৰচনা-কৌশলৰ আন এটা মন কৰিব লগীয়া কথা।

(৫)

অসমীয়া সাহিত্যত গোহাঞিবৰুৱাৰ আটাইতকৈ মূল্যবান সম্পদ হ'ল তেওঁৰ গদ্যৰাজি। অসমীয়া সাহিত্যৰ এটা সঙ্কটময় কালত হেমচন্দ্ৰ গুণাভিৰামৰ দৰে বেজবৰুৱা গোহাঞিবৰুৱা সত্য-নাথৰ আৱিৰ্ভাৱ সাহিত্যৰ এটা গৌৰৱময় অধ্যায়ৰ সূচনা-স্বৰূপ। 'অসমত অসমীয়াহে দেশী ভাষা' সঙ্কল্প লৈ শিক্ষক আৰু শিক্ষাৰ্থীৰ মনত সেই ভাৱ দৃঢ়কৈ থাপিবলৈ অহোপুৰুষাৰ্থ কৰাৰ প্ৰমাণ বিবিধ বিষয়ত লিখা তেওঁৰ পঢ়াশলীয়া পাঠ্য-পুথিসমূহ। এই বোৰৰ দ্বাৰা এহাতে তেওঁ যিদৰে পাঠ্য-পুথিৰ অভাৱ পূৰণৰ ইন্ধন যোগাইছিল, আনহাতে নিভাঁজ অসমীয়া গদ্য ৰচনাৰ অনুশীলন কৰিবলৈ সুযোগ পাইছিল। 'অসমীয়া ভাষাত ওখ থাপৰ সাহিত্য পুথি নাই' বোলা অপবাদটো গোহাঞি বৰুৱায়ে খণ্ডন কৰিবলৈ সক্ষম হৈছিল। পাঠ্য-পুথি ৰচনাত মনোনিবেশ কৰিবলৈ গৈয়ে তেওঁ সৰল আৰু ঘৰুৱা ভাষাত সাহিত্য ৰচনা কৰিবলৈ সমৰ্থ হৈছিল।

৭—

তেওঁৰ একশৰণ ভাগৱতী ধৰ্ম্মৰ প্ৰতি অনুৰাগ বাঢ়িছিল বাবেই হ'বলা তেওঁ জীৱনৰ বিয়লি পৰত ৰাজনৈতিক ক্ষেত্ৰৰ পৰা ওলাই 'ঠগিত ধৰ্ম্মতত্বৰ সমল' লৈ "শ্ৰীকৃষ্ণ" ৰচনাত মনযোগ দিছিল। শ্ৰীকৃষ্ণৰ আদ্য-মধ্য আৰু অন্ত্য লীলা নাম দি তিনিটা খণ্ডত প্ৰকাশিত গ্ৰন্থখন অসমীয়া গদ্য সাহিত্যৰ আপুৰুগীয়া সম্পদ। বঙ্গৰ বঙ্কিমচন্দ্ৰৰ 'কৃষ্ণ চৰিত্ৰ'ৰ দৰে গোহাঞিবৰুৱাই 'শ্ৰীকৃষ্ণ'ত কৃষ্ণক ঐতিহাসিক ব্যক্তিৰূপে ৰূপায়িত কৰিবলৈ প্ৰয়াস পোৱাটো মন কৰিব লগীয়া কথা। নিপুণ শিল্পীৰ সংযত কাপৰ পৰাহে তেনে ৰচনা আশা কৰিব পাৰি। গোহাঞি বৰুৱাক সেই শ্ৰেণীৰ সাহিত্যিক বুলিব পাৰি।

'শ্ৰীকৃষ্ণ'ৰ ভাৱ ভাষা লিখকৰ সম্পূৰ্ণ নিজস্ব, ক'তো পাণ্ডিত্যপূৰ্ণ কঠিন শব্দ যুক্ত গম্ভীৰ ভাষাৰ প্ৰয়োগ নাই; নিমজ সৰল অসমীয়া ভাষাই উপমা-পটন্তৰৰ প্ৰয়োগত চিত্ৰ প্ৰধান হৈছে আৰু সৰু বৰ সকলো শ্ৰেণীৰ পাঠকৰে আকৰ্ষণীয় হৈ পৰিছে। সংস্কৃত গ্ৰন্থৰ পৰা বিষয়-বস্তু আহৰণ কৰি লিখা সত্বেও "শ্ৰীকৃষ্ণ"ত তৎসম, সন্ধি-সমাস যুক্ত শব্দৰ প্ৰয়োগত গোহাঞিবৰুৱাৰ ভাষা সকলোৰে আকৰ্ষণীয় হৈ পৰিছে। তদুপৰি সৰহ ভাগ বৰ্ণনাই কথন ভঙ্গীৰ ঠাঁচত লিখা, এনে লাগে যেনিবা কোনোবাই আগত থিয় হৈ কৈহে গৈছে। আনহাতে পুথিৰ ভাষা যুক্তিপূৰ্ণ আৰু গতিশীল। এইবোৰ কাৰণতে গোহাঞিবৰুৱাই নিপুণ কথা শিল্পী ৰূপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে।[৮] তলত শ্ৰীকৃষ্ণৰ পৰা দুটামান নিদৰ্শন দিয়া হ'ল।

১। শ্ৰীকৃষ্ণ সৰুৰে পৰা অমায়িক ল'ৰা আছিল। তেওঁ ল'ৰা, ডেকা, আদহীয়া, বুঢ়া সকলোৰে লগত সমানে মিলিব পাৰিছিল।

২। মথুৰা নগৰৰ পশ্চিম সীমাৰ পৰা পাঁচ মাইলমান পশ্চিমে যমুনাৰ মূলৰ পৰা মুখলৈকে জুৰি এখনি অতি বিতোপন সুবহল বন আছিল। তাৰ নাম বৃন্দাবন।

৩। আঙ্ঠাক যেনেকৈ ফুটছায়ে ঢাকি থয়, আৰ্চীক যেনেকৈ চেকাই ঢাকি ধৰে, জৰায়ুৱে যেনেকৈ গৰ্ভক ঢাকি ৰাখে, তেনেকৈয়ে কাম বা কামনায়ে আত্মা বা জ্ঞানক আঁৰ কৰি থয়।

৪। আত্মা কাটিব পৰা বস্তু নহয়, তিয়াব পৰা বস্তুও নহয়, পুৰিব পৰা বস্তু নহয়, ই শুকুৱাব পৰা বস্তুও নহয়; ই অবিনাশী, সৰ্ব্বব্যাপী, স্থিৰ, অপৰিবৰ্ত্তনশীল আৰু অনাদি।

গোহাঞিবৰুৱাৰ "শ্ৰীকৃষ্ণ"ৰ দৰে "গীতাসাৰ" আন এখনি ধৰ্ম্ম তত্বমূলক পুথি। গীতাসাৰ সংস্কৃত শ্ৰীমদ্ভাগৱতৰ সৰল অসমীয়া ভাঙনি। এই দুয়োখন পুথি প্ৰচাৰ-ধৰ্ম্মী, তথাপি ভাষা আবেগময়ী হোৱা বাবে দুয়োখন পুথিয়েই সৰ্ব্বসাধাৰণ পাঠকৰ বাবে সুখপাঠ্যত পৰিণত হৈছে। ধৰ্ম্মতত্ত্ব পূৰ্ণ আলোচনা সমূহ যুক্তিপ্ৰথিত আৰু পূৰ্ণাঙ্গ। ভাষাৰ ওপৰত বিশেষ দক্ষতা থাকিলেহে এনেকুৱা উপাদেয় গ্ৰন্থ প্ৰনয়ণ সম্ভৱ হৈ উঠে।

গোহাঞিবৰুৱাৰ আন উল্লেখযোগ্য গদ্যৰ চানেকি হ'ল বিভিন্ন সভা-সমিতিত দিয়া ভাষণ সমূহ আৰু "উষা" আৰু "বিজুলী"ৰ কিছু সম্পাদকীয় ৰচনা। ইয়াতো তেওঁৰ ভাষা নিমজ আৰু সৰল। বছা বছা শব্দৰ প্ৰয়োগৰ উপৰিও বহু ঠাইত তেওঁ বৰ আবেগ প্ৰৱল হৈ ঠায়ে ঠায়ে একেটা বাক্যাংশ বা ভাৱৰ পুনৰুক্তিৰ দ্বাৰাও ৰচনা অধিক আকৰ্ষণীয় কৰি তুলিবলৈহে সক্ষম হৈছে। যেনে[৯]



(১) "সৰহ নহয়, এটা শতাব্দীও পূৰ হোৱা নাই, চাৰিকুৰিমান বছৰৰ আগতে মাথোন অসমীয়া ছাত্ৰৰ পিতৃ পুৰুষে ৰাজভক্তিৰ পৰাকাষ্ঠা দেখুৱাই গৈছে।"

(২) "এই মহৎ মানে অতি গভীৰ, অতি উচ্চ, অতি প্ৰশস্ত। ইয়াৰ গভীৰতাই পাতাল ভেদিছে, উচ্চতাই সৰগ চুইছে, প্ৰশস্ততাই জগৎ জুৰিছে।

(৬)

গোহাঞিবৰুৱাৰ অসমীয়া প্ৰবচন, জতুৱা ঠাঁচ আদিৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছিল। সিবিলাকৰ যথাৰ্থ আৰু সুচিন্তিত প্ৰয়োগত ৰচনা সুখপাঠ্য হৈ পৰিছে। তেওঁৰ ভাষাৰ বিশেষ আকৰ্ষণীয় গুণটো হ'ল কম সংখ্যক সংস্কৃত তৎসম শব্দৰ প্ৰয়োগ আৰু প্ৰচুৰ সংখ্যক তদ্ভৱ ঘৰুৱা শব্দৰ প্ৰয়োগ। তদুপৰি প্ৰয়োজন অনুসৰি তেওঁ অন্যান্য ভাষা যেনে- বঙলা, আহোম, হিন্দুস্থানী শব্দৰ প্ৰয়োগো কৰিলে। ঘৰুৱা কথন ভঙ্গীত ৰচিত চুটি চুটি বাক্য তেওঁৰ গদ্যৰ অন্যতম বৈশিষ্ট্য সঁচা; কিন্তু ঠায়ে ঠায়ে তেওঁ দীঘলীয়া বাক্যও ৰচনা নকৰাকৈ থকা নাই।

গোহাঞিবৰুৱাৰ সাহিত্য চৰ্চ্চাৰ মূলতে আছিল অসমীয়া জাতি আৰু অসমীয়া মাতৃ ভাষাৰ কল্যাণ কামনা। সেই কাৰণেই তেওঁ সকলো বিষয়ৰ সাহিত্য ৰচনাত মনোনিবেশ কৰিছিল। সাহিত্য সভাৰ সভাপতিৰ আসনৰ পৰা সেয়েহে তেওঁ কবলৈ প্ৰয়াস পাইছিল—"আহক, আমি একে উশাহে আমাৰ মাতৃ ভাষা আৰু জাতীয় সাহিত্যৰ উন্নতিকল্পে অবাৰিত গতিৰে আগবাঢ়োহঁক।" পঢ়ুৱৈসকলৰ উদ্দেশ্যে 'নিজৰ উন্নতিৰ অৰ্থে, সমাজৰ উপকাৰৰ উদ্দেশ্যে, জাতীয় সাহিত্যৰ ভেঁটিত জাতীয় জীৱন গঢ়িবৰ মানসে, মাতৃ ভাষাত ৰচিত সকলো বিধৰ সাহিত্য পুথি কিনি পঢ়ি লিখক আৰু প্ৰচাৰক' সকলক 'কাৰ্য্যৰ পটন্তৰেৰে' উৎসাহ দেখুৱাবলৈ কৈ যোৱাৰ লগতে লিখকসকলৰ প্ৰতিও দোহাৰি গৈছে।

এইদৰে দেখা যায় যে গোহাঞিবৰুৱাৰ প্ৰায়বোৰ ৰচনাৰ জৰিয়তে অসমীয়া জাতীয় প্ৰীতিৰ ভাৱ প্ৰকাশ হোৱাত ভাষাৰ সহজ সৰল ঘৰুৱা কথ্য ৰীতিটো বেছি স্পষ্ট হৈ পৰিছে। সেই কাৰণেই অসমীয়া সাহিত্যত গোহাঞিবৰুৱাৰ গদ্যশৈলী তথা ৰচনা-কৌশল পৰবৰ্ত্তী লিখক-লিখিকাৰ বাবে গদ্যৰ চানেকি ৰূপে জিলিকি থাকিব। এই গদ্যৰীতি সচাঁকৈয়ে অনুকৰণীয়। গোহাঞিবৰুৱাৰ ৰচনা কৌশল তথা প্ৰকাশভঙ্গী তাৎপৰ্য্যপূৰ্ণ আৰু যথাৰ্থতে প্ৰেৰণাৰ উৎস।

---

১। অলংকাৰ সূত্ৰবৃত্তি ১।২।৬—৮। ২। "মোৰ সোঁৱৰণীৰ সাৰ টোকা", সাহিত্য সভা পত্ৰিকা, ৩য় বছৰ আৰু ২য় সংখ্যা। ৩। অসমীয়া সাহিত্যৰ ইতিবৃত্ত, পৃ: ২৫১ ( ৪ৰ্থ সং ) ৪। পূৰ্বোক্ত 'মোৰ সোঁৱৰণীৰ সাৰ টোকা'। ৫। অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ২৭৩ ( ২য় তাঙৰণ ) ৬। ভানুমতী —গোহাঞিবৰুৱা। ৭। 'গদাধৰ' আৰু 'জয়মতী' —গোহাঞিবৰুৱা। ৮। 'অসমীয়া গদ্যৰীতি' — বিংশ শতাব্দীৰ অসমীয়া সাহিত্য। ৯। ছাত্ৰ সন্মেলনৰ ভাষণ ১৯১৮ চন।

# হেম গোসাঁই আৰু পদ্ম গোহাঞি

শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা

আধুনিক অসমীয়া জাতীয় জীৱনৰ জাগৃতিৰ মূলত যি কেইজনলোক আছে, সেই সকলৰ মাজত গোলাঘাটৰ গৌৰাং সত্ৰৰ পণ্ডিত হেম গোসাঁইৰ ঠাই একেবাৰেই আগ শাৰীত। অসমৰ জকাই-চুকত উপজিও দুখী-দুখী ভাৱে নানা প্ৰতিকূল অৱস্থাৰ মাজত তেওঁ যিখিনি কৰি গ'ল, তাৰ মূল্য অসীম। পুৰণি পুথি সংগ্ৰহৰ ক্ষেত্ৰত তেওঁৰে কৃতিত্বই ইটালিৰ নৱজাগৃতিৰ দিনৰ কোনো কোনো বিদ্যোৎসাহীলোকলৈ মনত পেলায়। ওচৰচুবুৰীয়া বঙ্গদেশৰ মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীৰ লগত হেম গোসাঁইক ৰিজালেও কোনেও দূষিব নোৱাৰে।

হেম গোসাঁই একেলগে কবি সাহিত্যিক সমালোচক। প্ৰত্নতাত্ত্বিক, ৰাজকৰ্ম্মচাৰী এটাইখিনি। তেওঁ বহুমুখী বুদ্ধি আৰু কৃতিত্বৰ অধিকাৰী। তেওঁৰ প্ৰতিভা মূলতে কবি প্ৰতিভা, কবি-প্ৰতিভা নহলে উদাৰ কল্পনা, নিভাঁজ দেশপ্ৰীতি আৰু নিস্বাৰ্থ কৰ্ম্মৰ প্ৰেৰণা নাপায়। সকলো দেশ প্ৰেমিক আৰু সমাজ সেৱীয়েই অলপ নহয় অলপ কবি হব লাগিব। হেম গোসাঁইৰ **প্ৰিয়তমাৰ চিঠি** অসমীয়া ভাষাৰ প্ৰথম চনেট্ আৰু প্ৰেমৰ কবিতা। বেজবৰুৱাৰ **বীণ বৰাগী** আৰু হেম গোসাঁইৰ পুৱা নামৰ জনাজাত কবিতা আধুনিক অসমীয়া জাতীয় জীৱনৰ উদ্বোধনী কবিতা বুলিব পাৰি।

গোসাঁইক আমি আমাৰ স্কুলীয়া জীৱনতে প্ৰথম যোৰহাটত দেখোঁ। তেতিয়া তেওঁ প্ৰথম শ্ৰেণীৰ বিচাৰক। ৰাষ্ট্ৰীয় পথৰ পৰা তৰাজান মছ্জিদৰ কাষেদি বেজবৰুৱা স্কুলৰ ফাললৈ যোৱা বাটৰ য'ত খাতুন প্ৰেছ আছে, সেইখিনিতে এটি সৰু ঘৰ ভাড়া লৈ তেওঁ আছিল। তেওঁৰ লগত তেওঁৰ পৰিয়ালৰ মাত্ৰ তেওঁৰ ল'ৰা এটি আছিল। তেওঁ স্কুলত আমাৰ সহপাঠী আছিল।

সেই সময়ত যোৰহাটত সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় আছিল আৰু ৺শৰৎচন্দ্ৰ গোস্বামী ঘাই সম্পাদক আছিল। হেম গোসাঁই সাহিত্য সভাৰ প্ৰেৰণা আছিল আৰু তেওঁৰ সহায়তেই সাহিত্য সভাই বহুত ঠাইৰ পৰা পৃষ্ঠপোষকতা লাভ কৰিবলৈ সমৰ্থ হৈছিল। সেই সময়ত ৺চন্দ্ৰধৰ বৰুৱা ৺ৰামেশ্বৰ বৰুৱা, ৺গোলাপ চন্দ্ৰ বৰুৱা, ৺দেবেশ্বৰ শৰ্ম্মা, শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা পাঠক আদিৰ উৎসাহত যোৰহাটত এটি শক্তিমন্ত সাংস্কৃতিক পৰিবেশৰ সৃষ্টি হৈছিল। তেতিয়া হয় নৰ্ম্মাল স্কুল, নহয় যোৰহাট চৰকাৰী স্কুলত সভা-সমিতি প্ৰায় হৈ থাকে আৰু হেম গোসাঁই সভাৰ প্ৰধান আকৰ্ষণ হৈ উঠিছিল। কবি দুৰ্গেশ্বৰ শৰ্ম্মাও মাজে সময়ে তেনে সভাত উপস্থিত হৈ বক্তৃতা দিছিল। এই পৰিবেশে সেই সময়ৰ যোৰহটীয়া ছাত্ৰ সমাজৰ ওপৰত এটি সুপ্ৰভাৱ পেলাবলৈ সমৰ্থ হৈছিল।



সেই সময়তে যোৰহাটত ৺অমৃতভূষণ অধিকাৰী দেৱৰ সভাপতিত্বত যোৰহাটৰ সাহিত্য সভাৰ এক অধিবেশন হৈছিল। চৰকাৰী হাইস্কুলৰ হলটোতে সেই সভা বহিছিল। হলটো মানুহেৰে ঠাহ খাইছিল আৰু বাহিৰত বহুত মানুহ থিয় দি থাকি সভাৰ কাৰ্য্য শুনিছিল। হেম গোসাঁয়ে সেই সভাত মন্ত্ৰ পুথি সম্পৰ্কে এটি প্ৰবন্ধ পাঠ কৰিছিল। জৰা ফুকা মন্ত্ৰবিলাকতো যে অধ্যয়ন কৰিবলগীয়া আৰু জানিবলগীয়া কথা আছে তেতিয়ালৈকে জনা-শুনা মানুহেও ভাবিব পৰা নাছিল। গোসাঁইদেৱৰ পৰামৰ্শ মতে সেই সভাৰ আৰম্ভণীত 'কি মই আসন দিবোঁ নাৰায়ণ' গীত গোৱা হৈছিল। সাহিত্য সভাৰ অধিবেশনৰ দুদিনমান পাছত অভ্যৰ্থনা সমিতিয়ে স্বেচ্ছা সেৱক বিলাকৰ সৈতে এখন চাহ মেলৰ আয়োজন কৰিছিল। তাত গোসাঁইদেৱে নানা ধেমেলীয়া কথা কৈ আমাক আনন্দ দিছিল। সেই মেলত এজন দীঘল ডঢ়ীয়া বুঢ়া ওস্তাদে (বন্দোপাধ্যায়) দুটামান সুন্দৰ বঙ্গলা গীত গাই শুনাইছিল।

যোৰহাটত থকা কালডোখৰ গোসাঁইদেৱৰ জীৱনৰ ভিতৰত অতি কৰ্ম্মবহল অংশ বুলিব পাৰি। সেই সময়তে সংগ্ৰহ কৰা হাতেলিখা পুথিবিলাকৰ বৰ্ণনাত্মক কেটেলগ্ কৰি আছিল। অসমত পোৱা ৰঘুবংশৰ টীকা এখনত 'পাৰ্ব্বতীপৰমেশ্বৰেই' কথাষাৰৰ ব্যাখ্যাত 'অৰ্দ্ধনাৰীশ্বৰেই' বুলি আছে—সেই কথা যোৰহাটৰ সভা এখনত কৈ গৌৰৱ অনুভৱ কৰা ছবিটো এতিয়াও মোৰ মনত আছে। অৱশ্যে সেই কথাৰ মৰ্ম্ম বহু দিনৰ পাছতহে উপলব্ধি কৰিব পাৰিছো।

এজন নিঃকিন স্কুলীয়া ছাত্ৰৰ পক্ষে অসমৰ সাহিত্য আৰু সংস্কৃতি জগতৰ এজন আগশাৰীৰ লোকক লগ ধৰিবলৈ চেষ্টা কৰা এক ধৃষ্টতা বুলি ভাবিছিলো। তেওঁৰ পুত্ৰ আৰু সহপাঠীজনৰ সহায়ত মাজে-সময়ে তেখেতৰ বহালৈ অহা-যোৱা কৰি তেওঁৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা কৰিছিলো। ভাগ্যক্ৰমে এদিন তেওঁৰ আগত পৰাত তেওঁ অতিশয় স্নেহেৰে কথাবাৰ্ত্তা হৈ উৎসাহিত কৰিলে আৰু কামৰ বিষয়েও আভাস দিলে। তেতিয়া ভয় গুচিল, তেওঁ যে স্পৰ্শক্ষম সেইটো বুজিব পাৰিলো। আমি গুৱাহাটীত ছাত্ৰ হৈ থকা কালত মাজে সময়ে দুই এবাৰ তেখেতৰ বাস ভৱনলৈ গৈছিলো। এবাৰ তেখেতৰ ঘৰত মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্যদেৱকো লগ পাইছিলো। মহামহোপাধ্যায়ে তেতিয়া কাশীবাস কৰিছিল, শাসনাৱলী সম্পাদনা সম্পৰ্কে অসমলৈ আহিছিল, বিশেষকৈ গোসাঁইদেৱক লগ ধৰিবলৈ। শাসনাৱলী সম্পাদিত হৈ প্ৰকাশ পোৱাৰ আগতেই হেমগোসাঁই স্বৰ্গী হল। সুপণ্ডিত সম্পাদকে পাতনিত সেই কথা শ্ৰদ্ধা আৰু বিষাদেৰে প্ৰকাশ কৰিছে।

হাতেলিখা পুথিবিলাকৰ বিস্তৃত কেটেলগ আৰু অসমীয়া সাহিত্যৰ চানেকী হেম গোসাঁইৰ কীৰ্ত্তিস্তম্ভ। অসমীয়া সাহিত্য সংস্কৃতিৰ গৱেষক আৰু অধ্যয়নকাৰীৰ পক্ষে এই দুইটি বস্তু অপৰিহাৰ্য্য। এই দুয়োটাৰে পৰিবৰ্দ্ধিত সংস্কৰণৰ প্ৰয়োজন আৰু তাকে কৰিলেহে তেখেতৰ পৱিত্ৰ স্মৃতি প্ৰকৃততে ৰক্ষা কৰা হ'ব।

হেম গোসাঁইৰ পঢ়াশলীয়া জীৱন নগাৱঁত কটাব লগীয়া হয়। সৌভাগ্যক্ৰমে সেই সময়ত নগাৱঁৰ গুণাভিৰাম বৰুৱাৰ প্ৰভাৱত এটি সাহিত্যিক

ৰতৰৰ সৃষ্টি হৈছিল। হেম গোসাঁই আৰু তেওঁৰ বন্ধু অসমীয়া জীৱনৰ প্ৰথম কবি ৰত্নেশ্বৰ মহন্ত ছুয়োজনেই এই পৰিবেশৰ ফল। এই ছুয়োজনৰ বন্ধুত্বও অসমীয়া সাহিত্যৰ এটি জানিবলগীয়া কথা।

## গোহাঞিবৰুৱা

মঙ্গলীয়া স্কুলৰ নীতিশিক্ষা পঢ়ি প্ৰথমতে গোহাঞি-বৰুৱাৰ লগত আমাৰ মানসিক পৰিচয় ঘটে। ঊষা কাকতে সেই পৰিচয় আৰু ঘন কৰিছে। অলপ বুজন হৈ তেওঁৰ নাট-উপন্যাস আৰু কবিতা-বোৰো পঢ়ো।

১৯৩৬ চনত এবাৰ তেজপুৰলৈ যাওঁতে গোহাঞিবৰুৱাক লগ ধৰো। তেওঁক কাষৰ পৰা দেখিবলৈ বৰ অভিলাষ আছিল। আগতে অৱশ্যে সভাই-সমিতিয়ে তেওঁক নিলগৰ পৰা দেখিছো। বিশেষকৈ ১৯২৫ চনত আমাৰ ছাত্ৰাৱস্থাত অসম সাহিত্য সভাৰ অধিবেশনত বেজবৰুৱা গোহাঞি-বৰুৱাৰ যুগল মিলনৰ দৃশ্যও পাহৰিব পৰা নাই।

গোহাঞিবৰুৱাৰ জীৱন যাত্ৰাৰ প্ৰণালী অলপ পৃথক আছিল। তেওঁ ৰাতিপুৱা ন মান বজাত শুই উঠি ৰাজহুৱা কাম-কাজৰ কাৰণে ওলাইছিল। অথবা লিখা-পঢ়া কৰিছিল। ছুপৰীয়া ছুইমান বজাত নাম-প্ৰসঙ্গ কৰি খাই-বৈ জিৰাই-শঁতাই ৰাজহুৱা কাম-কাজ কৰি গধূলি লিখা-পঢ়া কামত ছুপৰ ৰাতিলৈকে কটাইছিল। তাৰ পাছত নাম-প্ৰসঙ্গ কৰে আৰু সৰ্ব্ব সাধাৰণৰ ভাত ঘুমটি শেষ হোৱাৰ সময়ত অৰ্থাৎ শেহ নিশাৰ আগে আগে গোহাঞিবৰুৱাই শয্যা গ্ৰহণ কৰি ৰাতিপুৱা পলমকৈ উঠিবলগীয়া হৈছিল।

তেজপুৰীয়া বন্ধু এগৰাকীৰ পৰামৰ্শমতে পুৱা ন বজাৰ পাছত গোহাঞিবৰুৱাৰ টোল পালোগৈ। যোৰহাটৰ গোহাঞিবৰুৱাৰ প্ৰাক্তন ছাত্ৰ এজনে মোৰ সম্পৰ্কে চিঠি এখন লিখিছিল। সেই কাৰণেই মই সৰহপৰ তেখেতক পৰিচয় দিব লগা নহল। নতুকৈ ওলোৱা শতপত্ৰ এখন তেখেতৰ হাতত দিলো। অসমীয়া সাহিত্যৰ সম্পৰ্কে বহুত পৰ নানা কথা-বাৰ্ত্তা হ'ল। চাহ-জলপান খুৱালে। শতপত্ৰত থকা হেমগোসাঁইৰ প্ৰিয়তমাৰ চিঠি কবিতাটো তেওঁ পঢ়িলে। কুকুৰাঠেঙ্গীয়াৰ দৰে গদ্যময় শব্দ থকা সত্ত্বেও কবিতাটো ভাববিৰ মিছাৰ দৰে সোৱাদ বুলি প্ৰথম অসমীয়া চনেট্ সম্পৰ্কে গোহাঞিবৰুৱাই মন্তব্য কৰিলে।

গোহাঞিবৰুৱাৰ সম্পাদিত দ্বিতীয় বছৰ (১৯১৬) ঊষাত সম্পাদকীয় মন্তব্যত লিখা ছুটমান কথা তলত লিখা হ'ল—"আজিকালিৰ অসমীয়া নাটকত অন্যান্য উন্নত জাতীয় গুণৰ অনুকৰণ সোমাই তাক বাহিৰে ৰংচং কৰিছে হয়, কিন্তু সৰহভাগ নতুন অসমীয়া নাটকৰ ভিতৰ ভাগ আজিও কোৱা ভাতুৰীয়া। আজিৰ অসমীয়া নাটক নকলি বেহানিৰ নিচিনা। ইয়াৰ লিখা প্ৰণালী, ভাও-ভঙ্গী, গীত-বাদ্য সকলো নকলি। আনকি, নায়ক আৰু নায়িকাও আনৰ পৰা ধাৰ কৰা। সেই কাৰণে ছুই এখনৰ বাজে আজি কালিৰ নাটকৰ স্বকীয়াত্ব পাবলৈ নাই। ………নায়ক নায়িকা স্বজাতিৰ গাৰ পৰা বাছি লবলৈ আমাৰ নতুন লিখাৰুসকলে যিবিলাকৰ বন্ধা নিয়ম কৰি লব লাগে, জাতীয় নায়ক নায়িকাৰে অসমীয়া জাতি ভাৰতৰ আন সকলো জাতিতকৈ চহকী।"

পদ্য ৰচনাৰ সম্বন্ধেও তেখেতে সেই সময়ত (১৯১২) দিয়া মন্তব্য এনে আছিল :—"আজি-কালি অসমীয়া পদ্য ৰচনাৰ গঢ় আগতকৈ ভালেমান



লৰ হৈছে। অকল ছন্দৰে নহয়। ভাৱৰো ভালেমান লৰচৰ ঘটিছে। এই পৰিবৰ্ত্তনৰ গতিত আমাৰ পদ্য ৰচনাৰ অকল উন্নতি বা অকল অৱনতি যে বুলিব নোৱাৰি, স্বাভাৱিক নিয়মে তাৰ উন্নতি আৰু অৱনতি ছুয়ো হৈছে। আজিকালিৰ নতুন নতুন ধৰণৰ ৰচনা আগতকৈ বিবিধ বিষয়ত উন্নত হোৱাটো আমি মন কৰিছো। আগেয়ে ঘাইকৈ আধ্যাত্মিক বিষয়ক কবিতাতকৈ গহীন আৰু গভীৰ ভাবনা ৰচনা হৈছিল। আজিকালি সেই জোখৰ ভাব তাকৰ হলেও বিবিধ বিষয়ত সি ব্যাপ্ত হোৱা দেখা গৈছে। গতিকে এই পাকত আমাৰ পদ্য ৰচনাৰ আগতকৈ এফেৰি উন্নতি বুলিব পাৰি।………কিন্তু ছন্দবান্ধনীত অসমীয়া পদ্য ৰচনাৰ গতি আমি বিপৰীত মুখে যোৱা যেন লক্ষ্য কৰিছো।………এতিয়াৰ অমিত্ৰাক্ষৰ আৰু তাৰ লগতে নতুন গোটাদিয়েক মিলিতাক্ষ ছন্দৰ কবিতাত যে মধুৰতা নাই এনে নহয় …… কবিত্ব ভাবৰ স্বাভাৱিক উদ্গীৰণ নহলে কষ্টসাধ্য কবিতাই সময় নষ্ট কৰে মাথোন।"

ওপৰত দিয়া উদ্ধৃতিয়ে গোহাঞিবৰুৱাদেৱৰ সাহিত্য বিষয়ৰ চিন্তাৰ পৰিচয় দিব।

আজীৱন সাহিত্য সেৱী, সাংবাদিক, কবি, পাঠ্য পুথিৰ ৰচক, নাট্যকাৰ, গীতকাৰ, জাতীয় গদ্য লিখক, অসমীয়া জাতিৰ স্বাৰ্থৰ হকে যুঁজাৰু গোহাঞিবৰুৱা আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী নিস্বাৰ্থ সেৱক।

● ● ●

## ॥ গোহাঞিবৰুৱালৈ শ্ৰদ্ধাঞ্জলি ॥

শ্ৰীৰাজেন্দ্ৰ প্ৰতাপ কৰণ

'বিজুলী'ৰ জিলিকনি দিলে 'ভানুমতী',
ভাষা জননীৰ তুমি হ'লা সভাপতি।
অসমে তোমাক ল'লে আদৰেৰে তুলি,
গোহাঞিবৰুৱাদেৱ পদ্মনাথ বুলি।
'জয়মতী', 'গদাধৰ' 'লাচিত ফুকন',
'সাধনী', 'আসাম বন্তি' তামুলী টেটোন।
'ঊষা' কাল পৰা কৰি একেৰাহে শ্ৰম,
'গাওঁবুঢ়া' দেখুৱাই 'ভূত নেকি ভ্ৰম',
'ফুলৰ চানেকী' আৰু 'লাহৰী' 'জুৰণি',
ভাষা জননীক যাচে গীতৰ কৰণি।
'লীলাকাব্য' হ'ল আজি কীৰ্ত্তিস্তম্ভ,
অসমীয়া ভাষাৰ তোমাতে আছে দম্ভ।
আমি অসমীয়াই 'শ্ৰীকৃষ্ণ'-পোহৰত,
চিক্‌মিক কৰি আছো এই ভাৰতত।

---

# ৺ পদ্মনাথ গোহাঞিবৰুৱা

( প্ৰতিকৃতি উন্মোচনত )

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

একোটা জাতিক, সময়ে সময়ে আগবঢ়াই নিবলৈ এজন বা ততোধিকলোকৰ জন্ম হয়। তেওঁবিলাকৰ গাত সাধাৰণ লোকতকৈ শক্তি, বুদ্ধি, জ্ঞান আৰু অন্যান্য অনেক আৱশ্যকীয় গুণ বেছি থাকে। বুৰঞ্জীয়ে আমাক সেই এৰেটা সত্যকে বিভিন্ন ৰূপে দেখুৱাই আহিছে। ই চিৰ সত্য। পদ্মনাথ গোহাঞিবৰুৱা তেনে সময়ৰ এজন আৱশ্যকীয় পুৰুষ।

নব বৈষ্ণৱ যুগ অসমীয়া সাহিত্যৰ মহা-পয়োভৰৰ যুগ, প্ৰায় দুই শতিকা কালৰ এই যুগটো অসমীয়া জাতিৰ গৌৰৱৰ যুগ, অসমৰ উন্নতি আৰু নামনিৰ দুটা সুস্থিৰ ৰাজনৈতিক শক্তিৰ আলমত অসমীয়া সাহিত্য বৰ বেছিকৈ নেবাঢ়িলেও কম হৈ যোৱা নাছিল। কিন্তু দুৰ্ভাগ্য বশতঃ এই অৱস্থা বেছি দিন নিটিকিল। ৰাজ-নৈতিক বিপ্লৱ আৰু অনেক সাল-সলনিৰ মাজত পৰি, অসমীয়া ভাষা সাহিত্যৰ অৱস্থা এনে হল যে, বেলেগ অসমীয়া ভাষা এটা নাই বুলিয়েই আনে ক'ব পৰা হল। সেই কাৰণে মাজতে প্ৰায় ডেৰকুৰি বছৰ অসমীয়া ভাষা অসমৰ পৰা নিৰ্ব্বাসিত হল। সেই সময়ৰ জনচেৰেক ক্ষণজন্মা পুৰুষৰ আশাশুধীয়া চেষ্টা আৰু দূৰ দৰ্শিতাৰ কাৰণে ই পুনৰ জন্ম পাই নিজৰ ঠাইখন দখল কৰিবলৈ সমৰ্থ হল। কিন্তু কালৰ লগত তাল ৰাখি সম্পূৰ্ণ সাহিত্য গঢ়িবলৈ অনেক লগা হল। যথেষ্ট চহকী হলেও, অকল আধ্যাত্মিক সাহিত্যই সময়ৰ সম্ভাৰ যোগাব নোৱাৰা হল, এই সময়ৰ বুৰঞ্জী সাহিত্যই অলপ প্ৰাধান্য লাভ কৰিলেও, ইয়াৰ দ্বাৰাই নৱন্যাস যুগৰ সম্পূৰ্ণ সাহিত্য গঢ়ি নুঠিল। সেইহে এই নৱন্যাসযুগ বা জোনাকীযুগ অসমীয়া সাহিত্যৰ নবজন্ম যুগ। অসমীয়া ভাষাৰ বিৰোধীসকলে সময়ৰ উপযোগী পাঠ্য পুথি নাই বুলি এই সময়ত ক'বলৈ এটা ছেলুও পাইছিল। এনে সময়ত অসমৰ সাহিত্য আকাশত সপ্তৰ্ষি মণ্ডলৰ দৰে, কেবাজনো অসমীয়া সাহিত্যিক আবিৰ্ভাৱ হৈ অসমীয়া সাহিত্যক, সময়ৰ উপযোগী কৰি, পুনৰ সঞ্জীৱিত কৰাত উঠি পৰি লাগিল। তাৰ ভিতৰত জনচেৰেকে, অনেক চেষ্টা কৰি যুগৰ উপযোগী সকলো অঙ্গেৰে অসমীয়া সাহিত্যকো সম্পূৰ্ণ কৰিবলৈ আগবাঢ়িল। এই সকলৰ ভিতৰত যিসকলে বিশেষ ভাৱে এই অভাৱৰ কথা উপলব্ধি কৰি কলম হাতত লৈছিল, সেইসকলৰে অন্যতম প্ৰধান বাট-কটীয়া পদ্মনাথ গোহাঞিবৰুৱা। আজিৰ পৰা এশ বছৰৰ আগত এইজন পুৰুষে জন্মগ্ৰহণ কৰি, সব্যসাচীৰ দৰে, অসমীয়া সাহিত্যৰ সকলো বিষয়তে সম্পূৰ্ণ ৰূপ দিবলৈ আশাশুধীয়া চেষ্টা চলাইছিল, কবিতা, নাটক, প্ৰহসন, উপন্যাস, গল্প, নীতিমূলক প্ৰবন্ধ, আধ্যাত্মিক পুথিপ্ৰণয়ন, পত্ৰিকা আৰু আলোচনী সম্পাদন আদি সকলোতে ভাষাক আগ বঢ়াই নিয়াটো একান্ত কৰ্ত্তব্য বুলি ভাবিছিল।



অসমীয়া ভাষাত পাঠ্য পুথিৰ অভাৱৰ কথাটো কোনেও ক'ব নোৱাৰাকৈ তেওঁ শিক্ষাবিদ হিচাপে, সাহিত্য, বুৰঞ্জী, ভূগোল আৰু অন্যান্য আৱশ্যকীয় পাঠ্য পুথিও ৰচনা কৰিছিল। এইবিলাকৰ উপৰিও অসমীয়া জাতিৰ মঙ্গলৰ অৰ্থে তেওঁ সমাজনীতি, ৰাজনীতি আদিতো হাত দিব পাৰিছিল। অসমত মহাপ্ৰতাপেৰে ছশ বছৰ শাসন কৰি, অসমদেশ নতুনকৈ গঢ়ি তোলা, তেওঁৰে জ্ঞাতি আহোম ৰাইজে ৰাজ্য হেৰুৱাই নিজৰ মান মৰ্য্যাদা হেৰুৱাই দুৰ্দ্দশাগ্ৰস্ত হৈ, হতাশ হৈ পৰা অৱস্থাটো তেওঁ লক্ষ্য কৰিছিল। সেইবাবে তেওঁ আহোম ৰাইজক, পুনৰ জাগ্ৰত কৰি, সময় আৰু অৱস্থাই দিয়া, সা-সুবিধাবোৰ, লবৰ উপযোগী কৰিবলৈও যত্নপৰ হৈছিল।

এনেজন পুৰুষৰ আদৰ্শই, আমাক দেশৰ আৰু জাতিৰ কাৰ্য্যত নিশ্চয় আগ বঢ়াই নিব। আমি পদ্মনাথ গোহাঞিবৰুৱাৰ ওচৰত কৃতজ্ঞ। প্ৰতিভা সম্পন্ন লোকৰ প্ৰতিভাক মুকলি ভাৱে স্বীকৃতি দিব পৰাটো উন্নত জাতিৰ লক্ষণ। স্বীকৃতি দিয়া কাৰ্য্য অকল কোনো ব্যক্তিৰেই নহয়, সমাজৰো এটা ডাঙৰ গুণ। এই গুণৰ অভাৱ, ব্যক্তি বা জাতিৰ অৱনতিৰ পৰিচায়ক।

আমি সাধাৰণ মানুহবোৰ সাংসাৰিক চিন্তাত ইমানেই ব্যস্ত থাকো, যে কল্পনায়ো ঢুকি নোপোৱা ঈশ্বৰৰ স্বৰূপ, কল্পনাতেই ৰখাটো আমাৰ অনেকৰ পক্ষে সম্ভৱ নহয়। যি সকলে পাৰে তেওঁলোক আমাৰ নমস্য। কাৰণ তেওঁবিলাকে কল্পনাটো ঢুকি নোপোৱা বস্তুটোৰ বাস্তৱ ৰূপ এটা দিয়াটোও অনুচিত বুলি ভাবে। আমি অনেকে কল্পনাৰ পৰাই এটা বাস্তৱ ৰূপ উলিয়াই লবলৈ যত্ন কৰো। সেই কাৰণে আমি বস্তুতে বিশেষ বিশেষ গুণেৰে বিভূষিত প্ৰতিকৃতি বিচাৰি তাতে আমাৰ আৰাধ্য জনক থাওকতে পাওঁ বুলি ভাবো। ভগৱন্তৰ আশীৰ্ব্বাদ আমাৰ জীৱনৰ সকলো সুখ ভোগৰ কাৰণ বুলিও ভাবো। তেওঁৰে বিশেষ কৃপা পোৱাসি সকল লোক, যি সকলে আমাক অনেক সম্পদ দি যায়, তেওঁবিলাকৰ বাস্তৱ প্ৰতিকৃতি আমাৰ আগত থাকিলে, আমি তেওঁবিলাকক সহজে সুঁৱৰি, তেওঁবিলাকৰ আদৰ্শৰ প্ৰভাৱতে উন্নতিৰ পথত আগ বাঢ়ি যাব পাৰো। ই হ'ল আমাৰ স্বাৰ্থ আৰু এনে আদৰ্শ দি যাব পৰা পুৰুষজনৰ প্ৰতি আমাৰ কৃতজ্ঞতা প্ৰকাশ। ইয়াত স্নেহ, শ্ৰদ্ধা ভক্তি সকলো থাকে। প্ৰতিকৃতি এই সকলো বিলাকৰে প্ৰতীক।

পদ্মনাথ গোহাঞিবৰুৱাৰ জন্ম শত বাৰ্ষিকীত তেওঁৰ প্ৰতিকৃতি উন্মোচন কৰাটোও ভাগ্যৰ কথা। এই প্ৰতিকৃতি আমাৰ এজন অভিজাত অথচ সহজ, সৰল, মৰমিয়াল, সৰবৰহী সাহিত্যিক, দেশ আৰু জাতিৰ আশাশুধীয়া সেৱকক দেখিবলৈ পাইছো। এই প্ৰতিকৃতিয়ে আমাক তুলনামূলক ভাৱে, আমি কি কৰিছো আৰু আমাৰ কি কৰিবৰ সমৰ্থ আছে তাক সোঁৱৰাই থাকিব, এই খিনিতেই আমাৰ সাহিত্যৰথী গোহাঞিবৰুৱাৰ প্ৰতিকৃতি উন্মোচনৰ বিশেষ সাৰ্থকতা।

আমাৰ আন্তৰিক আশা, গোহাঞিবৰুৱাৰ এই প্ৰতিকৃতিয়ে অসমীয়া জাতিৰ স্বকীয় বৈশিষ্ট্য আৰু স্বতন্ত্ৰতা ৰক্ষা কৰি চিৰ-চেনেহী ভাষা জননীক, বিশ্বৰ জ্ঞান মন্দিৰত এক মহিমাময়ী আসন প্ৰতি-ষ্ঠিত কৰিবলৈ অসমীয়া ৰাইজক অনুপ্ৰাণিত কৰক। নিজকে পাহৰি যোৱা অসমীয়া ৰাইজে, বিভেদ কামী মানোভাৱ পৰিহাৰ কৰি পিচলৈ উলটি চাই আৰু দূৰদৰ্শিতাৰে ভৱিষ্যত লক্ষ্য কৰি, গোহাঞি বৰুৱাৰ মহান আদৰ্শৰে উদ্বুদ্ধ হৈ, আসমীয়া ভাষাত সাহিত্যৰ বিবিধ ফুলেৰে গঁথা মালাধাৰি জননী জন্মভূমিৰ কণ্ঠত অৰ্পণ কৰি গৌৰবান্বিত হওক আৰু তাৰ জেউতি সাহিত্য জগতত বিয়পি পৰক, এয়ে আমাৰ আশা। ( যোৰহাট সাহিত্য সভাৰ গোহাঞিবৰুৱা প্ৰতিকৃতি উন্মোচনৰ উদ্দেশ্যে লিখা )

# গোহাঞিবৰুৱাৰ চনেট

শ্রীনন্দ তালুকদাৰ

পদ্মনাথ গোহাঞিবৰুৱাৰ জন্ম প্ৰায় একশ বছৰ আগত। অৰ্থাৎ ১৮৭১ খৃঃ ৰ নবেম্বৰ মাহত। অসমীয়া সাহিত্যৰ সৰ্ব্বজন পৰিচিত। গোহাঞিবৰুৱা একেৰাহে এগৰাকী ঔপন্যাসিক, কবি, নাট্য-কাৰ, বুৰঞ্জীবিদ কথা সাহিত্যিক আৰু সাংবাদিক অসমীয়া সাহিত্যৰ অভাব পূৰণৰ বাবে পাঠ্যপুথি, নাটক, জীৱনী আদি সাহিত্যৰ সকলো দিশতে হাত ফুৰাই যোৱা জোনাকী যুগৰ সাহিত্যিক সকলৰ ভিতৰত গোহঞিবৰুৱা অন্যতম।

গোহাঞিবৰুৱাৰ "ভানুমতী" ( ১৮৯১ খৃঃ ) প্ৰথম অসমীয়া উপন্যাস। তেওঁৰ দ্বিতীয় উপন্যাস 'লাহৰী' ( ১৮৯২ খৃঃ )। জয়মতী, গদাধৰ, লাচিত বৰফুকন আৰু সাধনী গোহাঞিবৰুৱাৰ বুৰঞ্জী মূলক নাটক। গাওঁবুঢ়া, টেটোন তামুলী আৰু ভূতনে ভ্ৰম তেওঁৰ ধেমেলীয়া নাটক। গোহাঞিবৰুৱাৰ সাহিত্য সাধনাৰ কীৰ্ত্তিস্তম্ভ স্বৰূপ তিনি খণ্ডত ৰচিত 'শ্ৰীকৃষ্ণ' গ্ৰন্থ।

গোহাঞিবৰুৱাৰ কবিতাৰ পুথি তিনিখন 'লীলা' কাব্য গ্ৰন্থ, 'ফুলৰ চানেকী' আৰু 'জুৰণি' খণ্ড কবিতাৰ পুথি। ফুলৰ চানেকীৰ খণ্ড কবিতাৰ উপৰিও তেওঁৰ নাটকৰ পৰা সংগ্ৰহ কৰা অংশ বিশেষো সন্নিবিষ্ট কৰিছে। আমি এই প্ৰবন্ধত জুৰণি আৰু ফুলৰ চানেকীত থকা চনেট কেইটিৰ বিষয়ে আলোচনা কৰিম।

জোনাকী যুগৰ কবিসকলৰ ভিতৰত সৰহ সংখ্যক চনেট ৰচনা কৰা কবি পদ্মনাথ গোহাঞি-বৰুৱা। গোহাঞিবৰুৱাৰ জুৰণিত পয়ত্ৰিশটা আৰু ফুলৰ চানেকীত ছটা চনেট সন্নিবিষ্ট কৰিছে। গোহাঞিবৰুৱাৰ চনেট সমূহৰ ভিতৰত পেট্ৰাৰ্ক আৰু শ্বেক্সপীয়েৰৰ আৰ্হিৰ চনেটৰ সংখ্যা সৰহ নহয়। সৰহ ভাগেই সাধাৰণ পয়াৰ জাতীয় কবিতা।

দ্বিতীয় বছৰ বিজুলীত গোহাঞিবৰুৱাৰ মুকলি মুৰীয়া, কবিতা, চকুলো, লুকুৱা হাঁহি নামৰ চনেট প্ৰকাশ হয়। মুকলি মূৰীয়া ( ২য় বছৰ ৩য় সংখ্যা বিজুলী ৪৯ পৃঃ ) গোহাঞিবৰুৱাৰ প্ৰথম চনেট। কবিতাটোৰ মিত্ৰবৰ্ণবিন্যাস সাধাৰণ পয়াৰ জাতীয়। চনেটটো সাতটি যুগ্মকত ভাগ কৰা হৈছে। কবিতাটোৰ মিত্ৰবৰ্ণবিন্যাস মন কৰিব লগীয়া।

### মুকলি মুৰীয়া

সৰগ ধাউতি প্ৰাণ, ভলুকা গাজটি ॥ ক ॥
আকাশ দাপোনে চাই আপোন ছবিটি ॥ ক ॥
এক ভাব এক ধ্যান, মুকলি মূৰীয়া ॥ খ ॥
আনন্দে বিভোৰ সদা আপুনি সুখীয়া ॥ খ ॥
ইডালে সিডালে উঁৰ ডালৰ পখীটি ॥ গ ॥
ঘূৰি আহি চুমি যায় প্ৰাণৰ সখীটি ॥ গ ॥
মুকলি মূৰীয়া হুয়ো হুয়োটিকে চাই ॥ ঘ ॥
একে ঠৰে একে ভাবে কিবা সুখ পায় ॥ ঘ ॥
কল্পনাৰ লগৰীয়া কোমল শিশুটি ॥ ঙ ॥
পূবালী মেঘত যেন পুৱাৰ বেলিটি ॥ ঙ ॥
আপোন পোহৰত আপুনি পোহৰে ॥ চ ॥
লৰাৰ লৰালি গীত মন প্ৰাণ হৰে ॥ চ ॥
হুদিন হুদিন হায় মুকলি মূৰীয়া ॥ ছ ॥
বিষয় ভাবনা আহি কৰিব ঘুণীয়া ॥ ছ ॥



পিচৰ সংখ্যা বিজুলীত প্ৰকাশিত চনেট 'কবিতা' ( ২য় বছৰ ৪ৰ্থ সংখ্যা পৃঃ ৭৩ )। 'কবিতা নামৰ চনেটৰ বৰ্ণবিন্যাস পদ্ধতি সম্পূৰ্ণ ৰূপে শ্বেক্সপীয়েৰৰ আৰ্হিৰ।

নিমাত বিশ্বৰ ভাষা জড় জগতত ॥ ক ॥
অব্যক্ত ভাবৰ এই মানসী হুৱাৰ ॥ খ ॥
সুন্দৰ কবিতা সৃষ্টি স্বৰ্গ প্ৰতিভাত ॥ ক ॥
নিজম কল্পনা কৰি অজড় অমৰ ॥ খ ॥
নিৰাশ প্ৰেমিকে সাজে সান্ত্বনা মন্দিৰ ॥ গ ॥
পূৰ্ণ মিলনত এই প্ৰণয়ৰ ভাষা ॥ ঘ ॥
নেকান্দি গুচায় দুখ হেপাহ হিয়াৰ ॥ গ ॥
শান্তিৰ কোলাত শুই তিয়াগে হুৰাশা ॥ ঘ ॥
সপোন ৰাজ্যৰ এই সৌন্দৰ্য্য ভৰাল ॥ চ ॥
দিঠকৰ কত ফুল ফুলে ফুলনিত ॥ ছ ॥
দেবকন্যা মানবীৰ সৰল কোমল ॥ চ ॥
মানসী প্ৰতিমা শোভে মৰ্ত্ত্য জগতত ॥ ছ ॥
স্বৰগ ডোলেৰে অতা প্ৰেমৰ বান্ধনি ॥ জ ॥
সংসাৰ জাৰণি মাজে ভাগৰ জুৰণি ॥ জ ॥

গোহাঞিবৰুৱাৰ এইটো কবিতা 'ফুলৰ চানেকি'ত অলপ সাল-সলনি কৰিছে। অৱশ্যে বিষয় বস্তুৰ একো পৰিবৰ্ত্তন ঘটা নাই। বিজুলীত প্ৰকাশ পোৱা 'ওৰণী হই' কবিতাটো ফুলৰ চানেকিত ভালেখিনি সালসলনি হৈ ওৰণী নামেৰে প্ৰকাশ কৰিছে।

বিজুলীত প্ৰকাশিত 'চকুলো' ( ২ বছৰ ৬ষ্ঠ সংখ্যা ১০৫ পৃঃ ) কবিৰ আন এটি চনেট।

প্ৰেমময় ভাবময় সুখ ভৰা ভাৰ ॥ ক ॥
হুটি টোপা পমি গই দুখৰ ভৰত ॥ খ ॥
পবিত্ৰ প্ৰেমৰ নই সৰগ ভূমিত ॥ খ ॥
বই বই বই যায় প্ৰেম উপহাৰ ॥ ক ॥
শীতলি সজীৱ হিয়া মন্দাকিনী ধাৰ ॥ ক ॥
প্ৰায় যোগিনী বেশে যোগমন্ত্ৰ স্মৰি ॥ খ ॥
সুমেৰু কুমেৰু জুৰি নিৰলে বিচাৰি ॥ গ ॥
তুষিছে পৰাণ কত হুখী অভাগাৰ ॥ ক ॥
শান্তিৰ সুৰগা হৈ চিতাচিত হিয়া ॥ চ ॥
সমান শীতল কৰে সাগৰৰ বুকু ॥ ছ ॥
প্ৰেমৰ নিঝৰা হই হৃদয় তলীয়া ॥ চ ॥
মৰুৰ শুকান বালি পলসুৱা কৰি ॥ জ ॥
লেৰেলা পুলিটি পুত্ৰ সজাগ কৰায় ॥ ঙ ॥
স্বৰ্গীয় যতন পানী গুৰিতে যোগায় ॥ ঙ ॥

চকুলো চনেটৰ প্ৰথম চতুষ্ক পেট্ৰাৰ্কৰ আৰ্হিৰ। দ্বিতীয় চতুষ্কৰ দ্বিতীয় আৰু তৃতীয় শাৰী খ। খ নহয় গ। গ॥ তৃতীয় চতুষ্কৰ মিল বিন্যাস হল চ। ছ। চ॥ জ॥ শেষৰ হুটা শাৰীৰ মিল বিন্যাস ঙ। ঙ॥ শেষৰ শাৰী হুটাত ভাব তীব্ৰ ভাবে প্ৰকাশ পাইছে।

দ্বিতীয় বছৰ বিজুলীতে প্ৰকাশ পোৱা চনেট লুকুৱা হাঁহি ( ১৪৪ পৃ: )

ছয়া ময়া ৰূপহীৰ লাবণ্য মূৰতি ॥ ক ॥
এধা আলো এধা চাত বেৰ জলঙাই খ ॥
ৰঙা ৰঙা ওঠ হুটি জিলিঙনী পাই ॥ খ ॥
কও কও কত কথা বঢ়ায় জেউতি ॥ ক ॥
এধা চোৱা হুটি চকু দিয়ে যেন আশা ॥ গ ॥
পহুমৰ পাহি যেন ঢাকনি সুন্দৰ ॥ ঘ ॥
এধা ফুটা হুটি কথা প্ৰাণৰ ভাষা ॥ প ॥
প্ৰথম মিলন হায় লাজে ঠৰ বৰ ॥ ঘ ॥
হেপাহৰ হুটিমান সোণোৱালী ৰেখ ॥ চ ॥
গোলাপী গালত শোভে নিলাজী জুপিৰ ॥ ছ ॥
প্ৰেমৰ ৰাগিয়ে ধৰি আলজাল কেশ ॥ চ ॥
মাজে তাৰ জিলিকনী কেতেকী পাহিৰ ॥ ছ ॥

মিলিলে এতেক শোভা একেটি থুপিত ॥ ঙ ॥
এধা ফুটা পাহিটিৰ লুকুৱা হাঁহিত ॥ ঙ ॥

'লুকুৱা হাঁহি' চনেটৰ প্ৰথম চতুষ্কৰ মিল বিন্যাস। পেট্ৰাৰ্কৰ আৰ্হিৰ ক। খ। খ। ক। দ্বিতীয় আৰু তৃতীয় চতুষ্কৰ মিল বিন্যাস সাধাৰণ পয়াৰ, ছন্দ গ। ঘ। গ। ঘ। চ। ছ। চ। ছ॥ আৰু শেষৰ আখৰৰ মিল বিন্যাস ঙ। ঙ॥

বিজুলীৰ চনেট ৰাজিত গোহাঞিবৰুৱাই বিবিধ পৰীক্ষা নিৰীক্ষা কৰা দেখা যায়। কিন্তু পিচত তেওঁ সম্পুৰ্ণ পেট্ৰাৰ্কৰ আৰ্হিৰ চনেট ৰচনা কৰিছিল। পেট্ৰাৰ্কৰ আৰ্হিৰ ৰচনা কৰা চনেট 'স্বৰ্গতো অধিক জননী' (ফুলৰ চাকি, জুৰণিত মাতৃ মোৰ)।

জনম জঠৰ ধাতৃ আই মাতৃ মোৰ ॥ ক ॥
স্তনদাতৃ জীৱনৰ দীপ প্ৰদায়িনী ॥ খ ॥
পৃথিৱীত মানৱীৰ প্ৰথমা মুখানি ॥ খ ॥
প্ৰথম দৰ্শনে যাৰ হল প্ৰাণ জুৰ ॥ ক ॥
মৰতত মৰণৰ স্নেহ উপভোগ ॥ চ ॥ ক ॥
জয়ে জয়ে যাৰ পৰা লাভ সংসাৰত ॥ ছ ॥ খ ॥
পীয়ুসীয়া হিয়া চুমি জন্ম ভাগৰত ॥ ছ ॥ খ ॥
জুৰণি অমৃত প্ৰাণ প্ৰথম সম্ভোগ ॥ চ ॥ ক ॥
যাৰসতে চাৰি চকু পোনে মিলাপ্ৰীতি ॥ গ ॥
জগতীৰে কথা পতা চকুৱে চকুৱে ॥ ঘ ॥
সংসাৰৰ ভাবী ভোগ গুপ্ত ৰীতি নীতি ॥ গ ॥
মায়ামোহ বিচাৰিলে নিমাতীৰ ৰৱে ॥ ঘ ॥
সেই মোৰ মায়াময়ী চেনেহী প্ৰসূতী ॥ গ ॥
নমোঁ নমোঁ মাতৃ মোৰ নমোঁ পদ্ম পাৱে ॥ ঘ ॥

পেট্ৰাৰ্কৰ আৰ্হিৰ মিল বিন্যাস দেখা যায় 'হেমচন্দ্ৰ গোস্বামী' (জুৰণি) শীৰ্ষক চনেটত।

হেমচন্দ্ৰ গোস্বামী চনেটৰ মিল বিন্যাস সম্পুৰ্ণ পেট্ৰাৰ্কৰ আৰ্হিৰ বুলি কব নোৱাৰি। প্ৰথম চতুষ্কৰ মিল বিন্যাস ক। খ। খ।ক। কিন্তু দ্বিতীয় চতুষ্কৰ মিল বিন্যাস গ। থ। থ। গ॥ কিন্তু ষট পদিকাৰ মিল বিন্যাস পেট্ৰাৰ্কৰ আৰ্হিৰ চ। ছ॥ চ। ছ॥ চ। ছ॥ গোহাঞিবৰুৱাৰ চনেট ৰাজিৰ ভিতৰত মাত্ৰ এই দুটা চনেট পেট্ৰাৰ্কৰ আৰ্হিৰ। চনেট দুটাৰ অষ্ট পদিকা আৰু ষট পদিকাৰ ভাগ বিভাগৰ উপৰিও শেষৰ যুগ্মকত ভাব তীব্ৰ ভাবে প্ৰকাশ পাইছে।

গোহাঞিবৰুৱাৰ ভালেকেইটি চনেটৰ মিত্ৰবৰ্ণ বিন্যাস শ্বেক্সপীয়েৰৰ আৰ্হিৰ। ক। থ। ক। থ॥ গ। ঘ। গ। ঘ॥ চ। ছ॥ চ। ছ॥ জ। জ॥ অষ্টপদিক আৰু ষট পদিকাৰ ভাগ বিভাগৰ সলনি কবিতাটোত চাৰি শাৰীৰ তিনিটা চতুষ্কত ভাগ কৰা হয় আৰু শেষৰ যুগ্মকৰ মিত্ৰবৰ্ণ বিন্যাসৰ মাজত ভাব তীব্ৰ ভাবে প্ৰকাশ পায়। বিজুলীত প্ৰকাশিত 'কবিতা' নামৰ চনেটত প্ৰকাশ পোৱা মিত্ৰ বৰ্ণ বিন্যাস ইতিপূৰ্ব্বে বিশ্লেষণ কৰি দেখুৱা হৈছে। কবিতাটো তিনিটা চতুষ্কত ভাগ কৰা হৈছে আৰু শেষৰ যুগ্মকত ভাব তীব্ৰ। ঢোপাকলি, প্ৰাকৃতিক সংসাৰ, জুৰণি, হৰিনাথ গগৈদেৱ, ৰোহিনীকান্ত হাতীবৰুৱা, লুকুৱা হাঁহি, সোণৰ সংসাৰ চনেটৰ মিত্ৰবৰ্ণ বিন্যাস শ্বেক্সপীয়েৰৰ আৰ্হিৰ। উক্ত চনেট সমূহ বিভিন্ন বিষয়ৰ ওপৰত ৰচনা কৰা। চনেট সমূহৰ শেষৰ যুগ্মকৰ মিত্ৰবৰ্ণ বিন্যাস আৰু ভাব তীব্ৰতা অন্যতম বৈশিষ্ট্য।

গোহাঞিবৰুৱাৰ কেইটামান চনেটৰ মিত্ৰবৰ্ণ বিন্যাস মন কৰিবলগীয়া। আইদেউ আইকণ তেনে এটি চনেট। চনেট কেইটিৰ প্ৰথম দ্বিতীয় আৰু তৃতীয় চতুষ্কৰ মিত্ৰবৰ্ণ বিন্যাস সম্পূৰ্ণ শ্বেক্সপীয়েৰৰ আৰ্হিৰ। কিন্তু শেষৰ যুগ্মকৰ বৰ্ণ বিন্যাস তৃতীয় চতুষ্কৰ আৰ্হিৰ। ক। খ। ক। খ॥ গ। ঘ। গ। ঘ॥ চ। ছ। চ। ছ॥ চ। ছ॥ কিন্তু শ্বেক্সপীয়েৰৰ আৰ্হিমতে হব লাগে জ। জ॥

## আইদেউ আইকণ

মাতৃ অনুকৃতি মোৰ প্ৰাণৰ ভনীটি ॥ ক ॥
আছিলা জিলিকি অই সূৰ্যা পোহৰত ॥ খ ॥
দাম্পত্যৰ ফল লাভ পুত্ৰ কন্যা দুটি ॥ ক ॥
হেৰাল দুয়োটি হায় ঘোৰ আকালত ॥ খ ॥
আদৰ্শ গৃহিনী হই গৃহস্থী কৰম ॥ গ ॥
চম্ভালে পৰোক্ষ ভাবে থাপিলা কৃতিত্ব ॥ ঘ ॥
সযত্নে পালন কৰি ভাৰ্য্যাৰ ধৰম ॥ গ ॥
নাৰীৰ পৰম বস্তু অমূল্য সতীত্ব ॥ ঘ ॥
নহওতে বেলা ভাটী সূৰ্য্যৰ কিৰণে ॥ চ ॥
সংসাৰ জোনাক কৰি থাকোতে আদৰি ॥ ছ ॥
আচম্বিতে আৰ কৰি ধৰিলে মৰণে ॥ চ ॥
আছোতে সতেজে দুয়ো দিনমান ঘূৰি ॥ জ ॥
অন্তৰ্দ্ধান আকাশত নিয়তী নিয়মে ॥ চ ॥
পতি-পুত্ৰ নাতি-পুতি ঘৰ-বাৰী এৰি ॥ ছ ॥

নাৰায়ণী সন্দিকৈ, কমলা কান্ত বৰুৱা, সত্য নাথ বৰা, কমলাকান্ত ভট্টাচাৰ্য্য, চনেটৰ মিত্ৰবৰ্ণ বিন্যাস উক্ত চনেটৰ নিচিনা। শেষৰ যুগ্মকৰ বাহিৰে প্ৰথম দ্বিতীয় আৰু তৃতীয় চতুষ্কৰ মিত্ৰ বৰ্ণ বিন্যাস শ্বেক্সপীয়েৰৰ আহিৰ। কেৱল শেষৰ যুগ্মকৰ বৰ্ণ বিন্যাস শ্বেক্সপীয়েৰৰ আহিৰ অৰ্থাৎ জ। জ নহয় তৃতীয় চতুষ্কৰ নিচিনা চ। ছ॥ গোহাঞিবৰুৱাৰ ভালেমান চনেটৰ মিত্ৰবৰ্ণবিন্যাস সাধাৰণতে শিথিল। চনেটটো সাতটি যুগ্মকত ভাগ কৰা। আৰু বৰ্ণ বিন্যাস পয়াৰ ছন্দৰ। এনে ধৰণৰ চনেটত অষ্টপদিকা বা ষট পদিকাৰ ভাগ বিভাগ বা চতুষ্ক আদিৰ বিভাগ নাথাকে। গোটেই কবিতাটোৰ মাজেৰে এটি অখণ্ড ভাব প্ৰকাশ হয় আৰু শেষৰ যুগ্মকৰ ভাব তীব্ৰ ভাবে প্ৰকাশ পায়।

## কবি

চোৱা সখি আহে কবি নীৰলে নীৰৱে ॥ ক ॥
বননিৰ মাজ বাটে নিমগন ভাবে ॥ ক ॥
নিজম বীণাৰ সুৰ নিজৰে জুৰণি ॥ খ ॥
আপুনি ব্যাকুল শুনি তাৰ প্ৰতিধ্বনি ॥ খ ॥
মজিছে নীৰৱে বই প্ৰতি ফুল কাণে ॥ গ ॥
উলাহ সঙ্গীত সুৰ ঢালি প্ৰতি প্ৰাণে ॥ গ ॥
প্ৰণয়ী আমাৰ কবি আহে আগুৱাই ॥ ঘ ॥
আটাইটি মঞ্জো ফুল আগমনী চাই ॥ ঘ ॥
আৰু সৌ বুঢ়া গছ জটা ধাৰী বৰ ॥ চ ॥
সিৰিলি পতীয়া কায়া শাল এজাৰৰ ॥ চ ॥
আহত উদাৰ যোগী নাহৰ কদম ॥ ছ ॥
সবাৰো গুচিব হায় দুথ ভৰা ভ্ৰম ॥ ছ ॥
সবাৰে পাঙিছো আমি মনোমোহা ছবি ॥ ঙ ॥
ভাঙি কম মনো ভাব আহে সৌৱা কবি ॥ ঙ ॥

কবিতা, মন, কল্পনা, প্ৰকৃতি, ৰূপ, বাঁহী গীত, কাপ, মহি প্ৰথম, আদি, অন্ত, আদহীয়া ব্ৰহ্মপুত্ৰ, মেঘাই, পুৰণি অসম, পটুৱাৰ ভুৰ, পালো, ৰামায়ণ, গুণাভিৰাম, অসম আৰু বঙাল দেশ, উৰ্ম্মিলা, মাণিক চন্দ্ৰ বৰুৱা, আদি কবিতাৰ মিত্ৰ বৰ্ণ বিন্যাস উক্ত চনেটৰ নিচিনা সাতটি যুগ্মকত বিভক্ত পয়াৰ ছন্দৰ। পদ্মনাথ গোহাঞিবৰুৱাৰ সৰহ ভাগ চনেটৰে শেষৰ যুগ্মকৰ ভাব তীব্ৰ ভাবে প্ৰকাশ পাইছে।

গোহাঞিবৰুৱাৰ ৰচিত চনেটৰ সংখ্যা ছকুৰি পাঁচটা। (বিজুলী ৪, ফুলৰ চানেকী ৬, আৰু জুৰণি ৩৫)। ইয়াৰে দুই এটা চনেট দুবাৰ প্ৰকাশ পাইছে। সন্দেহ নাই আকৃতিৰ দিশৰ পৰা বিশ্লেষণ কৰি চালেও গোহাঞি-বৰুৱাৰ ভালেকেইটি চনেটত চনেটৰ লক্ষণ প্ৰকাশ পাইছে। তেওঁৰ চনেটৰ বৰ্ণ বিন্যাস বিভিন্ন শ্ৰেণীৰ পেট্ৰাৰ্ক, শ্বেক্সপীয়েৰ নাইবা সাধাৰণ মিল নাস্তক যুগ্মক আদি বহুতো প্ৰকাৰৰ। প্ৰথম অৱস্থাত ভালেমান পৰীক্ষা নিৰীক্ষাৰ মাজেৰে চনেট ৰচনা কৰিছিল। কিন্তু তেওঁৰ বিজুলীত প্ৰকাশিত আগ বয়সৰ চনেট চাৰিটাৰ মাজতে ভৱিষ্যতৰ সম্ভাৱনা দেখা গৈছে।

গোহাঞিবৰুৱাৰ চনেট ৰাজি বিভিন্ন বিষয়-বস্তুৰ ওপৰত ভেটি কৰি ৰচনা কৰা। ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্ম্মাই গোহাঞিবৰুৱাৰ কবিতা সম্পৰ্কে লিখিছে "গীতি কবিতাৰ অনুভৱৰ তীব্ৰতা আৰু প্ৰকাশ ব্যাকুলতা, গোহাঞি বৰুৱাৰ কবিতাত নাই কিন্তু চনেট কবিতাৰ উপযোগী সংযত কল্পনাৰ তেওঁ অধিকাৰী।"

সংযত কল্পনা গোহাঞিবৰুৱাৰ চনেটৰ অন্যতম লক্ষণ। কবি প্ৰকৃতি আৰু কবিতা সম্পৰ্কে গোহাঞি বৰুৱাই কেবাটিও চনেট ৰচনা কৰিছে। কবিৰ মতে 'কবিতা অব্যক্ত ভাবৰ হেতু মানসী দুৱাৰ।' বেজবৰুৱা আৰু দুৰ্গেশ্বৰ শৰ্ম্মাৰ কবিতা নামৰ কবিতা আছে। বেজবৰুৱাৰ মতে কবিতা 'শোকৰ সঙ্গীত আৰু বেজাৰৰ কলাৰেখা।' শৰ্ম্মাৰ মতে 'মানুহৰ চিন্তা আৰু কল্পনা গছত ফুলা' এপাহি ফুল। গোহাঞিবৰুৱাৰ কবিতা জগতৰ সকলো প্ৰাণী বা বস্তু সম্ভাৰৰ অব্যক্ত ভাব বা বেদনা প্ৰকাশৰ বাহন স্বৰূপ। কবিৰ জুৰণি আৰু ফুলৰ চানেকীত 'কবিতা' শীৰ্ষক দুটা কবিতা আছে যদিও দুয়োটি কবিতাৰ কেন্দ্ৰস্থ ভাব একেটাই।

নসহি কবিতা ৰাণী জড় জগতত।
দিলেহি বুজনি সুৰ অব্যক্ত ভাৱত ॥ (জুৰণি)
নিমাত শিখৰ ভাষা জড় জগতত।
অব্যক্ত ভাবৰ হেতু মানসী দুৱাৰ ॥
(ফুলৰ চানেকী)

ফুলৰ চানেকীৰ কবিতাৰ শেষৰ যুগ্মকত কবিয়ে কবিতাৰ গুনবৰ্ণনা কৰি লগতে কবিতা সৃষ্টি কৰা সকলকো সম্ভাষণ জনাইছে

মৰ্ত্ত্যৰ মানৱ মন মৰিও অমৰ
কোমল কবিতা কল্পি করুণ ৰসৰ।

'কবি' গোহাঞিবৰুৱাৰ আন এটি চনেট। চনেটটোত গোহাঞিবৰুৱাই কবি প্ৰকৃতি সম্পৰ্কে আভাস দিবলৈ যত্ন কৰিছে। গোহাঞিবৰুৱাৰ কবি ৰত্নকান্ত বৰকাকতীৰ কবিৰ নিচিনা 'ৰাজ-দৰবাৰৰ' বা 'বুদ্ধি ভৰষা' বিচৰাৰ ক্ষেত্ৰত উপেক্ষিতা নহয়। গোহাঞিবৰুৱাৰ কবিয়ে নীৰলে নীৰৱে, বননিৰ মাজেৰে বাট বুলি যাব বিচাৰে যদিও কবিক জটাধাৰী বৰ গছ, শাল, এজাৰ, নাহৰ কদম সকলোৱে অন্তৰৰ অব্যক্ত বেদনা প্ৰকাশ কৰিব বিচাৰে।

সবাৰে পাতিছো আমি মনোমোহা ছবি
ভাতি কম মনোভাব আহে সৌৱা কবি।

উৰ্ম্মিলা কবিৰ এটি সাৰ্থক চনেট। ৰত্নকান্ত বৰকাকতীৰ উৰ্ম্মিলা নামৰ কবিতাৰ বিষয় বস্তুৰ লগত একে নহয়। উৰ্ম্মিলাক উপেক্ষা কৰা বাবে বৰকাকতীৰ কবিতাত বাল্মীকিক দোষাৰোপ কৰিছে। গোহাঞিবৰুৱাই তেনে কৰা নাই। গোহাঞি-



বৰুৱাৰ মতে বাল্মীকি সুচতুৰ আৰু উৰ্ম্মিলাৰ প্ৰতি তেওঁৰ দৰদ অলপ বেছি। সেইবাবে উৰ্ম্মিলাৰ গুণ-গৰিমা মৰ্ত্ত্যভূমিত অৰ্দ্ধবিকাশত ৰাখি স্বৰ্গৰ কাৰণে গোপন কৰিলে। কবিৰ উদ্দেশ্য উৰ্ম্মিলাৰ মহানুভৱতা স্বৰ্গত প্ৰকাশ হওক।

'সুচতুৰ স্বৰ্গী কবি স্বৰ্গৰ কাৰণে
উৰ্ম্মিলা পাহিটি থলে অৰ্দ্ধেক গোপনে।'

ব্ৰহ্মপুত্ৰ, ঢোপাকলি, প্ৰাকৃতিক সংসাৰ, স্বৰ্গতো অধিক জননী, কল্পনাৰ চকু আদি চনেটত কবিৰ সংযত কল্পনা প্ৰকাশ পাইছে।

'কাপ' আৰু 'মহিৰ' গুণ বৰ্ণনা কৰি কবিয়ে ৰচনা কৰিছে দুটি চনেট। চনেট দুটিৰ অন্তৰালত প্ৰকাশ পাইছে কাব্য সৃষ্টিৰ প্ৰেৰণাৰ কথা।

সবাৰো অক্ষয় চিন আকিবৰ গুণে।
মহি সৃষ্টি মৰতত স্বৰগ ৰহনে ॥

বিষয়-বস্তুৰ ফালৰ পৰা চনেট চাৰি ভাগত ভাগ কৰা হয়। গীত, ব্যঙ্গ কবিতা, খুহুটীয়া কবিতা আৰু ভক্তি মূলক কবিতা। গোহাঞি-বৰুৱাৰ ভালেমান চনেট গীতি ধৰ্ম্মি। গীতৰ লেখীয়া চনেট ৰাজি একক উদ্দেশ্যৰ ওপৰত ভেটি কৰি ৰচনা কৰা। কেইটিমান কবিতাত ব্যঙ্গাত্মক ভাবো প্ৰকাশ পাইছে। অসম আৰু বঙাল দেশ তেনে এটি চনেট। অসম আৰু বঙ্গদেশৰ মাজৰ বিবাদ এটি পুৰণি বেমাৰ। অসমে যুক্তিৰ বলেৰে সদায় শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি আহিছে। কবিয়ে চনেটত সেই কথাকে কব বিচাৰিছে।

অসম যেতিয়া মহা কাব্য ৰচনাত
বঙাল ফুটাই কথা কব নজনাত
অসম জুৰুলা যেবে ভাটি বয়সত
পূৰ্ণ তেজে বঙ্গে আহি কয় অসমত]
অস্তিত্ব তোমাৰ নাই মোৰে মূল ফুটা
ধৰাহি জীৱন মোতে পৰজীৱি লতা।

---

হেমচন্দ্ৰ গোস্বামী চনেটত ব্যঙ্গাত্মক ভাব নাই। কবিয়ে মাথোন তেওঁক বুৰঞ্জী ভোমোৰা বুলি ধেমালি কৰিছে। জুৰণিত আন আন ভালে মান তৰ্পণ জাতীয় চনেট আছে। নাৰায়ণী সন্দিকৈ, গুণাভিৰাম বৰুৱা, কমলাকান্ত বৰুৱা, সত্যনাথ বৰা, কমলাকান্ত ভট্টাচাৰ্য্য, হৰিনাথ গগৈদেৱ, মাণিকচন্দ্ৰ বৰুৱা, ৰোহিনীকান্ত হাতীবৰুৱা আদি তৰ্পণ জাতীয় উল্লেখযোগ্য চনেট। ভৰডেকা বয়সতে প্ৰাণ হেৰুৱা কবিৰ তৃতীয় জোৱাই স্বদেশ কৰ্ম্মী ৰোহিনীকান্ত হাতীবৰুৱাৰ করুণ মৃত্যু সুঁৱৰি কবিয়ে চনেট এটি ৰচনা কৰিছে। ৰোহিনীকান্ত হাতীবৰুৱাৰ মৃত্যুত যেন 'সেউজী অসম এৰাবাৰী হ'ল।' মাণিকচন্দ্ৰ বৰুৱা চনেটত তেওঁৰ সুকৰ্ম্মৰ কথা সুঁৱৰি কৃতজ্ঞতা যাচিছে। সত্যনাথ বৰাক সুঁৱৰি ৰচনা কৰে চনেটত 'মাতৃ ভাষা মজিয়াত পীৰা পাৰি বহি' সাহিত্য সেৱা কৰাৰ কথা উল্লেখ কৰিছে। কমলাকান্ত ভট্টাচাৰ্য্যক সুঁৱৰি ৰচনা কৰা চনেটত চিন্তানল কবিৰ কাব্য সৃষ্টিৰ কথা সুঁৱৰি চাইছে।

জুৰণিত গোহাঞিবৰুৱাৰ তৰ্পণ জাতীয় আৰু দুটামান কবিতা আছে। 'কবি ৰবীন্দ্ৰনাথ' আৰু 'লক্ষ্মীনাথ বেজবৰুৱা' আন দুটি ষোল শাৰীৰ তৰ্পণ জাতীয় কবিতা। ব্ৰহ্মপুত্ৰ আৰু ৰামায়ণ চনেটত কবিয়ে বিষয়-বস্তুৰ ওপৰত সুকীয়া দৃষ্টি নিক্ষেপ কৰা দেখা যায়।

গোহাঞিবৰুৱাৰ চনেটৰাজি বিভিন্ন বিষয়ৰ ওপৰত ৰচনা কৰা। চনেট ৰাজিৰ মাজেৰে কবিৰ সংযত কল্পনা আৰু গভীৰ চিন্তা-চৰ্চ্চাৰ ইঙ্গিত প্ৰকাশ পাইছে।

# পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ জীৱনৰ আগছোৱা

শ্ৰীহৰিশচন্দ্ৰ গোস্বামী।

গোলাঘাট মহকুমাৰ ঢেকিয়াল গাৱঁৰ গৌৰাং সত্ৰত ১৮৭২ চনৰ ৮ জানুৱাৰীত হেমচন্দ্ৰ গোস্বামীয়ে জন্ম গ্ৰহণ কৰে আৰু ১৯২৮ চনৰ মে' মাহৰ ইং ২ তাৰিখে তেখেতৰ গুৱাহাটীৰ নিজা ঘৰত মৃত্যু হয়। হেমচন্দ্ৰৰ পিতৃৰ নাম ডম্বৰুধৰ আৰু মাতৃৰ নাম ঘনকান্তি। ডম্বৰুধৰ ধাৰ্ম্মিক, পৰোপকাৰী আৰু সভাগুৱনী পুৰুষ আছিল। তেওঁ মক্ৰং মৌজাৰ মৌজাদাৰ আছিল। ডম্বৰুধৰে মৌজাৰ ভাৰ অস্থায়ী হিচাবে তেখেতৰ ভায়েক উমেশ্বৰ গোস্বামীক চমজাই দি তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈ পৱিত্ৰ কাশীধামত শিৱৰাত্ৰিৰ দিনা শিৱপূজা কৰি থকা অৱস্থাতে সজ্ঞানে মৃত্যু বৰণ কৰে।

পিতৃ বিয়োগৰ খবৰটো হেমচন্দ্ৰই ৯ দিনৰ মূৰতহে পাইছিল। কাৰণ গোলাঘাটত সেই সময়ত টেলিগ্ৰাফ অফিচ হোৱা নাছিল। ডম্বৰুধৰৰ লগত একেলগে তীৰ্থ ভ্ৰমণ কৰিবলৈ যোৱা ত্ৰৈলোক্যনাথ গোস্বামীয়ে গুৱাহাটীত তেতিয়া হাকিম হৈ থকা স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাৰ খুৱাক ৺লক্ষ্মীনাথ গজপুৰীয়া বৰুৱালৈ টেলিগ্ৰাম কৰি এই খবৰ দিয়ে। গজপুৰীয়া বৰুৱাই তেওঁৰ ভাতৃ, মিছামৰাৰ মৌজাদাৰ চন্দ্ৰকান্ত বৰুৱালৈ চিঠি যোগে এই খবৰ পঠিয়ায়। চন্দ্ৰকান্ত মৌজাদাৰে মধুমিশ্ৰ সত্ৰৰ ৰঘুদেৱ গোসাঁইৰ আগত এই মৃত্যু সংবাদ ঢেকিয়ালৰ উমেশ্বৰ গোসাঁইলৈ কৈ পঠালে।

হেম গোসাঁইৰ মাতৃ ঘনকান্তিদেৱী গোলাঘাট মহকুমাৰ মহুৰা মৌজাৰ কমাৰ গাৱঁৰ দুৱৰীয়া বৰুৱা বংশৰ তোলনবৰুৱাৰ জীয়েক আছিল। তেখেতৰ দুটি সন্তান আৰু এটি কন্যা। বৰপুত্ৰ হেমচন্দ্ৰ আৰু সৰু পুত্ৰ জগতচন্দ্ৰ (এই প্ৰবন্ধ লিখকৰ পিতৃ) আৰু কন্যা খগেশ্বৰী। মাকে পঢ়া শুনা বিশেষ নাজানিছিল যদিও শিক্ষাৰ প্ৰতি তেওঁৰ ধাউতি আছিল। তেওঁৰ স্বামীৰ মৃত্যুৰ পিচত তেওঁৰ ল'ৰা দুটিয়ে যাতে উপযুক্ত শিক্ষা পায় তাৰ বাবে সদায় মনোযোগ দিছিল। শেষ বয়সত তেওঁ গুৱাহাটীত হেমগোসাঁইৰ ঘৰতেই আছিল। সৰুতে লৰা দুয়োটিৰ শিক্ষাৰ ভাৰ মাকেই ল'ব লগাত পৰিছিল। গতিকে হেম গোস্বামীয়ে "আইৰ পৰাই আমি মানুহ হ'লো" বুলি আনৰ আগত কৈছিল।

অকালতে পিতৃ বিয়োগ হোৱাত আৰু অভিভাৱক খুৰাকো দৰ এৰি মৌজাত থাকিব লগীয়া হোৱাত হেম গোসাঁইৰ ল'ৰাকালত পঢ়াত বহুতো ব্যাঘাত জন্মিল।

সেই সময়ত ঢেকিয়াল গাৱঁত কোনো পঢ়াশালি নাছিল। আমাৰ জনসাধাৰণ ৰাইজেও শিক্ষাৰ প্ৰয়োজন অনুভৱ কৰা নাছিল। হেমচন্দ্ৰক শিক্ষা দিয়াৰ বিষয়ে দেউতাক ডম্বৰুধৰে চিন্তা কৰিব লগাত পৰিছিল। ডম্বৰুধৰে বহুত যত্ন কৰি দেৰগাৱঁৰ পৰা ঠানুৰাম পণ্ডিত নামে



জনাবুজা লোক এজন আনি, নিজৰ ঘৰতে ভৰণ, পোষণ দি এখন পাঠশালা পাতিলে। এই পাঠশালাতে প্ৰথমে হেমচন্দ্ৰই ক-খ শিকে। এইখনেই ঢেকিয়ালৰ প্ৰথম স্কুল। প্ৰথম অৱস্থাত মাত্ৰ ২।৩ জন ছাত্ৰকে লৈ স্কুলখন চলাব লগাত পৰিছিল। মাত্ৰ ২।৩ জন ছাত্ৰকে লৈ এখন স্কুল চলাব নোৱাৰি, এই কথা উপলব্ধি কৰি ডম্বৰুধৰে গাৱঁৰ ৰাইজৰ ঘৰে ঘৰে গৈ স্কুললৈ ল'ৰা পঠিয়াবলৈ ৰাইজক খাটনি ধৰিছিলগৈ।

হেমচন্দ্ৰই গাৱঁৰ পাঠশালাত প্ৰাথমিক শিক্ষা শেষ কৰি গোলাঘাট নগৰত উইলিয়মচন মাইনৰ স্কুলত প্ৰথমে ইংৰাজী শিক্ষা লাভ কৰিছিল। সেই সময়ত গোলাঘাটত একমাত্ৰ মাইনৰ স্কুল সেইখনেই আছিল। হাইস্কুল স্থাপন হোৱা নাছিল। ঢেকিয়ালৰ পৰা ৬।৭ মাইল খোজ-কাঢ়ি অহা-যোৱা কৰি গোলাঘাট নগৰত মাইনৰ স্কুলত পঢ়াটো তেওঁৰ কাৰণে বৰ কষ্ট-সাধ্য হৈছিল। সেই সময়ত গোলাঘাটলৈ পকা আলিবাট হোৱা নাছিল। পদুমণি আৰু বেতিয়নীৰ ওচৰত একাঠুৱা বোকাত গৰু গাড়ীত যাব নোৱাৰা অৱস্থা আছিল। গতিকে গাৱঁৰ দুজন ল'ৰা লগত লৈ গোলাঘাট নগৰতে আমোলাপট্টিৰ শুকুৰা টেকেলাৰ বাৰীৰ চুকত সৰু অস্থায়ী জুপুৰী ঘৰ এটি সাজি ঘৰৰ পৰা চাউল-পাত আনি তাতে থাকি পঢ়িবলৈ ল'লে। কিন্তু এদিন লগৰ এজন ল'ৰাই তেওঁলোকৰ টৌ-বাতি, কাপোৰ-কানি, লাম্-লাকটু সোপাকে লৈ পলাই গ'ল। তাতে মনত দুঃখ পাই পঢ়া-শুনা এৰি হেম গোসাঁই ঘৰলৈ গুছি আহিল।

হেমচন্দ্ৰ এইদৰে ঘৰলৈ গুছি অহাত মাক ঘনকান্তিয়ে মনত বৰ দুঃখ পালে। ল'ৰাটি যেনে তেনে পঢ়াবই লাগিব এই কথা স্থিৰ কৰি শিৱসাগৰত থকা, হেমচন্দ্ৰৰ পেহাদেৱেক ৺সোমেশ্বৰ বৰুৱা তহচিলদাৰৰ ঘৰত ৰাখি পঢ়োৱাৰ ব্যৱস্থা কৰিলে।

গোলাঘাটৰ পৰা শিৱসাগৰলৈ যোৱাটোও সেই সময়ত সুচল নাছিল। হাতী বা গৰুৰ গাড়ীৰে যাব লগা হৈছিল। গতিকে হেমচন্দ্ৰক গোলাঘাটৰ পৰা শিৱসাগৰলৈ হাতীৰ পিঠিত পঠিয়াব লগা হৈছিল। হেমচন্দ্ৰৰ লগত গাৱঁৰে দেহিৰাম দত্ত নামৰ তেওঁৰ সমনীয়া ল'ৰা এজনো শিৱসাগৰলৈ গৈছিল। তেওঁলোক হাতীৰে গৈ তিনি দিনৰ মূৰতহে শিৱসাগৰ পাইছিলগৈ।

শিৱসাগৰত মাত্ৰ এবছৰ শিক্ষা লাভ কৰি, তাতো থকা মেলাৰ আৰু পঢ়া-শুনাৰ অসুবিধা পাই—"আৰু নপঢ়ো"—বুলি পুনৰ ঘৰলৈ ঘূৰি আহিল। তেওঁ এইদৰে ঘূৰি অহাত মাকে মনত বৰ দুখ পালে। শিৱসাগৰৰ পৰা উলটি আহি হেমচন্দ্ৰই প্ৰায় এবছৰ কাল ঢেকিয়ালৰ ঘৰতে কটালে।

এই বছৰটো তেওঁ এনেয়ে কটোৱা নাছিল। ৰাতিপুৱা বেলা ঘৰৰ পৰা এমাইল মান দূৰত ৺চৰমনাথ দাৰোগাৰ পুতেক ৺হৰনাথ ৰাজখোৱাৰ ওচৰত ইংৰাজী শিকিছিল আৰু সংস্কৃত পঢ়াৰ উদ্দেশ্যেৰে ৺ঘনশ্যাম শৰ্ম্মা (বাপীৰাম পণ্ডিত) পণ্ডিতৰ ওচৰত "অমৰ" আৰু "ৰত্নমালা" ব্যাকৰণ শিকিছিল। তাৰ উপৰিও তেওঁলোকৰ থকা ঘৰৰ পাৰ্টিকতে এটি পুথিভঁড়াল পাতিলে। তেওঁ কিছুমান অসমীয়া পুথি নিজ হাতে নকল কৰি পুথিভঁড়ালত

ৰাখিছিল। গধূলি গাঁৱৰ সমনীয়া ডেকা ল'ৰা বিলাকক গোটাই কিতাপ পঢ়ি শুনোৱাৰ ব্যৱস্থা কৰিছিল। পুথিভঁড়ালত গাওঁখনৰ এটি থুলমূল বিৱৰণ লিখি ৰাখিছিল যাতে বাহিৰৰ পৰা কোনো লোক সেই গাঁৱলৈ গ'লে গাওঁখনৰ বিষয়ে এটি সম্যক জ্ঞান লাভ কৰিব পাৰে। কিন্তু হেম গোঁসায়ে ঢেকিয়ালৰ ঘৰ এৰি অহাৰ পাচত সেই পুথিভঁড়াল অচল হ'ল আৰু তাৰ কিতাপ, মূল্যবান কাগজ পত্ৰ সকলো যেয়ে পায় সেয়ে নি শেষ কৰিলে। হেমচন্দ্ৰই এনেকৈ প্ৰায় এবছৰ ফুটোৱাৰ পাচত, মাকে হেমচন্দ্ৰক নগাঁৱলৈ পঠিয়াই দিয়ে। নগাঁৱত হেমচন্দ্ৰৰ মহাক ৺বাপুৰাম শৰ্ম্মা ৰেভিনিউ চিৰষ্টাদাৰ ঘৰতে থাকি তেওঁ নগাওঁ হাইস্কুলত পঢ়াটো স্থিৰ হ'ল। গোলাঘাটৰ ধনশিৰি মুখত তেলীয়া নাৱঁত উঠি ৫ দিনৰ মূৰত হেমচন্দ্ৰই নগাওঁ পালেহি। ১৮৮৫ চনত নগাওঁ হাইস্কুলত পঞ্চম মান শ্ৰেণীত তেওঁ নাম লগায়। তেওঁ নগাৱঁলৈ আহি পঢ়া-শুনাত খুব মনোযোগ দিলে। অলপ দিনৰ ভিতৰতে তেওঁ শিক্ষকসকলৰ এজন প্ৰিয় ছাত্ৰ ৰূপে পৰিগণিত হ'ল। ছাত্ৰ অৱস্থাৰে পৰা হেমচন্দ্ৰৰ অসমীয়া সাহিত্য বুৰঞ্জীৰ প্ৰতি ৰাপ আছিল। হেমচন্দ্ৰই নিজ যোগ্যতা বশতঃ ডবল প্ৰমোচন লাভ কৰিছিল। নগাৱঁত পঢ়া অৱস্থাত তেওঁ স্বৰ্গীয় গুণাভিৰাম বৰুৱাৰ (ছোট চাহাব ডাঙ্গৰীয়াৰ) জীৱন আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল।

ইং ১৮৮৮ চনত নগাওঁ হাইস্কুলৰ পৰা হেম চন্দ্ৰই এণ্ট্ৰেঞ্চ পৰীক্ষা দি সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু গৱৰ্ণমেণ্টৰ পৰা মাহে কুৰি টকীয়া বৃত্তি লাভ কৰে। এণ্ট্ৰেঞ্চ পৰীক্ষা দিবলৈ গুৱাহাটীলৈ গৈ উজান বজাৰত থকা তেওঁৰ আত্মীয় ৺ব্ৰজনাথ ফুকনৰ ঘৰত আছিল। তেতিয়াই ৺কেশৱ বৰুৱাই হেমচন্দ্ৰক দেখি আৰু তেওঁৰ লগত কথা-বতৰা পাতি বৰ ভাল পালে। হেমচন্দ্ৰৰ ঘৰৰ সকলো আঁতিগুৰি লৈ, কেশৱ বৰুৱাই তেওঁৰ একমাত্ৰ কন্যা বামাসুন্দৰীক বিয়া দিবলৈ মনস্থ কৰিলে। বিয়াৰ প্ৰস্তাৱ লৈ কেশৱচন্দ্ৰ ঢেকিয়াল পালেহি আৰু হেমচন্দ্ৰৰ খুৰাক ৺উমেশ্বৰ গোস্বামীৰ লগত কথা-বতৰা হৈ বিয়াৰ দিন ধাৰ্য্য কৰিলে।

এণ্ট্ৰেঞ্চ পৰীক্ষা পাচ কৰা বছৰতেই হেমচন্দ্ৰৰ বিয়া হয়। গুৱাহাটীৰ কুকুৰমুতাৰ ৺বাপুৰাম উকীলৰ ঘৰত থাকি হেমচন্দ্ৰৰ বিয়া পাতিছিল। চলিত প্ৰথা মতে বিয়াৰ কেইদিনমানৰ আগতে উত্তৰ গুৱাহাটীত থকা আউনীআটী সত্ৰৰ অধিকাৰ ৺শ্ৰী শ্ৰীদত্তদেৱ গোসাঁইৰ ওচৰত হেমচন্দ্ৰই শৰণ লয়। হেমচন্দ্ৰই কলিকতাৰ প্ৰেচিডেঞ্চি কলেজত নাম লগায়।

ইং ১৮৯০ চনত কলিকতাৰ প্ৰেচিডেঞ্চি কলেজৰ পৰা এফ-এ পাচ কৰি তাতেই বি-এ পঢ়ে। ইং ১৮৯২ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ বি-এ পৰীক্ষা দি কৃতকাৰ্য্য হব নোৱাৰিলে। ইমানতে হেম গোসাঁইৰ উচ্চ শিক্ষাৰ অন্ত পৰে। বি-এ পঢ়া অৱস্থাত তেওঁ কলিকতাত "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাত" আৰু লগতে "জোনাকী" নামৰ আলোচনী কাকত চলোৱা কামত বেছি মনেযোগ দিয়ে।

কলিকতাৰ পৰা উভতি আহি হেমচন্দ্ৰই গুৱাহাটীত তেওঁৰ শহুৰেক কেশৱচন্দ্ৰ বৰুৱাৰ ঘৰতে থাকি আইন (law) পঢ়িছিল আৰু লগতে ইং ১৮৯২/৯৩ চনত গুৱাহাটীৰ সোণাৰাম হাইস্কুলত



প্ৰধান শিক্ষকৰ কামত সোমায়। তেৱেঁই বোধকৰো সোণাৰাম হাইস্কুলৰ সৰ্ব্ব প্ৰথম প্ৰধান শিক্ষক। তেওঁ স্বৰ্গীয় গুণাভিৰাম বৰুৱাৰ পুত্ৰ কমলাভিৰাম বৰুৱা আৰু জ্ঞানদাভিৰাম বৰুৱাৰ ঘৰুৱা শিক্ষকতাৰ কামো কৰিছিল।

হেমচন্দ্ৰৰ ল'ৰা কালৰে পৰা সাহিত্যৰ প্ৰতি অনুৰাগ আছিল। বুৰঞ্জী পঢ়াত তেওঁৰ সৰু কালৰে পৰা ৰাপ আছিল। অসমীয়া পুৰণি সাঁচিপতীয়া পুথিবিলাক যত্নেৰে ৰাখিবৰ কাৰণে তেওঁ গাঁৱৰ বয়োবৃদ্ধসকলক খাটনি ধৰিছিল।

নগাওঁ হাইস্কুলত পঢ়া অৱস্থাত তেওঁ ৺ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ "আসাম বন্ধু" মাহিলি কাকতত অনেক কবিতা লিখিছিল। তাৰ ভিতৰত "বিশ্বাস", "পেট" "জাহাজ", "সংসাৰত সুখ নাই", "স্তুতি", "চতুৰ্দ্দশ পদী কবিতা" আদিয়েই প্ৰধান। তাৰ উপৰিও ইংৰাজ কবি লংফেল' আৰু কাওপাৰৰ কেইবাটাও ইংৰাজীৰ কবিতা, স্কুলত পঢ়া অৱস্থাতে ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰিছিল। ছাত্ৰৰ ভিতৰত কবিতা লিখাত সেই সময়ত (১৮৮৫ চনত) হেমচন্দ্ৰ আৰু ৰত্নেশ্বৰ মহন্ত, (পাচত নগাওঁ কাছাৰীৰ একাউনটেণ্ট), দুয়ো প্ৰতিদ্বন্দী আছিল। এজনে এটা কবিতা লিখিলে, আনজনে পুনৰ কবিতাৰেই তাৰ প্ৰত্যুত্তৰ দিছিল। উদাহৰণ স্বৰূপে—
হেমগোসাঁয়ে লিখিলে—

সংসাৰত সুখ নাই
সংসাৰ দুখৰ ঠাই
সংসাৰ কেৱল ভাই দুখৰ নিজৰা
ৰোগ-শোক ব্যাধি-মৃত্যু সন্তাপেৰে ভৰা।

* * *

তাৰ প্ৰত্যুত্তৰত ৰত্নেশ্বৰ মহন্তই লিখিলে—

"সংসাৰ সুখৰ ঠাই
যি বিচৰা তাকে পায়
সংসাৰত সুখ নাই বোলে নজনাই।
সংসাৰ সুখেৰে ভৰা
প্ৰকৃতিৰ লীলা খেলা
ইয়াতে সকলো সুখ যদি লব জানা।

* * *

নগাওঁ হাইস্কুলৰ পঞ্চম শ্ৰেণীত পঢ়া অৱস্থাত (১৮৮৫ চন) হেম গোসাঁয়ে ঢেকিয়াল গাৱঁত থকা তেওঁৰ বাল্যবন্ধু ৺দেহিৰাম দত্তলৈ নগাৱঁৰ বৰ্ণনা নাম দি লেছাৰি ছন্দত এটা কবিতা লিখিছিল। তেখেতৰ ডায়েৰীৰ ফটাপাত কেইখিলামানত যি পালো তাকে উল্লেখ কৰিলো—

"নগাওঁ সম অসমত
নাই আৰু জিলা দ্বিতীয়ত
আছে যদি কিন্তু মই হলে দেখা নাই
যি মানুহে হীৰা দেখা নাই
কাচেই হীৰক তাৰ প্ৰায়
সোণ নেদেখাৰ মানত পিতলেই সোণ।

* * *

হেমচন্দ্ৰই কলিকতাত পঢ়া কালত যি কবিতা বা গল্প লিখিছিল আৰু সেইবিলাক জোনাকী, বিজুলী, আসাম বান্ধৱ, আসাম বন্ধু আলোচনী, উষা, বাঁহী, অৰুণ, অৰুণ, মৌ, আদিত প্ৰকাশ হৈছিল। প্ৰকাশ হোৱা তেওঁৰ কেইটিমান কবিতা, তলত আলোচনী কাকতৰ বিপৰীতে উল্লেখ কৰা হ'ল—

১। আসাম বন্ধু—বিশ্বাস, মন, সংসাৰত সুখ নাই, বিজুলী, প্ৰকৃতি, ফকৰা, পেট।
২। আসাম বান্ধৱ—ব্ৰাহ্মণ, শাস্ত্ৰী বাৰমাহী।

৩। জোনাকী— আনন্দৰাম বৰুৱাৰ স্বৰ্গ যাত্ৰা, কাকো আৰু হিয়া নিবিলাওঁ, ধৰা পৰা, ইঁহা-কন্দা, দীপাৱলী, বত্নেশ্বৰ মহন্ত, পুৱা।

৪। বাঁহী— মোহন বাঁহী, মুক্তামালা, ধনঞ্জয় ঢোল, বৰকানীয়া।

৫। অৰুণ আৰু অকণ—শঙ্কৰী ক-খ ফলা, সৰস্বতীৰ তুতি, মাধৱী ক-খ ফলা, বৰটোকোলা, বৰদৈচিলা, অনন্তকন্দলী, মাণিকচন্দ্ৰ বৰুৱাৰ ক-খ ফলা ৰামায়ণ।

স্বৰ্গীয় ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই হেমচন্দ্ৰক ৰৰ মৰম কৰিছিল আৰু হেমচন্দ্ৰই নগাওঁ হাইস্কুলত পঢ়া অৱস্থাতেই তেখেতৰ লগত ঘনিষ্ঠ সংস্পৰ্শলৈ আহে। তেওঁ কলিকতাৰ প্ৰেচিডেঞ্চি কলেজত পঢ়ি থকা অৱস্থাত "বঙ্গীয় সাহিত্য পৰিষদ পত্ৰিকাত" অসমৰ পুৰণি সাহিত্য, অসমৰ প্ৰাচীন বুৰঞ্জী, অসমীয়া জাতিৰ ভাষা, সাহিত্য সংস্কৃতিৰ যে নিজৰ এটা স্বতন্ত্ৰীয়া ঐতিহ্য আছে—সেই বিষয়ে বঙ্গালীলোকক জানিবলৈ দিছিল। হেম গোস্বামীয়ে স্কুলত পঢ়া দিনৰ পৰাই অসমীয়া জাতিৰ এখন সৰ্ব্বাঙ্গৰ সুন্দৰ বুৰঞ্জী লিখিবলৈ বৰ হেঁপাহ কৰিছিল, কিন্তু সেই কাম জীৱনৰ আগছোৱাতে কৰিব নোৱাৰি চাকৰিৰ পৰা অৱসৰ লৈ বুৰঞ্জীৰ কাম কৰি থাকোঁতেই তেখেতৰ মৃত্যু হয়।

—×—

# অসমৰ বুৰঞ্জী আৰু গোহাঞিবৰুৱা

শ্ৰীহৰিপ্ৰসাদ নেওগ

পদ্মনাথ গোহাঞিবৰুৱাৰ প্ৰায়খিনি সাহিত্য ৰচনাৰ মূল ভেটি আছিল অসম বুৰঞ্জী। বুৰঞ্জীৰ জ্ঞান তেওঁৰ গভীৰ আছিল। পদ্মনাথৰ 'অসম বুৰঞ্জী'য়েই একালত সকলোৰে বাবে দিগদৰ্শনস্বৰূপ আছিল। এইখন অসম বুৰঞ্জীৰ ১৯টা সংস্কৰণ (১৯৩৭ চন) প্ৰকাশ পাইছিল। অসমৰ সকলো বিদ্যালয়তেই বুৰঞ্জীখন প্ৰচলিত হৈছিল। অসম বুৰঞ্জীৰ উপৰিও পদ্মনাথে হিন্দু বুৰঞ্জী আৰু মুছলমান বুৰঞ্জী লিখিছিল। কিন্তু সেই ছুখন বুৰঞ্জীতকৈ অসম বুৰঞ্জীৰ বাবে পদ্মনাথক বুৰঞ্জীবিদ হিচাবেও স্থান দিব পৰা হয়। পদ্মনাথৰ অসম বুৰঞ্জীত প্ৰাগ্‌জ্যোতিষৰ সময়ৰ পৰা বৃটিছ যুগলৈকে বিভিন্ন যুগ ভাগ কৰা হৈছে। কিতাপখনত থকা প্ৰথম খণ্ডটো বাস্তৱিকতে অসম সম্পৰ্কীয় এটি সুন্দৰ চিনাকি।

এই খণ্ডৰ (১) আৰম্ভণ, (২) জাতি বিভাগ আৰু (৩) অসমীয়া ভাষা এই তিনিটা ভাগ



গোটাই যদি অসমৰ চিনাকি বুলি এখন পুথি ৰচনা কৰিলেহেঁতেন তেতিয়া অসম সম্পৰ্কে প্ৰাথমিক জ্ঞান দিব পৰা জনপ্ৰিয় কিতাপ হিচাবে সুকীয়া সমাদৰ লাভ কৰিলেহেঁতেন। প্ৰথম আৰম্ভণিটি পঢ়িলে তেতিয়াৰ অসমৰ চমু বিৱৰণ এইদৰে পোৱা যায়।

"উত্তৰে ভোট, অঁকা, ডফলা, মিৰি, আপাটাঙ্গা, আবৰ আদি জাতি বাস কৰা হিমালয়ৰ নামনি পৰ্ব্বতৰ শাৰী, পূবে মিছিমি, খামতি, চিংফৌ, পাটকাই পৰ্ব্বত, স্বাধীন নগা পৰ্ব্বত আৰু ব্ৰহ্মদেশৰ সীমা, দক্ষিণে চট্টগ্ৰামৰ পৰ্ব্বতীয়া ভাগ আৰু ত্ৰিপুৰা পাহাৰ, পশ্চিমে মৈমনচিং, ৰংপুৰ, কোঁচবিহাৰ আৰু জলপাইগুৰি, এই চতুঃসীমাৰ মাজৰ ৰাজ্যকে বৰ্ত্তমান অসম প্ৰদেশ বোলে। এই প্ৰদেশ ঘাইকৈ তিনি ভাগত বিভক্ত, যেনে—ব্ৰহ্মপুত্ৰ উপত্যকা, চুৰমা আৰু পৰ্ব্বতীয়া বিভাগ। ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰে লক্ষীমপুৰ, শিৱসাগৰ, নগাওঁ, দৰং, কামৰূপ আৰু গোৱালপাৰা এই ছখন জিলাৰে সৈতে ব্ৰহ্মপুত্ৰ উপত্যকা। কাছাৰ আৰু ছিলট্ জিলাৰে সৈতে চুৰমা উপত্যকা, বৃটিছ নগা পৰ্ব্বত, খাচীয়া আৰু জয়ন্তীয়া পৰ্ব্বত, উত্তৰ-লুচাই দক্ষিণ লুচাই পৰ্ব্বত এই চাৰিখন জিলাৰে সৈতে পৰ্ব্বতীয়া বিভাগ হৈছে।"

"অতি পুৰণি কালত এই দেশৰ চলন্তা নাম 'অসম' নাছিল। ১২২৯ খৃষ্টাব্দত ব্ৰহ্মদেশৰ অন্তৰ্গত ইৰাৱতী উপত্যকাৰ শান প্ৰদেশী টাই জাতীয় "অসম" বা 'আহম' বংশৰ ৰজাই এই প্ৰদেশত নিজৰ প্ৰভুত্ব বঢ়োৱাৰ পাচৰ পৰাহে সিবিলাকৰ নাম অনুসৰি এই দেশৰ নাম 'অসম' হ'ল, আৰু বৃটিছ শাসনৰ তললৈ যোৱাৰ পাচৰ পৰা ইয়াৰ অপভ্ৰংশ নাম 'আসাম' হৈছে। অতি পুৰণি কালত পূবে দিক্কৰবাসিনী বা দিক্ৰাই নৈৰ পৰা পশ্চিমে কৰতোৱা নৈলৈকে গোটেই অসম উপত্যকা খণ্ডৰ নাম কামৰূপ আছিল। তাৰো আগেয়ে কামৰূপৰ পশ্চিম সীমা মগধলৈকে বিস্তৃত আছিল। তেতিয়া সেই কামৰূপ ৰাজ্য কামপীঠ, ৰত্নপীঠ, স্বৰ্ণ পীঠ আৰু সৌমাৰ পীঠ নামে চাৰি ভাগে বিভক্ত আছিল।

"অতি পুৰণি কালৰে পৰা কামৰূপ ৰাজ্য দানৱ, অসুৰ, কুমাৰ, জীতাৰা, পাল, খেন ইত্যাদি বংশৰ ৰজাই শাসন কৰিছিল। তাৰ পাচত এই দেশত কছাৰি, কোঁচ, চুতীয়া আৰু আহোম ৰজাই ভাগে ভাগে ৰাজত্ব কৰে, সদৌশেহত অসমত আহোম ৰজাৰ একাধিপত্য বিস্তাৰিত হয়। তাৰোপাচত ই বৃটিছ গৱৰ্ণমেণ্টৰ শাসনৰ তললৈ যায়। এই পুথিৰ যথাঠাইত সেইবিলাক শাসনৰ চমু বিৱৰণ দিয়া হৈছে। আহম বা আহোম ৰজাই ৬০০ ছশ বছৰৰ ওপৰ কাল ৰাজত্ব কৰাৰ পাচত, খ্ৰীঃ ১৮২০ চনৰ পৰা ১৮২৪ চনলৈ আহোম কোঁৱৰ ৺যোগেশ্বৰ সিংহক লোকদৰ্শক ৰজা পাতি, মান সেনাপতি আলুমিঙ্গিয়ে অসম দেশ শাসন কৰে, ইয়াকে 'মানৰ দিন' বোলে। ১৮২৫ খৃঃ বৃটিছ গৱৰ্ণমেণ্টে মানক ৰণত ঘটাই খৃঃ ১৮২৬ চনৰ ২৪ ফ্ৰেব্ৰুৱাৰীত ইয়ান্দাবু নামে ঠাইত যি সন্ধি কৰে, সেই সন্ধিৰ সূত্ৰ অনুসাৰে বৃটিছ গৱৰ্ণমেণ্টে এই দেশ নিজৰ শাসনৰ তললৈ নি, ইয়াক বঙ্গদেশৰ লগত চামিল কৰি ৰাখে। তাৰপৰা ৪৮ বছৰৰ পাচত খ্ৰীঃ ১৮৭৪ চনত, ইয়াক বঙ্গদেশৰ পৰা বেলেগ কৰি এজন চীফ কমিচনাৰৰ সুকীয়া শাসনৰ তলত ৰখা হয়।

চাৰিচুক মাৰি অসম বুৰঞ্জী অধ্যয়ন কৰিছিল বাবেই পদ্মনাথে তেওঁৰ নাটক, উপন্যাস আদিত ঐতিহাসিক দিশ সুন্দৰকৈ আৰু নিখুঁতকৈ দাঙি ধৰিব পাৰিছিল। তেওঁৰ 'লাহৰী' আৰু 'ভানুমতী' দুয়োখন উপন্যাসেই অসম বুৰঞ্জীৰ পটভূমিত ৰচিত। ছাত্ৰঅৱস্থাতে পদ্মনাথে এই দুখন উপন্যাস লিখিছিল। গতিকে অনুমান কৰিব পাৰি পদ্মনাথে ছাত্ৰাৱস্থাতে অসম বুৰঞ্জীৰ জ্ঞান আয়ত্ত কৰিব পাৰিছিল। 'ভানুমতী' আৰু 'লাহৰী' মানৰ দিনৰ সময়ৰ দ্বিতীয় অংশত অসমৰ জাতি বিভাগৰ বৰ্ণনাৰ যোগে সেই সময়ৰ সমাজ ব্যৱস্থাৰ সুন্দৰ পৰিচয় পোৱা যায়। এই জাতি সমূহৰ ভিতৰত চমু বিৱৰণ দিয়া হৈছে যেনে— ব্ৰাহ্মণ বা বামুণ, গোস্বামী বা গোঁসাই, অহম বা আহোম, মহন্ত বা মহাজন, বৈশ্য বা কায়স্থ, গনক বা দৈৱজ্ঞ, কলিতা বা কেওঁট, কোঁচ, চুতীয়া, মুছলমান আৰু মৰীয়া ইত্যাদি।

অসম বুৰঞ্জীত থকা 'অসমীয়া ভাষা' নামৰ প্ৰবন্ধটি বিশেষভাবে উল্লেখযোগ্য। ই অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশৰ বিৱৰণেৰে সমৃদ্ধ।

নাটককেখনৰ ভিতৰত জয়মতী, সাধনী, গদাধৰ, লাচিত বৰফুকন ঐতিহাসিক ঘটনাৰ আঁৰত সম্পূৰ্ণ ঐতিহাসিক নাটক। জয়মতীৰ বিষয়ে নাট্যৰূপ দিয়াৰ উপৰিও গুৱাহাটি আৰু শিৱসাগৰ দুঠাইত তেওঁ সভাপতি ভাষণ দিওঁতে বুৰঞ্জীৰ গভীৰ তথ্যমূলক বিৱৰণ দাঙি ধৰিছিল। গদাধৰক তেওঁ আহোম ৰাজশক্তিৰ প্ৰতীক স্বৰূপে আৰু লাচিত বৰফুকনক কৰ্ত্তব্য নিষ্ঠাৰ প্ৰতীক স্বৰূপে দাঙি ধৰিছিল। 'সাধনী' চুতীয়া ৰাজবংশৰ শেষৰজন ৰজা নীতিপালৰ কুঁৱৰী, 'সাধনী' কাহিনীটো পদ্মনাথেই প্ৰথমে পোহৰলৈ উলিয়ায়। 'সাধনীত' শদিয়াৰ বিৱৰণ আৰু তেওঁৰ লীলা কাব্যত নগা পাহাৰৰ বিৱৰণ অসমীয়া সাহিত্যত সুন্দৰ প্ৰাকৃতিক বৰ্ণনাৰ চানেকী, পাৰ্ব্বত্য জাতি সমূহৰ বিষয়ে পদ্মনাথৰ বাস্তৱ অভিজ্ঞতা আৰু জ্ঞান অসীম আছিল।

পদ্মনাথৰ আটাইতকৈ উল্লেখযোগ্য অৱদান হ'ল—অসম বুৰঞ্জীৰ পাতে পাতে থকা বুৰঞ্জীৰ সাৰমৰ্ম্মসূচক বাক্যসমূহ। সিবিলাক পদ্মনাথৰ উক্তি স্বৰূপেই চিৰকাল অসমৰ বুৰঞ্জী জগতত খ্যাত হৈ ৰ'ব। এই উক্তিসমূহ পদ্মনাথৰ গভীৰ অধ্যয়ন আৰু সাম্প্ৰতিক সমস্যাৱলীৰ লগত জড়িত হোৱাৰ ফল স্বৰূপে— অসম বুৰঞ্জীৰ পটভূমিত, ভাৰতীয় ঐতিহ্য অসমীয়া নাৰীৰ মাহাত্ম্য, অসমীয়া বীৰৰ চিনাকি, অসমৰ প্ৰত্যেক জাতিৰ পৰিচয় প্ৰদান, ঠাইৰ নামৰ আঁতিগুৰি আদিৰ সুন্দৰ টোকা সন্নিবিষ্ট কৰা হৈছে। ইয়াৰে কেইটমান উল্লেখ কৰা হল :—

১২২৯ খৃ: পৰা সৌমাৰত আহম বা আহোম ৰাজত্বৰ আৰম্ভণ॥ আহম বা আহোমৰ বিবাহ প্ৰথাক 'চকলং' বোলে। নীলাম্বৰ ৰজাৰ দিনত মুছলমানে কমতাপুৰ দখল কৰিছিল। কনচেং কোঁৱৰক পোন প্ৰথম বৰপাত্ৰগোহাঞি ডাঙৰীয়া পতা হয়। হিন্দু গুৰুত শৰণ লওঁতা পোন প্ৰথম আহোম জয়ধ্বজসিংহ স্বৰ্গদেউ। নামডাঙৰ শিলৰ সাকো ৰুদ্ৰসিংহ স্বৰ্গদেৱে একেৰাতিৰ ভিতৰতে কৰায়। স্বৰ্গদেউ প্ৰমত্তসিংহৰ দিনৰ পৰা মানুহ পিয়ল প্ৰথা প্ৰচলিত হয়। খৃ১৭৬৫ চনলৈকে শ্ৰীহট্টত ৰাজহ কড়িৰেহে শোধোৱা হৈছিল। ভোগদৈ পূৰ্ণানন্দ বুঢ়াগোহাঞি ডাঙৰীয়াই নতুনকৈ



খনোৱা নৈ॥ অসমৰ ভূস্বত্ব তিনিবিধ :- ৰায়তোয়াৰী, নিস্পিখেৰাজ আৰু লাখেৰাজ।

এই উদ্ধৃতিসমূহৰ আটাইতকৈ লেখৰ বিষয় হ'ল—সাহিত্য সম্বন্ধীয় জ্ঞান পাঠকসকলৰ উদ্দেশ্যে দিবলৈ যত্ন কৰা প্ৰচেষ্টা। পদ্মনাথ গোহাঞিবৰুৱাই সমসাময়িক সাহিত্য জগতৰ নিখুত বতৰা এইদৰে অসম বুৰঞ্জীৰ পৃষ্ঠাত সনিবিষ্ট কৰিছিল। ইয়াত জীৱনী সম্পৰ্কীয় চমু আভাসো পোৱা যায় :—

"হেমকোষ গ্ৰন্থকাৰ হেমচন্দ্ৰ বৰুৱা অসমীয়া 'ৱ' আখৰটোৰ উদ্ধাৰক॥ আনন্দৰাম ঢেকিয়াল ফুকন আধুনিক অসমীয়া ভাষাৰ প্ৰথম লেখক। লম্বোদৰ বৰা এজন প্ৰথম শ্ৰেণীৰ অসমীয়া গদ্য লেখক॥ কমলাকান্ত ভট্টাচাৰ্য্য এজন অসমীয়া দাৰ্শনিক গদ্য আৰু পদ্য লেখক॥"

এই বিলাকৰ উপৰিও পদ্মনাথে নিজবংশৰ আঁতিগুৰি আদিও দিবলৈ পাহৰা নাছিল— মৰাণ গোহাঞিবৰুৱাৰ আদি পুৰুষ কুন্‌কাইৰ আদিনাম থাবুক।

অসম বুৰঞ্জীত প্ৰায় তিনিশ উক্তি সন্নিবিষ্ট হৈছে। ইয়াৰ ঐতিহাসিক বিৱৰণ কোনো কোনো হয়তো বিতৰ্কমূলক কিন্তু এনে ধৰণৰ টোকাই কেৱল বুৰঞ্জীৰ জ্ঞানৰ পৰিসীমাতে আৱদ্ধ হোৱা নুবুজায়। পাঠকক সমসাময়িক বিশ্ব জগতৰ, ভাৰত, অসম আৰু অসমীয়া সমাজৰ সকলো দিশৰ লগত গভীৰ সম্পৰ্ক ৰক্ষাৰ সুযোগ দিয়ে। এই দৃষ্টিৰে পদ্মনাথৰ 'অসমৰ বুৰঞ্জী' অসমীয়া পাঠক সমাজৰ কাৰণে অমৰ অৱদান।

---

# অসম সাহিত্য সভা

## *কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ দ্বিতীয় অধিবেশন*

### স্থান :— নগাওঁ ছোৱালী কলেজ

তাৰিখ—৭।৮।৭১

**উপস্থিত সভ্যসকল :—**

১। শ্ৰীতীৰ্থনাথ শৰ্ম্মা, (সভাপতি), ২। শ্ৰীনবীন চন্দ্ৰ বৰদলৈ, ৩। শ্ৰীচন্দ্ৰকান্ত বৰকাকতী, ৪। শ্ৰীঅমল কুমাৰ দাস, ৫। আব্দুছ ছাত্তাৰ, ৬। শ্ৰীগিৰিধৰ শৰ্ম্মা, ৭। শ্ৰীনাৰায়ণ চন্দ্ৰ ঘাটোৱাৰ, ৮। শ্ৰীসূৰ্য্যকান্ত ফুকন, ৯। শ্ৰীবীৰেণ বৰকটকী, ১০। শ্ৰীকমলেশ্বৰ শইকীয়া, ১১। শ্ৰীহৰিপ্ৰসাদ গোৰ্খাৰায়, ১২। শ্ৰীজীৱন সিংহ, ১৩। শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা, ১৪। শ্ৰীৰাম গোস্বামী, ১৫। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

**বিশেষ ভাবে নিমন্ত্ৰিত**—শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা।

শ্ৰীলীলা গগৈ আৰু শ্ৰীভগৱিৰী ৰায় চৌধুৰীয়ে সভাত উপস্থিত থাকিব নোৱাৰে বুলি জনায়।

১। স্থায়ী সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাই আসন গ্ৰহণ কৰে।

২। অসমৰ প্ৰাক্তন ৰাজ্যপাল বিখ্যাত ৰাজনীতিবিদ আৰু সাহিত্যিক শ্ৰীশ্ৰীপ্ৰকাশৰ মৃত্যুত সভাই শোক প্ৰকাশ কৰি স্বৰ্গীয় আত্মাৰ শান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

৩। সভাত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ যোৱা বৈঠকৰ কাৰ্য্য-বিৱৰণী পাঠ কৰা হয়।

(ক) যোৱাবাৰৰ কাৰ্য্য-বিৱৰণীত লিপিবদ্ধ কৰিবলৈ থাকি যোৱা গুৱাহাটীত হেমচন্দ্ৰ গোস্বামী শতবাৰ্ষিকী কেন্দ্ৰীয়ভাৱে পালনৰ ( গোলাঘাটৰ উপৰিও ) সিদ্ধান্ত আজিৰ সভাই পুনৰ গ্ৰহণ কৰে।

(খ) যোৱাবাৰৰ কাৰ্য্য-বিৱৰণীত স্থান পোৱা "কামৰূপৰ সদস্যসকলে তিক্ততাৰ সৃষ্টি কৰা" কথাটিত কামৰূপ জিলাৰ জনচেৰেক সদস্যৰ আপত্তি সভাই গ্ৰাহ্য কৰি 'কামৰূপ' শব্দৰ পৰিবৰ্ত্তে 'জনচেৰেক সদস্য' শব্দ আৰু 'তিক্ততা' শব্দৰ পৰিবৰ্ত্তে ভুল বুজাবুজি শব্দ ব্যৱহাৰ কৰি যোৱাবাৰৰ কাৰ্য্য-বিৱৰণী সংশোধন কৰিবলৈ স্থিৰ কৰে।

এই দুটা সংশোধনীৰে সৈতে প্ৰথম অধিবেশনৰ কাৰ্য্য-বিৱৰণী সভাই গ্ৰহণ কৰে।

৪। (ক) গোহাঞিবৰুৱা পুৰস্কাৰৰ নিয়মাৱলী সভাত পাঠ কৰা হয়। উক্ত নিয়মাৱলী গ্ৰহণ কৰাত অসম চৰকাৰৰ আপত্তি নহব বুলি মুখ্য মন্ত্ৰীয়ে সভাপতি আৰু প্ৰধান সম্পাদকক মৌখিক ভাৱে জনায় বুলি প্ৰধান সম্পাদকে কয়। "সভাই" উক্ত নিয়মাৱলী গ্ৰহণ কৰে।

(খ) গোহাঞিবৰুৱাৰ ডাক টিকট প্ৰকাশ সম্পৰ্কত চৰকাৰৰ লগত চলি থকা যোগাযোগৰ কথা প্ৰধান সম্পাদকে কয়।

(গ) 'গোহাঞিবৰুৱাৰ প্ৰতিভা' নামে গ্ৰন্থখনি ইতিমধ্যে ছপা কৰিবলৈ দিয়াৰ কথা প্ৰধান সম্পাদকে জনায়।

(ঘ) গোহাঞিবৰুৱা শতবাৰ্ষিকী উদ্‌যাপন সম্পৰ্কে উপ-সমিতিৰ আঁচনি কাৰ্য্য-নিৰ্ব্বাহকে গ্ৰহণ কৰে। কেন্দ্ৰীয় অনুষ্ঠান তলত দিয়া দৰে হ'ব।

২৬।১১।৭১ শুক্ৰবাৰ ( তেজপুৰ )
২৭।১১।৭১ শনিবাৰ ( উত্তৰ লক্ষীমপুৰ )
২৮।১১।৭১ দেওবাৰ ( কহিমা )
২৯।১১।৭১ সোমবাৰ ( শিৱসাগৰ )



অহা ২৬ নৱেম্বৰত পদ্মনাথ গোহাঞিবৰুৱা শতবাৰ্ষিকী আৰু অহা ৮ জানুৱাৰীত হেমচন্দ্ৰ গোস্বামী শতবাৰ্ষিকী উপলক্ষে সকলো শিক্ষানুষ্ঠানে দিৱস পালন কৰিবলৈ অসমৰ স্কুল, কলেজ সমূহক নিৰ্দ্দেশ দিবলৈ সভাই অসম চৰকাৰক টানি অনুৰোধ জনায়।

(ঙ) গোহাঞিবৰুৱা কুপন বিক্ৰী সম্পৰ্কে সভাত আলোচনা কৰা হয়। গোহাঞিবৰুৱাৰ শতবাৰ্ষিকী সম্পৰ্কত প্ৰাচীৰ পত্ৰ প্ৰকাশ কৰাৰ বিষয়ে পৰামৰ্শ আগবঢ়ায়।

৫। গুৱাহাটীত হেমচন্দ্ৰ গোস্বামী শতবাৰ্ষিকী উৎসৱ কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰাৰ সিদ্ধান্ত সম্পৰ্কত সভাই শ্ৰীগিৰিধৰ শৰ্ম্মাক এখন উৎসৱ উদ্‌যাপন সমিতি গঠন কৰিবলৈ ভাৰ দিয়ে।

(ক) শ্ৰীকমলেশ্বৰ শইকীয়াই গোলাঘাটত হেমচন্দ্ৰ গোস্বামী ভৱন নিৰ্ম্মাণ কাৰ্য্যৰ অগ্ৰগতি সম্পৰ্কে এটি আভাস দিয়ে।

(খ) শ্ৰীবীৰেণ বৰকটকী, শ্ৰীনবীন বৰদলৈ আৰু শ্ৰীকমলেশ্বৰ শইকীয়াই পুঁজি সংগ্ৰহ বিষয়ত দেখা দিয়া অসুবিধাৰ কথা উল্লেখ কৰে। শতবাৰ্ষিকী পুঁজি আৰু অসম সাহিত্য সভাৰ সভাপতিৰ গোহাৰি অনুযায়ী সাধাৰণ পুঁজিলৈ ধন সংগ্ৰহৰ ভিতৰত যাতে ওপৰা ওপৰি নহয় তাৰ বাবে সদস্যসকলে পৰামৰ্শ আগবঢ়ায়।

৬। পুব অঞ্চলৰ উন্নয়ন আৰু নিৰাপত্তা দৃঢ় কৰাৰ অজুহাত দেখুৱাই কেন্দ্ৰীয় চৰকাৰে অসমক ভাৰতৰ উত্তৰ পুব অঞ্চলৰ এখন আঁঞ্চলিক ফেডাৰেচনৰ অন্তৰ্ভুক্ত কৰি উত্তৰ পূব আঞ্চলিক পৰিষদৰ আঁচনি কৰা বুলি বাতৰি ইতিমধ্যে প্ৰচাৰিত হৈছে। এনে আঁচনিয়ে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ ভবিষ্যত বিপদৰ আশংকা বহন কৰিব বুলি সাহিত্য সভাই অনুভৱ কৰি অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আজিৰ অধিবেশনে এই আঁচনিৰ ঘোৰ বিৰোধিতা কৰে।

৭। শাখা সভাৰ সংগঠন সম্পৰ্কে সভাত আলোচনা হয়। শাখা সভাৰ সংখ্যা আৰু সভ্য-সংখ্যা বৃদ্ধি কৰিবৰ কাৰণে প্ৰতি মহকুমাত এক বা একাধিক সংগঠক নিযুক্ত কৰিবৰ কাৰণে সভাই স্থিৰ কৰে। তলত নাম দিয়া লোকসকলক বিভিন্ন মহকুমা আৰু জিলাত সংগঠন কাৰ্য্যৰ ভাৰ দিয়া হয়।

**নগাওঁ জিলা :—**

১। ডঃ ৰিয়াজুদ্দিন আহমদ } ধিং কেন্দ্ৰ
নুৰুল ইছলাম }
২। শ্ৰীযোগেন্দ্ৰ নাৰায়ণ ভূঞা—নগাওঁ
৩। শ্ৰীলক্ষ্মীনন্দন শইকীয়া—কলিয়াবৰ
৪। শ্ৰীপুষ্পেন্দ্ৰ বৰা—হোজাই
৫। শ্ৰীবিষ্ণুৰাম তমুলী—লঙ্কা

**গোৱালপাৰা :—**

১। শ্ৰীঅমলকুমাৰ দাস—ধুবুৰী
২। শ্ৰীবীৰেন্দ্ৰ চন্দ্ৰ দাস—কোকৰাঝাৰ।

**উত্তৰ লক্ষীমপুৰ :—**

১। শ্ৰীললিত শৰ্ম্মা বৰুৱা

**ধেমাজি :—**

১। শ্ৰীকমল বাঢ়লুং

**ডিব্ৰুগড় :—**

১। শ্ৰীৰম গোস্বামী
২। শ্ৰীমেঘ গগৈ
৩। শ্ৰীনাৰায়ণ ঘাটোৱাৰ
৪। শ্ৰীহেৰম্ব বৰদলৈ

**শিৱসাগৰ জিলা :—**

১। শ্ৰীবসন্তলাল ফুকন
২। যোৰহাট মহকুমাৰ ভাৰ অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্ৰীডিম্বেশ্বৰ শৰ্ম্মাৰ গাত থাকিব।
৩। শ্ৰীকমলেশ্বৰ শইকীয়া—গোলাঘাট

**মিকিৰপাহাৰ জিলা :—**

১। শ্ৰীদেবেন গগৈ—ডিফু।

**কাছাৰ জিলা—**

১। শ্ৰীনৃপেন্দ্ৰচন্দ্ৰ ৰাজবংশী—কৰিমগঞ্জ
২। কবিৰাজ শ্ৰীহৰেশচন্দ্ৰ ভট্টাচাৰ্য্য—শিলচৰ

**কামৰূপ জিলা—**

১। শ্ৰীপদ্মৰাম শালৈ (ৰঙিয়া)

২। প্ৰসন্নৰাম দাস

৩। গিৰিধৰ শৰ্মা

**দৰং জিলা—**

১। নবীনচন্দ্ৰ কাথহাজৰিকা—তেজপুৰ

২। শ্ৰীৰাজেন্দ্ৰনাথ বৰঠাকুৰ—বিশ্বনাথ চাৰিআলি।

৮। অসম সাহিত্য সভাৰ নিয়মাৱলীৰ তৃতীয় ছেদ চতুৰ্থ ধাৰা অনুযায়ী তলত নাম দিয়া সভাসমূহক অসম সাহিত্য সভাৰ শাখা সভা হিচাবে স্বীকৃতি দিয়া হল।

১। পাৱৈ সাহিত্য সভা—পাৱৈ বাগান, ডিগবৈ।

২। চেনিমৰা সাহিত্য সভা—চেনিমৰা যোৰহাট।

৩। ৰাৰণা পুখুৰী আঞ্চলিক সাহিত্য সভা—টটয়া, মাজুলী।

৪। হাজো সাহিত্য সভা—হাজো।

৫। কামাখ্যাধাম সাহিত্য সভা—কামাখ্যা, গুৱাহাটী।

৬। কণিহা কেন্দ্ৰ সাহিত্য সভা—কণিহা।

৭। কৰৰা সাহিত্য সভা—কৰৰা।

৮। মৰনৈ সাহিত্য সভা—মৰনৈ।

৯। বিকাশ সাহিত্য সভা—বামুন্দি।

১০। ছয়গাওঁ সাহিত্য সভা—ছয়গাওঁ।

১১। প্ৰগতি সাহিত্য সভা—ক্ষুদ্ৰডিমু।

৯। অসম সাহিত্য সভাৰ নিয়মাৱলীৰ ৪ৰ্থ ছেদ দশম ধাৰা অনুযায়ী তলত নাম দিয়া লোকসকলক অসম সাহিত্য সভাৰ আজীৱন সভ্যভুক্ত কৰা হয়।

১। শ্ৰীইন্দ্ৰ বৰুৱা—ডিফু, মিকিৰ পাহাৰ।

২। শ্ৰীভূপেন্দ্ৰ সিং—পলাশবাৰী, মিৰ্জা, কামৰূপ।

১০ অসমীয়া পাঠ্য-পুথি, আলোচনী আৰু বাতৰি কাকত আদিত আখৰ জোটনিৰ যি বিভ্ৰাট ঘটিছে তালৈ লক্ষ্য ৰাখি আখৰ জোটনি সম্পৰ্কে এটা সুস্থ নীতি গ্ৰহণ কৰিবলৈ আজিৰ অধিবেশনে তলত দিয়া লোকসকলেৰে এখন আখৰ জোটনি সমিতি গঠন কৰে।

এই সমিতিৰ সুবিধামতে গুৱাহাটীত বহুৱাবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১। শ্ৰীতীৰ্থনাথ শৰ্মা, সভাপতি

২। ডঃ মহেশ্বৰ নেওগ

৩। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা

৪। ডঃ গোলোক গোস্বামী

৫। ডঃ উপেন গোস্বামী

৬। ডঃ ভবেন্দ্ৰনাথ শইকীয়া

৭। শ্ৰীৰজনীকান্ত দেৱ গোস্বামী

৮। শ্ৰীগিৰিধৰ শৰ্মা

৯। শ্ৰীবিনয় চৌধুৰী

১০। ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য

১১। শ্ৰীবিশ্বেশ্বৰ হাজৰিকা

১২। শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

১৩। মিত্ৰদেৱ মহন্ত

১৪। ডঃ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী

১৫। শ্ৰীহৰিপ্ৰসাদ নেওগ

১৬। শ্ৰীলক্ষেশ্বৰ শৰ্মা

১৭। ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য

১৮। চৈয়দ অব্দুল মালিক

১৯। শিক্ষাধিকাৰ বা তেওঁৰ প্ৰতিনিধি

২০। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা।

২১। শ্ৰীবেণুধৰ শৰ্মা

২২। শ্ৰীনলিনী বালা দেৱী

২৩। শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়া

২৪। শ্ৰীশ্যামা প্ৰসাদ শৰ্মা

২৫। শ্ৰীহোমেন বৰগোহাঞি

২৬। শ্ৰীকীৰ্ত্তিনাথ হাজৰিকা

২৭। শ্ৰীসতীশ কাকতি

২৮। শ্ৰীহৰেণ বৰুৱা

২৯। শ্ৰীচাৰু মহন্ত

৩০। শ্ৰীঅনিল দাস

৩১। সঞ্চালক, আকাশবাণী, গুৱাহাটী

৩২। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী—আহ্বায়ক



৩৩। ভগগিৰী ৰায়চৌধুৰী

৩৪। শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য

৩৫। ডঃ মহেন্দ্ৰ বৰা

৩৬। ডঃ সৰ্ব্বেশ্বৰ ৰাজগুৰু

৩৭। শ্ৰীভবেন নাৰ্জাৰী।

আখৰ জোটনিৰ বেমেজালি দূৰ কৰিবৰ কাৰণে ছয় দিন জুৰি উক্ত বিষয়ৰ ওপৰত আলোচনা আৰু তাৰ পিচত সিদ্ধান্ত গ্ৰহণৰ ব্যৱস্থা কৰা হ'ব। গুৱাহাটী ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আলোচনা চক্ৰ বহিব।

(ক) দূৰৈৰ পৰা অহা অংশ গ্ৰহণকাৰীসকলে সভাৰ নিৰ্দ্ধিথত ভ্ৰমণ বানচ আৰু জিৰণি বানচ পাব।

(খ) নগৰৰ বিভিন্ন ঠাইৰ পৰা অহা অংশ গ্ৰহণকাৰী সকলক দৈনিক তিনি টকা বানচ দিয়া হ'ব।

(গ) আলোচনা চক্ৰৰ সময় :— পুৱা ৮-১১ টালৈ
আবেলি ৩-৬ „
(সময় সলনি হব পাৰে)

(ঘ) তলত নাম দিয়া লোকসকলে আলোচনা চক্ৰৰ কামৰ আচনি কৰিব।

শ্ৰীতীৰ্থনাথ শৰ্মা, ডঃ গোলোক গোস্বামী, ডঃ উপেন গোস্বামী, ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীবিশ্বেশ্বৰ হাজৰিকা, প্ৰধান সম্পাদক আৰু সহাকাৰী সম্পাদক (গুৱাহাটী)।

(ঙ) আলোচনা চক্ৰৰ বাবদ (চাহ আদি) ৩০০.০০ টকা ব্যয় মঞ্জুৰ কৰা হয়।

(চ) আলোচনা চক্ৰৰ বাবদ ১৩,০০০.০০ টকা ব্যয় মঞ্জুৰ কৰা হয়।

১১। অসম সাহিত্য সভাৰ অহা ধুবুৰী অধিবেশনত সভাপতিত্ব কৰিবৰ কাৰণে নিয়মাৱলীৰ অষ্টম ছেদৰ ৪১ সংখ্যক বিধি অনুযায়ী তলৰ লোকসকলৰ নাম সভাই গ্ৰহণ কৰে।

১২। শ্ৰীঅমল কুমাৰ দাসে গোৱালপাৰা জিলাৰ শাখা সভাৰ সংখ্যা বৃদ্ধি আৰু সংগঠনৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰি কয় যে অলপতে অসম সাহিত্য সভাৰ সভাপতি আৰু প্ৰধান সম্পাদকৰ গোৱালপাৰা জিলা ভ্ৰমণ ফলপ্ৰসূ হৈছে।

১৩। শ্ৰীচন্দ্ৰকান্ত বৰকাকতীয়ে ধিঙত ৰঙ্গ ভৱন নিৰ্ম্মাণৰ অগ্ৰগতিৰ বিষয়ে কয়।

১৪। সহকাৰী সম্পাদকে অসম সাহিত্য সভাৰ শাখা সভা সমূহৰ বৰ্ত্তমান অৱস্থা আৰু সভ্য সংখ্যা সম্পৰ্কে দাঙি ধৰা তথ্যৰ পৰা ভিত্তি কৰি শ্ৰীগিৰিধৰ শৰ্মাই কয় যে অসম সাহিত্য সভাৰ শাখা সভাৰ সংখ্যা ৪০০ খনলৈ আৰু সভ্য সংখ্যা ৫০ হেজাৰলৈ বৃদ্ধি কৰাৰ থল আছে আৰু আজীৱন সভ্য হবলৈ ইচ্ছুক লোকসকলৰ ওচৰ চপা উচিত।

১৫। শ্ৰীসূৰ্য্যকান্ত ফুকন আৰু শ্ৰীকমলেশ্বৰ শইকীয়াই চাহ বাগিচাসমূহত অসম সাহিত্য সভাৰ উপযুক্ত সংগঠনৰ প্ৰয়োজনীয়তাৰ বিষয়ে কয়।

শ্ৰীনাৰায়ণচন্দ্ৰ ঘাটোৱাৰে কয় যে চাহ কৰ্ম্মচাৰী সকলৰ যোগেদি চাহবাগানত সংগঠন কৰাৰ সুবিধা হ'ব আৰু চাহ কৰ্মচাৰী সংঘ সমূহলৈ সাহিত্য সভাৰ ফালৰ পৰা চিঠি-পত্ৰ দিয়া উচিত। তেওঁ ঝুমুৰ গীতৰ সংগ্ৰহ আৰু প্ৰকাশৰ ওপৰত গুৰুত্ব দিয়ে।

সভাপতিয়ে কয় যে ঝুমুৰ গীত প্ৰকাশৰ আঁচনি লোৱা হৈছে। অসমীয়া সাহিত্যত চাহ বাগিচাৰ চিত্ৰ নামৰ প্ৰবন্ধ কাগজত প্ৰকাশ হ'ব লাগিব। তেখেতে অসম সাহিত্য সভাৰ কৰ্মকৰ্ত্তা সকলে বিভিন্ন গাওঁ অঞ্চল পৰিভ্ৰমণ কৰি শাখা সভা গঠন আৰু সভ্য সংখ্যা বৃদ্ধিৰ ওপৰত জোৰ দিবলৈ কয়। চাহ বাগিচা সমূহত অধিক শাখা সভা গঠনৰ ওপৰত গুৰুত্ব দিয়ে। পাহাৰ অঞ্চলত অসমীয়া ভাষা প্ৰচাৰাৰ্থে ক্ৰিয়াশীল ভ্ৰমণৰ ওপৰত গুৰুত্ব দিয়ে।

১৬। গুৱাহাটীৰ কাৰ্য্যালয় সহকাৰী শ্ৰীগোপাল দাসক ১।৭।৭১ তাৰিখৰ পৰা ৩০।৯।৭১ তাৰিখলৈকে বিনা দৰমহাত ছুটী মঞ্জুৰ কৰা হয়। প্ৰকাশ থাকে যে শ্ৰীদাসৰ ছুটীৰ কাল আৰু বঢ়াই দিয়া নহব।

শ্ৰীগোপাল দাসৰ ঠাইত শ্ৰীধ্ৰজেন্দ্ৰ চন্দ্ৰ তালুকদাৰক অস্থায়ীভাৱে ১।৭।৭১ তাৰিখৰ পৰা ৩০।৯।৭১ তাৰিখলৈকে কাৰ্য্যালয় সহকাৰী নিয়োগ কৰা হয়।

স্বাঃ শ্ৰীতীৰ্থনাথ শৰ্মা
সভাপতি, ৭।৮।৭১

# সম্পাদকীয়

এতিয়াৰ পৰা এশ বছৰৰ আগতে জন্ম হোৱা দুজন ব্যক্তিয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি, তথা অসমীয়া জাতিৰ কাৰণে কেনে আন্তৰিকতাৰে কি কৰিলে আৰু তাৰ প্ৰভাৱত অসমীয়া জাতিৰ জাতীয়তা ৰক্ষা কৰাত কি ধৰণে সহায় হ'ল সেয়ে আজি বিচাৰ্য্য বিষয়। মানে-যশে-গুণে নিজৰ কৃতিত্বৰ দ্বাৰা এই দুজন ব্যক্তি আজিও আমাৰ মাজত অমৰ হৈ থকাটো আৰু আমি এনে গুণী ব্যক্তিৰ জন্ম-শতবাৰ্ষিকী মহা পয়োভৰেৰে পাতিবলৈ লোৱাটোত নিজেই গৌৰৱ বোধ কৰিছো। এনে ধৰণৰ কাৰ্য্য হৈছে জাতিক জীয়াই ৰখাৰ প্ৰচেষ্টা। অসমীয়া ভাষা, সাহিত্য আৰু জাতিৰ অস্তিত্ব থাকেমানে আমি এই দুজন একনিষ্ঠ সাহিত্য সাধকক পাহৰিব নোৱাৰো। এই দুজন ব্যক্তিয়েই হৈছে অসমীয়া ভাষা সাহিত্যৰ কাণ্ডাৰী স্বনামধন্য পদ্মনাথ গোহাঞিবৰুৱা আৰু প্ৰথিতযশা সাহিত্যিক পণ্ডিত হেমচন্দ্ৰ গোস্বামী।

## পদ্মনাথ গোহাঞিবৰুৱা

পদ্মনাথ গোহাঞি বৰুৱাৰ পদ্ম-ৰেণু অসমীয়া ভাষা সাহিত্য আৰু জাতিৰ মাজত বিস্তৃতি লাভ কৰি আজিও গোন্ধে আমোলমোলাই আছে। এইজন ব্যক্তিয়েই এদিন অসম সাহিত্য সভাৰ প্ৰথম সভাপতিৰূপে ভাষা জননীৰ গুৰি ধৰি জাতিৰ উদ্দেশ্যে কৈ গ'ল—'সাহিত্যই জাতীয়ত্বৰ আচল চিনাকি, সাহিত্যই জাতীয়ত্বৰ প্ৰকৃত জীৱন; সাহিত্যৰ অবিহনে কোনো জাতিৰ অস্তিত্ব টিকিবৰ সম্ভাৱনা নাই।' এই কাৰণেই ছাত্ৰাৱস্থাতে তেওঁ 'ভানুমতী' (১৮৯১) আৰু 'লাহৰী' (১৮৯২) উপন্যাস ৰচনাৰ দ্বাৰা এই ক্ষেত্ৰত বাটকটীয়া হ'ল। ১৮৯৯ চনত অহোপুৰুষাৰ্থ কৰি নানা তথ্য-পাতিৰে পৰিপুষ্ট কৰি 'অসমৰ বুৰঞ্জী' প্ৰকাশ কৰে আৰু সেই পুথিখনৰ উনৈশটা সংস্কৰণ হোৱাটোৱেই তাৰ মৰ্য্যাদা আৰু মূল্য আৰোপ কৰে আৰু অসম বুৰঞ্জীৰ পাঠ্য-পুথি নোহোৱা দিনত তেনে এখন পুথি প্ৰণয়ন কৰি পাঠ্য-পুথিৰূপে দিব পৰাটোৱেই বিশেষ গৌৰৱৰ সূচনা কৰে। আটাইতকৈ ডাঙৰ কথা যে এইজন ব্যক্তিয়ে আমাৰ ভাষা-সাহিত্যৰ বিভিন্ন দিশৰ অভাৱলৈ লক্ষ্য কৰি সেইবোৰ পূৰণৰ চেষ্টা কৰিছিল। বিভিন্ন বিষয়ৰ পাঠ্য-পুথি প্ৰণয়নত ব্যস্ত নথকাহেঁতেন হয়তো কবিতা, উপন্যাস বা নাটক ৰচনাতে মনোনিবেশ কৰা হলে আজি আমি গোহাঞি বৰুৱাক আৰু মহান সাহিত্যিক, কবি বা নাট্যকাৰ হিচাবে পালোহেঁতেন। কিন্তু তেওঁ প্ৰস্তুত কৰা পাঠ্য-পুথিয়ে অসমীয়া জাতিটোক এটা নতুন চেতনা দিলে। সেই সময়ৰ আমাৰ ভাষা সাহিত্যৰ দুৰ্যোগলৈ চাই এই পাঠ্য-পুথিসমূহে অসমীয়া জাতিৰ জাতীয়তা ৰক্ষা কৰাত বিশেষ বৰঙণি যে দিলে সি অনস্বীকাৰ্য্য। সেই পাঠ্য-পুথিসমূহৰ কাৰ্য্য-কাৰিতালৈ চালে বহুতো নাটক-উপন্যাসতকৈ বেছি কাম দিলে। আজি ১৯৭১ চনত তেওঁ ৰচনা কৰা ৭০।৮০ বছৰৰ আগৰ সাহিত্য সম্ভাৰৰ বিচাৰ কৰাৰ আগতে সমসাময়িক অৱস্থা, জাতিৰ জাতীয় চেতনা, পৰাধীনতাৰ কবলত পৰি অসমীয়াই সৰ্ব্বস্ব হেৰুৱাৰ উপক্ৰম হোৱা আৰু আন ভাষা-ভাষীয়ে এই অসম দেশত সৃষ্টি কৰা সমস্যাৱলী বিচাৰ কৰিহে অতি সাৱধানতাৰে মন্তব্য দিব লাগিব। 'লাহৰীনো এখন উপন্যাস নে' বা 'বাণ ৰজাও এখন নাটক" নে বুলি এতিয়াৰ কোনোবা ওপৰচকুৱা বা টুলুঙা সমালোচকে ক'ব পাৰে কিন্তু সেই তেনে বিৰূপ মন্তব্য দিয়াৰ আগতে দেশ-কাল-পাত্ৰৰ জ্ঞান সম্পূৰ্ণৰূপে থকা আৱশ্যক।

গোহাঞিবৰুৱাৰ ভাষাৰ প্ৰাঞ্জলতা আৰু সংস্কৃতগন্ধী শব্দ ব্যৱহাৰ বৰ্জ্জনেই তেওঁৰ বিশেষত্ব। ভাষাৰ যোগেদি অসমীয়াত্ব ৰক্ষা কৰা কথাটো তেওঁ সাৰোগত কৰি লৈছিল কাৰণেই নিৰহ-নিপানীকৈ ভাষাটো লিখিছিল। শব্দ আৰু খণ্ডবাক্যৰ ব্যৱহাৰ অতি নিকপ্‌কপীয়া আছিল।

সাংবাদিকতাত গোহাঞি বৰুৱাই এখন বিশিষ্ট আসন চিৰদিন লাভ কৰিব। 'উষা আৰু' "আসাম বন্তিয়েই" তাৰ সাক্ষী। আজিৰ দিনত এনে বিৰাট পঢ়ুৱৈ সমাজ এটা পোৱাৰ পিচতো আমাৰ দেশত এতিয়া আলোচনীৰ অন্ধকাৰ যুগৰ পাতনি মেলিছে। কিন্তু এইজন ব্যক্তিয়ে কিমান নিষ্ঠাৰে আৰু কিমান অসুবিধাৰে কাকত উলিয়াইছিল সেইয়া বিশেষ প্ৰণিধানযোগ্য। দ্বিতীয় বছৰৰ



বিজুলীত 'অসমীয়া বাতৰি কাকত' শিতানত তেওঁ এবাৰ লিখিছিল—'অসমত বাতৰি কাকত অস্থায়ী হোৱাৰ দুটা প্ৰধান কাৰণ হৈছে—প্ৰথম অসমীয়া শিক্ষিতলোকৰ সংখ্যা নিচেই তাকৰ, আৰু দ্বিতীয় বাতৰি কাকতৰ প্ৰতি অসমীয়া'ৰ যত্ন আৰু সহানুভূতি নাই।" কিন্তু তেতিয়াতকৈ এতিয়া শিক্ষিত লোকৰ সংখ্যা বহুগুণে বেছি হোৱা সত্বেও অসমীয়া আলোচনী ওলায় আৰু মৰে। আলোচনীৰ এনে দুৰ্গতি দেখি কব লগাত পৰে অসমীয়াৰ জাতীয় চেতনাবোধ এতিয়াও হবলৈ বাকী আছে। তেন্তে এবাৰ আমি কিয় ভাবি নেচাওঁ যে গোহাঞিবৰুৱাৰ নিচিনা এজনে কেনে একক প্ৰচেষ্টাৰে আলোচনী চলোৱা দায়িত্ব বহন কৰি তেজাৰো অসুবিধা আৰু তেওঁৰ মাজতো নিজক প্ৰতিষ্ঠা কৰিছিল। সেই অপৰিসীম সাহ আছিল কাৰণেই তেওঁ কৈছিল—"সাহসেই সিদ্ধিৰ আচল মন্ত্ৰ হতাশৰ নিগাজী ভেটি নাই।" "তেওঁৰ 'আসামবন্তি' আৰু 'উষাই' কিমান কবি-সাহিত্যিক আৰু লেখকৰ সৃষ্টি কৰিলে তাক ভাবিলে বিস্ময় মানিব লাগে। আলোচনীৰ সাৰ্থকতা লেখক সৃষ্টি কৰিব পৰাতহে। এই বিষয়ত গোহাঞিবৰুৱাই সম্পূৰ্ণ কৃতকাৰ্য্যতা লাভ কৰিছিল।

কথা সাহিত্যিকৰূপে গোহাঞিবৰুৱা আমাৰ বৰেণ্য। তেওঁৰ 'শ্ৰীকৃষ্ণ'ৰ নিচিনা বিৰাট গ্ৰন্থই তেওঁৰ জীৱনৰ শ্ৰেষ্ঠ কীৰ্ত্তি। গোহাঞিবৰুৱা অসমীয়া ভাষাৰ নিজস্ব ৰূপ ৰক্ষা কৰাতেই যে আছিল এনে নহয় তেওঁ নতুন শব্দ গঢ়ি অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধিত হাত উজান দিছিল। জাতীয় জীৱনৰ বিভিন্ন দিশত থিয় হৈ গোহাঞিবৰুৱাই অসমীয়াক সতৰ্ক কৰিছিল। তেনে এজন সিংহ পুৰুষৰ জন্ম-শত বাৰ্ষিকীয়ে প্ৰতিজন অসমীয়াক জাতীয় চেতনাৰে উদ্বুদ্ধ কৰক—এয়ে আমাৰ আশা।

## পণ্ডিত হেমচন্দ্ৰ গোস্বামী :—

এই গৰাকী একনিষ্ঠ সাহিত্য সাধকৰ যত্নতে অসমৰ গাৱেঁ-ভূঞে ধোঁৱা চাঙে, ধোঁৱা চাঙে দ'ম হৈ থকা সাঁচিপতীয়া পুথিৰ উদ্ধাৰ হোৱাত অসমীয়াৰ অতীত কীৰ্ত্তিৰাশি পোহৰলৈ আহিল। 'অসমীয়া পুৰণি পুথিৰ বিৱৰণীমূলক তালিকা' ( Descriptive catalogue of Assamese manuscript ) আৰু 'অসমীয়া সাহিত্যৰ চানেকী'য়েই গোস্বামীদেৱৰ জীৱনৰ কীৰ্ত্তিস্তম্ভ বুলি ক'লেই যথেষ্ট। ইয়াৰ আগতে অসমীয়া সাহিত্যৰ চানেকী সংকলন হোৱা নাছিল। ওজা সাহিত্যিক হেমচন্দ্ৰ বৰুৱাৰ হেমকোষ, প্ৰকাশৰ গৌৰৱ হেম গোস্বামীয়েও লাভ কৰে। হেমকোষৰ অসমীয়া ভাগৰ সম্পাদনা অশেষ যত্ন সহকাৰে কৰিছিল—পণ্ডিত হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই। অসমীয়াত প্ৰথম চনেট লেখোতা এই জনেই। 'প্ৰিয়তমাৰ চিঠি,' হেমচন্দ্ৰ গোস্বামী ৰচিত প্ৰথম অসমীয়া চনেট। "দৰং ৰাজবংশাৱলী"ৰ নিচিনা এখন গ্ৰন্থও গোস্বামীদেৱেই সম্পাদনা কৰিছিল। 'শৰাইঘাটৰ যুদ্ধ' নামৰ হেম গোস্বামীৰ প্ৰবন্ধই অসমীয়াক জাতীয় চেতনাৰে উদ্বুদ্ধ কৰে। 'শৰাই ঘাটৰ যুদ্ধতে' গইনা লৈ 'লাচিত বৰফুকন'নামৰ নাটক ৰচনা কৰে পদ্মনাথ গোহাঞি বৰুৱাদেৱে।

প্ৰত্নতত্ববিদ পণ্ডিত হিচাবে অসমীয়াৰ সাংস্কৃতিক জীৱনলৈ গোস্বামীৰ অৱদান অতুলনীয়। এই গোস্বামী ডাঙৰীয়াই, নানা তামৰ ফলি আৰু শিলৰ ফলি উদ্ধাৰেই নহয় তৰ্জ্জমাৰ দ্বাৰাও অসমীয়াৰ জাতীয় সংস্কৃতিক বুজিবলৈ সহজ কৰি দিলে।

আকৌ বৈকুণ্ঠনাথ ভট্টদেৱৰ কথা-গীতাৰ সম্পাদনা আৰু প্ৰকাশে গোস্বামী ডাঙৰীয়াৰ পাণ্ডিত্যৰ পৰিচয় দিয়ে আৰু লগে লগে ষোড়শ শতিকাৰ অসমীয়া গদ্যৰ ক্ৰমবিকাশ আৰু নিদৰ্শন দেখি আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায় আৰু ৰবীন্দ্ৰনাথ ঠাকুৰে যি প্ৰশংসা কৰিলে সেয়ে অসমীয়া ভাষাৰ প্ৰাচীনত্বৰ প্ৰমাণ সূচালে। এনে ধৰণৰ উদ্ধাৰ কাৰ্য্যৰ দ্বাৰাই অসমীয়া ভাষাৰো যে উদ্ধাৰ হ'ল সি ধ্ৰুৱ সত্য। এই জন পুৰুষেই এদিন অসম সাহিত্য সভাৰ সভাপতি আসনত বহি অসমীয়া জাতিক সম্বোধন কৰি উদাত্ত কণ্ঠেৰে কৈছিল— 'সাহিত্য হৈছে এটা জাতিৰ প্ৰাণ স্বৰূপ। সাহিত্যহীন জাতি এটা প্ৰাণ শূন্য দেহৰ নিচিনা। আমি সাহিত্যক যেতিয়া এই বহল ভাবেৰে গ্ৰহণ কৰো, তেতিয়া এটা জাতিৰ সাহিত্যত তাৰ সকলো ৰকমৰ চেষ্টা প্ৰতিফলিত হোৱা দেখিবলৈ পাওঁ……………………জাতীয় সাহিত্যৰ উন্নতি মানে যি, জাতীয় জীৱনৰ উন্নতি মানেও সেয়ে।' গতিকে জাতীয় জীৱনৰ উন্নতিৰ কাৰণে যিজনে এনেদৰে ভাবিছিল সেই জনক জাতীয় আদৰ্শৰ প্ৰতীক হিচাবে সোঁৱৰা এই জন্ম-শতবাৰ্ষিকীত প্ৰতিজন অসমীয়াৰে কৰ্ত্তব্য।

## অহা ধুবুৰী অধিবেশনৰ সভাপতি :—



অহা ধুবুৰী অধিবেশনৰ সভাপতিৰ কাৰণে প্ৰাক্তন সংসদী সদস্য আৰু অসমৰ এগৰাকী কবি-সাহিত্যিক আৰু সমালোচক শ্ৰীহেম বৰুৱাদেৱক নিৰ্ব্বাচন কৰা বাবে তেওঁলৈ আন্তৰিক ওলগ জনাইছো। শ্ৰীবৰুৱাৰ জন্ম হয় ১৯১৫ চনত যোৰহাটৰ তৰাজানত। বৰুৱা ডাঙৰীয়াৰ সাহিত্যিক সম্ভাৰ এনেদৰে দেখুৱাব পাৰি :—

ভ্ৰমণ কাহিনী—ৰঙা কৰবী'ৰ ফুল, ইজৰাইল, সাগৰ দেখিছা, যেকং নৈ দেখিলো।

সমালোচনা সাহিত্য আৰু অন্যান্য বিষয়ৰ গ্ৰন্থাদি :—

সাহিত্য আৰু সাহিত্য, আধুনিক সাহিত্য, সানমিহলি, আঁচু ফুল গণবিপ্লৱত অসম কিউপিদ আৰু ছাইকা, কন্যকা আদি।

কবিতা—মন ময়ুৰী।

ইয়াৰ বাহিৰেও বৰুৱা ডাঙৰীয়াই ইংৰাজীত ৰচনা কৰা গ্ৰন্থসমূহ হ'ল— Red river & Blue hills, Assamese Literature, August revolution in Assam, Fairs & festivals in Assam,, Folk songs of India. Modern Assamese Poetry আদি।

এই গৰাকী কবি-সাহিত্যিকে 'পছোৱা' নামৰ এখন আলোচনীও গুৱাহাটীৰ পৰা সম্পাদনা কৰি উলিয়াইছিল।

ৰাজনীতি জীৱনৰপৰা অৱসৰ লৈ শ্ৰীবৰুৱাই এতিয়া নিশ্চয় আশাগুধীয়াভাৱে অসমীয়া ভাষা-সাহিত্যৰ সেৱাত মনোনিবেশ কৰিব। নৱ-নিৰ্ব্বাচিত সভাপতি গৰাকীয়ে অসম সাহিত্য সভাক এটি বলিষ্ঠ পদক্ষেপ দিয়াত নিশ্চয় সহায় কৰিব।

কৈফিয়ৎ :—এই নবেম্বৰতে 'পত্ৰিকাৰ' গোহাঞিবৰুৱা স্মৃতিসংখ্যা উলিয়াই আকৌ জানুৱাৰীৰ প্ৰথম ভাগত হেম গোস্বামীৰ কাৰণে সুকীয়াকৈ এটা স্মৃতিসংখ্যা উলিওৱা আমাৰ পক্ষে সম্ভৱপৰ নহয় কাৰণেই দুয়োজনা বৰেণ্য সাহিত্যিকৰ উদ্দেশ্যে 'পত্ৰিকা'ৰ এই সংখ্যাটোকে বিশেষ সংখ্যাৰূপে প্ৰকাশ কৰা হ'ল। আমাৰ অৱশ্যে ইচ্ছা আছিল গোহাঞিবৰুৱা আৰু হেম গোস্বামীৰ সোঁৱৰণীৰ কাৰণে এই পত্ৰিকাখন দুটা ভাগত ভাগ কৰি প্ৰথম ভাগত গোহাঞিবৰুৱা আৰু দ্বিতীয় ভাগত হেমস্বামী সম্বন্ধীয় সকলো প্ৰবন্ধ-পাতি সংকলন কৰি দিয়া হ'ব। কিন্তু প্ৰবন্ধ-পাতি পোৱাৰ লেহেম গতিৰ কাৰণেই সানমিহলি কৰি দিব লগা হ'ল। তাৰ কাৰণে আমি দুখ প্ৰকাশ কৰাৰ বাহিৰে আন একো নাই। কেইবাটাও ভাল প্ৰবন্ধ একেবাৰে মুৰামুৰী সময়ত পোৱা কাৰণে বাদ দিবলগা হ'ল—তাৰ কাৰণেও আমি দুঃখিত।

# অসমীয়া গ্ৰন্থ-পঞ্জী

[ ১৯৬৯ আৰু ১৯৭০ ]

## ASSAMESE BIBLIOGRAPHY 1969 & 1970

( আগৰ সংখ্যাৰ পিচৰ পৰা )

সংগ্ৰাহক—অধ্যাপক শ্ৰীভগবান মৰল

৭১। অনন্ত কন্দলি বা কবি চন্দ্ৰ ভাৰতী **কুমৰ হৰণ কাব্য** প্ৰথম প্ৰকাশ, ১৯৬৯

শোণিতপুৰৰ বাণাসুৰৰ কন্যা উষা আৰু কৃষ্ণৰ নাতি অনিৰুদ্ধৰ মধুৰ পৰিণয়ৰ ৰহস্যঘন কাহিনীৰে ভৰা চন্দ্ৰ ভাৰতীৰ 'কুমৰ হৰণ' বৈষ্ণৱ যুগৰ অন্যতম শ্ৰেষ্ঠ কাব্য। সাধাৰণ পঢ়ুৱৈ সমাজৰ উপযোগীকৈ সম্পাদনা কৰা শুদ্ধ পাঠ্য। সম্পাদক—অধ্যাপক নবীন চন্দ্ৰ শৰ্মা।

নিউ বুক ষ্টল, গুৱাহাটী-১ দিমাই, পৃষ্ঠা ১৪৬ মূল্য ৪·০০ টকা

৭২। অনন্ত দেৱ শৰ্ম্মা **জোনাক বিচাৰি** প্ৰথম প্ৰকাশ, ১৯৬৯

কবি প্ৰাণৰ ভাৱৰ মূৰ্ত্ত বিকাশ বিভিন্ন। বিষয়ৰ সৰ্ব্বমুঠ ৩৪টা কবিতাৰ আটকধুনীয়া সংকলন।

নিউ বুক ষ্টল, গুৱাহাটী-১ দিমাই, পৃষ্ঠা ৫৩। মূল্য ১·৭৫ টকা

৭৩। অমিত চৰকাৰ **জোনাক নিবিড় ৰাতি** প্ৰথম প্ৰকাশ, ১৯৭০

কবিৰ পিতৃ শ্ৰীঅমলেন্দু সৰকাৰে বিশ্ববিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ গবেষণা কৰি থাকোতে লিখা বাবদ বিশ্ব কবি ৰবীন্দ্ৰ নাথ ঠাকুৰে স্বৰ্ণ পদক প্ৰদান কৰিছিল যদিও জীৱনৰ সোঁত অন্য মুখী হোৱাত পিতৃৰ অন্তৰৰ আক্ষেপ দূৰ কৰিবলৈ পুত্ৰই সাহিত্য-সাধনা, সঙ্গীত ৰচনাত নিজক বিলাই দিয়াৰ ফলতেই প্ৰকাশ পায়। বেলেগ বেলেগ সময়ত লিখা ১৮১টা গীতৰ সংকলন। গীত-সমূহত গীতিকাৰৰ ব্যক্তিসত্তাৰ পৰশ আৰু শব্দ যোজনাৰ ধ্বন্যাত্মক মাধুৰ্য্য পৰিস্ফুট।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী-১ দিমাই পকাবন্ধা। পৃষ্ঠা ১৬৫, মূল্য ৫·০০ টকা

৭৪। আনন্দ চন্দ্ৰ বৰুৱা **পাপৰিৰ পৰিমল** প্ৰথম প্ৰকাশ, আগষ্ট ১৯৬৯

যোৰহাট চিন্তামণি চক্ৰই আয়োজন কৰা ৺গণেশ গগৈৰ স্মৃতি দিৱসত বন্ধু ৺গগৈৰ 'পাপৰি'ৰ প্ৰত্যুত্তৰ স্বৰূপে শ্ৰদ্ধেয় বৰুৱাই পাঠ কৰা দীঘলীয়া কবিতা। কবিতাটো 'ইলিজি' নহলেও বন্ধুৰ অন্তৰৰ এটি করুণ আবেদন আছে। পুথিৰ আদিতে 'সমাধি', 'প্ৰেৰণাৰ উৎস' আৰু 'পৰিচয়' শিৰোনামেৰে কবিয়ে কোৱা কথা-বোৰৰ মাজত বহুত গোপন কথাৰ সম্ভেদ পাব পাৰি।

জ্যোতি প্ৰকাশন, যোৰহাট-১ পৃষ্ঠা ১৬, মূল্য ১.২৫

৭৫। কেশৱ চন্দ্ৰ গোস্বামী **কাব্য-গন্ধী** প্ৰথম প্ৰকাশ, আগষ্ট ১৯৭০

গোস্বামীৰ কাব্য-গন্ধী নতুন ৰচনা কৌশলৰ ১৫টি কাব্য চিত্ৰৰ পৰীক্ষামূলক প্ৰচেষ্টা। সঁচাকৈ কাব্য-গন্ধী গদ্য হলেও কাব্যানন্দৰ আকৰ বিশ্ব-জ্ঞানৰ চক্ৰোক্তি; কাব্য যেন অনুভূতিৰ সমাবেশ। শ্ৰীযুত আনন্দ চন্দ্ৰ বৰুৱাদেৱে কোৱাৰ দৰে 'কাব্য-গন্ধী ৰস-ৰচনা বক্ৰোক্তিপূৰ্ণ সজ কথা, কবিতাৰ ছাঁত থকা মোলায়েম কথা। অৱশ্যে ডুৱৰাৰ কথা-কবিতাৰ দৰে সাৱলীল কল্পনা বিলাস নহয়'।

মাখনী গোস্বামী, চোলাধৰা নিউৰোড
যোৰহাট-১ পৃষ্ঠা ৫২, মূল্য ১.০০ টকা

৭৬। নগেন্দ্ৰনাৰায়ণ গোস্বামী **ঊষা** প্ৰথম প্ৰকাশ, জুলাই ১৯৬৯

অধুনা প্ৰচলিত কাব্য-ৰীতিৰ পৰা পৃথক, বৰং পুৰণি চামৰ ৰোমাণ্টিক কবিতাৰ সমধৰ্মী প্ৰায় তিনিকুৰি কবিতাত গোস্বামীৰ কল্পনাপ্ৰৱণ মন, সৌন্দৰ্য্যবোধ, আৰু আদৰ্শৰ আভাস পাব পাৰি। শব্দচয়ন-কুশলতা কবিৰ নিজস্ব বৈশিষ্ট্য।

দত্ত বৰুৱা এণ্ড কোং নলবাৰী, অসম। পৃষ্ঠা ১৩১, মূল্য ২.৫০ পইচা

৭৭। পৰেশমল্ল বৰুৱা **কুৰি শতিকাৰ ছোভিয়েট কবিতা** প্ৰথম প্ৰকাশ আগষ্ট ১৯৬৯

সামাজিক জীৱনবোধ, বাস্তৱ মানবানুভূতিয়ে আধুনিক ৰুচ কবিৰ কাব্য সাধনাত যি নতুনত্ব আনি দিছে, তাৰেই চানেকী ৫২জন ৰুচ কবিৰ ১১০টা কুৰি শতিকাৰ কবিতা।

দত্ত বৰুৱা কোং, গুৱাহাটী-১ পৃষ্ঠা ১৮৫, মূল্য ৬.০০ টকা

৭৮। পৰেশ মল্ল **সোণালী সঙ্গম** প্ৰথম প্ৰকাশ, ১৯৭০

পৰেশ মল্ল বৰুৱাৰ ৩১টা কবিতাৰ আটকধুনীয়া সংকলন।

ওৰিয়েণ্টেল বুক কোং
গুৱাহাটী-১ পৃষ্ঠা ৭৫, দাম ৩.০০ টকা



৭৯। বস্তিৰাম ভৰালী **গীতাৱলী** প্ৰথম প্ৰকাশ, ১৯৭০

স্বৰ্গীয় শ্ৰীমৎ কৃষ্ণপুৰী ব্ৰহ্মচাৰীৰ একান্ত ভক্ত শিষ্য ভৰালীৰ জীৱনটো অধ্যাত্মতত্ত্বৰ মায়াজালেৰে আবৃত; এই আধ্যাত্মিকতাই ভৰালীৰ গীতাৱলীৰ মূল ভেটি। বিভিন্ন ৰাগ-ৰাগিনী বিশিষ্ট গীতবোৰ ঘোষা আৰু পদ ছন্দৰ সাঙ্গীতিক মাধুৰ্য্যেৰে পৰিপূৰ্ণ।

ৰাজবালা ভৰালী, গুৱাহাটী-৩ পৃষ্ঠা ৭১, মূল্য ১.৫০

৮০। মহম্মদ মোচেৰ আলি **বুকুৰ বাতৰি** ( কথা-কবিতা ) প্ৰথম প্ৰকাশ, মাৰ্চ ১৯৭০

পয়ত্ৰিশটা কথা-কবিতাৰ সংগ্ৰহ। ডুৱৰাৰ পিচত পুথিৰ আকাৰত ৰচনা কৰা কথা-কবিতাৰ পুথিৰ ৰচক আলি অন্যতম কবি।

শ্ৰীহৰেন্দ্ৰ নাথ দত্ত, নলবাৰী, অসম। পৃষ্ঠা ১২০, দাম ১.৫০

৮১। ৰঘুনাথ মহন্ত **অদ্ভুত ৰামায়ণ** প্ৰথম প্ৰকাশ, ১৯৭০

সীতাই পাতাল প্ৰবেশৰ পিচত ব্ৰতেশ্বৰী দেৱীৰূপে, বিদ্যা-বিলাসিনী পুৰত পূজা গ্ৰহণ, বাসুকীৰ হতুৱাই লৱ-কুশ হৰণ, যোগবলেৰে ৰাম ভক্ত হনুমানে অদ্ভুত কাৰ্য্যাৱলীৰে লৱ-কুশ আৰু সীতাক অযোধ্যালৈ ঘূৰাই অনা চিত্ত-চমৎকাৰী বিভিন্ন কাহিনী সন্নিবিষ্ট উপাদেয় কাব্য। সম্পাদনা—অধ্যাপক নবীন শৰ্ম্মা।

বাণী প্ৰকাশ মন্দিৰ, গুৱাহাটী-১ পৃষ্ঠা ১৩৬, মূল্য ৩.০০ টকা

৮২। হৰি বৰকাকতি **কোনোবা শীতৰ এটা বগা সন্ধিয়াত** প্ৰথম প্ৰকাশ, অক্টোবৰ, ১৯৭০

বিভিন্ন আলোচনীত সিচঁৰিত থকা হৰি বৰকাকতিৰ জনপ্ৰিয় ২৮টি কবিতাৰ আটকধুনীয়া সংকলন।

মিত্ৰ এজেঞ্চি এণ্ড কোং, তিনচুকীয়া। দিমাই, পকাবন্ধা পৃষ্ঠা ৫২, মূল্য ৩.০০

৮৩। হেমাঙ্গ বিশ্বাস **কুলখুৰাৰ চোতাল** প্ৰথম প্ৰকাশ, জানুৱাৰী, ১৯৭০

বিপ্লৱী চেতনাত উদ্বুদ্ধ অসমৰ অগণিত ডেকা-গাভৰুৰ প্ৰেৰণাৰ উৎস হওক বুলি কামনা ৰাখি প্ৰকাশ কৰা চৈধ্যটি কবিতাৰ আটকধুনীয়া সংকলন।

শ্ৰীভূমি পাব্লিচিং

৭৯, মহাত্মাগান্ধী ৰোড্, কলিকতা-৯ পৃষ্ঠা ৪৬, মূল্য ৩·০০ টকা

৮৪। ধনচন্দ্ৰ দাস **দেশৰ সৈনিক** প্ৰথম প্ৰকাশ মে, ১৯৭০

আধুনিক সমাজৰ বিভিন্ন সংঘাত, মানৱীয় ঈৰ্ষা, প্ৰেম-প্ৰীতি ঘটনা প্ৰবাহৰ মাজেদি স্বদেশ প্ৰীতি মূল্যাঙ্কন কৰা উৎকৃষ্ট দেশ-প্ৰেমমূলক নাটক।

জোনালি প্ৰকাশ, উজান বজাৰ, গুৱাহাটী-১ পৃষ্ঠা ৮৮ মূল্য ৩·০০ টকা

৮৫। প্ৰফুল্ল বৰা **বৰুৱাৰ সংসাৰ** প্ৰথম প্ৰকাশ, ১৯৬৯

অসমীয়া কথাছবিত ৰূপায়িত হোৱা গুৱাহাটী অনাতাঁৰত ছোৱা-ছোৱালীকৈ প্ৰচাৰ কৰা অৱসৰ-প্ৰাপ্ত বৰুৱাৰ জীৱন কাহিনীৰ আলমত লিখা বহু প্ৰচাৰিত সামাজিক নাট। সবল সংলাপ, উৎকৃষ্ট পৰিবেশ আৰু মানৱীয় চৰিত্ৰ সৃষ্টিয়েই বৰাৰ বিশেষত্ব।

ফেঞ্চি বুক হাউচ, ঢেকিয়াজুলি। কেচা, পৃষ্ঠা ১১০, মূল্য ২·৭৫

৮৬। ৰমেশ চন্দ্ৰ কলিতা **অমৰ জীৱন** প্ৰথম প্ৰকাশ, ১৯৭০

পৌৰাণিক নাট লিখা তথা প্ৰকাশ কৰাটো অসমীয়া ভাষাত দুৰ্লভ হোৱা দিনতো শ্ৰীকলিতাই প্ৰাচীন সত্য নিষ্ঠ কাহিনী 'হৰিশ্চন্দ্ৰৰ মধুৰ জীৱনৰ আলমত পৌৰাণিক নাট ৰচনা কৰি সাহসৰ পৰিচয় দিছে। 'অমৰ জীৱন' অভিনয়োপযোগী আধুনিক ভাব ধাৰাৰে প্ৰাচীন ক্ৰিয়াকাৰ্য্য পৰ্য্যালোচনা কৰা আদৰ্শ সমৃদ্ধ করুণ নাট।

বৃন্দাবন প্ৰকাশ, গুৱাহাটী পৃষ্ঠা ৯৪, মূল্য ২·০০

৮৭। শৈলেন্দ্ৰ কুমাৰ মৰল **আমি বিপ্লৱ কৰিম** প্ৰথম প্ৰকাশ জানুৱাৰী ১৯৬৯

সমাজৰ দুৰ্নীতি পৰায়ণ, ভেজাল কাৰী, শোষণকাৰীৰ বিৰুদ্ধে আজিৰ সংগ্ৰামী জনতাৰ আশা আকাংক্ষাৰ স্বপ্নময় বিকাশ ছাত্ৰ শিল্প নাট্যকাৰৰ প্ৰথম প্ৰচেষ্টা।

লোহিত চন্দ্ৰ মৰল, শঙ্কৰ মন্দিৰ ৰোড্, গুৱালকুচি পৃষ্ঠা ২৪, দাম ·৭৫ পইচা



৮৮। ডঃ কালীনাথ শৰ্ম্মা **কেকোৰা কাইৰ বিয়া** প্ৰথম প্ৰকাশ, আগষ্ট ১৯৬৯

বিয়াৰ অধিবাস, নিমন্ত্ৰণী শৰাইকে আৰম্ভ কৰি 'কেঁকোৰা কাইৰ বিয়া' কে শেষ কৰি শিশু প্ৰাণত ঔৎসুক্য আৰু আনন্দৰ হিল্লোলে তুলি তন্ময় কৰিব পৰা সচিত্ৰ শিশু সাহিত্য। কাঞ্চনমতী বাইৰ ভূমিকা আকৰ্ষণীয়। অসম সাহিত্য সভাৰ দ্বাৰা পুৰস্কৃত শিশুৰ আমোদজনক পুথি।

মণি মানিক প্ৰকাশ, গুৱাহাটী—১ পৃষ্ঠা ৩৬, মূল্য ১·৫০

৮৯। কৃষ্ণকান্ত ভট্টাচাৰ্য্য **সাউদৰ কাহিনী** দ্বিতীয় প্ৰকাশ, ১৯৭০

সৰু সৰু লৰা-ছোৱালীৰ বাবে প্ৰস্তুত কৰা দুটি উপাখ্যান।

ফেঞ্চি বুক হাউচ, ঢেকীয়াজুলি, দৰং পৃষ্ঠা ৩৮, মূল্য ·৮০ পইচা

৯০। কৃষ্ণকান্ত ভট্টাচাৰ্য্য **শ্ৰীবৎসৰ সাধু** দ্বিতীয় প্ৰকাশ, ১৯৭০

মহাভাৰতৰ হৃদয় সিক্ত কৰা শ্ৰীবৎস আৰু চিন্তাৰ কাহিনী সাধু কথাৰ ভাষাৰে বৰ্ণনা কৰিছে।

ফেঞ্চি বুক হাউচ, ঢেকিয়াজুলি পৃষ্ঠা ৩১, দাম ·৮০ পইচা

৯১। **শান্তি পৰ্ব্বৰ সাধু** প্ৰথম প্ৰকাশ, ১৯৭০

মহাভাৰতৰ শান্তি পৰ্বৰ পাঁচোটা ৰসমধুৰ সাধুকথাৰ থুপ।

দত্তবৰুৱা এণ্ড কোম্পানী, গুৱাহাটী —১ পৃষ্ঠা ৩৯ মূল্য ·৮০ পইচা

৯২। **নল-দময়ন্তী** চতুৰ্থ তাঙৰণ ১৯৭০

শিশুৰ উপযোগীকৈ আকৰ্ষণীয় ৰূপত লিখা নল-দময়ন্তীৰ আখ্যান।

দত্তবৰুৱা এণ্ড কোম্পানী, গুৱাহাটী—১ পৃষ্ঠা ৩২, মূল্য ৫০ পইচা

৯৩। দুলাল বৰঠাকুৰ **কথা কোৱা বিচনা আৰু ফুলকুঁৱৰী (সচিত্ৰ)** প্ৰথম প্ৰকাশ, ১৯৬৯

শিশুৱে শুনি শুনি আশ্চৰ্য্য বিমুঢ় হৈ তন্ময় হব পৰাকৈ তিনিটা সাধুকথা সহজ সৰল ভাষাৰে বৰ্ণনা কৰা হৈছে।

শৰৎ বৰঠাকুৰ, আকাশবাণী, গুৱাহাটী পৃষ্ঠা ৩২, মূল্য ৫০ পইচা

৯৪। ধীৰেন্দ্ৰ নাথ শৰ্মা **মনৰ ভয়** প্ৰথম প্ৰকাশ ১৯৭০

শিশু মনৰ স্বাভাৱিক ভয়ৰ উদ্ৰেক হোৱা কাৰণসমূহ গল্পৰ ছলেৰে প্ৰকাশ কৰি সহজাত বৃত্তিবোৰ বিকাশৰ বাধা গুচোৱাৰ প্ৰচেষ্টা ছয়োটা গল্পৰ মাজত পৰিলক্ষিত হয়।

লক্ষ্মীকান্ত তালুকদাৰ, বামা থাটা পৃষ্ঠা ৩৪, দাম ১'৫০ পইচা

৯৫। নাৰায়ণ চন্দ্ৰ দাস **ৰূপকোঁৱৰৰ সাধু** তৃতীয় প্ৰকাশ, ১৯৭০

সাধু কথাৰ ছলেৰে বিভিন্ন উপদেশ সূচক বাণীবোৰ প্ৰচাৰ কৰা উদ্দেশ্য সন্মুখত ৰাখি শিশুৰ উপভোগ্য কেইটামান গল্প ইয়াত সমাবেশ কৰিছে।

ফেঞ্চি বুক হাউচ ঢেকীয়াজুলি মূল্য ১'২০ পইচা

৯৬। প্ৰফুল্ল চন্দ্ৰ বৰুৱা **মেও মহাৰাজ** প্ৰথম প্ৰকাশ, ১৯৭০

ভিতৰৰ মানুহটো আৰু মানুহৰ মনটো আচলতে একে ধৰণৰ। ওপৰৰ ছালৰ আৰু ছালৰ ওপৰৰ আৱৰণ বিধাকহে বেলেগ বেলেগ হয়। 'মেও মহাৰাজ'ৰ সন্নিবিষ্ট দহটি সাধুৰ যোগেদি শিশুৰ মনত এই সত্য প্ৰকাশৰ দিহা কৰিছে।

বাণী প্ৰকাশ পানবজাৰ, গুৱাহাটী—১ পৃষ্ঠা ৬০, দাম ১'৫০ পইচা

৯৭। প্ৰফুল্ল দত্ত **ককাদেউতাৰ সাধু** প্ৰথম প্ৰকাশ. ১৯৭০

দত্ত বৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ৩৪, মূল্য '৮০

৯৮। বিষ্ণুপ্ৰিয়া দত্ত বৰুৱা **অকণিৰ ধ্ৰুৱ** প্ৰথম প্ৰকাশ ১৯৭০

কণ কণ অকণিহঁতৰ অন্তৰত সত্য নিষ্ঠা, নৈতিকতা আদৰ্শৰ বীজ ৰোপণৰ উদ্দেশ্য ৰচিত।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী—১ পৃষ্ঠা ৪০, মূল্য ১'০০ টকা

৯৯। বিষ্ণুপ্ৰিয়া দত্ত বৰুৱা **ভক্ত প্ৰহ্লাদ** প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ ১৯৬৯

অকণিতে ধৰ্মৰ প্ৰতি আকৰ্ষণ বঢ়াবলৈ, হাজাৰ বিপদতো ঈশ্বৰৰ অস্তিত্ব উপলব্ধি কৰিবলৈ ঈশ্বৰভক্ত প্ৰহ্লাদৰ কাহিনীটো সহজ সৰল ভাষাৰে লিখিকাই দাঙি ধৰিছে।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী—১ মূল্য ১'০০ টকা



১০০। মিনতি হাজৰিকা **নেপাল দেশৰ সাধু** প্ৰথম প্ৰকাশ, মে' ১৯৭০

প্ৰতেকখন দেশৰে নিজস্ব বৈশিষ্ট্যৰ পৰম্পৰাভাৱে প্ৰচলিত সাধু কথা আছে; লিখিকাই এজন বুঢ়া নেপাল দেশৰ মানুহৰ মুখত শুনা সাধুবোৰকেই সুন্দৰ ভাষাৰে পুথি হিচাবে প্ৰকাশ কৰাৰ ফলত ৰূপ পাইছে নেপাল দেশৰ সাধু।

মনোৰমা প্ৰকাশ, যোৰহাট—২ পৃষ্ঠা ৪৪, ১'৫০ পইচা

১০১। মুনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা **আলাদিনৰ আচৰিত চাকি** দ্বিতীয় প্ৰকাশ, ১৯৭০

আলৌকিক, অবাস্তৱ কাহিনীয়ে শিশু মনত আনন্দ সঞ্চাৰ কৰিব পাৰে কাৰণেই আলাদিনৰ আচৰিত চাকিৰ আচৰিত আলৌকিক কাৰ্য্যাৱলীৰ সহজ সৰল বৰ্ণনা কৰা হৈছে।

দত্ত বৰুৱা এণ্ড কোম্পানী, গুৱাহাটী—১ পৃষ্ঠা ৩২, মূল্য ১'০০ টকা

১০২। মোহন চৌধুৰী **পুৰুৰ পিতৃভক্তি আৰু আন আন কাহিনী** প্ৰথম প্ৰকাশ, ১৯৭০

মহাকাব্যৰ কাহিনী বৰ্ণনাৰ মাজেৰে শিশুৰ মনত প্ৰাচীন ভাৰতীয় আদৰ্শৰ বীজ ৰোপন কৰাৰ উদ্দেশ্য সন্মুখত ৰাখি পুৰু পিতৃভক্তি, নচিকেতা, সতী সাবিত্ৰী, কৰ্ণৰ অতিথি সেৱা, বশিষ্ঠৰ সহনশীলতাৰ সৰল কাহিনী ইয়াত সন্নিবিষ্ট কৰিছে।

দত্ত বৰুৱা এণ্ড কোং গুৱাহাটী—১ পৃষ্ঠা ৩৭, মূল্য ১'০০

১০৩। মোহন চৌধুৰী **সীতাৰ পতি-ভক্তি আৰু আন আন কাহিনী** ১ম প্ৰকাশ, ১৯৭০

পুৰণি পুথিৰ কাহিনী কবলৈ গৈ সীতাৰ পতি-ভক্তি, বিদুৰৰ অতিথি সেৱা, দেৱ শত্ৰু গয়াসুৰৰ মুক্তি লাভ, পঞ্চ পাণ্ডৱৰ বিজয় যোগেদি প্ৰতিষ্ঠিত 'যথা ধৰ্ম্ম তথা জয়' আৰু সত্য ভামাৰ দৰ্পচূৰ্ণ সৰল ভাষাৰে বৰ্ণনা কৰিছে।

দত্তবৰুৱা এণ্ড কোং গুৱাহাটী—১ পৃষ্ঠা ৩৮, মূল্য '৭৫ পইচা

১০৪। মোহন চৌধুৰী **লক্ষ্মণৰ ভাতৃ ভক্তি আৰু আন আন কাহিনী** ১ম প্ৰকাশক, ১৯৭০

লক্ষ্মণৰ ভাতৃ-ভক্তি, ভীষ্মৰ প্ৰতিজ্ঞা, বাল্যবন্ধুৰ প্ৰতি কৃষ্ণ, মুক্তিকামী ভৰত, একলব্যৰ সাধনা, দধীচিৰ ত্যাগ এই ছয়টি উপাদেয় কাহিনীৰ মনোমোহা বৰ্ণনা সন্নিবিষ্ট হৈছে।

দত্ত বৰুৱা এণ্ড কোং গুৱাহাটী—১ পৃষ্ঠা ৩৮, মূল্য '৭৫ পইচা

১০৫। মোহন চৌধুৰী **ময়ুৰ কোঁৱৰ** প্ৰথম প্ৰকাশ, ১৯৭০

শিশু উপযোগী কল্পিত কাহিনী।

দত্ত বৰুৱা এণ্ড কোং গুৱাহাটী—১ পৃষ্ঠা ৫৮, মূল্য ১·০০ টকা

১০৬। সত্যব্ৰত শৰ্ম্মা। **জোন বেলি তৰা** প্ৰথম প্ৰকাশ, ১৯৯

লোক নিস্থত সতীত কাহিনীৰ দৰে নাটকীয় ঠাচত বিশ্ব-জগতৰ জোন বেলি তৰা আদিৰ বিষয়ে শিশু মনক যোগান ধৰা উপাদেয় অন্তৰীক্ষৰ জ্ঞান।

শ্ৰীভূমি পাব্লিচিং কোম্পানী, কলিকতা—৯ মূল্য—৩·৫০

১০৭। সুব্ৰতা বৰুৱা। **সাধুকথা** প্ৰথম প্ৰকাশ, জানুৱাৰী ১৯৬৯

বিখ্যাত 'ৰাল্‌টাৰ মাৰে'ৰ The Animal Stories' নামৰ গল্পবোৰৰ আলমত সম্পূৰ্ণ অসমীয়া পৰিৱেশত ৰচনা কৰা তেৰটি গল্পৰ সংকলন।

লিখিকা, উলুবাৰী, গুৱাহাটী, পৰিৱেশক —লয়াৰ্চ বুকষ্টল গুৱাহাটী— পৃষ্ঠা ৯১, মূল্য ৩·০০

১০৮। সুৰেন্দ্ৰ কুমাৰ দাস (ক) **বকাসুৰৰ সাধু** দ্বিতীয় প্ৰকাশ, ১৯৬৯

বকাসুৰৰ উৎপাত আৰু ভীমৰ লগত হোৱা যুদ্ধৰ উপাদেয় কাহিনী।

দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ৩১, মূল্য ·৭৫ পইচা

১০৯। সুৰেন্দ্ৰ কুমাৰ দাস (খ) **একলব্যৰ গুৰু দক্ষিণা** দ্বিতীয় প্ৰকাশ, ১৯৬৯

শিষ্যসকলে গুৰুক কেনে ব্যৱহাৰ কৰিব লাগে তাৰেই চৰম নিদৰ্শন একলব্য। সকলো পৰা একলব্যৰ গুৰুৰ প্ৰতি অগাধ ভক্তি আছিল কাৰণে তেওঁ বিদ্যা শিক্ষা লাভ কৰিছিল।

কমল ষ্টোৰ্চ, বৰপেটা— পৃষ্ঠা ২৯, মূল্য ·৭৫ পইচা

১১০। হৰেন্দ্ৰনাথ কলিতা **পৃথিৱীৰ সাধু** প্ৰথম প্ৰকাশ, জুলাই ১৯৬৯

ৰহস্যময় পৃথিৱীৰ বিচিত্ৰ জন্ম কথা, বিচিত্ৰ জীৱ-জন্তুৰ কাহিনী, বিচিত্ৰ জগতৰ বিচিত্ৰ কথাৰে ভৰপূৰ এই পুথি। কেন্দ্ৰীয় চৰকাৰৰ এহেজাৰ টকা পুৰস্কাৰ-প্ৰাপ্ত গ্ৰন্থ।

প্ৰকাশক গ্ৰন্থকাৰ, ভৰলুমুখ, গুৱাহাটী—১ পৃষ্ঠা ১৪৬, পকা দাম ৪·২৫

১১১। সুনীতি দেৱী **বিশ্ব সাহিত্যৰ মণি-মুকুতা** প্ৰথম প্ৰকাশ, আগষ্ট ১৯৬৯

বিশ্ব সাহিত্যৰ একো একোটা মণি-মুকুতা স্বৰূপ বেদ, ৰামায়ণ, মহাভাৰত, পঞ্চতন্ত্ৰ, বাইবেল আদি বিখ্যাত কাব্য, নাট আৰু প্ৰাতঃস্মৰণীয় সাহিত্যিক কাব্যকাৰৰ চমু আভাস থকা ৯টা প্ৰবন্ধৰ সংকলন।

দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ৯৩, মূল্য ২·০০ টকা



১১২। হিতেন্দ্ৰ ৰায় চৌধুৰী **হাঁহি চম্পাৰ সাধু** ( প্ৰথম প্ৰকাশ, ১৯৬৯ )

দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ৩২, মূল্য ·৭০ পইচা

১১৩। জন্ পিঙ্কু প্ৰণৱ **সুন্দৰ বন** ( প্ৰথম প্ৰকাশ, ১৯৭০ )

স্কুলীয়া ছাত্ৰ হলেও কবিতা কেইটিৰ মাজেদি স্বদেশপ্ৰীতি, মানব-প্ৰেম, মহাপুৰুষভক্তি, সাহসিকতা বিকাশত অভিজ্ঞ কবিৰ পৰিচয় নিহিত আছে। সুখ-পাঠ্য কবিতা-সংকলন।

ডাঃ নৃপেন্দ্ৰমল্ল বৃজবৰুৱা, নলবাৰী পৃষ্ঠা ৬০, মূল্য ১·০০

১১৪। প্ৰমথ চন্দ্ৰ নাথ **দৰ্পণ** ( প্ৰথম প্ৰকাশ ১৯৭০ )

সুখ-পাঠ্য কবিতাৰ সংগ্ৰহ।

প্ৰকাশক—ধনেশ্বৰ নাথ, পৰিবেশক—নিউ বুক ষ্টল, নলবাৰী পৃষ্ঠা ৬৬, মূল্য ২·০০ টকা

১১৫। কমলেশ্বৰ চলিহা।

(ক) **এনী বেচাণ্ট** ( প্ৰথম প্ৰকাশ, ১৯৬৯ ) পৃষ্ঠা ২৩ মূল্য ·৭৫ পইচা।
(খ) **মহামতী গোপালকৃষ্ণ** গোখ্‌লে ( ১ম প্ৰকাশ, ১৯৬৯ ) পৃঃ ১৮, দাম ·৭৫
(গ) **পণ্ডিতা ৰমাবাই** ( ১ম প্ৰকাশ ১৯৬৯ ) পৃষ্ঠা ১৭, মূল্য ·৭৫
(ঘ **পণ্ডিত মতিলাল নেহৰু** ( ১ম প্ৰকাশ, ১৯৬৯ ) পৃষ্ঠা ১৭, দাম ·৭৫
(ঙ) **ভগ্নী নিবেদিতা** ( ১ম প্ৰকাশ, ১৯৬৯ )

দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ১৮, মূল্য ·৭৫

১১৬। কৃষ্ণকান্ত ভট্টাচাৰ্য্য— (ক) **আনন্দৰাম বৰুৱা** ( দ্বিতীয় প্ৰকাশ ১৯৬৯ )

কমল ষ্টোৰ্চ, বৰপেটা পৃষ্ঠা ৩২, মূল্য ·৭৫ পইচা

(খ) **অকণিৰ মাধৱদেৱ** ( প্ৰথম প্ৰকাশ ১৯৭০ )

মহাপুৰুষ মাধৱদেৱৰ জীৱনীৰ লগতে প্ৰচাৰিত নাম-ধৰ্ম, ৰচিত বিভিন্ন গ্ৰন্থৰ শিশু-উপযোগী আভাস দিয়াত শিশুৰ বাবে আৰম্ভকীয় পুথিত পৰিণত হৈছে।

নগেন্দ্ৰ লাইব্ৰেৰী, কোকৰাঝাৰ পৃষ্ঠা ৪০, মূল্য ·৮০ পইচা

১১৭। সুৰেন্দ্ৰ কুমাৰ দাস— (ক) **শিশুৰ শঙ্কৰদেৱ** ( প্ৰথম প্ৰকাশ, ১৯৭০ )

কণ কণ লৰা-ছোৱালীৰ বাবে উপযোগীকৈ প্ৰস্তুত কৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ চমু জীৱনী।

নগেন্দ্ৰ লাইব্ৰেৰী, কোকৰাঝাৰ, পৃষ্ঠা ৪০, মূল্য ·৭৫ পইচা

**(খ) শিশুৰ সুভাষচন্দ্ৰ** (প্ৰথম প্ৰকাশ ১৯৭০)

নেতাজী সুভাষচন্দ্ৰক লৈ আজিৰ সমাজত আলোড়ন সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিত তেখেতৰ চমু জীৱনী আৰু কৰ্ম-জীৱনৰ চমু আভাস দিবলৈ চেষ্টা কৰা হৈছে।

উষা প্ৰকাশ ঘৰ, ৰঙিয়া পৃষ্ঠা ৩২, মূল্য ৮০ পইচা

১১৮। ডঃ প্ৰণৱজ্যোতি ডেকা

**আৰু এটি অমীমাংসিত হত্যা** প্ৰথম প্ৰকাশ জুলাই ১৯৭০

ৰহস্য উপন্যাসৰ অভাব দূৰীকৰণাৰ্থে আধুনিক বিদেশী চোৰাংচোৱাগিৰিৰ কল্পিত ঘটনাৰ আলমত ৰহস্যময় পৰিবেশত ৰচনা কৰা ওখ থাপৰ ডিটেক্টিভ উপন্যাস।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী-১ পৃষ্ঠা ১৭২ মূল্য ৪'০০ টকা

১১৯। প্ৰেমনাৰায়ণ দত্ত

(১) পা-ফু চিৰিজ ৭ **দৰ্প-চূৰ্ণ** দ্বিতীয় সংস্কৰণ, ১৯৬৯

অসমীয়া পঢ়ুৱৈ সমাজৰ মাজত আশ্চৰ্য্যৰ আলোড়ন সৃষ্টি কৰা, জনপ্ৰিয় পা-ফু চিৰিজৰ প্ৰায় ৩০খন ডিটেক্টিভ উপন্যাস আৰু বিভিন্ন প্ৰায় ৩০খন ৰসাল গল্প, উপন্যাস ৰচনা কৰোতা 'প্ৰেম নাৰায়ণ' অসমীয়া সাহিত্যৰ 'মিথ' (myth) স্বৰূপ। তেখেতৰ কিতাপৰ একাধিক সংস্কৰণেই জনপ্ৰিয়তাৰ পৰিচায়ক।

মণি-মাণিক প্ৰকাশ, গুৱাহাটী-১ পৃষ্ঠা ১৫৩, মূল্য ৩'০০ টকা

১২০। (৩) পা-ফু চিৰিজ-৯ **শক্তি শেল** ২য় তাঙৰণ, জুলাই ১৯৭০

সৰ্ব্বজন সমাদৃত ৺দত্তৰ চাঞ্চল্যকৰ অন্যতম ডিটেক্টিভ উপন্যাস

পৃষ্ঠা ১৩৬, মূল্য ৩'০০ টকা

১২১। (৪) পা-ফু চিৰিজ-১১ **ৰূপান্তৰ** ২য় তাঙৰণ, জুলাই ১৯৭০

চাঞ্চল্যকৰ কাহিনীৰে ভৰা "ৰূপান্তৰ"।

মণি-মাণিক প্ৰকাশ গুৱাহাটী—১ পৃষ্ঠা ১২০, মূল্য ৩'০০ টকা

১২২। ৰংমন

কলিকতাৰ শ্ৰীভূমি পাব্লিচিং কোম্পানীৰ আবদাৰত 'ৰংমন' ছদ্ম নামেৰে Conan Doyle ৰ দৰে চাঞ্চল্যকৰ ৰহস্য উপন্যাস 'দস্যু ভাস্কৰ চিৰিজ' প্ৰকাশ পাইছে। অসমীয়াত প্ৰেমনাৰায়ণ দত্তৰ পা-ফু চিৰিজৰ দৰে জনপ্ৰিয় চিৰিজ। বৰ্তমানলৈ মুঠ চৈধ্য খন ডিটেক্টিভ উপন্যাস প্ৰকাশ পাইছে; পঢ়ুৱৈসমাজৰ অভাৱ কিছু পৰিমানে দূৰ হব নিশ্চয়।



১২৩। (ক) দস্যু ভাস্কৰৰ আবিৰ্ভাব (২য় প্ৰকাশ, ১৯৬৯) পৃষ্ঠা ১৫৯, দাম ২'৫০

১২৪। (খ) গুহা মানব ভাস্কৰ (৩য় প্ৰকাশ, ১৯৭০) পৃষ্ঠা ১৩৩, দাম ২'৫০

১২৫। (গ) বিমান যুদ্ধত ভাস্কৰ (২য় মুদ্ৰন, ১৯৬৯) পৃষ্ঠা ১৩৫, দাম ২'৫০

১২৬। (ঘ) দস্যু ভাস্কৰৰ অন্তৰ্ধান (২য় মুদ্ৰন, ১৯৭০) পৃষ্ঠ ১৫১, মূল্য ২'৫০

১২৭। (ঙ) দস্যু ভাস্কৰ আৰু অদৃশ্য মানব (২য় মুদ্ৰন, ১৯৭০) পৃষ্ঠা ১৫৮, মূল্য ২'৫০

১২৮। (চ) অগ্নিৰ সীমান্ত আৰু দস্যু ভাস্কৰ (২য় মুদ্ৰন, ১৯৭০) পৃষ্ঠা ১৩৪, মূল্য ২' ০

১২৯। (ছ) ক্ষমাহীন ভাস্কৰ (২য় মুদ্ৰন, ১৯৭০) পৃষ্ঠা ১১৬, মূল্য ২'৫০

১৩০। (জ) জ্বলিবা পাৰত ভাস্কৰ (১ম প্ৰকাশ, ১৯৭০) পৃষ্ঠা ১২৩, মূল্য ২'৫০

১৩১। (ঝ) ভাস্কৰৰ ক্ৰোধবহ্নি (১ম প্ৰকাশ ১৯৭০) পৃষ্ঠা ১৫৪, মূল্য ২'৫০

১৩২। (ঞ) নৰঘাতক ভাস্কৰ (১ম প্ৰকাশ, ডিচেম্বৰ১৯৭০) মূল্য ২'৫০

১৩৩। (ট) দস্যু ভাস্কৰ আৰু মন্ত্ৰী পতন (১ম প্ৰকাশ ডিচেম্বৰ ১৯৭০) মূল্য ২'৫০

১৩৪। পৱন কোঁৱৰ চিৰিজ-২ **পৰ্বতৰ ৰিঙণি** ১ম প্ৰকাশ, ডিচেম্বৰ, ১৯৭০পৃষ্ঠা ১৪৯, দাম ২'৫০

প্ৰকাশক—শ্ৰীভূমি পাব্লিচিং কোম্পানী ৭৯ মহাত্মা গান্ধী ৰোড, কলিকতা—৯

১৩৫। অণু বৰুৱা, **আৰ্চিঘৰ** (প্ৰথম প্ৰকাশ, মাৰ্চ ১৯৬৯)

জীৱন সমুদ্ৰ মন্থনত অমৃত আৰু গৰল, ভাল আৰু বেয়া উভয়ে উদ্ভৱ হোৱা বৈচিত্ৰ্যময় জীৱন অভিজ্ঞতাই আৰ্চিঘৰৰ ২২টি গল্পৰ আত্মা, লিখিকাই স্বীকাৰ কৰা মতে ন-বোৱাৰী এখন চিত্ৰহে।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী—১ পৃষ্ঠা ১৬২, মূল্য ৪'০০

১৩৬। অৰুণ গোস্বামী **প্ৰতিপদৰ জোন** (প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৭০)

আধুনিক সমাজৰ পটভূমিত কাণ্ডাৰী, প্ৰতিযোগিতা, নতুন নক্ষত্ৰ, পৰীক্ষা আদি নামৰ মুঠ আঠটা চুটি গল্পৰ সংকলন।

মিত্ৰ এজেন্সি এণ্ড কোং, তিনিচুকীয়া পৃষ্ঠা ৬৬, মূল্য ৩'০০ টকা

১৩৭। অমূল্য চক্ৰবৰ্তী **কৰিম মুন্সীৰ চৰ** (প্ৰথম প্ৰকাশ, ১৯৭০)

আকাশ বাণীত প্ৰচাৰিত 'তমসো মা' আৰু পাঁচোটা গল্পৰ (অস্ত'ৰগ্নাৰ গান, নাগপাশ, মহাসাগৰ, সুভদ্ৰা, আৰু কৰিম মুন্সীৰ চৰ) সমাবেশেই উপাদেয়-গল্প সংকলন।

দত্তবৰুৱা এণ্ড কোং গুৱাহাটী—১ মূল্য ২'৫০

১৩৮। আব্দুল মালিক সমাজ সচেতন মালিকৰ বলীষ্ঠ লিখনি প্ৰসূত গল্পৰ শৰাই

**(ক) মৰহা পাপৰি—** ( প্ৰথম প্ৰকাশ, ১৯৬৯ ) মূল্য ৩·৫০

**(খ) শিল আৰু শিখা—** ( তৃতীয় প্ৰকাশ, অক্টোবৰ ১৯৬৯ )

ছটা উৎকৃষ্ট গল্পৰ সংকলন। পৃষ্ঠা ১১২, মূল্য ৩·৫০

মিত্ৰ এজেঞ্চি এণ্ড কোং, তিনিচুকীয়া

১৩৯। কৃষ্ণকান্ত ভট্টাচাৰ্য্য **আৰতি, মালতী আৰু শ্ৰীমতী** ( প্ৰথম প্ৰকাশ, ১৯৬৯ )

অধুনিক ছটা গল্পৰ সমষ্টি। প্ৰচলিত সামাজিক নীতি-নিয়মৰ আলোচনা সমালোচনাৰে ভৰপূৰ এই পুথিখনি কিছুমান ডেকা-গাভৰুৰ দোষ-গুণ বৰ্ণোৱা গল্প সংকলন।

গোস্বামী পাব্লিচিং কোং, গুৱাহাটী—১ পৃষ্ঠা ৬৭, মূল্য ২·৫০ টকা

১৪০। গোকুল ডেকা **এখন দেৱাল** (মিনি গল্পৰ সংকলন) প্ৰথম প্ৰকাশ অক্টোবৰ ১৯৭০

প'চিশটা মিনি গল্পৰ সংকলন। অতি কম কথাৰে একোটি কাহিনী একোটি সংঘাত, একোটি চিন্তা গল্পৰ ৰূপত প্ৰকাশ কৰি একশ্ৰেণীৰ পৰীক্ষামূলক সাহিত্য-সৃষ্টিৰ প্ৰচেষ্টা। পকেট বুক চাইজ

বি, আৰ কলিতা এণ্ড কোং, তেজপুৰ পৃষ্ঠা ৮০, মূল্য ১·২৫

১৪১। গোলাপ খাওণ্ড **( গিৰমিট )** প্ৰথম প্ৰকাশ ১৯৬৯

অসমীয়া চাহ-বাগিচাৰ জীৱন-ধাৰা ভিত্তি কৰি লিখা গল্প সংকলন।

ওৰিয়েণ্টেল বুক কোং, গুৱাহাটী—১ পৃষ্ঠা ১৪৪, দাম ৩·৫০ পইচা

১৪২। জয়কান্ত গন্ধীয়া **অশ্লীল স্কেচ** ( প্ৰথম প্ৰকাশ, ১৯৭০ )

আধুনিক সমাজ ব্যৱস্থাৰ মাজত অহৰ্নিশে ঘটি থকা জীয়া মানুহৰ কাহিনীকেই সাতোটি আলেখ্যত গন্ধীয়াই সাহসেৰে অঙ্কন কৰিছে। মানবীয় অনুভূতি বিকাশত কোনো অশ্লীলতা নাই।

দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ১১৭, দাম ৩·৫০

১৪৩। জ্যোতিমায়া **জীৱনটো যদি অভিনয় হয়** ( দ্বিতীয় প্ৰকাশ, ১৯৭০ )

আধুনিক পৰিবেশত অধুনা-কৌশলৰ অৱলম্বনত ৰচনা কৰা পাঁচটা গল্পৰ আটকধুনীয়া সংকলন।

'ফেন্সি' বুক হাউচ, ঢেকিয়াজুলি, তেজপুৰ পৃষ্ঠা ৫১, দাম ২·২৫



১৪৪। ত্ৰৈলোক্য নাথ গোস্বামী **জীৱনৰ জীয়া জুই** প্ৰথম প্ৰকাশ ১৯৭০

বিভিন্ন সময়ত লিখা ইতিমধ্যে দিল্লী আৰু গুৱাহাটী কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত ( শিপিনী 'মনীষা আৰু সুব্ৰত' ) গল্প দুটিৰ সৈতে মুঠ তেৰটা সুন্দৰ গল্পৰ সংগ্ৰহ। প্ৰবীণ সাহিত্যিক গোস্বামীদেৱৰ সৰল বাক্ দৃষ্টি ভঙ্গী, সমাজ সচেতনতা গল্পৰ কাহিনীৰ মাজত দেখা যায়।

মিত্ৰ এজেন্সি এণ্ড কোং তিনিচুকীয়া, পৃষ্ঠা ১০১, দাম ৩·৫০

১৪৫। নাৰায়ণ চন্দ্ৰ দাস **অভিসাৰিকা** প্ৰথম প্ৰকাশ, ১৯৭০

প্ৰাপ্ত-বয়স্কৰ কাৰণে পাঁচটি গল্পৰ সমষ্টি। উপহাৰৰ উপযোগী সুন্দৰ বেটুপাতেৰে মনোমোহা গল্পৰ সংকলন।

ফেঞ্চি বুক হাউচ, ঢেকিয়াজুলি পৃষ্ঠা ৬৮, মূল্য ২·৫০

১৪৬। নিৰুপমা ফুকন, **বিশ্ব গল্প চয়নিকা** দ্বিতীয় প্ৰকাশ, ১৯৭০

চৈয়দ আব্দুল মালিকৰ অসমীয়া গল্পটিৰ বাহিৰে বাকী তেৰটি পৃথিবীৰ অন্যান্য ভাষা সাহিত্যৰ প্ৰখ্যাত গল্পকাৰ সাহিত্যিকৰ প্ৰাঞ্জল অসমীয়াত অনুবাদ কৰা হৃদয় গ্ৰাহী গল্পৰ সুন্দৰ সংকলন।

প্ৰাগ্‌ভাৰতী প্ৰকাশন মন্দিৰ, চিলং পৃষ্ঠা ২৭৬, মূল্য ৭·৫০

১৪৭। পদ্ম বৰকটকী **বিয়াৰ প্ৰথম নিশা** প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৭০

বৰকটকীৰ ৰচনা শৈলীৰ নতুনত্ব, চৰিত্ৰ সৃষ্টিত দুঃসাহসিকতা ইয়াত সন্নিবিষ্ট সাতোটি চুটি-গল্পত বিচাৰি পাব।

মিত্ৰ এজেঞ্চি এণ্ড কোং, তিনিচুকীয়া পৃষ্ঠা ৬৮, দাম ৩·০০

১৪৮। প্ৰসন্নকুমাৰ শৰ্ম্মা **আদালতৰ কাহিনী** প্ৰথম প্ৰকাশ, ১৯৬৯

আদালতৰ চৌহদৰ ভিতৰত কি কি ঘটে, কি কি মোকৰ্দ্দমাৰ বিচাৰ হয়, বিচাৰত কি ৰায় দিয়া হয়, আদি বিভিন্ন কথাৰ সম্ভেদ লবলৈ ইচ্ছুকসকলৰ বাবে ৰহস্যময়, লোমহৰ্ষক হত্যাকাণ্ডৰ বিচাৰ সন্নিবিষ্ট মুঠ বাৰটা কাহিনী গল্পৰ আদৰ্শত দাঙি ধৰিছে।

মীৰা শৰ্ম্মা, বৰপেটা পৃষ্ঠা ১৫১, দাম ৪·০০

১৪৯। বিজয় সিংহ **অনূঢ়া প্ৰাণৰ কঁপনি** প্ৰথম প্ৰকাশ, ১৯৬৯

অসমীয়া জাতীয়তাবোধেৰে অনুপ্ৰাণিত এজন অসমীয়া শিখে অসমত থকা ব্যৱসায়ী মনোবৃত্তিৰ পঞ্জাবী তথা অধঃপতিত সমাজ চৰিত্ৰ উদঙাই দেখুৱাৰ সাহস পোন প্ৰথমেই শ্ৰীসিংহই এই কিতাপত দেখুৱালে। লিখকৰ বাস্তৱ অভিজ্ঞতা পুষ্ট কাহিনীকেই কল্পনাৰ ৰহন সানি সমাজ জীৱনত প্ৰেমৰ মহিমা ঘোষণা কৰিবলৈ প্ৰচেষ্টা চলোৱাৰ ফলত ৰচিত হৈছে।

আত্মা প্ৰকাশ, বৰ ক'লা, নগাওঁ পৃষ্ঠা ৪৮, মূল্য ২·০০

১৫০। ভবেন্দ্র নাথ শইকীয়া **গহ্বৰ** প্ৰথম প্ৰকাশ, ১৯৬৯

শইকীয়াৰ বলীষ্ঠ লিখনীৰ পৰিচয় থকা, জীৱনৰ সূক্ষ্ম অনুভূতিৰ সম্ভেদ ৰখা গল্প চানেকীৰ মুঠ এঘাৰটা গল্পৰ সুন্দৰ সংকলন।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ পৃষ্ঠা ২০৪, দাম ৫·০০ টকা

১৫১। **সেন্দুৰ** প্ৰথম প্ৰকাশ, ডিচেম্বৰ ১৯৭০

১৯৫৩ৰ পৰা ১৯৬৮ চনৰ ভিতৰত লিখা শইকীয়াৰ সমাজ সচেতন মনৰ বিশ্লেষণাত্মক সংঘাতেৰে ভৰা মুঠ এঘাৰটা গল্পৰ মনোমুগ্ধকৰ সংকলন। শইকীয়াৰ বলীষ্ঠ প্ৰকাশ ভঙ্গী, চৰিত্ৰ সৃষ্টি পুথিৰ বিশেষত্ব।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী -১ পৃষ্ঠা ২১২, দাম ৫·০০

১৫২। লক্ষ্মীনন্দন বৰা **গোপন গধুলি** প্ৰথম প্ৰকাশ, ১৯৬৯

বৰাৰ সমাজ-জীৱন বোধ প্ৰফুটিও হোৱা উচ্চ খাপৰ গল্পৰ আটকধুনীয়া সংকলন।

মিত্ৰ এজেন্সি এণ্ড কোং, তিনিচুকীয়া দাম ৩·৫০ পইচা

১৫৩। লক্ষ্মীনাথ ফুকন **মৰমৰ মাধুৰী** তৃতীয় প্ৰকাশ, ১৯৬৯

অতি ওখ খাপৰ নটি গল্পৰ সংকলন, কলেজীয়া পাঠ্য পুথি।

বিভুভূষণ চৌধুৰী, অসমীয়া সাহিত্য মন্দিৰ, চিলং পৃষ্ঠা ১৭৬, মূল্য ৬·০০ টকা

১৫৪। হোমেন বৰগোহাঞি আৰু নন্দতালুকদাৰ সম্পাদিত **ৰৌদ্ৰ নীলিমা** প্ৰথম প্ৰকাশ, ১৯৬৯

পুৰণি আলোচনীবোৰ ক্ৰমে দুষ্প্ৰাপ্য হবলৈ ধৰাত সেই আলোচনীবোৰে বহন কৰা অসমীয়া ভাষা-সাহিত্যৰ মুকুতা স্বৰূপ অনেক প্ৰবন্ধ, কবিতা চুটি-গল্প পাহৰণিৰ গৰ্ভত বিলীন হবলৈ উপক্ৰম হোৱাত সম্পাদক দুজনাৰ চেষ্টাত আৱাহনৰ পাতত সিঁচৰিত হৈ থকা চৈধ্যজন বলীষ্ঠ লিখক-লিখিকাৰ চৈধ্যটি বৈচিত্ৰ্যমণ্ডিত চুটি-গল্পৰ সংকলনেই 'ৰৌদ্ৰ-নীলিমা'।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ পৃষ্ঠা ২২৭, দাম ৫·০০

১৫৫। কীৰ্ত্তিনাথ হাজৰিকা **নাৰদৰ ডায়েৰী** প্ৰথম প্ৰকাশ, জুলাই ১৯৭০

আজিৰ অতি ব্যস্ত, আটকীয়া দিনৰ দুখ বেজাৰৰ মাজতো হাঁহিকেই মৰগীয়া বানচ হিচাপে ব্যৱহাৰ কৰি জীৱন যুদ্ধত যুজাৰু হবলৈ উদগোৱা ব্যঙ্গাত্মক ৰম্যৰচনা 'নাৰদৰ ডায়েৰী' হাস্যৰসক অবলম্বন ৰূপে লোৱা গল্প কেইটামান, ধেমেলীয়া নাটিকা তিনিখনিৰ সংকলন।

গুৱাহাটী বুক ষ্টল, শিল পুখুৰী, গুৱাহাটী-৩। পৃষ্ঠা ১৪০, দাম ৪·০০



১৫৬। ৺মহীচন্দ্ৰ বৰা— **উকীলৰ জন্ম ৰহস্য** প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ ১৯৭০

আৱাহন যুগৰ গল্প-সম্ৰাট, 'শাস্তি-শতক' আৰু মাণিকৰ ৰচক আইনজীৱি, সমাজ কৰ্মী ৺মহীচন্দ্ৰ বৰা (১৮৯৪-১৯৬৫) অসমীয়া সাহিত্যৰ ইতিহাসত অবিস্মৰণীয় নাম। গল্পবোৰ লিখকৰ ব্যাপক জীৱন-বীক্ষা, প্ৰগতিশীল দৃষ্টি-ভঙ্গী আৰু সংস্কাৰকামী মনোভাবেৰে সমৃদ্ধ।

গুৱাহাটী বুক ষ্টল, শিল পুখুৰী, গুৱাহাটী-৩ পৃষ্ঠা ১৯১, দাম ৫ টকা

১৫৭। অমু বৰুৱা **অন্ত তৰা** প্ৰথম প্ৰকাশ, ১৯৭০

লিখিকাৰ উপন্যাস সৃষ্টিৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ হলেও অভিজ্ঞা ঔপন্যাসিকাৰ দৰে আত্ম বিবৃত্তি মূলক কৌশল গ্ৰহণ কৰি ৰচনা কৰা আবেগ গধুৰ উপন্যাস।

মনোৰমা প্ৰকাশ, টাউন ষ্টেচন ৰোড, যোৰহাট পৃষ্ঠা ১১৪, মূল্য ৪·০০ টকা

১৫৮। আদ্যনাথ শৰ্মা **জীৱনৰ চাৰি আধ্যায়** প্ৰথম প্ৰকাশ, ডিচেম্বৰ ১৯৬৯

এজন বুদ্ধি দীপ্ত মৰম লগা সপ্ৰতিভ কেৰলীয়া লৰাৰ সাংসাৰিক বহু সম্ভাৱনাৰ ভবিষ্যত সম্বন্ধে সহানুভূতিৰে অঙ্কণ কৰা সঁচা অথচ ৰসমধুৰ কাহিনীৰ মনোমুগ্ধকৰ সামাজিক উপন্যাস।

গন্থকাৰ, চিত্ৰলেখা ভৱন, নলবাৰী পৃষ্ঠা ১৯২, মূল্য ৪·৫০

১৫৯। আব্দুল মালিক **(ক) অমৰ মায়া** প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৭০

মালিকৰ 'অমৰ মায়াত' অবিশ্বাস্য চৰিত্ৰ আৰু পৰিস্থিতি আৰু অভাৱনীয় ক'ইন্সিদেন্স থাকিলেও ৰোমাণ্টিক আমোদজনক বিষয় বস্তু আছে।

—মিত্ৰ এজেন্সি এণ্ড কোং, তিনিচুকীয়া পৃষ্ঠা ৭৫, দাম ৩·৫০

১৬০। **(খ) অঘৰী আত্মাৰ কাহিনী** প্ৰথম প্ৰকাশ, মাৰ্চ্চ ১৯৬৯

প্ৰকাশক গুৱাহাটী বুকষ্টল, গুৱাহাটী—৩, পৃষ্ঠা ১৫৬, মূল্য ৪·০০

১৬১। **(গ) বিহমেটেকাৰ ফুল** প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ ১৯৬৯

—মিত্ৰ এজেন্সি এণ্ড কোং, তিনিচুকীয়া। পৃ

১৬২। ঈশ্বৰ মহন্ত **মৰহি যোৱা কঁহুৱা ফুল** প্ৰথম প্ৰকাশ, ১৯৭০
শ্ৰীভূমি পাৱলিচিং কোম্পানী, ৭৯ মহাত্মাগান্ধী ৰ'ড, কলিকতা—৯ পৃষ্ঠা ১২৮ মূল্য ৩.৫০

১৬৩। কনান ডয়েল ( Conan Doyle ) অনুবাদক—অধ্যাপক ৰাইহান সাহ—

**বিলুপ্ত জগত** প্ৰথম প্ৰকাশ, জানুৱাৰী ১৯৭০
বিখ্যাত ইংৰাজ ঔপন্যাসিক কনান ডয়েলৰ অভূতপূৰ্ব্ব আশ্চৰ্য্যজনক কাহিনী 'The Lost World'ৰ অসমীয়া অনুবাদ।
অসম প্ৰকাশন পৰিষদ, গুৱাহাটী—৩ পৃষ্ঠা ১৬৭, মূল্য ৫.০০

১৬৪। কামাখ্যা সভাপণ্ডিত (ক) **দেৱতাৰ ফুল** দ্বিতীয় প্ৰকাশ, চেপ্টেম্বৰ ১৯৭০
অশ্লীল সাহিত্যৰ প্ৰতি সাধাৰণ চাম পঢ়ুৱৈ সৰ্ব্বান্তঃ কৰণে ঢাল খোৱাৰ প্ৰমাণ তেনে গ্ৰন্থৰ নৱ সংস্কৰণৰ তাগিদাই।
গুৱাহাটী বুক ষ্টল, শিলপুখুৰী গুৱাহাটী—৩ পৃষ্ঠা ১৬৭, মূল্য ৪.০০

১৬৫। (খ) **এখন বিয়াৰ ছবি** প্ৰথম প্ৰকাশ, ১৯৬৯
লয়াৰ্চ বুক ষ্টল, গুৱাহাটী—১ পৃষ্ঠা ১১২ মূল্য ৩.০০ টকা।

১৬৬। কামিনী ফুকন (১০) **উলঙ্গ আত্মা** প্ৰথম খণ্ড, প্ৰথম প্ৰকাশ ১৯৭০
প্ৰাপ্ত-বয়স্কৰ বাবে লিখা দুৰ্গন্ধ গলিত বাস কৰা কুমাৰী এজনীৰ অন্তৰ পৰশা অভিজ্ঞতাৰ উলঙ্গ পৰিবেশৰ মুক্ত স্বীকাৰোক্তি।
ফেন্সী বুক হাউচ, ঢেকীয়াজুলি, দৰং পৃষ্ঠা ১৬৩ মূল্য ৪.৫০

১৬৭। কুমাৰ কিশোৰ— (ক) **কিঙ্কিনীৰ কলঙ্ক** প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৭০
বহুদিন নিতাল মাৰি থকা আগশ্ৰেণীৰ ঔপন্যাসিক কুমাৰ কিশোৰে টেপ্‌ ৰেকৰ্ডৰ সহায়ত বাণীবদ্ধ কৰা মনস্তাত্বিক বিশ্লেষনাত্মক কাহিনীৰ প্ৰথম প্ৰচেষ্টা।
গুৱাহাটী বুকষ্টল, গুৱাহটী—৩ পৃষ্ঠা ১৫২, মূল্য ৪.০০ টকা

১৬৮। (খ) **জুই, ধোৱা আৰু ছাঁই** প্ৰথম প্ৰকাশ, ১৯৭০
দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ১০৩, মূল্য ৩.০০ টকা

১৬৯। কৃষ্ণকান্ত ভট্টাচাৰ্য্য— (ক) **দিগন্তৰ আহ্বান** প্ৰথম প্ৰকাশ, ১৯৭০
সমাজৰ মানুহবোৰ কিমান স্বাৰ্থপৰ, আজিৰ সুসভ্য সমাজখন কোন পথত পদক্ষেপ পেলাইছে—এইবোৰৰ স্বচ্ছ ছবি এই উপন্যাসত পৰিস্ফুট।
ফেন্সী বুক হাউচ, ঢেকিয়াজুলি পৃষ্ঠা ৬৭, মূল্য ২.৫০



১৭০। কৃষ্ণকান্ত ভট্টাচাৰ্য্য (খ) **তাইৰ নাম সবিতা** প্ৰথম প্ৰকাশ, ১৯৭০
ধনীৰ অভিমানী এজনী ছোৱালীৰ নাম তাইৰ সবিতা। ধূপ-কাঠিৰ দৰে পুৰি শেষ হব খোজা তাইৰ জীৱন কাহিনী।
উষা প্ৰকাশ ঘৰ, ৰঙিয়া, অসম পৃষ্ঠা ৬৮, মূল্য ২.৫০ পইচা

১৭১। কৃষ্ণ প্ৰসাদ বৰঠাকুৰ **যি কথা নহ'ল কোৱা বা ৰহস্যময় জীৱন** প্ৰথম প্ৰকাশ, ১৯৭০
আহোম ৰজাৰ ৰাজধানী গৌৰৱ মণ্ডিত গড়গাওঁৰ তলাতলি ঘৰত পোৱা ৰজাদিনীয়া ধন, সোণ হীৰা-মুকুতাৰ মনোমুগ্ধকৰ কাহিনী আৰু বৈচিত্ৰপূৰ্ণ মানবচৰিত্ৰ অৱনে এই উপন্যাসখনিকে আধা দিঠক, আধা সপোনত ৰূপ দিয়া ৰহস্যপূৰ্ণ উপন্যাসৰ শাৰীলৈ উন্নিত কৰিছে মনোমুগ্ধকৰ অন্যতম ওখ থাপৰ উপন্যাস।
—এল, এন ঠাকুৰ এণ্ড কোম্পানী, যোৰহাট। পৃষ্ঠা ১৬৬, মূল্য ৪.৫০ পইচা।

১৭২। গদাধৰ দাস **শিলীৰ চকুলো** (সামাজিক উপন্যাস) প্ৰথম প্ৰকাশ ১৯৭০
—শৰ্ম্মা বুক ষ্টল,, বৰপেটা ৰোড, মূল্য ৩.০০টকা পৃষ্ঠা ১১১।

১৭৩। গণেশ গোস্বামী— **সোণতৰা**
উপদেয় কাহিনী, সুন্দৰ সংলাপ, আৰু বাস্তৱ পৰিবেশ সৃষ্টিয়ে 'সোণতৰা' ৰসঘন কৰি তুলিছে।

১৭৪। চন্দ্ৰপ্ৰসাদ শইকীয়া— **এদিন** প্ৰথম প্ৰকাশ, জুলাই ১৯৬৯
বঙালী লিখক শ্ৰীগোপাল হালদাৰৰ বিখ্যাত উপন্যাস 'একদা'ৰ কলা-কৌশল সজ্ঞানে গ্ৰহণ কৰি শইকীয়াই এম্‌, এ পঢ়ি থাকোতেই ৰচনা কৰা 'এদিন' ধাৰাবাহিক ৰূপে ১৯৫১ চনতেই 'ৰামধেনু'ত প্ৰকাশ পাইছিল।
—উদয়ন, গুৱাহাটী ৩, পৰিবেশক - লয়াৰ্চ বুক ষ্টল, গুৱাহাটী—১। পৃষ্ঠা ১৪০, দাম ৪.০০ টকা

১৭৫। চিদানন্দ শইকীয়া— **ৰঙা সুৰুযৰ ৰেঙণি** প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৭০
মৰি ধনশিৰীৰ পাৰৰ আওহতীয়া অসমীয়া গাওঁ এখনিৰ পটভূমিত প্ৰদীপ কুলীৰ দৰে ডেকা-গাভৰুৰ জীৱন জীৱনলগা সঁচা মানুহৰ জীৱন কাহিনীৰ সঁচা অথচ মিঠা উপন্যাস। ইয়াত আছে সুস্থ মানৱতাৰ জয়, প্ৰতিক্ৰিয়াশীলৰ বিৰুদ্ধে প্ৰগতিৰ জয়।
—মিত্ৰ এজেন্সি এণ্ড কোং তিনিচুকীয়া পৃষ্ঠা ৯৪, মূল্য ৩.৫০ পইচা

১৭৯। টলষ্টয় লিউ, অনুবাদক—মুস্তাফিজুৰ ৰহমান **আনাকাৰেনিনা** প্ৰথম প্ৰকাশ ১৯৭০

টলষ্টয়ৰ অমৰ সাহিত্যৰাজিৰ অনুবাদ পৃথিৱীৰ প্ৰায় সকলো ভাষাতেই হৈছে। অসমীয়া ভাষাত তেখেতৰ অমৰ উপন্যাস আনাকাৰেনিনা অনুবাদ কৰি অসমীয়া সাহিত্য কাননৰ মালীসকলক নতুন চিন্তা, নতুন প্ৰেৰণা যোগান ধৰিছে।

—কামাখ্যা বুক ষ্টল, কলেজ হোষ্টেল ৰোড, গুৱাহাটী ১ পৃষ্ঠা ১৪৯, মূল্য ৩'৫০

১৮০। জেমচ্ হিল্টন, অনুবাদক—তৰুণচন্দ্ৰ বৰুৱা **হেৰোৱা দিগন্ত** প্ৰথম প্ৰকাশ, এপ্ৰিল ১৯৬৯

পৃথিৱীৰ খ্যাতনামা ঔপন্যাসিক জেমচ্ হিল্টনৰ অনুকৰণীয় ভাষা, প্ৰকাশ ভঙ্গীৰ মাধুৰ্য্যেৰে ভৰা উপন্যাস Lost Horizon অৰ সহজ অসমীয়া অনুবাদ।

—দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ২২১, দাম ৪' ০০টকা

১৮১। ডিম্বেশ্বৰ বৰা— **শিৰৰ সেন্দুৰ** প্ৰথম প্ৰকাশ, মে' ১৯৭০

অবিচাৰ, অনাচাৰ, দুৰ্নীতিৰে পৰিপূৰ্ণ আধুনিক সমাজৰ পটভূমিত ৰচিত উপন্যাস। উচ্চ আসন গ্ৰহণ কৰাত প্ৰকৃত প্ৰেম আৰু হৃদয়ৰ মূল্য হ্ৰাস পাই গৈছে।

—বৰুৱা এজেন্সি, পানবজাৰ, গুৱাহাটী—১ পৃষ্ঠা ১০৬, দাম ৩'০০

১৮২। তৰুণ কুমাৰ ভাদুড়ী, অনুবাদক খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা **কোমল গান্ধাৰ** প্ৰথম প্ৰকাশ ১৯৭০

ভাদুড়ীৰ 'কত ব্যথা'ৰ অসমীয়া ৰূপ। অপ্ৰকাশ কামনাৰ, 'কব নোৱাৰা' ইচ্ছাৰ কাহিনীৰে ভাদুড়ীৰ নিজস্ব ৰচনা শৈলীৰে সমুজ্জল—মধুৰ প্ৰেমৰ শোকাবহ কাহিনী।

—লয়াৰ্চ বুক ষ্টল, গুৱাহাটী—১ পৃষ্ঠা ৮৫, দাম ৩'০০ টকা

১৮৩। তৰুণচন্দ্ৰ ভাদুড়ী, **হিজ্ হাইনেচ্** দ্বিতীয় প্ৰকাশ, ফেব্ৰুৱাৰী ১৯৬৯
অনুবাদক—খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

সিন্ধুৰ পাৰত থিয় হৈ আলেকজেণ্ডাৰে বৈচিত্ৰ্যময় ভাৰতবৰ্ষৰ ওপৰত দৃষ্টি নিৱদ্ধ কৰি মন্তব্য দিছিল—"বিচিত্ৰ এই দেশ"। এই বৈচিত্ৰ্য দেশৰ সকলো দিশতে, সৰ্বত্ৰ বিৰাজ মান.........। ভাদুড়ীৰ 'হিজ হাইনেচ্' গতানুগতিক কাহিনী অথবা কোনো দেশৰ ভৌগলিক সুৰ সম্বলিত বিবৰণীমূলক বৰ্ণনাৰ গ্ৰন্থ নহয়, এয়া ভাৰতবৰ্ষৰ ক্ষয়িষ্ণু এক ৰাজ-শক্তিৰ (মহাৰজা প্ৰবীৰ চন্দ্ৰ ভঞ্জদেওৰ) ক্ৰমাগত বিলীয়মান শক্তিৰ কৰুণ ছবি।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী—১ পৃষ্ঠা ৯৮, মূল্য ৩'০০টকা



১৮৪। তিলক দাস **কেঁচা সোণ যেন** প্ৰথম প্ৰকাশ, এপ্ৰিল ১৯৬৯

ক্ষুদ্ৰ ন্যস্ত স্বাৰ্থ আৰু কুকৰ্ম থুচৰি জন-সমাজৰ স্বৰূপ দৰ্শন কৰাই দাসৰ উদ্দেশ্য, তাতেই ৰাজনীতিৰ ভূতটো দেখি চকু থাব লগা পঢ়ুৱৈৰ আদৰৰ উপন্যাস।

দত্ত বৰুৱা এণ্ড কোং গুৱাহাটী—১ পৃষ্ঠা ১০৩, দাম ২'৫০

১৮৫। দেবেন্দ্ৰনাথ আচাৰ্য্য **অন্য যুগ অন্য পুৰুষ** প্ৰথম প্ৰকাশ, মাৰ্চ, ১৯৭০

আমেৰিকাৰ বৃহৎ ইঞ্জিনিয়াৰিং সন্থাই সোণৰ পদকেৰে সন্মানিত কৰা ইঞ্জিনিয়াৰ আচাৰ্য্যই আজিৰ চহৰীয়া পৰিবেশৰ দ্ৰুত সম্প্ৰসাৰণৰ ফলত আমাৰ গাঁৱলীয়া জীৱন ধাৰাত অঙুল লগা চিত্ৰ, গাঁৱলীয়া হাজাৰ বছৰৰ স্মৃতি, স্বপ্ন, পৰম্পৰা নিঃচিহ্ন হবলৈ উপক্ৰম হোৱা নিখুত বাস্তৱ কাহিনীকেই বান্ধি ৰাখিছে—অন্য যুগ অন্য পুৰুষত।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ মূল্য ৪'৫০ পইচা

১৮৬। দুৰ্গেশ্বৰ বৰঠাকুৰ **গজেন্দ্ৰ উপাখ্যান** প্ৰথম প্ৰকাশ ১৯৬৯

আকাশ বাণী গুৱাহাটী কেন্দ্ৰৰ যোগেদি ধাৰাবাহিকভাৱে দুবাৰকৈ প্ৰচাৰ হোৱা হাস্য ৰসাত্মক 'গজেন্দ্ৰ উপাখ্যান' বাস্তৱ ঘটনাৰ আলমত ৰচনা কৰা বৰঠাকুৰৰ সাৰ্থক উপন্যাস।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ পৃষ্ঠা ৮০ দাম ৩'০০ টকা

১৮৭। ধনচন্দ্ৰ দাস **মাল্লিকা দাস** প্ৰথম প্ৰকাশ, ১৯৬৯

মঞ্চ-সকল পূৰ্ণাঙ্গ সামাজিক চিত্ৰৰ নাটক 'মল্লিকা দাস'ৰ উপন্যাসৰূপ।

জোনালি প্ৰকাশ, উজান বজাৰ, মাণিকচন্দ্ৰ ৰোড্ গুৱাহাটী-১ পৃষ্ঠা ২৮৭, মূল্য ৫'০০ টকা

১৮৮। নবীন বৰুৱা **কটন কলেজ** প্ৰথম প্ৰকাশ, জুলাই ১৯৭০

উঠি অহা এচাম ন- পুৰুষৰ মৌলিক দৃষ্টি ভঙ্গী, অন্তৰ্দৃষ্টি আৰু সাহস সম্পূৰ্ণ নিজস্ব ক'লা-কৌশল বৰুৱাৰ কটন কলেজত বিচাৰি পোৱা যায়।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ পৃষ্ঠা ১৭৬, দাম ৫'০০ টকা

১৮৯। নবীন বৰুৱা **মন অজন্তা** প্ৰথম প্ৰকাশ, আগষ্ট ১৯৬৯

মেঘালীৰ জটিল মনৰ পৰিচয় জানক জটিল জীৱনৰ ৰসাল কাহিনী বিশিষ্ট উপন্যাস; —

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ পৃষ্ঠা ১০০, মূল্য ৩'০০ টকা

১৯০। নবীন বৰুৱা **প্ৰেমিকা** প্ৰথম প্ৰকাশ, ১৯৭০

সম্পূৰ্ণ কাল্পনিক কাহিনী, আত্মবিবৃত্তিমূলক ভাৱে নাৰী-জীৱনৰ মানসিক, সামাজিক, দৈহিক সংঘাত বাস্তৱ বাস্তৱ যেন লগা মধুৰ চৰিত্ৰ চিত্ৰৰ যোগেদি ৰচা উপন্যাস।

মনোৰমা প্ৰকাশ, যোৰহাট—২ পৃষ্ঠা ৭৬, মূল্য ৩·০০ টকা

১৯১। নবীন চন্দ্ৰ ডেকা **মৃগ তৃষ্ণা** প্ৰথম প্ৰকাশ ১৯৭০

আজিৰ মৰু জগতত প্ৰতিফলিত হোৱা অসীম-মানৱ তৃষ্ণাৰ টুকুৰা টুকুৰ ছবি প্ৰতিচ্ছবিয়ে মনৰ ৰূপালী পৰ্দাত পৰি অন্তৰত জগাই তোলা মৃগ তৃষ্ণাৰ বিভিন্ন অনুভূতি।

দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ১৬৪, মূল্য ৫·০০ টকা

১৯২। নগেন চৌধুৰী **নতুন প্ৰেম** প্ৰথম প্ৰকাশ ১৯৬৯

সামাজিক দ্বন্দ্ব, কাহিনীৰ নতুনত্ব থকা এখন উপন্যাস।

বুকলেণ্ড গুৱাহাটী—১ পৃষ্ঠা ৮৪, দাম ৩·০০ টকা

১৯৩। নিৰুপমা বৰগোহাঞি **(ক) হৃদয় এটা নিৰ্জন দ্বীপ** প্ৰথম প্ৰকাশ, আগষ্ট ১৯৭০

পতিৰ প্ৰতিভাৰ বন্তিয়ে ম্লান কৰিব নোৱৰা নাৰী প্ৰতিভাৰ অন্যতম সাক্ষী। সামাজিক জীৱনৰ উপন্যাস।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী- ৩ পৃষ্ঠা ৮০, দাম ৩·০০ টকা

১৯৪। **(খ) অন্তঃ স্ৰোতা** প্ৰথম প্ৰকাশ, ১৯৬৯

শ্ৰীভূমি পাব্লিচিং কোং ৭৯ মহাত্মা গান্ধী ৰোড্ কলিকতা-৯ পৃষ্ঠা ১০৬, মূল্য ৩ টকা

১৯৫। নিৰোদ চৌধুৰী **(ক) স্মৃতি-গন্ধা** প্ৰথম প্ৰকাশ অক্টোবৰ ১৯৬৯

বহুদিন আগতে লিখা গল্পৰ মূল কাহিনীটোকেই বিস্তৃত ৰূপত সজাই পৰাই তোলাত স্মৃতি-গন্ধাৰ সৃষ্টি। কাহিনী ভাগতকৈও চৰিত্ৰ সৃষ্টি, পৰিবেশ ৰচনা, সমাজ সচেতনা পৰিস্ফুট হোৱাটোৱেই চৌধুৰীৰ বৈশিষ্ট্য।

গোস্বামী পাব্লিচিং কোং, গুৱাহাটী—১ পৃষ্ঠা ৯২, মূল্য ২·৫০ পইচা

১৯৬। নিৰোদ চৌধুৰী **(খ) কুকুহা** প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৬৯

পৰস্পৰ বিৰোধী মনোভাবাপন্ন দুটি জীৱনৰ কৰুণ কাহিনীয়েই। কুকুহা (উপন্যাস)

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী—১ পৃষ্ঠা ৮২, মূল্য ৩·০০ টকা



১৯৭। নিৰোদ চৌধুৰী **(গ) পানী** প্ৰথম প্ৰকাশ অক্টোবৰ ১৯৭০

অসমৰ ভয়াবহ বানপানীৰ তাণ্ডৱ নৃত্য আৰু তাৰেই অজুহাতত চলা অবাধ দুৰ্নীতিৰ মন পৰশা কাহিনীত উজলি উঠা 'আল্পনা' নায়িকাৰ মচিব নোৱাৰা সাৰ্থক সৃষ্টি।

মিত্ৰ এজেন্সি এণ্ড কোং, তিনিচুকীয়া পৃষ্ঠ ৮৭, দাম ৩·৫০

১৯৮। নিৰোদ চৌধুৰী **(ঘ) দেৱী (উপন্যাস)** প্ৰথম প্ৰকাশ, ১৯৬৯,

মিত্ৰ এজেন্সি এণ্ড কোং, তিনিচুকীয়া পৃষ্ঠা ৮১, মূল্য ৩·৫০ পইচা

১৯৯। নিৰোদ চৌধুৰী **(ঘ) বনহংস (উপন্যাস)** প্ৰথম প্ৰকাশ ১৯৬৯

মনোৰমা প্ৰকাশ, যোৰহাট—২ পৃষ্ঠা ৯০ দাম ৩·৫০

১৯৯। নিৰোদ চৌধুৰী **(চ) কালহীৰা (উপন্যাস)** প্ৰথম প্ৰকাশ, ১৯৬৯ এপ্ৰিল

গ্ৰন্থপীঠ, পান বজাৰ, গুৱাহাটী—১ পৃষ্ঠা ৯০, দাম ৩·০০

২০০। নীলিমা দত্ত **(৪২) শৈল শিখৰ (উপন্যাস)** প্ৰথম প্ৰকাশ, ১৯৬৯

বাণী প্ৰকাশ, পান বজাৰ, গুৱাহাটী—১ পৃষ্ঠা ৭৭ মূল্য ২·৫০ পইচা

২০১। পদ্ম বৰা **মেঘালী আকাশ** প্ৰথম প্ৰকাশ ১৯৭০

অবিনাশ আৰু মাধবীৰ যৌন আবেদন থকা পৰিবেশৰ পাতনি মেলি সংঘাতময় জীৱনৰ মাজেৰে তৃপ্তিত পৰিসমাপ্তি ঘটোৱা আকৰ্ষণীয় উপন্যাস।

আৰতি বৰা, কাকলি প্ৰকাশ, নগাওঁ পৃষ্ঠা ১১৩, মূল্য ৩·৫০

২০২। পদ্ম বৰকটকী **(ক) নতুন প্ৰতীতি** দ্বিতীয় প্ৰকাশ, ১৯৭ এপ্ৰিল

আধুনিক জীৱন সমীক্ষাৰ অন্যতম সমীক্ষক বৰকটকীৰ বলিষ্ঠ অথচ মধুৰ প্ৰবাহী লিখনী নিসৃত-বিভিন্ন সচা কাহিনীৰ দৰে আকৰ্ষণীয়, ডেকা ডেকেৰীৰ সমাদৃত নতুন প্ৰতীতি।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ পৃষ্ঠা ৯৬, দাম ৩·০০ টকা

২০৩। **(খ) জীৱন অৰণী (উপন্যাস)** প্ৰথম প্ৰকাশ, ১৯৬৯

মিত্ৰ এজেন্সি এণ্ড কোং, তিনিচুকীয়া পৃষ্ঠা ৯৫, দাম ৩৫০

২০৪। **গ দুষ্মন্তৰ চুমা (উপন্যাস)** প্ৰথম প্ৰকাশ, মাৰ্চ ১৯৭০

মদাৰ্ণ ষ্টোৰ্চ, নগাওঁ পৃষ্ঠা ৮০, দাম ৩০০ টকা

২০৫। **(ঘ) ইঙ্গিত ইলোৱা** প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৬৯

ইলিয়টে পৃথিবীখনক পতিত মাটি (Waste land) আখ্যা দি নিজক উৰ্ধত ৰাখি সাধাৰণক পুতোৰ দৃষ্টিৰে চোৱাৰ দৰে আজিৰ সমাজতো প্ৰত্যেকজনেই প্ৰায় ব্যক্তিগত বা সমাজগত ভাৱে সমাজ জীৱনৰ পঙ্কিল অংশৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকিও সেইবোৰৰ পৰা আঁতৰত বুলি অস্বীকাৰ কৰি বাস্তৱক উপেক্ষা কৰে, তাৰেই পৰিচয় আছে বৰকটকীৰ সমাজজীৱন সমীক্ষাৰ স্বাক্ষৰ—'ইঙ্গিত ইলোৱাত।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ পৃষ্ঠা ১২৭, দাম ৩৫০ পইচা

২০৬। বঙ্কিম চেটাৰ্জী **কমলাকান্তৰ দপ্তৰ** অনুবাদক—ভূপেন্দ্ৰ চন্দ্ৰ নাথ

বঙালী কথা সাহিত্যত ন-যুগৰ সূচনা কৰোতা স্বনাম ধন্য প্ৰতিভাশালী লিখক বঙ্কিম চেটাৰ্জীৰ বিখ্যাত গ্ৰন্থৰ অসমীয়া অনুবাদ

পৃষ্ঠা ১০৬, দাম ২'৫০

২০৭। বনমালী দাস **প্ৰথম প্ৰতিশ্ৰুতি** প্ৰথম প্ৰকাশ

কৰুণ সামাজিক জীৱনৰ আলেখ্য।

দত্ত বৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ২০১, দাম ৫'০০ টকা

২০৮। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য **প্ৰতিপদ**

স্বাধীনতাৰ পূৰ্বৰ যুগৰ সামাজিক অৱস্থা আৰু পৰিবেশৰ পটভূমিত সমূহীয়া কাৰ্য্য, সাধাৰণ ঘটনা, সেই বোৰৰ সেমেকা ৰূপ অথচ উত্তেজনা, যতি আৰু গতি—এই সকলোবোৰৰ মাজেদি মানুহৰ জীৱনৰ ছন্দ ধ্বনিয়েই ফুটি উঠিছে, মানুহৰ মুক্তি কামনাও প্ৰতিফলিত হৈছে। অপ্ৰকাশিত প্ৰাণৰ বেদনাই মুক্ত প্ৰকাশৰ আৱন্তণী প্ৰতিপদ।

সাহিত্য প্ৰকাশ, গুৱাহাটী—৩ পৃষ্ঠা ৩০৫, দাম ৮'০০ টকা

১০৯। মিখাইল চোলোকোভ **আৰু বয় ডন** অনুবাদক বন্ত ওক্কা

নবেল বঁটা বিজয়ী চোলোকোভৰ অমৰ উপন্যাস 'টিখি ডন' বা 'And Quite Flows the Don'ৰ অসমীয়া অনুবাদ

শ্ৰীভূমি পাব্লিচিং কোং, ৭৯ মহাত্মা গান্ধী ৰ'ড, কলিকতা ৯ পৃষ্ঠা ২০৪ মূল্য ৪'৫০

২১০। মৃণালিনী দেৱী **অঞ্জনা** প্ৰথম প্ৰকাশ ১৯৭০

জনপ্ৰিয় সামাজিক উপন্যাস।

অথৰ্চ বুক ষ্টল, যোৰহাট : গুৱাহাটী পৃষ্ঠা ২০৫, মূল্য ৫'৯৫

২১১। যামিনী ফুকন **বিজুলী** প্ৰথম প্ৰকাশ ১৯৭০

সঁচা সঁচা লগা অথচ কল্পনাৰ ৰহন সানি অঁকা সূৰ্য্যকান্ত-বিজুলীৰ মধুৰ কাহিনী।

ফেন্সি বুক হাউচ, ঢেকিয়াজুলি, দৰং পৃষ্ঠা ৯৬, দাম ৩'৫০

২১২। যোগেশ দাস **ছাঁ জুই থেদি**

গীতি কবি ৺পাৰ্ব্বতী প্ৰসাদ বৰুৱাই দুৱণিৰ মহাজীৱনৰ বস্তিৰ পোহৰ লক্ষ্য কৰাৰ দৰে প্ৰখ্যাত কথা শিল্পী দাসে মানৱ জীৱনৰ প্ৰাত্যহিক মেৰ জালত বন্দী হৈ প্ৰকৃত অপ্ৰকৃত বিচাৰ জ্ঞান হেৰুৱাই পগলাদিয়াৰ বলীয়া সোঁতত উটি গোৱা ৰহস্যময় জীৱনৰ আটি বিচাৰি ফুৰিছে—ঐহিক কাহিনীৰ মাজেদি।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ পৃষ্ঠা ১০৩ দাম ৩'০০ টকা

২১৩। যোগেশ দাস **উৎকণ্ঠ উপকণ্ঠ ( উপন্যাস)** প্ৰথম প্ৰকাশ ১৯৭০

ষ্টুডেন্ট'চ ফ'ৰাম, শিল পুখুৰী গুৱাহাটী—৩

২১৪। ৰবাৰ্ট লুই ষ্টিভেনচন **অমূল্য ৰত্নৰ দ্বীপ** (Treasure Island) অনুবাদিকা প্ৰবীণা শইকীয়া

প্ৰথম প্ৰকাশ, ১৯৬৯

ৰোমহৰ্ষক, দুৰ্ধৰ্ষ কাহিনী থকা পুথিখনিৰ সহজ সৰল অসমীয়া অনুবাদ।

উদয়ন, গুৱাহাটী—২ পৃষ্ঠা ২২৮ মূল্য ৫'০০ টকা

পৰিবেশক দত্তবৰুৱা এণ্ড কোং গুৱাহাটী—১



২১৫। ৰমা বেজবৰুৱা **নাৰীৰ মন** প্ৰথম প্ৰকাশ, ১৯৬৯

মিত্ৰ এজেন্সি এণ্ড কোং তিনিচুকীয়া পৃষ্ঠা ৯০ দাম ৩'৫০

২১৬। ৰাধিকা মোহন ভাগৱতী **ৰক্তজৱা** প্ৰথম প্ৰকাশ আগষ্ট, ১৯৭০

সম্পূৰ্ণ নতুন পটভূমিত ভাগৱতীয়ে ৰক্তজৱা অঙ্কুৰিত কৰি দুসাধ্যও সাধন কৰিছে। অসমৰ কামাখ্যা তন্ত্ৰ পুৰীৰ, তান্ত্ৰিক ধৰ্মৰ জটিল পটভূমিত পোন প্ৰথমে ভাগৱতীয়ে ৰক্তজৱা লিখি অসমীয়া পঢ়ুৱৈ সমাজক তান্ত্ৰিক শাখাৰ লগত পৰিচয় কৰি দিছে।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ পৃষ্ঠা ১০৭ দাম ৩'৫০ পইচা

২১৭। লক্ষ্মীনন্দন বৰা **বলুকাত বিজুলী** প্ৰথম প্ৰকাশ ১৯৬৯

মিত্ৰ এজেন্সি এণ্ড কোং গুৱাহাটী—১ পৃষ্ঠা ৯১ দাম ৩'৫০

২১৮। লক্ষ্মীকান্ত মহন্ত **(৬০) জীৱনৰ জোনাক বিচাৰি** প্ৰথম প্ৰকাশ মাৰ্চ ১৯৬৯

গোস্বামী পাব্লিচিং এণ্ড কোং গুৱাহাটী—১ পৃষ্ঠা ১১২ দাম ৩'৫০

২১৯। লক্ষ্মীকান্ত মহন্ত **জীৱনৰ মোহ** প্ৰথম প্ৰকাশ, ১৯৬৯

অ'ৰিয়েণ্টেল বুক কোং, গুৱাহাটী—১ পৃষ্ঠা ২১১, মূল্য ৪'০০ টকা

২২০। লক্ষ্মীনন্দন বৰা **উত্তৰ পুৰুষ** প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৭০

সৰ্বাধুনিক জীৱন সোঁতৰ পটভূমিত ৰচিত সৰ্বাধুনিক উপন্যাস। যৌৱনৰ উৎসাহ, উদ্ভ্ৰান্তি, কৌতূহল প্ৰৌঢ়ত্বৰ আকাংক্ষা, বাৰ্দ্ধক্যৰ অনুতাপ, অনুশোচনা, কল্পনাভৰা জীৱনৰ চিকিমিকি বিজুলী আৰু বহুতো……।

মিত্ৰ এজেন্সি এণ্ড কোং, তিনিচুকীয়া পৃষ্ঠা ৭৫, দাম ৩'৫০

২২১। শ্যামাচৰণ দাস **বিভিন্ন পথ** প্ৰথম প্ৰকাশ, ১৯৭০

আজিৰ বস্তুৰ ডেকা-জীৱনৰ ৰসময় আলেখ্য।

দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ১২৮ দাম ৩'৫০

২২২। সৰলাবালা দেৱী **বামধেনু** প্ৰথম প্ৰকাশ, ১৯৭০

বামধেনুৰ অন্তৰাত্মা 'কমলা'ই ৰাজিবৰ স্মৃতি বহন কৰি থাকিলেও স্বামীৰূপে পালে দিলীপক পুত্ৰৰূপে পালে প্ৰদীপ, দীপক আৰু কন্যাৰত্ন কল্পনাক। ঘটনাৰ বা'-মাৰলিত সকলোবোৰ চৰিত্ৰ উটি যায়।

সৰ্বেশ্বৰ শৰ্ম্মা, বাহুলী পাৰা চাহ বাগিচা, দৰং পৃষ্ঠা ১৫৫, দাম ৪'০০

২২৩। সুৰেন্দ্ৰকুমাৰ দাস **(ক) অশান্ত মনৰ অবুজ বেদনা** দ্বিতীয় প্ৰকাশ, ১৯৭০

এজন গাৱলীয়া হোজা লোকৰ ল'ৰা এটিয়ে সংস্কাৰৰ দ্বাৰা বশীভূত কৰি সমাজৰ আৱৰ্জনাবোৰ দূৰ কৰিবলৈ প্ৰয়াস কৰা, আত্মস্বাৰ্থ বলি দি ঘৰ আৰু সমাজৰ বাবে নিজক এৰি দিয়া ৰস মধুৰ কাহিনী বিশেষ।

কেম্ব্ৰি বুক হাউচ, ঢেকিয়াজুলি পৃষ্ঠা ৭৪, মূল্য ৩'০০ টকা

২২৪। (খ) বিষ্ট মুক্ত প্ৰথম প্ৰকাশ, ১৯৭০

এখন পৰিয়ালৰ আৱৰ্তনিৰ পৰা কেৰোণ লগা উপন্যাস।

উষা প্ৰকাশ ঘৰ, বৰ্ডিয়া পৃষ্ঠা ৬১, মূল্য ২'৫০ পইচা

২২৫। সুদৰ্শন **জোনাকীৰ জ্বলে হিয়া** প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৬৯

গ্ৰন্থ পীঠ, পানবজাৰ, গুৱাহাটী-১ পৃষ্ঠা ১৯৮, মূল্য ৪'৫০ পইচা

২২৬। সুৰেশ গোস্বামী **ভণ্ডাগঢ়া**

মানুহৰ মানসিক জগত এক ভয়াবহ জগত। জীৱনটোৰ তাড়োন মহা ভয়ঙ্কৰ, অথচ গঢ়ন ৰহস্যময়। অসমীয়া সাহিত্যত মনোবিশ্লেষণৰ সফল প্ৰয়োগকাৰী গোস্বামীৰ ভণ্ডাগঢ়া হ'ল এক অফুৰন্ত উৎস। আমাৰ গাওঁ, নগৰ, চাহ বাগিচাকেই কেন্দ্ৰ কৰি লিখা উপন্যাস।

অথৰ্চ বুক ষ্টল, যোৰহাট/গুৱাহাটী মূল্য ৬'০০ টকা

২২৬। সুৰেশ গোস্বামী **ৰহস্যময় ভয়ঙ্কৰ**

ৰহস্যঘন অদ্ভুত অগ্নিগৰ্ভৰ কাহিনী মূল্য ৩'০০ টকা

অথৰ্চ বুক ষ্টল, যোৰহাট/গুৱাহাটী

২২৮। সুৰেশ গোস্বামী **মোহন-মধুনা** প্ৰথম প্ৰকাশ, ১৯৭০

গোস্বামীৰ পৈণত হাতেৰে কল্পনাৰ ৰহন সানি ৰূপ দিয়া এহাল দুখীয়া ডেকা-গাভৰুৰ জীয়া তেজৰ সচা কাহিনীৰ মনোস্পৰ্শকৰ আলেখ্য।

অথৰ্চ বুক ষ্টল যোৰহাট ঃ গুৱাহাটী পৃষ্ঠা ১৫৩, দাম ৪'৫০ পইচা

২২৯। হিতেশ ডেকা **আচল মানুহ** তৃতীয় প্ৰকাশ, ১৯৬৯

আজিৰ ক্ৰমে পৰিবৰ্ত্তিত হব ধৰা সামাজিক পৰিবেশৰ মাজত ধৰ্ম, সমাজ, নীতি জ্ঞানৰ ব্যভিচাৰ, ন দৃষ্টিকোন, নতুন ব্যাখ্যাৰ প্ৰতি সজাগ হৈ ডেকাই বিপ্লবমুখী ভৱিষ্যত সমাজৰ চিত্ৰ প্ৰাপ্ত বয়স্ক সকলৰ কাৰণে অঙ্কণ কৰিছে। ডেকা অণুসন্ধিৎসু প্ৰাণৰ 'আচল মানুহ'।

নিউ বুক ষ্টল, গুৱাহাটী—১ পৃষ্ঠা ৩৩৭, মূল্য ৬'০০ টকা

২৩০। **(খ) জীৱন সংঘাত (প্ৰথম খণ্ড)** প্ৰথম প্ৰকাশ, আগষ্ট ১৯৭০

গ্ৰন্থপীঠ পানবজাৰ গুৱাহাটী—১ পৃষ্ঠা ১৫৫ মূল্য ৪'৫০

২৩১। হৰেশ কুমাৰ ভূঞা **অনেক পুতলাৰ ভিৰ** প্ৰথম প্ৰকাশ

প্ৰহৰীত প্ৰকাশ হোৱা গুৱাহাটী অনাতাৰত নাট্য ৰূপত প্ৰচৰিত অনেক পুতলাৰ ভিৰ ভূঞাৰ উপন্যাস সাহিত্যত প্ৰথম পদক্ষেপ।

দত্ত বৰুৱা এণ্ড কোং, গুৱাহাটী—১ পৃষ্ঠা ১০২ দাম ৩'৫০

২৩২। হোমেন বৰ গোহাঞি **কুশীলৱ** প্ৰথম প্ৰকাশ, মাৰ্চ ১৯৭০

চিন্তাশীল বিপ্লবী হোমেন বৰ গোহাঞিৰ বলিষ্ঠ লিখনি নিসৃত সমাজ ৰাজনীতিৰ বাস্তৱ চৰিত্ৰ আৰু ঘটনাৰ মণি গঁথা 'কুশীলৱ' অন্যতম উপন্যাস।

গুৱাহাটী বুক ষ্টল, গুৱাহাটী—৩ পৃষ্ঠা ১৪২, মূল্য ৪'০০ টকা

# অসম সাহিত্য সভাৰ প্ৰকাশনসমূহ

| নাম | মূল্য |
|---|---|
| ১। বিংশ শতাব্দীৰ অসমীয়া সাহিত্য | ৮.০০ |
| ২। মফিজুদ্দিন আহমদ হাজৰিকাৰ ৰচনাৱলী | ৫.০০ |
| ৩। অকণোদইৰ ধলফাট | ২.৫০ |
| ৪। আনন্দৰাম ঢেকিয়ালফুকনৰ অসমীয়া ভাষা | ১.০০ |
| ৫। ৰজনীকান্ত বৰদলৈ ৰচনামালা | ৮.০০ |
| ৬। বেজবৰুৱাৰ 'প্ৰবন্ধ বাছনি' | ৭.০০ |
| ৭। বেজবৰুৱাৰ ৰিলিজিয়ন্ অব লভ এণ্ড ডিভচন্ | ৩.০০ |
| ৮। বেজবৰুৱাৰ পত্ৰলেখা | ৭.০০ |
| ৯। বেজবৰুৱাৰ দিনলেখা | ৪.০০ |
| ১০। বেজবৰুৱাৰ চিত্ৰলেখা | ৬.০০ |
| ১১। বেজবৰুৱাৰ বাণী | .৫০ |
| ১২। প্ৰমথনাথ চক্ৰবৰ্ত্তী | ১.০০ |
| ১৩। বিশ্বনাথ ৰাজবংশী | ১.০০ |
| ১৪। ৰঘুনাথ চৌধুৰী স্মৃতিগ্ৰন্থ | ৪.০০ |
| ১৫। নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪.০০ |
| ১৬। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ৭.০০ |
| ১৭। আমাৰ লক্ষ্মীনাথ ( শিশু জীৱনী ) | ১.৫০ |
| ১৮। লক্ষ্মীনাথ বেজবৰুৱা ( হিন্দী ) | .৫০ |
| ১৯। সাহিত্যৰথী বেজবৰুৱা ( ইংৰাজী ) | ৫০ |
| ২০। সাহিত্যৰথী বেজবৰুৱা ( ইংৰাজী ) | .৫০ |
| ২১। বেজবৰুৱা প্ৰতিভা | ৫.০০ |
| ২২। চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিভা | ৬.০০ |
| ২৩। ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৫.০০ |
| ২৪। সীমান্তৰ সন্ধেদ | ৩.০০ |
| ২৫। দি আউট লুক অন নেফা | ৪.০০ |
| ২৬। আচামিজ লেংগুৱেজ কুৱেচন | ১.০০ |
| ২৭। অসমৰ জনজাতি | ১০.০০ |
| ২৮। চাহবাগিচাৰ অসমীয়া | ১.০০ |
| ২৯। বিশাখদত্তৰ মুদ্ৰাৰাক্ষস | ৩.০০ |
| ৩০। ৰাজশেখৰৰ কৰ্পূৰমঞ্জৰী | ৩.০০ |
| ৩১। বিশ্বনাথৰ সাহিত্য দৰ্পণ | ১২.০০ |

| নাম | মূল্য |
|---|---|
| ৩২। শূদ্ৰকৰ মৃচ্ছকটিকা | ৫.০০ |
| ৩৩। আচামিজ ফৰ অল ( স্বয় শিক্ষক ) | ২.০০ |
| ৩৪। আপকি অসমীয়া ( স্বয়ং শিক্ষক ) | ২.০০ |
| ৩৫। আনটাঙ্গাৰী অচমীয়াক' কিয়ানী | ২.০০ |
| ৩৬। অসমীয়া লা-বাবো-লেন ( স্বয়ং শিক্ষক ) | ২.০০ |
| অসমীয়া ছিকাই-হি ( স্বয়ং শিক্ষক ) | ২.০০ |
| ৩৭। নীলাচল পাঠ ( আও নগা ভাষা শিক্ষা ) | ১.০০ |
| ৩৮। অসমৰ জনজাতীয় সাধু | ৬.০০ |
| ৩৯। অসম সাহিত্য সভাৰ ভাষণাৱলী ( ৩য় ভাগ ) | ৭.০০ |
| ৪০। অসম সাহিত্য সভা বাৰ্ষিকী ২৯ শ গোৱালপাৰা সন্মিলন | ৩.০০ |
| ৪১। অসম সাহিত্য সভা বাৰ্ষিকী ৩০ শ নাজিৰা সন্মিলন | ৩.০০ |
| ৪২। অসম সাহিত্য সভা বাৰ্ষিকী ৩১ শ ডিগবৈ সন্মিলন | ৩.০০ |
| ৪৩। অসম সাহিত্য সভা বাৰ্ষিকী ৩২ শ নলবাৰী সন্মিলন | ৩.০০ |
| ৪৪। অসম সাহিত্য সভা বাৰ্ষিকী ৩৩ শ উত্তৰ লক্ষীমপুৰ সন্মিলন | ৩.০০ |
| ৪৫। অসম সাহিত্য সভা বাৰ্ষিকী ৩৪ শ ডিব্ৰুগড় সন্মিলন | ৩.০০ |
| ৪৬। অসম সাহিত্য সভা বাৰ্ষিকী ৩৫ শ তেজপুৰ সন্মিলন | ৩.০০ |
| ৪৭। অসম সাহিত্য সভা বাৰ্ষিকী ৩৬ শ বৰপেটা সন্মিলন | ৩.০০ |
| ৪৮। অসম সাহিত্য সভা বাৰ্ষিকী ৩৭ শ ধিং সন্মিলন | ৩.০০ |
| ৪৯। অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ | ১.০০ |
| ৫০। অসম সাহিত্য সভাৰ পৰিচিতি | ১.০০ |
| ৫১। হেমচন্দ্ৰ গোস্বামী সম্পাদিত—কথা গীতা | ৩.৫০ |
| ৫২। শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২.০০ |
| ৫৩। পবিত্ৰ অসম | ১৫.০০ |

প্ৰাপ্তিস্থান : ১। অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-১

২। অসম সাহিত্য সভা
ভগৱতী প্ৰসাদ বৰুৱা ভৱন।
গুৱাহাটী-১

বেটুপাত ছপা : অন্নদা প্ৰিণ্টিং হাউচ, যোৰহাট-১